


বিশ্বাস-থেৰাপি

# প্ৰান্তিক


৫ম বছৰ ১৮শ সংখ্যা ১৬—৩১ আগষ্ট '৮৬

অসমৰ প্ৰাথমিক বিদ্যালয়ত সূৰ্যোদয়

## সোৱণশিৰী বান্ধ প্ৰকল্প • ব্ৰহ্মপুত্ৰ বনাম বৰাক



OKDISCD



'নৰমৰ' উপহাৰ ক্ৰমবৃদ্ধিমান উপহাৰ

চিলড্ৰেনচ গিফ্ট গ্ৰোথ ফাণ্ড ১৯৮৬

এই বিনিয়োগ ১২ গুণলৈ বৃদ্ধি হয়–লগতে প্ৰতি ৫ বছৰত বোনাচ লভ্যাংশ

এইটোয়েই সেই বিনিয়োগ যাৰ বাবে আপুনি অপেক্ষাকৃত।

লৰা ছোৱালীৰ বাবে ১৯৮৬-ৰ ক্ৰমবৃদ্ধি উপহাৰ এটা তেনে ধৰণৰেই আৰ্চনি যি প্ৰকৃততে প্ৰকাশ কৰে আপোনাৰ অতি মৰমৰ লৰা ছোৱালীক কিমান মৰম কৰে আৰু সিহঁতৰ বাবে আপুনি কিমান উদ্বিগ্ন।

এই আচনিত শতকৰা ১২.৫ ভাগ লভ্যাংশ নিশ্চিত, যি প্ৰত্যেক বছৰে আকৌ নিজে নিজেই পুনঃ জমা হৈ যায়। আৰু প্ৰত্যেক পাচ বছৰৰ শেষত এটা বিশেষ ওপৰঞ্চি লভ্যাংশ পাব। যাৰ অৰ্থ এয়ে যে–আপোনাৰ উপহাৰ ৬ বছৰত দুগুণ আৰু ২১ বছৰত ১২ গুণ হয়গৈ।

আন গঠনসমূহঃ

যি কোনো বয়সস্থ–মাকদেউতাক, কুটুম্ব বা শুভাকাঙ্ক্ষী–১৫ বছৰৰ সৰু যি কোনো সন্তানৰ বাবে এই উপহাৰ প্ৰয়োগ কৰিব পাৰে। বয়সৰ সত্যতা প্ৰমাণ কৰাৰ একো প্ৰয়োজনেই নাই।

সন্তানৰ ২১ বছৰ বয়সত এই উপহাৰ পৰিপক্ক হয়। ১৮ বছৰ বয়সত উঠাই লোৱাৰ এটা ইচ্ছাধীন দিয়া হয়। তেতিয়ালৈ কোনেও মুলধন বা লভ্যাংশৰ টকাত হাত দিব নোৱাৰে।

১৯৮৬ চনৰ বিত্ত আইনমতে উপহাৰ কৰৰ ৰেহাইৰ মাত্ৰা ২০,০০০ টকালৈকে বঢ়োৱা হৈছে।

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া

(এটা পাবলিক চেক্টৰ অৰ্থ সংস্থা)

আঞ্চলিক অফিচ
২ এণ্ড ৪, ফেয়াৰলি প্লেচ, কলিকাতা–৭০০ ০০১
ফোনঃ ২৩-৯৩৯১, ২৩-১৬৩৮

শাখা অফিচ
আশা নিভাচ, ২৪৬ লোউইচ ৰোড, ভুবনেশ্বৰ ৭৫১ ০১৪
ফোনঃ ৫৬১৪১
পি ডি চলিহা ৰোড, শিলপুখুৰী, গুৱাহাটি–৭৮১ ০০৩
ফোনঃ ২৩১৩১
জীৱন দীপ বিল্ডিং, একজিবিচন ৰোড, পাটনা ৮০৩ ০০১
ফোনঃ ২২৪৭০

Sista's-UTI-056 ASM



# প্ৰান্তিক

৫ম বছৰ ১৮শ সংখ্যা ১৬—৩১ আগষ্ট '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

"আমি সাধাৰণতে কওঁ— উত্তৰ-পূব অঞ্চলৰ প্ৰাকৃতিক ঐশ্বৰ্য অফুৰন্ত। আচলতে আমাৰ তথাকথিত ঐশ্বৰ্য এনে ধৰণৰ, আৰু এইবোৰ এনেভাৱে সিচঁৰতি হৈ আছে যে তাক আহৰণ কৰাৰ পদ্ধতি আৰু শিল্পতত্ত্ব আজিও আৱিষ্কৃত হোৱা নাই। সাগৰৰ পাৰত বহি সমুদ্ৰ তলিত থকা মুকুতাৰ ভাণ্ডাৰক লৈ গৌৰৱ কৰা, আৰু উত্তৰ-পূব অঞ্চলৰ পাহাৰ, নদী, জলাশয় আদিৰ মাজত লুকাই থকা প্ৰাকৃতিক ঐশ্বৰ্যৰ কথা কৈ গৌৰৱ কৰাও একে শ্ৰেণীৰ কথা।"

**অসমৰ অৰ্থনৈতিক ব্যৱস্থা ঃ এটা পৰ্যালোচনা**
**প্ৰফুল্ল চন্দ্ৰ বৰুৱা**

"অসমত আই. আই. টি. স্থাপনৰ দ্বাৰা পৰোক্ষভাৱে অসমীয়া মানুহৰ উপকাৰ বহু হ'ব; কিন্তু প্ৰত্যক্ষভাৱে হব পৰা উপকাৰসমূহ বৰ লেখত লব লগা হয় নে নহয়, সেইটো নিৰ্ভৰ কৰিব অসমীয়া মানুহ, অসম চৰকাৰ আৰু অসমীয়া ছাত্ৰ-শিক্ষকৰ কৰ্ম-পদ্ধতিৰ ওপৰত।"

**অসমৰ প্ৰস্তাৱিত আই. আই. টি. ঃ চিন্তা আৰু দুশ্চিন্তা**
**অচিন্ত্য নয়ন বেজবৰুৱা**

**অসমীয়া ভাওনাৰ স্বৰূপ**
জয়কান্ত গন্ধীয়া

মুঠতে বাইছ হাজাৰ টকা খৰচ কৰি ফিলিপাইনছত "ব্লাড কলেষ্টৰেল" সম্পৰ্কীয় ৰোগৰ চিকিৎসা কৰোৱাই উভতি অহাৰ পাছত ৰোগীয়ে কয়ঃ "এঃ! মোৰ দেখোন সকলো ভেলকি-বাজি যেনহে লাগিল!" ইফালে ডাক্তৰে বিজ্ঞাপন-পুস্তিকাত ঘোষণা কৰেঃ Come to Baguio City, Philippines and… return to your home healthy and happy as before… !

**ফিলিপাইনছৰ চিকিৎসা ঃ অস্ত্ৰোপচাৰ নে ভেলকি বাজি ?**
**হৰিদেৱ মহন্ত**

## এই সংখ্যাত

প্ৰায় প্ৰতিটো ৰাতিপুৱাই এটা নহয় এটা হিংসাত্মক ঘটনাৰ বতৰা কঢ়িয়াই অনা পঞ্জাবৰ বাবে আজি শান্তি যেন সুদূৰ-পৰাহত। ৰাজ্যখনৰ প্ৰায়বোৰ গাঁও-চহৰৰ সাধাৰণ ৰাইজে প্ৰতি মুহূৰ্তত উগ্ৰপন্থীৰ হিংসাত্মক কাৰ্যকলাপৰ ভাবুকিৰ মাজত দিন নিয়াব লগীয়া হৈছে।

পঞ্জাবৰ বৰ্তমান অৱস্থা সম্পৰ্কত **ইমৰান হুছেইনৰ** প্ৰবন্ধ ঃ **পঞ্জাব শান্ত হ'ব নে?** ।১৫।

অসমৰ জীৱন-মৰণৰ সমস্যাৰ সময়ত বৰাকবাসীৰ ভূমিকাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰহভাগ মানুহকে কাছাৰৰ বিচ্ছেদকৰণ নিৰ্বিবাদে গ্ৰহণ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত কৰি আনিছে। তেনেকথা বৰাকবাসীৰ নিজৰ বাবে কিমান লাভজনক হ'ব সেইটো চিন্তাৰ বিষয়। …কাছাৰৰ পৃথকীকৰণ হ'লে তাত থকা পুৰণি খিলঞ্জীয়া মানুহখিনিতকৈ বহুগুণে বেছি অসুবিধা হ'ব বৰাক উপত্যকাৰ বাঙালীসকলৰ আৰু তেনে কথাৰ কিছু প্ৰভাৱ ব্ৰহ্মপুত্ৰ উপত্যকাতো স্বাভাৱিকতে দেখা দিব।

ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মানুহখিনিৰ মাজত দেখা দি অহা বিৰোধ-বিসম্বাদ সম্পৰ্কত **ভুবন বৰুৱাৰ** পৰ্যালোচনা ঃ **ব্ৰহ্মপুত্ৰ বনাম বৰাক** ।২০।

অৰুণাচল প্ৰদেশৰ বিৰোধিতাৰ বাবেই সোৱণশিৰী বান্ধ প্ৰকল্পটো কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বৰ্তমান অনিশ্চয়তাই দেখা দিছে। কিন্তু ভৱিষ্যতৰ বিদ্যুতৰ অভাৱৰ কথা চিন্তা কৰি যদি সোৱণশিৰী বান্ধ প্ৰকল্পটো নিৰ্মাণ কৰা হয়, তেন্তে ইয়াৰপৰাই ৪,৮০০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন কৰিব পৰা হ'ব।

এই সম্পৰ্কত **দিলীপ কুমাৰ মহন্তৰ** তথ্য সমৃদ্ধ প্ৰবন্ধ ঃ **সোৱণশিৰী বান্ধ প্ৰকল্প** ।২৬।


পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৬। ধ্বনি-প্ৰতিধ্বনি ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শ্ৰেষ্ঠ ছাত্ৰজন ।১১। বিশ্বাস-থেৰাপি ।১২। পঞ্জাব শান্ত হ'বনে ।১৫। বৰ্ণ বৰহাৰৰ বাৰংবাৰতা ।১৭। ব্ৰহ্মপুত্ৰ বনাম বৰাক ।২০। প্ৰাথমিক বিদ্যালয়ত সূৰ্যোদয় ।২৪। সোৱণশিৰী বান্ধ প্ৰকল্প ।২৬। উপন্যাস ।৩৭। গল্প ।৪১। কবিতা ।৪৭। দৈনন্দিন ।৪৮। সোৱঁৰণ ।৪৯। কলা-সংস্কৃতি ।৫০। ক্ৰীড়াংগন ।৫২। শেষ পৃষ্ঠা ।৫৮।



**মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন
অংগসজ্জা দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

*Prantik* Vol V No. 18 16—31 August '86

The Assamese Fortnightly, P.O. Silpukhuri, Guwahati—781003 Phone : 28731


OKDISCO

## আজিৰ চিন্তা

প্ৰান্তিকৰ এটি সংখ্যাত "নাগৰিকৰ মতামত" শীৰ্ষক শিতানত এনেধৰণৰ এটি বাক্য আছিল— "অসমীয়া মানুহৰ উদ্যম ধানখেৰৰ জুইৰ দৰে"। কথাটো কিমান দূৰ সত্য পোনভাৱে কৈ দিয়া টান, কিন্তু এই কথাৰ গইনা লৈয়ে এই চিঠিখন লিখিলো। যোৱা নিৰ্বাচনত অসম গণ পৰিষদ দলক ভোট দিয়াৰ বাহিৰে এই পত্ৰলেখক কোনো ৰাজনৈতিক দলৰ লগত কোনোভাৱে জড়িত নহয়।

অসমলৈ বিদেশী নাগৰিকৰ অনুপ্ৰবেশৰ সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা। এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা বুলি পতিয়ন নিয়াবলৈ গৈ অসমৰ ৰাইজে তথা ছাত্ৰ-ছাত্ৰীয়ে মূল্যবান ছুটা বছৰ, ছশৰো অধিকৰ প্ৰাণ হেৰুৱাব লগা হ'ল! ৰাষ্ট্ৰীয় সমস্যা এটাৰ বাবে বিশ্বৰ কোনো ছাত্ৰ সমাজ ছটা বছৰে নিৰ্যাতিত হোৱাৰ নজীৰ সম্ভৱ নাই।

যোৱা ছ বছৰত অসমীয়া ৰাইজৰ ওপৰত চলা অত্যাচাৰ, বিদ্ৰূপ অতিক্ৰমি, অসমৰ ৰাইজে যোৱা ডিচেম্বৰ মাহত সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰি এটি নতুন ৰাজনৈতিক দলৰ হাতত অসমৰ শাসনৰ বাঘজৰী তুলি দিলে। ৬০ মাহৰ বাবে নিৰ্বাচিত উক্ত দলটোৰ চৰকাৰে মাত্ৰ ৭ মাহহে শেষ কৰিলে; ইতিমধ্যে উক্ত দলৰ চৰকাৰৰ ওপৰত বোকা পানী ছটিউৱা কাম আৰম্ভ হৈ গ'ল। যোৱা সাতটা মাহত গণ পৰিষদ চৰকাৰে কি কাম কৰিছে, তাক বিশেষভাৱে উল্লেখ নকৰিলেও, তলত কথাখিনি অনস্বীকাৰ্য।

(১) অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃত হৈছে। ত্ৰিপুৰাত জনজাতীয় লোকসকলৰ দৰে অসমীয়া লোকৰ অৱস্থা যে নহয় সেইটো নিশ্চিত হৈছে।

(২) স্কুলৰ শিক্ষকৰ পদ ১৫,০০০ টকাত বিধায়কে বিক্ৰি কৰা পৰিবেশ নাই।

(৩) যিকোনো সংগঠনে সভা-সমিতি পতাৰ সুবিধা পাইছে।

(৪) অসমীয়া ভাষাৰ মৰ্যাদাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

(৫) প্ৰশাসনিক দুৰ্নীতি বহু পৰিমাণে কমিছে।

(৬) পুলিছৰ অত্যাচাৰৰ অৱসান হৈছে।

(৭) গুৰুত্বপূৰ্ণ পদবিলাক অসমীয়া লোকৰ দ্বাৰা পূৰণ কৰা হৈছে।

(৮) সবাতোকৈ গুৰুত্বপূৰ্ণ, কথা —অত্যাচাৰ, উৎপীড়ন আৰু ভয়াৰ্ত পৰিবেশৰ পৰা অসমীয়া ৰাইজ মুক্ত হৈছে।

তথাপি, ৰাইজৰ একাংশক গণ পৰিষদ চৰকাৰৰ বিৰুদ্ধে নি নিজৰ হাত কৰিবলৈ ৰাজনৈতিক দল কিছুমানে চেষ্টা কৰি আছে। চৰকাৰ যি দলৰে নহওক, সমালোচনাৰ সন্মুখীন হ'বই; ই এক গণতান্ত্ৰিক প্ৰক্ৰিয়া; পূৰ্বৰ চৰকাৰে এই প্ৰক্ৰিয়াটো প্ৰায় স্তব্ধ কৰি পেলাইছিল। চৰকাৰৰ কাম-কাজ কিছু ক্ষেত্ৰত নিখুঁত নহ'বও পাৰে, কিন্তু তাৰ মানে এইটো নহয় যে, অসমৰ ৰাইজে বৰ্তমানৰ চৰকাৰক বাদ দি অইন এটা দলক আন পাঁচোটাদলৰ সৈতে চৰকাৰ পাতিবলৈ দিব। এইটো দবা-কইনাৰ খেল নেকি?

তুলীয়াজানৰ পৰা বাৰাউনিলৈ (এছিয়াৰ দীৰ্ঘতম পাইপ লাইন) অসমৰ পনীয়া সোণ খাৰুৱা তেল পঠাবলৈ কোন দলৰ চৰকাৰে অনুমতি দিছিল? পশ্চিমবংগত কোনো ঠাইত তেল ওলালে সেই তেল পাইপেৰে নি উৰিষ্যাত শোধনাগাৰ পাতিবলৈ পশ্চিমবংগৰ চৰকাৰে অনুমতি দিবনে?

গণ পৰিষদ চৰকাৰে ভাষানীতিৰ ক্ষেত্ৰত আপোচ নকৰাটোকে অসমৰ ৰাইজে বিচাৰে। বাধ্যিক ভাষা শিকাত কিয় আপত্তি, কিহৰ বাবে আপত্তি, এনে ধৰণৰ কথাবোৰ ঐতিহাসিক দৃষ্টিভংগীৰে চাই, অসমলৈ বাংলাদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজন যে বন্ধ কৰাটো অতীব প্ৰয়োজনীয় সেইটো স্পষ্ট হৈ পৰিছে।

এইখিনিতে এটা কথা উল্লেখযোগ্য। যোৱা নিৰ্বাচনত অসম গণ পৰিষদ চালুকীয়া অৱস্থাৰ দল হোৱা বাবে আৰু সময়ৰ অভাৱৰ বাবে, কিছুমান সমষ্টিত যোগ্য লোকে দলীয় মনোনয়ন নাপালে। আশাকৰোঁ, পৰবৰ্তী নিৰ্বাচনত এইবোৰৰ শুধৰণী হ'ব। অসমৰ মন্ত্ৰী-বিধায়কসকললৈ আমাৰ অনুৰোধঃ মাত্ৰ পাঁচটা বছৰৰ বাবে আমি তেওঁলোকক দিছপুৰলৈ পঠোৱা নাই। নিজস্ব ব্যক্তিত্ব আৰু কৰ্মদক্ষতা প্ৰকাশ কৰিলে মই ভাবোঁ পৰবৰ্তী নিৰ্বাচনত তেওঁলোকে নিৰ্বাচনী প্ৰচাৰ নকৰিলেও হ'ব।

ই-কংগ্ৰেছ দলৰ লোকসকললৈও আমাৰ অনুৰোধঃ কথা কৈ সময় নষ্ট কৰাতকৈ, অসমৰ ৰাইজৰ হৈ মাত মতাৰ বাবে চেষ্টা কৰক। এতিয়াও সময় উকলি যোৱা নাই। গণতান্ত্ৰিক পদ্ধতি আমি বিশ্বাস কৰোঁ, এইবাবে ই-কংগ্ৰেছ দল ক্ষমতাত থাকোঁতে অসমীয়া ৰাইজক "আচামী" বনোৱা সত্ত্বেও আমি এতিয়াও তেওঁলোকৰ অস্তিত্ব স্বীকাৰ কৰোঁ,— দলীয় ৰাজনীতি গণতান্ত্ৰিক পদ্ধতিৰ এক বিশেষ উপাদান হোৱা বাবে। পুনৰ এই দলে যদি অসম আৰু অসমীয়াৰ ক্ষতি সাধন কৰে, তেনেহলে মই ভাবোঁ, তেওঁলোকৰ দল বিলুপ্ত হ'বলৈ বেছি দিন নালাগিব।

—শিশিৰ কুমাৰ দাস,
গুৱাহাটী

---

### ইঞ্জিনিয়াৰ বেকাৰ

অসমত আন প্ৰদেশৰ তুলনাত কম হলেও তিনিখন ইঞ্জিনীয়াৰিং কলেজ আছে। তাৰপৰা প্ৰতি বছৰে মুঠ ৪৫০ জনমান ছাত্ৰই পাছ কৰি ওলায়। যোৱা বছৰৰ আগলৈকে অসমত ইঞ্জিনিয়াৰ নিযুক্তিৰ বাবে কোনো অসুবিধা হোৱা নাছিল. কিন্তু যোৱা বছৰৰপৰা অসমত ইঞ্জিনিয়াৰ নিবমুৱাত পৰিণত হ'ল। ১৯৮৪ চনত পাছ কৰা বিদ্যুৎ বিভাগৰ ছাত্ৰৰ বাদে বাকীবোৰৰ নিযুক্তি হ'ল। ১৯৮৫ চনত যোৰহাট আৰু গুৱাহাটীৰপৰা পাছ কৰা ছাত্ৰৰ এজনো অসম চৰকাৰৰ চাকৰিত নিযুক্ত হোৱা নাই। তাতে ১৯৮৫-১৯৮৬ চনৰ যোৰহাটৰপৰাও তিনিটা বিভাগত (ছিভিল, যান্ত্ৰিক, বৈদ্যুতিক) মুঠ ১৮০ জনে পাছ কৰিলে। গুৱাহাটীৰ পৰাও জুলাই মাহমানত এটা দলে পাছ কৰিব। এনেকৈ দলে দলে প্ৰতি বছৰে পাছ কৰি থাকিব। কিন্তু আগৰ দলবোৰৰ নিযুক্তি নহলে তলৰ দলবোৰে কি আশা কৰি পৰীক্ষা দিব?

আগতে ইঞ্জিনিয়াৰক 3 (f) বিধি অনুসৰি চাকৰি দিয়া হৈছিল। এতিয়া সেইটো বন্ধ কৰাৰ ফলত ইঞ্জিনিয়াৰিং পাছ কৰি প্ৰায় এবছৰ বহিব লগীয়া হৈছে। আৰু যে কিমান দিন বহিব লাগিব তাৰ নিশ্চয়তা নাই।

—তপন কুমাৰ চৌধুৰী, (ইঞ্জিনিয়াৰ)

---

### মদ

মদ ভাঙৰ বিষয়ে লিখা চিঠি দুখন (১।৪।৮৬) আমাৰ চকুত পৰিছে। সঁচাকৈয়ে এই বিষয়ে বিশেষভাৱে ভাবিবৰ সময় হ'ল। বৰ্তমান মদে আমাৰ সমাজক ৰাহুকৈয়ে গ্ৰাস কৰিছে। মদৰ প্ৰচলন বৰ্তমান যি ধৰণে বৃদ্ধি পাইছে সি দৰাচলতে চিন্তাৰ বিষয় হৈছে। বিশেষকৈ যুৱক সমাজত ইয়াৰ জনপ্ৰিয়তা উদ্বেগজনক। বহুতো শিক্ষিত যুৱকক মদে তিলতিলকৈ ধ্বংসৰ পথলৈ আগবঢ়াই নিছে। বিবাহ, সবাহ আদি উৎসৱত মদ নহলে যেন নচলেই, এনে এটা কুৎসিত ধাৰণা আজিৰ বহুত যুৱকৰে আছে। ইয়াৰ ফলত বিবাহ-ভাওনা আদিত সঘনে মাৰপিটৰ ঘটনাৰে অশ্লীল পৰিবেশৰ সৃষ্টি হবলৈ ধৰিছে। এনেধৰণৰ অপ্ৰীতিকৰ ঘটনাই বিবাহ-উৎসৱ আদিৰ দৰে শুভ-কাৰ্যতো বিঘিনি ঘটাইছে। বিহুৰ দৰে জাতীয় উৎসৱতো আজিৰ ডেকাচামৰ লগতে বহুতো চেঙেলীয়া ল'ৰাই মদ খাই ফুৰ্তি (মাতলামী) কৰাটো এটা চখ হিচাপে লৈছে। এনেধৰণৰ কাণ্ডই আমাৰ সাংস্কৃতিক জীৱনতো ৰাহুকৈয়ে কঁপনি তুলিছে। বৰ্তমান অসমৰ সৰু-বৰ প্ৰায় সকলো নগৰে ৰাতি মদাহীৰ স্বৰ্গ হৈ পৰিছে। মদ নিবাৰণত নিয়োজিত আৰক্ষী বাহিনীৰ লোকেও এই ক্ষেত্ৰত হাত উজান দিয়াৰো কথা আমি প্ৰত্যেকেই জানো। গাঁওবোৰতো প্ৰায়ে ৰাতি মদাহীৰ মাতলামীৰ প্ৰকোপ বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। মদৰ প্ৰচলন আজি আমাৰ সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত বন্ধ কৰিবলৈ চেষ্টা কৰিবই লাগিব। ইয়াৰ বাবে প্ৰয়োজন চৰকাৰ আৰু সমাজৰ সমূহীয়া প্ৰচেষ্টা। এই ক্ষেত্ৰত এচাম চিন্তাশীল ব্যক্তিৰ প্ৰচেষ্টা বিশেষভাৱে প্ৰয়োজনীয়।

— উৎপল বৰা,
অন্ধ্ৰপ্ৰদেশ কৃষি বিশ্ববিদ্যালয়,
ৰাজেন্দ্ৰ নগৰ হায়দৰাবাদ-৩০

---

### অসম কেশৰী উপাধি

শ্ৰীগোবিন্দ দাসৰ চিঠিখন (১৫।৮৬) পঢ়ি এই চিঠিখন লিখিলো।

শ্ৰীদাসে প্ৰশ্ন কৰিছে— 'অসম কেশৰী' উপাধি প্ৰথমে কোনে, কেতিয়া কিয় দিলে? এই সম্পৰ্কে যোৱা ১৭ জানুৱাৰী তাৰিখে যোৰহাটৰপৰা প্ৰকাশিত সাপ্তাহিক 'জনমভূমি' কাকতৰ বিশেষ ৰায়চৌধুৰী স্মৃতি সংখ্যাত "অসম কেশৰী" উপাধি আৰু এজন জীৱনীকাৰ' নামৰ প্ৰবন্ধত এই বিষয়ে লিখিছো। একেদৰেই বৰপেটাৰ শতবাৰ্ষিকী উদযাপন সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থতো এই বিষয়ে লিখিছোঁ।

আমি পোৱা তথ্য অনুসৰি শ্ৰীদাসক জনাওঁ যে অম্বিকাগিৰী ৰায়চৌধুৰীক অসম কেশৰী উপাধি প্ৰথমতে প্ৰদান কৰে বৰ্তমান নিৰৱ হৈ থকা, ত্ৰিছৰ দশকৰ এজন প্ৰখ্যাত অসমীয়া কবি তথা ৰায়চৌধুৰীদেৱৰ অতি বিশ্বাসী আৰু আগশাৰীৰ অনুগামী শ্ৰীযুত দীনবন্ধু তালুকদাৰে। সেই সময়ত তেখেতক "অসমৰ বাইৰন" বুলি কোৱা হৈছিল। এখেতেই ১৯৪১ চনত ৰায়চৌধুৰীদেৱৰ কাম কাজৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হৈ এখনি জীৱনী ছপা কৰি উলিয়ায়। জীৱনীখনৰ নাম ৰখা হয় 'অসম কেশৰী অম্বিকাগিৰী'। এইখনেই ৰায়চৌধুৰীৰ প্ৰথম জীৱনী। শ্ৰীতালুকদাৰে বাধ্য হৈ ৰায়চৌধুৰীদেৱক প্ৰুফ কপিটো চাবলৈ দিছিল। তেওঁক পাণ্ডুলিপি দেখুউৱা নাছিল এইকাৰণেই যে — ৰায়চৌধুৰীদেৱে বহুকথা কাটি দিব পাৰে আনহাতে কিতাপৰ নামটোও তেওঁ অপছন্দ কৰিব পাৰে। সেই সময়ছোৱাত ৰায়চৌধুৰীদেৱক 'অসমৰ সিংহ,' 'অসমৰ হিটলাৰ' আদি উপাধিৰেহে জনা গৈছিল। প্ৰুফ চাই উঠি ৰায়চৌধুৰীয়ে শ্ৰীতালুকদাৰক মিচিকিয়া হাঁহি এটি মাৰি কৈছিল,— "মোকতো বৰ ডাঙৰ কৰি দিলি। পাছে কিতাপৰ নাম কি দিবা খুজ্ছা?" যেতিয়া শ্ৰীতালুকদাৰে কলে, অসম কেশৰী অম্বিকাগিৰী নাম দিব খোজা বুলি, তেখেতে কিছু সময় মনে মনে থাকি কৈ উঠিল,— "যি ভাল দেখ্ছা কৰ। মাৰ্লিও মাৰ্বো, কিলোলিও তোকহে কিলোবো।" কিতাপ বিক্ৰি কৰি পোৱা ধনখিনি আৰু কিতাপবোৰ সংৰক্ষণী সভাত দান দিয়া হৈছিল। এই বছৰ পুনৰ এই কিতাপখন ছপা হৈ ওলাইছে। প্ৰথম প্ৰকাশৰ বিক্ৰিও শেষ হৈছিল কম সময়তে। শ্ৰীতালুকদাৰক যেতিয়া মই নিজে সুধিছিলো তেতিয়া তেখেতে কৈছিল,— "মই জনাত এই উপাধি অইনে কোনোৱে দিয়া নাছিল। অসম সিংহ, অসম হিটলাৰ আদি উপাধি যেন তেওঁৰ নামৰ লগত খাপ খোৱা নাছিল। মই যেতিয়া জীৱনীখন লিখোঁ, তেতিয়া মনৰপৰা এক অদম্য শক্তি পাইছিলো। আপোনা-আপুনি মোৰ কাপৰপৰা অসম কেশৰী শব্দ ছুটা ওলায়। এই উপাধিয়ে ৰায়চৌধুৰী দেৱৰ জ্যোতি চৰাব বুলি ভাবি প্ৰয়োগ কৰিলো। সঁচাকৈয়ে তেওঁ এই উপাধিৰেহে জিলিকি উঠিল। আজি মই নিৰৱে আনন্দত চকুলো টুকিছোঁ—মোৰ গুৰুজনক আজি অসমৰ ৰাইজৰ মাজত এক বিশেষ উপাধিৰে চিনাকি কৰি দিবলৈ পাই। অসমীয়া ৰাইজে তেওঁক আজিহে চিনি পালে! তেওঁৰ আত্মাই শান্তি পাওক।"

শ্ৰীদাসে উল্লেখ কৰা সুন্দৰীদিয়াৰ বিশিষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষক সমাজকৰ্মী শ্ৰীযুত কৰুণাকান্ত দাস শ্ৰীতালুকদাৰৰ দৰেই ৰায়চৌধুৰীৰ এজন অতি বিশ্বাসী আৰু আগশাৰীৰ অনুগামী। শ্ৰীতালুকদাৰ মাজভাগতে ৰায়চৌধুৰীৰ সংশ্ৰৱৰপৰা ব্যৱসায়িক কাৰণত আঁতৰি পৰিল; কিন্তু শ্ৰীদাসদেৱ ৰায়চৌধুৰীৰ জীৱনৰ শেষ মুহূৰ্তলৈকে আৰু বৰ্তমানো বিশেষ অনুগামী হৈ থাকিল। শ্ৰীযুত দাসদেৱে যদি এই উপাধি দিছিলো, তাৰ কথা জনা নাযায়। আনহাতে এই কথা শ্ৰীযুতদাসে ঘুণাক্ষৰেও আমাক জানিবলৈ দিয়া নাই।

—কৰুণা দত্ত,
বৰপেটা, (গণককুছি)

---

### ডিব্ৰুগড় ঃ তেতিয়া আৰু এতিয়া

শ্ৰীশাৰংগধৰ ৰাজখোৱাৰ "ডিব্ৰুগড়ঃ তেতিয়া আৰু এতিয়া" প্ৰবন্ধটো (১৬।৬।৮৬, ১৬।৬।৮৬) পঢ়ি ভাল পালো। আৰু বহু পুৰণি কথা মনলৈ আহিছে। কিন্তু, কিছু কথা বোধকৰো তেখেতে পাহৰি ভুল কৰিছে। তেখেতে প্ৰথম খণ্ডত সেইদিনৰ কলিকাতা যাত্ৰাৰ কথা লিখিছে। মই ১৯৪১ চনৰ পূজাৰ বন্ধৰ আগলৈকে আৰু ১৯৪৪ চনৰপৰা ১৯৪৯ চনলৈকে একেৰাহে কলিকতাত পঢ়িছিলো। এই সময়ছোৱাত গড়ে বছৰত দুবাৰকৈ ধৰিলেও (বছেৰেকীয়া পৰীক্ষাৰ পাছত আৰু পূজাৰ বন্ধত ৫।৬ বছৰত অন্ততঃ ১২ বাৰ ডিব্ৰুগড়ৰপৰা কলিকাতা অভিমুখে D.S.R., A.B.R. আৰু E.B.R. ৰেলেৰে কলিকতাৰ শিয়ালদহ ৰেলষ্টেছনলৈ অহা যোৱা কৰিছিলোঁ। তেখেতে লিখামতে আমিনগাঁৱৰপৰা অহা E.B.R. চান্তাহাৰত সলনি কৰিব লগীয়া নহৈছিল। আমিনগাঁৱৰ পৰা ৰাতি প্ৰায় সাতমান বজাত এৰা E. B. R. খুব পুৱাতে মিটাৰ গজৰ লালমণিহাট নামৰ ডাঙৰ ৰেল ষ্টেছন পাইছিল; আৰু দিনৰ ৮।৯ মান বজাত পাৰ্বতীপুৰ নামৰ এটা ডাঙৰ ৰেল জংছন পাইছিল। তাৰপৰা দাৰ্জিলিঙৰ যাত্ৰীসকলে শিলিগুৰি অভিমুখে দাৰ্জিলিং মেইলত উঠিছিল। কলিকাতাৰ যাত্ৰী সকলে এই জংছনত মিটাৰগেজ ৰেল সলনি কৰি শিয়ালদহ অভিমুখে যোৱা ব্ৰডগেজ ৰেলত উঠিছিল। ব্ৰডগেজৰ বাটত চাৰাব্ৰিজ নামৰ বৰ ডাঙৰ দলং পোৱা গৈছিল। ঈশ্বৰদি, চান্তাহাৰ, ৰাণাঘাট আদি সৰু-ডাঙৰ বহু ৰেলষ্টেছন এই ব্ৰডগেজ লাইনত আছিল। পাৰ্বতীপুৰৰ পৰা শিয়ালদহ পাবলৈ ৭।৮ ঘণ্টা লাগিছিল; অৰ্থাৎ দিনৰ ২।৩ বজাত শিয়ালদহ পাইছিলগৈ। শুনিছোঁ চাৰাব্ৰিজ তৈয়াৰ হোৱাৰ আগতে একালত আমিনগাঁৱৰ দৰে ফেৰিত পাৰ হৈ গংগা নদীৰ সিপাৰে এটা ৰেল ষ্টেছনত উঠিব লগীয়া হৈছিল। শ্ৰীৰাজখোৱাই লিখামতে আমি কোনোবাৰেই চান্তাহাৰত ৰেল সলনি কৰিব লগীয়া নহৈছিল। কলিকাতা-যাত্ৰীয়ে পাৰ্বতীপুৰতহে ৰেল সলনি কৰিছিল। বৰ্তমান এই ৰেল জংছন আৰু ষ্টেছনবোৰ বাংলাদেশৰ অন্তৰ্ভুক্ত।

শ্ৰীৰাজখোৱাই লিখিছে ৰায়বাহাদুৰ সদানন্দ দুৱৰাৰ পাছত শক্তিপদ পাত্ৰ চৰকাৰী উকীল হয়। পঞ্চাছ বছৰৰ অধিক কাল ডিব্ৰুগড়ত ওকালতি কৰি থকা আৰু কেইবাবছৰ পূৰ্বে সোণালী জয়ন্তীৰ সম্বৰ্ধনা পোৱা শ্ৰীগিৰিজা ভূষণ ৰায়চৌধুৰীয়ে এতিয়াও সবল আৰু সুস্থভাৱে ওকালতি কৰি আছে। তেখেতক সুধি জানিব পাৰিলো, —শক্তিপদ পাত্ৰ কেতিয়াও ডিব্ৰুগড়ৰ চৰকাৰী উকীল নাছিল আৰু তেখেতৰ মতে সদানন্দ দুৱৰাৰ সময়ত পাত্ৰ সহকাৰী চৰকাৰী উকীলহে আছিল। মই নিজে ১৯৪৯ চনৰপৰা এতিয়ালৈকে ডিব্ৰুগড় কাছাৰিত ওকালতি কৰি আছোঁ। প্ৰথমতে যেতিয়া ওকালতি আৰম্ভ কৰোঁ, তেতিয়া শ্ৰীপাৰ্বতী কুমাৰ গোস্বামী চৰকাৰী উকীল আছিল। ১৯৫১ নে ৫২ চনত এই কামৰ পৰা তেখেতে অৱসৰ লোৱাত বিদ্যাধৰ শৰ্মা বৰুৱা চৰকাৰী উকীল হয় আৰু ১৯৫৭ নে ৫৮ চনত তেখেত দণ্ডসত্ৰ ন্যায়াধীশ হিচাপে যোৰহাটলৈ যোৱাতহে পুষ্পকান্ত বৰকটকী চৰকাৰী উকীল হৈছিল। শ্ৰীৰাজখোৱাই লিখামতে সদানন্দ দুৱৰা আৰু শক্তিপদ পাত্ৰৰ পাছত পুষ্প বৰকটকী চৰকাৰী উকীল হোৱা নাছিল।

তেখেতে লিখিছে,—ডিব্ৰুগড় পৌৰ সভাৰ প্ৰথম চেয়াৰমেন ডাক্তৰ উমেশ মুখাৰ্জী। ১৯৬৮ চনৰ ১১ মাৰ্চত ডিব্ৰুগড় পৌৰ সভাৰ নতুন মিউনিছিপেল হলটো মুকলি কৰা উপলক্ষে প্ৰাক্তন পৌৰপতি আৰু উপ পৌৰপতিসকলৰ আলোকচিত্ৰবোৰ উন্মোচন কৰা উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হৈছিল। সেইখন মই এতিয়াও সযতনে ৰাখিছোঁ। সেইখনৰ ৪ নং পৃষ্ঠামতে ১৯১২ চনলৈকে তেতিয়াৰ অবিভক্ত লক্ষীমপুৰ জিলাৰ (বৰ্তমান ডিব্ৰুগড়) ইংৰাজ উপায়ুক্তই পদেন (ex officio) পৌৰপতি আছিল। বিখ্যাত সাংবাদিক ৰাধানাথ চাংকাকতী আদিৰ চেষ্টাত ৰায়বাহাদুৰ পৰশুৰাম খাউণ্ড (দেশভক্ত তৰুণৰাম ফুকনৰ শহুৰেক) ১৯১২ চনৰ ১১ এপ্ৰিলৰ দিনা ডিব্ৰুগড়ৰ প্ৰথম বেচৰকাৰী পৌৰপতি নিৰ্বাচিত হৈছিল। তেখেত এগৰাকী উচ্চপদস্থ চৰকাৰী বিষয়া (এ. ছি. এছ. ডি. অ') আছিল।

পৰশুৰাম খাউণ্ডৰ পুত্ৰ, মুখ্য নিৰ্বাচনী বিষয়া স্বৰূপে অৱসৰ গ্ৰহণ কৰা ৰবীন্দ্ৰৰাম খাউণ্ডো ডিব্ৰুগড় পৌৰসভাৰ সদস্য আছিল।

পৰশুৰাম খাউণ্ডৰ পাছত একাদিক্ৰমে ৰাধানাথ চাংকাকতী, ফৈজনুৰ আলি, ৰায়বাহাদুৰ নীলাম্বৰ দত্ত, আৰু ডাক্তৰ উমেশ মুখাৰ্জী ডিব্ৰুগড়ৰ পৌৰপতি হয়। সেই হিচাপত ডাক্তৰ উমেশ মুখাৰ্জী পঞ্চম পৌৰপতি। শ্ৰীৰাজখোৱাই লিখামতে প্ৰথম নহয়। আৰু উক্ত স্মৃতিগ্ৰন্থ মতে তেখেতৰ কাৰ্যকাল ১০।৮।১৯২৫ তাৰিখৰ পৰা ২০।৭।১৯২৮ তাৰিখলৈকে আছিল।

—খগেন্দ্ৰ নাৰায়ণ চৌধুৰী,
অধিবক্তা, ডিব্ৰুগড়

### দুই

"ডিব্ৰুগড়ঃ তেতিয়া আৰু এতিয়া" শীৰ্ষক প্ৰবন্ধত (১৬।৬।৮৬) সেই কালৰ ডিব্ৰুগড়ৰ প্ৰখ্যাত ডাক্তৰসকলৰ ভিতৰত আমাৰ স্বৰ্গীয় পিতৃ ডঃ উমেশ দাসৰ নামো উল্লিখিত হৈছে। কিন্তু তেখেতৰ মৃত্যু প্ৰবন্ধত বৰ্ণিত কাৰণত হোৱা নাছিল। মৃত্যুৰ আগনিশা সাধাৰণতে "মেলিনা" নামেৰে জনা ৰোগত তেখেতৰ ৰক্তক্ষৰণ হয়। পাছদিনা অৱস্থা কিছু স্বাভাৱিক হয়। দুপৰীয়া ৰোগী চাবৰ কাৰণে তেখেতক চহৰৰ বাহিৰলৈ নিবলৈ কিছু লোক আহে। বোধকৰোঁ চিকিৎসক হিচাপে ৰোগীৰ প্ৰতি থকা দায়িত্ব অৱহেলা নকৰিবলৈকে ঘৰৰ হকা-বধা নামানি তেখেত ঘোঁৰাগাড়ীৰে ৰোগী চাবলৈ যায়। উভতি ঘৰ আহি পায়েই তেখেত পুনৰ গুৰুতৰ ৰক্তক্ষৰণত অসুস্থ হৈ পৰে আৰু কিছু সময় পাছতেই তেখেতৰ মৃত্যু হয়। লেখকে উল্লেখ কৰা ডঃ প্ৰভাত দাসৰ (আমাৰ সম্বন্ধীয় খুৰাদেউ) উপৰিও ডঃ ফণী ঘোষ অন্তিম সময়ত উপস্থিত আছিল।

শেষৰফালে তেখেত অৰ্থনৈতিকভাৱে বিপৰ্যস্ত হোৱাটো সঁচা। মাত্ৰ দুটকা ভিজিট লোৱা সত্ত্বেও বিপুল জনপ্ৰিয়তাৰ ফলত তেখেতৰ যথেষ্ট আয় হৈছিল, কিন্তু যথেমথে খৰচ কৰি আৰু বন্ধু-বান্ধৱ আৰু আশ্ৰিতসকলক অকাতৰে দান কৰি পাছত নিজে অনাটনত ভুগিব লগীয়া হৈছিল। এই দুৰৱস্থাৰ আন এটা কাৰণো আছিল। চিকিৎসাৰ উপৰিও ডাঙৰ ব্যৱসায়ত হাত দিবলৈ গৈ তেখেত বিফল হৈছিল আৰু আৰ্থিকভাৱে ভীষণ ক্ষতিগ্ৰস্ত হৈছিল।

—অমূল্য চন্দ্ৰ দাস, অতিৰিক্ত
মুখ্য অভিযন্তা, জলসিঞ্চন বিভাগ
চান্দমাৰী, গুৱাহাটী

---

### অসমী আইৰে মই তোলনীয়া জী

ওপৰৰ কথা ফাঁকি কোনোবা বিখ্যাত লোকে কৈছিলে নে নাই নাজানো, কিন্তু মই এইষাৰ এটি গীতত্তহে পাইছোঁ। আমাৰ সকলোৰে প্ৰিয় গায়িকা শ্ৰীমতী ডলি ঘোষৰ এটি অসমীয়া কেছেটত এই গীতটি বানীবদ্ধ হৈছে। তেখেতে গীতটিৰ মাজেৰে কৈছে— "অসমী আইৰে লালিত-পালিত মই তোলনীয় জী, অসমীৰ সন্মান সদায়েই ৰাখিমেই আৰুনো কম মই কি?" আৰু এঠাইত কৈছে, —"পৃথিৱীখনে যি বলকে বলক, অচীন পথীৰে নলওঁ মই লগ। অসমী আয়ে মোক তুলিছে— পালিছে, কেনেকৈ হওঁ মই পৰ, চেনেহক নেওচা দি।"

এইজনা শিল্পীলৈ মোৰ তৰফৰপৰা জনাইছোঁ সশ্ৰদ্ধ প্ৰণাম আৰু অভিনন্দন।

—চম্পক কুমাৰ দত্ত (সোম),
ডুমুনি চাহ বাগিচা

## চুক্তিৰ এবছৰ

ইতিহাস সৃষ্টি কৰা অসম আন্দোলনৰ সামৰণি পেলোৱা অসম চুক্তিৰ কালি এবছৰ পূৰ হ'ল। আন্দোলনটোৰ মূল দাবী কেইটাৰ লগত চুক্তিখনে দিয়াখিনিৰ সংগতি বিচাৰি উলিওৱা টান হৈছিল যদিও চুক্তিখন মানি লোৱাৰ চৰ্ত হিচাপে বিধান সভা ভাঙি দি নিৰ্বাচন যোগে শাসন ক্ষমতা গ্ৰহণ কৰাৰ সুযোগ উলিয়াই দিয়াত আৰু আন্দোলন পক্ষৰপৰা অসম গণ পৰিষদ দল গঠন কৰি নিৰ্বাচন জয় কৰি চৰকাৰ গঠন কৰাত চুক্তিখন স্বকীয়া তাৎপৰ্যৰে মহিমা মণ্ডিত হৈ পৰে। সেই চুক্তিৰ কালি এবছৰ পূৰ হ'ল। (গণ পৰিষদ চৰকাৰৰ বয়স ২৩৫ দিনহে হৈছে।)

চুক্তিখনৰ যি কেইটা দফা ৰাজ্য চৰকাৰে নিজৰ অধিকাৰ আৰু ক্ষমতাৰেই কাৰ্যকৰী কৰিব পাৰে সেই কেইটা দফাৰ ভিতৰত পৰিছে আন্দোলনৰ সময়ত থকা ৰাজ্য চৰকাৰ কেইটাই অগণতান্ত্ৰিক, অবিধিগত আৰু হিংসাত্মক কাৰ্যব্যৱস্থা লৈ সৃষ্টি কৰা সমস্যাবোৰৰ সমাধান। শ্বহীদৰ পৰিয়ালবোৰলৈ আৰ্থিক সাহায্য দিয়া হৈছে, আন্দোলনৰ সময়ত নিহত আৰু সন্ধানহীনসকলৰ ওচৰ সমন্ধীয় লোকলৈ আৰ্থিক সাহায্য দিয়া হৈছে, চৰকাৰী কৰ্মচাৰীক বৰ্খাস্ত কৰা, নিলম্বিত কৰা আৰু দৰমহা কটাৰ আদেশ উঠাই লোৱা হৈছে, গোচৰসমূহ ক্ষেত্ৰ বিশেষে প্ৰত্যাহাৰ আৰু ক্ষেত্ৰ বিশেষে মীমাংসা কৰা হৈছে, বন্দীসকলক মুক্তি দিয়া হৈছে আৰু চাকৰি প্ৰাৰ্থীৰ বয়সৰ উৰ্ধ্বতম সীমা ছবছৰ বঢ়াই দিয়া হৈছে। সীমান্তত পথ নিৰ্মাণৰ বাবে জৰীপৰ কাম চলাই থকা হৈছে আৰু কাঁইটীয়া তাঁৰৰ বেৰ দিয়া, ন্যায়াধিকৰণ আইনৰ সংশোধন কৰা কেন্দ্ৰীয় আৰু অৰ্ধকেন্দ্ৰীয় কৰ্মচাৰীৰ ক্ষেত্ৰত থকা শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰা, শোধনাগাৰ আৰু আই. টি আৰু কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰৰ লগত যোগাযোগ চলাই থকা হৈছে। তদুপৰি বিদেশী চিনাক্ত কৰণৰ বাবে পঞ্জীয়ন বিষয়া নিয়োগ কৰিবলৈ আৰু কোনো চৰকাৰী চাকৰিয়াল নথকা শ্বহীদ পৰিয়ালৰপৰা অৰ্হতা অনুযায়ী এজনক চাকৰি দিবলৈ সিদ্ধান্ত লোৱা হৈছে। বিদেশী নাগৰিকক হস্তান্তৰ কৰা মাটি উদ্ধাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। শিলঘাটৰ মৰাপাট কলৰ কাম পুনৰ আৰম্ভ কৰা হৈছে আৰু অশোক কাগজ কল পুনৰ আৰম্ভ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। দহ বছৰলৈ ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিব লগা সকলক বিচাৰ কৰিবৰ বাবে ১২ খন ন্যায়াধিকৰণ গঠন কৰা হৈছে। জন্ম মৃত্যুৰ পঞ্জীয়ন ব্যৱস্থা অধিক উন্নত আৰু ফলপ্ৰদ কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু নাগৰিকত্বৰ প্ৰমাণ পত্ৰ কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃপক্ষৰ দ্বাৰাহে প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। চুক্তিখন কাৰ্যকৰী ক্ষেত্ৰত হোৱা কামৰ এই পৰ্যন্ত প্ৰকাশিত খতিয়ান এয়ে।

### তাৎপৰ্য্য ঃ আন্দোলনৰ উন্নততৰ পৰ্য্যায়

চাবলৈ গ'লে, আন্দোলনৰ সময়ত থকা ৰাজ্য চৰকাৰ কেইটাৰ ভুলৰ কিছু শুধৰণিহে এই পৰ্যন্ত হৈছে। আন্দোলনটোৰ উদ্দেশ্যৰ লগত সংগতি থকা প্ৰকৃত কাম আৰম্ভ কৰিবলৈ এতিয়াও বাকী। অৱশ্যে সিদিনা বিধান সভাত অনাস্থা প্ৰস্তাৱৰ বিতৰ্ক কালত গৃহমন্ত্ৰীয়ে ক'বৰ দৰে "গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ মাত্ৰ সাত মাহ হৈছে;— এই চৰকাৰৰ ৰাজনৈতিক জীৱন আৰম্ভ হৈছেহে মাথোন।" তথাপি পৰ্যবেক্ষক মহলে মন কৰিছে যে যদি চুক্তিখনৰ দফা কেইটা কাৰ্যকৰী কৰাতে গণ পৰিষদ চৰকাৰৰ কৰ্তব্য সীমিত হৈ থাকে,— চৰকাৰ গঠন কৰাটোক আন্দোলনৰ এটা উন্নততৰ পৰ্যায় বুলি বিবেচনা কৰি আন্দোলনৰ মূল দাবী কেইটা সম্মুখত লৈ উদ্ভাৱনী কাৰ্য ব্যৱস্থাৰে পদক্ষেপ দিয়া নহয়, তেতিয়াহ'লে গণ পৰিষদ চৰকাৰ গঠনৰ ৰূপত চুক্তিখনে নতুন স্বকীয়া তাৎপৰ্য আৰু একো নাপাব! সেই ক্ষেত্ৰত আন্দোলনটোত কৰা সমস্ত ত্যাগ আৰু কষ্টৰ একমাত্ৰ ফল চুক্তিখনে দিয়াখিনিহে হ'বগৈ।

### 'উদ্দেশ্য সফল'—কি উদ্দেশ্য ?

ই-কংগ্ৰেছে ৰাজ্যৰ গণ পৰিষদ চৰকাৰৰ বাবে কোনো ধৰণৰ অসুবিধা সৃষ্টি কৰিব নালাগে বুলি প্ৰধানমন্ত্ৰীয়ে পৰামৰ্শ দিয়াৰ কথা প্ৰচাৰিত হৈছে যদিও বিধানসভাত অনাস্থা প্ৰস্তাৱ তুলি সেই দলে সকলোকে জনাই দিছে যে তেওঁলোকে যুদ্ধৰ বাবে সৈন্য সঞ্চালন উদ্বোধন কৰিছে। বিধান সভাত মুখ্যমন্ত্ৰী উত্তৰ শুনাৰ পাছত অনাস্থা প্ৰস্তাৱটো ভোটত নিদি 'উদ্দেশ্য সফল' হ'ল বুলি কৈ প্ৰত্যাহাৰ কৰাটো তাৎপৰ্যপূৰ্ণ কথা। বৰাক উপত্যকাত কেন্দ্ৰীয় মন্ত্ৰীৰ গণ পৰিষদ চৰকাৰৰ বিৰুদ্ধে প্ৰৰোচনামূলক ভাষণৰ বাতৰি, নতুন দিল্লীত ই-কংগ্ৰেছ বিধায়িনী দলৰ নেতাই গণ পৰিষদৰ ২০ জন বিধায়ক তেওঁৰ দলৰ কাষ চাপিছিল বুলি কোৱা,— এইবোৰৰ লগতে অনাস্থা প্ৰস্তাৱ তোলা আৰু উঠাই লোৱাৰ ৰাজনীতি একেলগ কৰি চালে ই-কংগ্ৰেছ চুক্তি সম্পন্ন হোৱাৰ দ্বিতীয় বছৰটোত অধিক সক্ৰিয় হৈ উঠিব বুলি ধৰিব পাৰি।

* অসম চৰকাৰে পশ্চিম বংগলৈ 'পাৰ হৈ যোৱা' লোকসকলৰ নাম, ঠিকনা আৰু জাতীয়তা সম্পৰ্কীয় সম্পূৰ্ণ তথ্যপাতি বিচাৰি সেই ৰাজ্যৰ চৰকাৰলৈ আবেদন পঠাইছে।

চৰকাৰী বিজ্ঞপ্তি অনুসৰি উত্তৰ লক্ষীমপুৰৰপৰা আলিপুৰদুৱাৰলৈ প্ৰব্ৰজন ঘটা বুলি পশ্চিম বংগৰ মুখ্য মন্ত্ৰী জ্যোতি বসুৱে বিবৃতি দিয়াৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। কিন্তু এতিয়ালৈকে পশ্চিম বংগ চৰকাৰৰপৰা কোনো তথ্যপাতি পোৱা হোৱা নাই বুলি বিবৃতিটোত কোৱা হৈছে।

### শান্তিৰ গছজোপা মৰিল

ৰাষ্ট্ৰসংঘৰ 'শান্তিৰ গছজোপা' মৰি থাকিল। ক'ষ্টাৰিকাৰপৰা অনা এই ছাইপ্ৰেছ (Cypress) গছৰ পুলিটো মৰা বুলি নিশ্চিত কৰি ৰাষ্ট্ৰসংঘৰ এজন মালীয়ে কয় যে এই পুলিটোক প্ৰকৃততে যথেষ্ট বিৰক্ত কৰা হৈছিল। আনহাতে ৰাষ্ট্ৰসংঘৰ এজন মুখপাত্ৰই এই ঘটনাটোক ৰাজনৈতিক নুবুলি এক উদ্ভিদজাত বিপৰ্যয়হে বোলা উচিত বুলি কয়।

অনেকে পুলিটোৰ মৃত্যুৱে ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় শান্তিবৰ্ষৰ বাবে অন্ধকাৰাচ্ছন্ন ভৱিষ্যতৰ সংকেত বহন কৰিছে বুলি কয়। এই বৰ্ষটোৰ আৰম্ভণিও মধ্য আমেৰিকা, ইৰান-ইৰাক, লেবানন, দক্ষিণ আফ্ৰিকা আদিত যুদ্ধৰ মাজেৰেই হৈছিল।

পুলিটো ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান জেভিয়াৰ পেৰিজ দি কুয়াৰে শান্তিবৰ্ষ আৰু বিশ্ব পাৰিপাৰ্শ্বিকতা দিবসৰ সৈতে ৰজিতা খুৱাই দুমাহৰ আগেয়ে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰুইছিল।

### চতুৰ্থ বিশ্বযুদ্ধৰ বাবে আমেৰিকা প্ৰস্তুত

তৃতীয় বিশ্বযুদ্ধখন পাৰমাণবিক যুদ্ধই হ'ব যদিও আমেৰিকাৰ ৰেগন প্ৰশাসনে চতুৰ্থ বিশ্ব যুদ্ধত যুঁজিবলৈও এখন ৪০ বিলিয়ন ডলাৰৰ আঁচনি কাৰ্যকৰী কৰিবলৈ লৈছে।

ৱাশ্বিংটন প'ষ্টে দিয়া বাতৰি অনুসৰি ৰাছিয়াই ১০০ টা মিছাইল (warhead) ব্যৱহাৰ কৰাৰ ফলত ৭১ নিযুত আমেৰিকানৰ মৃত্যু হ'ব বুলি ধাৰণা কৰা হৈছে যদিও, ৪০ বিলিয়ন ডলাৰৰ আঁচনিখন ব্যাপক হাৰত অধিক যুদ্ধ কৰিব পৰাকৈ হাতত লোৱা হৈছে।

এই আঁচনি অনুসৰি ৰাছিয়াই কেনেবাকৈ প্ৰথমে আক্ৰমণ কৰিলে চৰকাৰী ভৱন, প্ৰতিৰক্ষা কেন্দ্ৰ আদি ধ্বংস হোৱাৰ পাছত বাচি থকা লোকসকলৰ দ্বাৰাই এখন দীঘলীয়া যুদ্ধ চলাব পৰা হ'ব।

আঁচনিমতে ৮০০ নিযুত ডলাৰ ব্যয় কৰি দেশৰ ইমুৰৰপৰা সিমুৰলৈ ১৫০ৰপৰা ২০০ টা মান ৰেডিঅ' টাৱাৰ স্থাপন কৰা হ'ব। ইয়াৰে ৫৬ টা ৰেডিঅ' টাৱাৰ এই বছৰৰ শেষৰ ফালে স্থাপন কৰা হ'ব। বাকীবোৰ পাছত স্থাপন কৰা হ'ব বুলি প'ষ্টৰ বাতৰিটোত কোৱা হৈছে।

মাৰ্কিন সেনা বাহিনীয়েও সেইদেশক চতুৰ্থ বিশ্ব যুদ্ধৰ বাবে প্ৰস্তুত কৰি তুলিবলৈ ইতিমধ্যে ২০ বিলিয়ন ডলাৰ খৰচ কৰিছে।

* কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়সমূহৰ মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশসকলৰ দৰমহা বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ পেনছনৰ সা-সুবিধাকে ধৰি চাকৰিৰ ব্যৱস্থাৱলী উন্নত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

এই সিদ্ধান্ত অনুসৰি ভাৰতৰ মুখ্য ন্যায়াধীশৰ দৰমহা বৰ্তমানৰ ৫,০০০ টকাৰ দুগুণ কৰি ১০,০০০ টকা কৰা হ'ব। সেইদৰে উচ্চ ন্যায়ালয়সমূহৰ মুখ্য ন্যায়াধীশ আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ দৰমহা বৰ্তমানৰ ৪,০০০ টকাৰপৰা ৯,০০০ টকা কৰা হ'ব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলে বৰ্তমানৰ ৩,৫০০ টকাৰ ঠাইত ৮,০০০ টকাকৈ পাব।

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ বাৰ্ষিক পেনছনৰ পৰিমাণো ক্ৰমে বৰ্তমানৰ ২৮,০০০ টকাৰপৰা ৫৪,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

* অহা নৱেম্বৰত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ প্ৰথমটো মহিলা বেটেলিয়ন কামৰ বাবে সাজু হৈ উঠিব। ৰাজ্যসভাত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী শ্ৰীঅৰুণ নেহৰুৱে কৈছে যে বিভিন্ন আন্দোলন আৰু বিক্ষোভত মহিলাৰ যোগদানৰপৰা উদ্ভৱ হোৱা আইন-শৃংখলাৰ পৰিস্থিতি চম্ভালিবলৈ এই বেটেলিয়নক বিশেষভাৱে প্ৰশিক্ষণ দিয়া হৈছে।

* বাংগালোৰত অলপতে এখন বাঘ-উদ্যান মুকলি কৰা হৈছে। এই উদ্যানত মেলি দিয়া প্ৰথমটো বাঘৰ নাম হৈছে লক্ষ্মণ। বন্যপ্ৰাণী সংৰক্ষণ জনপ্ৰিয় কৰি তোলাৰ বাবে খোলা এই উদ্যানত ইতিমধ্যে এটা সিংহশাখাও আছে। আনহাতে জধেমধে বনাঞ্চল ধ্বংস কৰাৰ ফলত থকা ঠাইৰ অভাৱ ঘটাত অসমতে বহু বন্যপ্ৰানীয়ে জনবসতি এলেকাত প্ৰবেশ কৰি সন্ত্ৰাস চলাইছে। শোণিতপুৰৰ চতিয়া অঞ্চলত বনৰীয়া হাতীয়ে অলপতে তিনিজন লোকৰ প্ৰাণনাশ কৰে। ইফালে তেজপুৰৰ উপকণ্ঠত বিদ্যুৎ-প্ৰবাহিত তাঁৰত লাগি এটা নাহৰফুটুকী বাঘ মৃত্যুৰ মুখত পৰে।

* গুৱাহাটীৰপৰা নগাঁও, জখলাবন্ধা, বোকাখাট, যোৰহাট, শিৱসাগৰ আৰু মৰাণ হৈ ডিব্ৰুগড়লৈ ব্ৰডগেজ ৰেলপথ শীঘ্ৰে সম্প্ৰসাৰণ ঘটাব লাগে বুলি লোকসভাত অ. গ. প. সদস্য পৰাগ চলিহাই দাবী তুলিছে।

আনহাতে গুৱাহাটী মহানগৰীৰ বাহিৰেদি ব্ৰডগেজ ৰেলপথ নিৰ্মাণ কৰিলে থলুৱা জনজাতীয় লোকৰ বিস্তৰ ক্ষতি হ'ব বুলি কিছুমান সংগঠনে তোলা দাবীৰ পৰিপ্ৰেক্ষিতত আন এটা সংগঠনে এই কথা উত্থাপন কৰিছে যে সমস্ত পথছোৱাত প্ৰকৃততে কেৱল ৬ বিঘা মাটিহে জনজাতীয়ৰ হাতত আছে। ৰেলপথৰ বাবে চিহ্নিত বাকীখিনি মাটি অনা-অসমীয়া ব্যৱসায়ীৰ হাতত আছে বুলিও সংগঠনটোৱে উল্লেখ কৰিছে।

* বছৰটোৰ ভিতৰতে ছোভিয়েট দেশে আফগানিস্তানৰপৰা তেওঁলোকৰ ছটা সামৰিক গোট উঠাই ল'ব। আফগানিস্তানৰ অভ্যন্তৰীণ সমস্যাত হস্তক্ষেপ কৰি ১৯৭৯ চনৰ ডিছেম্বৰত ৰুছ সেনাবাহিনীয়ে সেই দেশত প্ৰৱেশ কৰিছিল। পছিমীয়া মহলৰ মতে বৰ্তমান আফগানিস্তানত ১,১৫,০০০ ৰুছ সৈন্য আছে।





OKDISCD

### মাৰাডোনাৰ প্ৰতি প্ৰেম ঃ উৎকৰ্ষৰ সমাদৰ মাত্ৰ

"... তেওঁতো মোতকৈ বয়সত বহুত সৰু; তেওঁৰ প্ৰেমত পৰিছোঁ বুলিলেতো মানুহে মোক ছুটা বাজে কথা ক'বলৈও নেৰিব। কিন্তু কি কৰিম, আইনষ্টাইন, ব্ৰেডমেন, চেপলিন, ৰবিশংকৰ, বৰ্গ, লেনন, বৰ ডিলান বা পেলেৰ প্ৰেমত নপৰি জানো কোনোবা মহিলাৰ কিবা উপায় আছে? সত্য কথা ক'বলৈ গ'লে, এই প্ৰেম আচলতে এটা সুউচ্চ উৎকৰ্ষৰ সমাদৰ মাত্ৰ। এই প্ৰেমে (যদি ইয়াক প্ৰেম বুলিব পাৰি) আমাৰ জীৱনৰ কিছু আমনি কমাই দিয়ে। কেকোৰা চুলি, সুগঠিত শৰীৰ, সাপৰ দৰে পিচল ছুটি ভৰি লৈ মাৰাডোনাই (মাৰাডোনাৰ খেলাৰ সমস্ত কৌশল কিমান নেচাৰেল!) কিমান অনায়াসে এঘাৰটা মানুহৰ বেৰখন অতিক্ৰম কৰি যায়! ইংলণ্ডৰ বিৰুদ্ধে তেওঁৰ দ্বিতীয় গ'লটোতো ২৪ কেৰেট সোণৰ গহনাতকৈও বহু বেছি মূল্যবান। সেই ড্ৰিবলিং, শৰীৰৰ সেই হেন্দোলনিৰে দুই-তিনিজনৰ বাধা চেৰাই যেনেকৈ তেওঁ গ'লৰ পিনে আগবাঢ়িল তাৰ মাজত ক'ৰবাত যেন মণিকাৰৰ পৰশ আছে। কিম্বা কবিতাৰ। অথবা নুৰেয়েভৰ নাচৰ লাস্য। মই যদি কওঁ তেওঁ মোৰ প্ৰিয় পুৰুষ, তেনেহলে পাঠক-পাঠিকা সকলোৱে ইতিমধ্যে জানে কিয় তেওঁ মোৰ প্ৰিয় পুৰুষ। পৃথিৱীক কিছু মহৎ ফুটবল উপহাৰ দিছে মাৰাডোনাই। এই মুহূৰ্তত তেৱেঁইতো হিৰ'! আৰু হিৰ' বুলিলেতো তিৰোতা মানুহবোৰ অজ্ঞান। ময়ো সেই ফান্দত পৰিলো নেকি? তেওঁৰ 'মাচো' চেহেৰা আৰু চৰিত্ৰই মোক জয় কৰিলে নেকি? বোধকৰো নহয়। মোৰ মানত মাৰাডোনা প্ৰিয়,— কাৰণ ফুটবল খেলটোৱেই তেওঁৰ মানত এটা প্ৰেমৰ প্ৰকাশ। ...পেলেক যদি ফুটবলৰ পিকাছো বোলা হয়, তেনেহলে ডিয়েগোকেইনো বাৰু ফুটবলৰ (ছালভাডোৰ) ডালি বোলা নাযাব কিয়? তেওঁতো ফুটবলৰ শিল্পী। মই হয়তো খুব অনুভূতি প্ৰৱণ মানুহ নহওঁ। অন্ততঃ মোৰ টিভিৰ ভাবমূৰ্তিটোতো নহয়েই, কিন্তু যিখিনি অনুভূতি লৈ জন্মিছোঁ তাৰ বহুখিনি উজাৰি দি ডিয়েগো মাৰাডোনাক মোৰ প্ৰিয় পুৰুষ নিৰ্বাচন কৰিবলৈ খুব ভালেই লাগিছে।

[কলিকতা দূৰদৰ্শনৰ এসময়ৰ ইংৰাজী সংবাদ পাঠিকা লীনা সেন (এতিয়া চৌধুৰী): তেওঁৰ প্ৰিয় পুৰুষ হিচাপে মাৰাডোনাক বাছনি কৰি]।

### ৰবীন্দ্ৰনাথ নাৰী-বিৰোধী?

'সেইকাৰণে তেওঁ যেতিয়া পুৰুষক দুৰ্বাৰ গতিৰ সৈতে আৰু নাৰীক প্ৰশান্ত স্থিতিৰ সৈতে একেবাৰে আইডেন্টিফাই কৰে তেতিয়া তেওঁৰ সেই অভেদকৰণ আমাৰ মানত অতি সৰল যেন লাগে।......'

'মই কোৱা নাই যে ৰবীন্দ্ৰনাথে তিৰোতা মানুহক সজ্ঞানে খৰ্ব কৰিব খুজিছে; কৈছোঁ যে তেওঁৰ কথাবাৰ্তাৰ মাজত এনে এটা প্ৰৱণতা আছে যি তিৰোতা মানুহৰ পক্ষে অবদমনাত্মক; তেওঁলোকৰ স্বাধীনতা আৰু স্বাতন্ত্ৰ্যৰ পৰিপন্থী; কিঞ্চিত পৰিমাণে এন্টিফেমিনিষ্ট।...'

[কেতকী কুশাৰী ডাইছনৰ 'ৰবীন্দ্ৰনাথ ও ভিক্‌তোৰিয়া ওকাম্পোৰ সন্ধানে' গ্ৰন্থৰ উদ্ধৃতি]।

### প্ৰেম, বিবাহ, সহবাস

শৰ্মিলা: টাইগাৰতো মোৰ প্ৰথম প্ৰেম নহয়। আই লাভ ইউ— এই কথাকেইটা তেওঁক কোৱাৰ আগেয়েও মই দুইচাৰিজনক কৈছোঁ। নিশ্চয়। বৰং, তেওঁকেই কোনোবা দিনা সেইদৰে কৈছোঁ বুলি মনত পৰা নাই। স্কুল লাইফতেইতো এটা জাৰ্মান ল'ৰাক সাংঘাতিকভাৱে ভালপাই পেলাইছিলো। ময়ো নিশ্চয় টাইগাৰৰ জীৱনত প্ৰথম মহিলা নহওঁ।

পতৌদি: অৱশ্যেই নোহোৱা। অক্সফৰ্ডত মোৰ একাধিক বান্ধৱী আছিল। অৱশ্যে, (মিচিকিয়াই হাঁহি) সহবাসৰ কথাটো তেনে সহজ নাছিল। আমাৰ দিনত অক্সফৰ্ডত আকৌ সেই দিশত বৰ ষ্ট্ৰিক্ট আছিল।

[ৰঞ্জন বন্দোপাধ্যায়ৰ লগত সাক্ষাৎকাৰ]

### দেৱী মাহাত্ম্য!

আধা ঘণ্টাৰ পথ পাৰ হ'বলৈ এই নবীন নেত্ৰী ভুট্টো কন্যা বেনজিৰৰ সময় লাগিছে আজি চাৰে সাত ঘণ্টা! মহিলাৰ নেতৃত্ব মানি ল'বলৈ পূৰ্ব দুনিয়াত যে জনসাধাৰণৰ কোনো দৃঢ়মূল সংস্কাৰ নাই তাৰ আন প্ৰমাণো আছে। নেত্ৰী যেতিয়া কোনোবা শোকাৰ্ত নাৰী নহয়, স্বয়ং ৰাজনৈতিক ব্যক্তিত্ব, তেতিয়াও কিন্তু বিপুল গণ সমৰ্থন পাইছে তেওঁলোকে। দৃষ্টান্তঃ ইজৰাইলৰ গ'ল্ডা মায়াৰৰ সাফল্য। দৃষ্টান্তঃ ভাৰতত ইন্দিৰা গান্ধীৰ অবিস্মৰণীয় নেতৃত্ব।

[নিখিল সৰকাৰ: ৰমনীও ৰাজনীতি]।

### গৃহিণীসকলে দৰমহা পাব নালাগেনে?

"...তেনেহ'লে সাংসাৰিক কামকাজখিনিৰ বিনিময়ত দৰমহা লোৱাটোৱেই ন্যায়নে? যি অক্লান্ত সেৱা আৰু নিঃস্বাৰ্থ ভালপোৱাৰে এগৰাকী গৃহিণীয়ে নিজকে উজাৰি দিয়ে তেওঁৰ সংসাৰৰ কল্যাণাৰ্থে, তাৰ আৰ্থিক মূল্যায়ন জানো সঁচাকৈয়ে সম্ভৱ? অথচ প্ৰায় যিকোনো সফল পুৰুষক সোধক, আপোনাৰ স্ত্ৰীয়ে কি কৰে?" —তেওঁ অতি সহজেই স্ত্ৰীৰ সমস্ত অৱদান এষাৰ কথাৰে নস্যাৎ কৰি দি ক'ব—একো নকৰে, just a house wife.

['ঘৰ সংসাৰৰ কামকাজৰ কাৰণে মহিলা-সকলৰ দৰমহাৰ দাবীক আপুনি সমৰ্থন কৰেনে?' —শীৰ্ষক বিষয়ে গৃহিণীসকলৰ মতামত দাঙি ধৰোঁতে সম্পাদকে দিয়া বক্তব্যৰ অংশ]

(এই সংখ্যাৰ 'ধ্বনি-প্ৰতিধ্বনি' অপৰ্ণা সেন সম্পাদিত বাংলা মহিলা পত্ৰিকা 'সানন্দা'ৰ প্ৰথম সংখ্যাৰ পৰা।)





# কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ

লক্ষ্ণৌত থকা হিন্দুস্তান এ'ৰ'নটিকেল লিমিটেড (হাল) কাৰখানাৰ মুছলমান কৰ্মচাৰীসকলে বহু বছৰৰপৰা আবেলি সমূহীয়া নামাজ পঢ়ি আহিছে। এতিয়া হিন্দু কৰ্মচাৰীসকলেৱো কিছুমানে একে ধৰণৰ সুবিধা দাবী কৰিছে। পৰিবেশটোত উত্তেজনা বিৰাজ কৰিছে আৰু কাহানিও ধৰ্ম-বিভেদ নথকা কাৰখানাটো তাৰ দ্বাৰা বাৰুকৈয়ে পীড়িত হৈছে।

'হাল'ত যিটো ঘটিছে সেইটো হ'ল ব্যাপকভাৱে হোৱা বেমাৰ এটাৰ লক্ষণ। দেশখনত অসহিষ্ণুতাৰ পৰিবেশ এটাই গঢ় লৈ উঠিছে আৰু পৃথকতাবাদ আৰু দেশ বিভাজনৰ দুঃস্বপ্নটোৰ পাছত তেওঁলোকৰ উমৈহতীয়া মূল আৰু উমৈহতীয়া সংস্কৃতি পুনৰ-আবিষ্কাৰ কৰিবলৈ আৰম্ভ কৰা সম্প্ৰদায়বোৰে আকৌ এবাৰ নিজকে পৰম্পৰাৰ বিৰুদ্ধে সাজু কৰি তুলিছে। কথা ইমানদূৰ পাইছেগৈ যে বাৰানসী আৰু মথুৰাৰ যিবোৰ মন্দিৰ মছজিদৰ লগত একেখন বেৰেৰে যুক্ত আৰু চল্লিছৰ দশকৰ ৰক্তাক্ত সাম্প্ৰদায়িক সংঘৰ্ষবোৰৰ সময়তো আনকি য'ত কোনো অশান্তি নহ'ল, সেইবোৰ মন্দিৰৰ দৰ্শনাৰ্থী ভক্তসকলে সমন্বয়ৰ ভাবটো এৰি পেলাবলৈ আৰম্ভ কৰিছে। মছজিদ অংশ অধিগ্ৰহণ কৰা বাবৰি মছজিদৰ উদাহৰণটোৰ পুনৰাবৃত্তি ঘটাবলৈ বিচৰা হৈছে।

বাবৰি মছজিদৰ দুখদায়ক ঘটনাটো দুৱাৰৰ তলা খোলাটো নহয়, হিন্দুসকলে যি দৃঢ়তাৰে তেওঁলোকৰ সহিষ্ণুতাৰ প্ৰচলিত ৰীতিটো অৱজ্ঞাৰে গচকি পেলালে সেইটোহে। হিন্দুসকল ৰামৰ জন্মভূমিলৈ আৰু মুছলমানসকল পাঁচশ বছৰীয়া মছজিদটোলৈ সোমাব পৰাকৈ উপায় এটা উলিয়াব পৰা হ'ব; বৃটিছৰ দিনততো ব্যৱস্থা সেইটোৱেই আছিল। কিন্তু হিন্দুধৰ্মৰ উৎকৃষ্টতাৰ যিটো লক্ষণ—উদাৰনৈতিক মনোভাব,—সেইটো দুৰ্বল হৈ পৰিছে। আৰু সংখ্যাগৰিষ্ঠৰ শাসনেইহে একমাত্ৰ গ্ৰাহ্য কৰিব লগা বিষয় বুলি যিটো ভাবৰ সৃষ্টি হৈছে সেইটোৱে দিয়া

## বিদ্বেষ আৰু ঘৃণাৰ এবিধ নতুন পূজা

আৰু লোৰাৰ ধাৰণাটোৰ ক্ষতি সাধিছে; সভ্য মানুহ হিচাপে আন সম্প্ৰদায়ৰ সহজে কাতৰ হ'ব পৰা অনুভূতিবোৰত আঘাত নহনাটো যে তেওঁলোকৰ কৰ্তব্য সেইকথা মানুহে আৰু এতিয়া নাভাবে।

গুজৰাটত (মহাত্মা গান্ধীৰ ৰাজ্যখনক ঈশ্বৰে সহায় কৰক) আহমদাবাদৰ এটা মুছলমান-প্ৰধান অঞ্চল কাদিয়াখাতত হিন্দু শোভাযাত্ৰাকাৰীৰ প্ৰৰোচনাইহে দুয়ো সম্প্ৰদায়ৰ গুণ্ডাবোৰে দ'মাই থোৱা ঘৃণাৰ খেৰবোৰত জুই জ্বলাবলৈ ফিৰিঙতিৰ যোগান ধৰিলে। ধ্বনিৰ প্ৰত্যুত্তৰ ধ্বনিৰেহে হ'ব লাগিছিল। শিলগুটি দলিয়াই, কাপোৰ বন্ধা লাঠী কেৰাচিনত জুবুৰিয়াই জ্বলাই নিক্ষেপ কৰি আৰু আনকি বন্দুকেৰে গুলীয়াই প্ৰতিশোধ লোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। কিন্তু সাম্প্ৰদায়িকতাবাদী লোক অকল এটা ধৰ্মতে নাথাকে। প্ৰশ্ন উঠে, ৰথ যাত্ৰা সেই বাটেদি গ'লে হিংসাত্মক ঘটনা ঘটিব পাৰে বুলি ৰাজ্য চৰকাৰে আগতীয়া সকিয়নি পাইছিলেই যেতিয়া সেই বাটেদি যাবলৈ দিছিল কিয়?

সম্ভৱ গুজৰাট হয়তো আটাইতকৈ শোচনীয় উদাহৰণ; কিন্তু গোটেইখন দেশতে হিন্দুসকলে ধৰ্মনিৰপেক্ষতা পৰিত্যাগ কৰিছে। এটা সময়ত উদাৰনীতিক হোৱাটোৱেই ৰীতি আছিল চলন আছিল, কিন্তু এতিয়া হিন্দুসকলে অন্ধবিশ্বাসী মৌলবাদী হৈ গৌৰৱ অনুভৱ কৰে। আৰু 'এজন হিন্দু হোৱাটো এটা পাপনে?' বোলা প্ৰশ্নটো যিদৰে গোটেইখনতে ঘূৰি ঘূৰি উঠিব লাগিছে —তাৰ পৰা এই ধাৰণা হয় যে ধৰ্মনিৰপেক্ষতা অগভীৰ, উপকৰা বিশ্বাসহে আৰু প্ৰথম যুদ্ধাহ্বানতে সেইটো মোচ খাই যাবলৈ আৰম্ভ কৰিছে। এটা নতুন হিন্দু পূজাৰ জন্ম হোৱাটোকে ই বুজাইছে নেকি? এফালৰ পৰা চাবলৈ গ'লে বুজাইছে: ঘৃণাৰ এবিধ পূজা।

এনেকুৱা পৰিৱৰ্তন এটা কিয় ঘটিল? এজন হিন্দু মানুহ শান্ত, ধীৰ আৰু অহিংস বুলি যিটো যুক্তি দিয়া হয় সি ভুল বুলি বাৰে বাৰে প্ৰমাণিত হৈ আহিছে। আহমদাবাদত তিনিজন মুছলমানক জীয়াই জীয়াই পুৰি মৰা হ'ল; যোৱা বছৰত বোম্বাইৰ কাষৰ ভিৱান্দিত এটা মুছলমান পৰিয়ালক জুইত জাপি দি মৰা হৈছিল। সাত বছৰৰ আগেয়ে জামছেদপুৰত এখন এম্বুলেন্সৰ ভিতৰত ৩০ জন মুছলমানক জীয়াই জীয়াই পুৰি মৰা হৈছিল। আৰু ১৯৮৪ চনত ইন্দিৰা গান্ধীৰ হত্যাৰ পাছতে হোৱা সংঘৰ্ষত কিছুমান শিখক জীয়াই জীয়াই পুৰি মৰা হয়।

দেশ-বিভাজনৰ পৰিণতিৰ কথাবোৰকে লৈ ৰেপি থাকি লাভ নাই, কাৰণ সেইবোৰ পৰিণতি সত্বেও ভাৰতে এক ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ ব্যৱস্থা বাছনি কৰি ল'লে। অকল সেয়ে নহয়, দেশ বিভাজনৰ পাছত প্ৰণয়ন কৰা সংবিধানখনে ধৰ্মীয় সংখ্যালঘুসকলক



OKDISCD

**অসহিষ্ণুতা আৰু অন্ধ গোড়ামি আৰু তাৰ লগতে ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থত কৰা চল-চাতুৰীয়ে ধৰ্মক ভাৰতত এটা প্ৰহসনত পৰিণত কৰিছে।**

আইনৰ চকুত মমতাৰ আশ্বাস দিলে, তেওঁলোকৰ বিৰুদ্ধে বৈষম্য নিষিদ্ধ কৰিলে আৰু তেওঁলোকক ধৰ্মীয় স্বাধীনতা আৰু তেওঁলোকৰ নিজৰ পচন্দ মতে শিক্ষানুষ্ঠান পতা আৰু পৰিচালনা কৰাৰ অধিকাৰ দিলে। দৰাচলতে, সংবিধান প্ৰণয়নৰ প্ৰথমৰ পিনৰ পৰ্যায়বোৰত বিধানমণ্ডল আৰু প্ৰশাসনীয় সেৱাত সংখ্যালঘুসকলক আসন সংৰক্ষণ দিয়া হৈছিল। যদিও পাছত সংৰক্ষণ ব্যৱস্থা অকল অনুসূচিত জাতি আৰু জনজাতিৰ ক্ষেত্ৰতহে সীমিত কৰি ৰখা হ'ল তথাপি সংখ্যালঘুসকলক সম্পূৰ্ণ ধৰ্মীয়, সাংস্কৃতিক আৰু শিক্ষা বিষয়ক অধিকাৰসমূহ সুৰক্ষিত কৰি দিয়া হ'ল।

সংখ্যালঘুসকল সাম্প্ৰদায়িক হয় নে নহয় সেইটো প্ৰশ্ন নহয়, প্ৰশ্নটো হ'ল স্বাধীন ভাৰতে গ্ৰহণ কৰা নীতি ধৰ্মনিৰপেক্ষতাত হিন্দুসকলৰ এতিয়াও বিশ্বাস আছে নে নাই সেইটোহে। স্বাধীনতাৰ আগেয়ে, মুছলিম লীগে তেওঁলোকৰ পৃথকতাকামী অভিযানত যিবোৰ প্ৰচাৰ আৰু আবেগ ঢালি দিছিল, সেইবোৰে কংগ্ৰেছক তেওঁলোকৰ ৰাজনীতিৰ লগত ধৰ্ম নিমিহলোৱা নীতিৰ পৰা বিচ্যুত কৰিবলৈ কংগ্ৰেছে এৰি নিদিলে। হিন্দু-মুছলমান ঐক্য এটা গৃহীত দায়িত্বৰ কথা হৈ থাকি গ'ল। কিন্তু চাৰিটা দশকৰো কম সময়ৰ ভিতৰতে দেশে যিবোৰ কথাৰ কাৰণে সংগ্ৰাম কৰিছিল সেই সকলো কথা এইখন দেশত সামাজিক আৰু সাংস্কৃতিকভাৱে ইমান ঘনিষ্ঠভাৱে সংযুক্ত সম্প্ৰদায়বোৰৰ মাজত আগ্ৰাসী 'অন্ধবিশ্বাসী মৌলবাদ'ৰ উত্থানৰ কাৰণে মেঘাচ্ছন্ন, হতমান হৈ পৰাটো বৰ দুখৰ কথা হৈ পৰিছে।

এতিয়া সাম্প্ৰদায়িকতা নিশ্চয় এটা সাংঘাতিক আকৰ্ষণীয় কথা হৈ পৰিছে, কাৰণ আহমদাবাদত আনকি গান্ধীজীৰ ঐতিহ্যত লালিত পালিত ট্ৰেড ইউনিয়নেও সাম্প্ৰদায়িক নেতাসকলে বন্ধৰ বাবে জনোৱা আহ্বানলৈ সহাঁৰি জনালে। দেশৰ ট্ৰেড ইউনিয়নবোৰে কেতিয়াও নিবনুৱা সমস্যা বা ক্ষুধাৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ ধৰ্মঘট নকৰে, কিন্তু সংকীৰ্ণতাবাদৰ দৃষ্টিৰে জনোৱা আহ্বানবোৰলৈ লগে লগে সহাঁৰি জনায় ;— এইটো বৰ আচৰিত কথা।

শ্বাহবানু গোচৰৰ ঠিক পাছতে কৰা মুছলমান মহিলাৰ ভৰণপোষণ আইনখনে পৰিবেশটো বিষাক্ত কৰি তোলে বুলি কোৱা হৈছে। কিন্তু এই আইনখন মুছলমান মহিলাৰ বাবে যিমানেই 'ন্যায়বিচাৰহীন' নহওক কিয়, আইনখনে হিন্দুসকলক আঘাত 'হানিলে কেনেকৈ ? মুছলমান অন্ধবিশ্বাসী মৌলবাদীসকলে পৰিস্থিতিৰ যে সুযোগ ল'লে সেই বিষয়ে সন্দেহ নাই, কিন্তু হিন্দুসকলে তেওঁলোকৰ অতি-প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইসকল মুছলমানৰ হাত শক্তিশালীহে কৰিলে। তাতে উচ্চতম ন্যায়ালয়ত আইনখনৰ বৈধতা সম্পৰ্কে প্ৰশ্ন তোলাৰ নামত এইবোৰ মানুহ এনেকুৱা এখন ক্ষেত্ৰত সোমাই পৰিল যি আকৌ এবাৰ আইনখনৰ ভাল-বেয়া দিশবোৰ পাছলৈ ঠেলি থৈ অন্ধবিশ্বাসী মৌলবাদীসকলক প্ৰাধান্য ল'বলৈ সহায় কৰি দিব।

দেখাত এনেকুৱা লাগে যে যোৱা চাৰি বছৰ প্ৰাধান্য বিস্তাৰ কৰি থকা পঞ্জাব পৰিস্থিতিয়ে হিন্দু মানসিকতা প্ৰভাৱান্বিত কৰিছে। কিছু বছৰৰ পৰা হিন্দুসকলে এটা অৱৰুদ্ধ মানসিকতা গঢ়ি তুলিছে আৰু ভাবিবলৈ লৈছে যে সংখ্যালঘুসকল তেওঁলোকৰ বিৰুদ্ধে চক্ৰান্তত লিপ্ত হৈছে। সৰ্বোপৰি, ইন্দিৰা গান্ধীয়ে তেওঁৰ সংখ্যাৰ খেলখনত প্ৰবৰ্তন কৰা হিন্দু-স্বাৰ্থৰ চালটো এতিয়াও সংখ্যাগৰিষ্ঠসকলক তোষণ কৰিবলৈ খেলি থকা হৈছে। তথ্য মন্ত্ৰী ভি. এন. গেডগিলে এজন ধৰ্মপ্ৰচাৰকৰ ঐকান্তিকতাৰে হিন্দুৰ বীক্ষা প্ৰচাৰ কৰিবলৈ টেলিভিছনত যিবোৰ ধাৰাবাহিক কাহিনী আৰু অন্যান্য কাৰ্যসূচী প্ৰবৰ্তন কৰিছে সেইবোৰে চৰকাৰী মাধ্যমটোৰ উদ্দেশ্য হিন্দুধৰ্ম প্ৰচাৰ কৰাটোৰেই বুলি সূচাইছে। (যেতিয়া ৰাজীৱ গান্ধী আৰু তেওঁৰ পত্নী ছনিয়াই গংগা পূজা কৰি থকা টি-ভিত দেখুউৱা হৈছিল তেতিয়া এজন বিষয়াই মোক কৈছিল যে ছনিয়া ৰোমান কেথলিক বুলি হিন্দুসকলৰ মাজত থকা প্ৰতিকূল ধাৰণা নোহোৱা কৰিবলৈকে সেই কাৰ্যসূচী দেখুউৱা হৈছিল।)

সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ দিশত এটা অব্যৱহিত পদক্ষেপ হোৱা উচিত দূৰদৰ্শনক ধৰ্মনিৰপেক্ষ কৰাটো ; দূৰদৰ্শন ইমানেই এপদ শক্তিশালী আহিলা যে যিসকল মনেপ্ৰাণে সাম্প্ৰদায়িক আৰু যিসকলে ৰাষ্ট্ৰখনৰ কি অনিষ্ট কৰি আছে উপলব্ধি কৰা নাই সেইসকলৰ হাতত তাক এৰি দিব নোৱাৰি। আন এটা পদক্ষেপ দিয়া উচিত পুলিছৰ সংস্কাৰ সাধন কৰিবলৈ। ৰাজ্যবোৰত থকা পুলিছ বাহিনী সাম্প্ৰদায়িকভাৱে ভাগ ভাগ হৈ আছে ; এইটো কিমান দুখদায়ক ঘটনা হৈছে বিহাৰ আৰু উত্তৰ প্ৰদেশত তাক প্ৰত্যক্ষ কৰা গৈছে ; আৰু পঞ্জাব সমস্যাটোৰ বিহ খিনিয়েই হৈছে পুলিছত সাম্প্ৰদায়িক সংক্ৰমণ। এতিয়া পুলিছত ভালদৰে প্ৰতিনিধিত্ব নোপোৱা সম্প্ৰদায়সমূহৰ পৰা মানুহ ল'লে সেইটো সহায়ক কথা হ'ব। তাতোকৈ বেছি সহায়ক হ'ব এখন ৰাজ্যৰ পুলিছ

৫৭ পৃষ্ঠাত চাওক



**এই বছৰৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ শ্ৰেষ্ঠ ছাত্ৰজন**


## সঞ্জয় কুমাৰ জৈন

এই বছৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰা ছাত্ৰজনৰ নাম সঞ্জয় কুমাৰ জৈন। কথা কমকৈ কয় সঞ্জয়ে। সলসলীয়াকৈ অসমীয়া কয় ; মাক-দেউতাকেও আমাৰ লগত সুন্দৰকৈ অসমীয়াৰে কথা পাতিলে।

এইবাৰ এই পৰীক্ষাত ১,৯২,২৫৩ জন পৰীক্ষাৰ্থীৰ ভিতৰত উত্তীৰ্ণ হয় ৪৩,১৯৮ জন। শতকৰা উত্তীৰ্ণৰ হাৰ ২২.৪৭ জন। তাৰে ভিতৰত প্ৰথম স্থান লাভ কৰা সঞ্জয়ে পাইছে মুঠ ৬৮৭ নম্বৰ। ইংৰাজী, সাধাৰণ বিজ্ঞান, সাধাৰণ গণিত, সমাজ-বিদ্যা, সংস্কৃত আৰু উচ্চ গণিত— এই ছটা বিষয়ত তেওঁ লেটাৰ নম্বৰ লাভ কৰিছে।

ফলাফল ওলোৱাৰ দিনা আমি যেতিয়া সঞ্জয়হঁতৰ ঘৰ পাওঁগৈ, তেতিয়া শুভাকাংক্ষীয়ে তেওঁক আগুৰি আছিল। সঞ্জয়ৰ দেউতাক শ্ৰীচেইনমুখ জৈন ডিব্ৰুগড়ৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ী। মাৰোৱাৰী হিন্দী হাইস্কুলৰ (যিখন স্কুলৰপৰা সঞ্জয়ে পৰীক্ষা দিছিল) কেইবাজনো শিক্ষকো সঞ্জয়ৰ সাফল্যত তেওঁক অভিনন্দন জনাবলৈ তাত উপস্থিত হৈছিল।

সঞ্জয় সৰুৰেপৰা চোকা ছাত্ৰ। প্ৰথম শ্ৰেণীৰপৰা এই হাইস্কুল শিক্ষান্ত পৰীক্ষালৈকে— মাজতে এটা বছৰত বাদে— সদায় তেওঁ প্ৰথম স্থানেই লাভ কৰি আহিছে। স্কুলৰ সকলো শ্ৰেণীৰ সকলো ছাত্ৰৰ ভিতৰতো সদায় তেওঁ মুঠ সৰ্বাধিক নম্বৰ পাই আহিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱশ্যে তেওঁ প্ৰথম স্থান পাব বুলি ভবা নাছিল, যদিও প্ৰথম দহটা স্থানৰ এটা অধিকাৰ কৰিব বুলি দৃঢ়-বিশ্বাসী আছিল। কিয় বুলি সোধোঁতে তেওঁ কলে— স্কুলৰ পৰীক্ষাত প্ৰতিদ্বন্দ্বীসকলক চিনি পোৱা যায়, কিন্তু এইটো পৰীক্ষাত যিমান হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰে, কোন জিলাত কিমান চোকা ছাত্ৰ আছে সেই কথা গম পোৱা নাযায়।



নাম : সঞ্জয় কুমাৰ জৈন
স্কুল : মাৰোৱাৰী হিন্দী হাইস্কুল, ডিব্ৰুগড়
ৰোল : ডি-৯৬। নম্বৰ : ৮৫২

| | | |
|---|---|---|
| হিন্দী : ৭২ + ৩৯ + ৪৫ | = | ১৫৬ |
| ইংৰাজী : ৫৭ + ৬৩ | = | ১২০ |
| সাধাৰণ বিজ্ঞান : | = | ৯৪ |
| সমাজ বিদ্যা : | = | ৮২ |
| সাধাৰণ গণিত : | = | ৯৪ |
| সংস্কৃত : | = | ৮২ |
| উচ্চ গণিত : ৮৯ (−৩০) | = | ৬৯ |
| মুঠ | | ৬৮৭ |



পিতৃ চেইনমুখ জৈন   মাতৃ শকুন্তলা জৈন

মাৰোৱাৰী হিন্দী হাইস্কুলৰ ফলাফল মোটামুটি সদায় ভালেই হয়। ১৯৭৩ চনত এই স্কুলৰ ছাত্ৰ বিমল কুমাৰ জালানে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰিছিল।

স্কুলৰ পঢ়াৰ উপৰিও সঞ্জয়ৰ ঘৰুৱা শিক্ষকো আছিল ; তিনিটা বিষয়ৰ বাবে,— গণিত, সাধাৰণ বিজ্ঞান আৰু সংস্কৃত। সাধাৰণ বিজ্ঞান বিষয়ত ৯৪% নম্বৰ লৈ তেওঁ সেই বিষয়ত সৰ্বোচ্চ স্থান পাইছে।

এতিয়া কি পঢ়িবা, কোন কলেজত পঢ়িবা বুলি সোধাত সঞ্জয়ে কলে— তেওঁ নিশ্চয় বিজ্ঞানেই পঢ়িব ; কিন্তু গুৱাহাটীতেই পঢ়িব নে ডিব্ৰুগড়তে পঢ়িব ঠিৰাং কৰিব পৰা নাই। তাৰ পাছত তেওঁ চিকিৎসক বা অভিযন্তা হোৱাৰ ইচ্ছা কৰে।

সঞ্জয়ৰ মাক শ্ৰীমতী শকুন্তলা জৈনে আমাক কথাৰ মাজতে জনালে যে সঞ্জয়ৰ দেউতাক নিজেও এজন মেধাবী ছাত্ৰ আছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত তেওঁ দশম স্থান পাইছিল। ইন্টাৰমিডিয়েট পৰীক্ষাত তেওঁ বিশ্ববিদ্যালয়ৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিছিল।

সঞ্জয়ৰ নিতৌ পঢ়াৰ ধৰণ কেনেকুৱা আছিল বুলি সোধাত মাকেই জনালে যে নবম আৰু দশম শ্ৰেণীত তেওঁ পুৱা আৰু গধূলি মিলাই মুঠতে কমেও দহ ঘণ্টাকৈ পঢ়া-শুনা কৰিছিল। ছিনেমা, কিতাপ, আলোচনী, খেলা-ধূলা— এনেবোৰ বিষয়ত সঞ্জয়ৰ বিশেষ ৰাপ নাই। কেৱল নিতৌ বাতৰি-কাকতখন নিয়মীয়াকৈ পঢ়ে আৰু ক্ৰিকেট খেলৰ চলন্ত বিৱৰণী বা টেলিকাষ্ট বুলি কলে সকলো বাদ দি তাতে মগ্ন হৈ পৰে।

—মণিকুন্তল শইকীয়া,
—স্বনত কুমাৰ বৰুৱা,
—মৃদুল বৰুৱা



OKDISCD

ফিলিপাইনছৰ সেই আচৰিত ডাক্তৰজন

# অবিশ্বাস্য হ'লেও সত্য

বিনয় কুমাৰ নাথ


যোৱা বাৰৰ আগৰ প্ৰান্তিকৰ (১৬—৩১ জুলাই) যোগে জানিব পাৰিলো যে ফিলিপাইনছৰ সেই আচৰিত ডাক্তৰজন অসমৰ জনসাধাৰণৰ মাজত জনপ্ৰিয় হৈ উঠিছে আৰু বিশ্বাস-ভাজন হৈছে। আনহাতে অইন কিছুমান মানুহৰ বাবে সেই আচৰিত ডাক্তৰজন অবিশ্বাসৰ পাত্ৰ হৈছে। হয়তো যিসকলে তেওঁৰ বিষয়ে বিতংভাৱে জানিব পাৰিছে সেইসকলৰ মাজত তেওঁ জনপ্ৰিয় হৈ পৰিছে; আৰু যিসকলে তেওঁৰ বিষয়ে সবিশেষ জানিব পৰা নাই, অৰ্থাৎ ওপৰা-উপৰিকৈ আৰু কাৰোবাৰ মুখৰ পৰাহে শুনিছে, সেই শ্ৰেণীৰ মানুহৰ মাজত তেওঁ অবিশ্বাসৰ পাত্ৰ হৈছে। এইটোও অৱশ্যে স্বাভাৱিক যে যি কোনো বিষয় অথবা বস্তুৰ বিষয়ে সঠিকভাৱে প্ৰমাণ পোৱা নগ'লে, বিশ্বাস কৰাটো অকণমান টান হৈ পৰে। আমাৰ অসমৰপৰা যিজন ৰোগী (মই জনা মতে) তেওঁৰ ওচৰলৈ প্ৰথম গৈছিল, তেওঁক আজি আমাৰ মাজলৈ আনিছোঁ।

গুৱাহাটীৰ ৰিহাবাৰী নিবাসী শ্ৰীকে. পি. দাসগুপ্তক (অসমৰ প্ৰথম জন) সেই আচৰিত ডাক্তৰজনৰ কথা সোধাত তেওঁ ক'লেঃ ফিলিপাইনছ এখন সুন্দৰ দেশ। ধুনীয়া সেউজীয়া পৰ্বত-পাহাৰে সেই দেশৰ জেউতি চৰাইছে। ৰাজধানী মেনিলাৰপৰা ছহাজাৰ ফুট উচ্চতাৰ নাগ'ইন (Nagainn) নামেৰে এডোখৰ ঠাই আছে। মেনিলাৰপৰা ২৬০ কি. মি. দূৰত সেই নাগ'ইন।

সেই নাগ'ইন চহৰতে সেই ডাক্তৰজনৰ ঘৰ। তেওঁৰ নাম হৈছে ৰমন জ'ন লেবো (Romon Jone Laboo) তেওঁ নাগ'ইন চহৰৰ লায়নছ ক্লাবৰ ডিষ্ট্ৰীক্ট গৱৰ্ণৰ। তেওঁৰ বয়স প্ৰায় ৬৩ বছৰ। সুন্দৰ স্বাস্থ্যৰ সেই ডাক্তৰজনক দেখিলে হেনো অন্তৰত ভক্তি জন্মে। তেওঁৰ স্বভাৱ আৰু ব্যৱহাৰে ৰোগীৰ মন সন্তুষ্ট কৰে আৰু মানুহকো হেনো আকৰ্ষিত কৰে। তেওঁ নিজে ডাক্তৰ নহলেও ভগৱানৰ ওপৰত একান্ত বিশ্বাস থকাৰ বাবে তেওঁ আজি এনে গুণৰ অধিকাৰী হ'ব পাৰিছে বুলি কয়।

চুবুৰীয়া সকলোকে জনানে। তেওঁক দেখি অসমৰপৰা আৰু কেইজনমান ৰোগী গ'ল। আৰোগ্য লাভ কৰি অহা এজন যুৱক দিবাকৰ ৰায়কো মই লগ পাইছোঁ।

দিবাকৰ ৰায় এজন ডেকা ব্যৱসায়ী। যোৱা কেইবছৰমান আগৰেপৰা তেওঁ গেষ্টিকৰ (পাকস্থলী সম্বন্ধীয়) ৰোগত ভুগি আছি। শ্ৰীৰায়ে কোৱামতে তেওঁৰ হেনো তেজ হাগনিও আছিল। তেওঁ গুৱাহাটী আৰু বাহিৰত বহুতো চিকিৎসা কৰালে; কিন্তু একো ফল নাপালে। অৱশেষত তেওঁ দাসগুপ্তৰ কথাত ফিলিপাইনছলৈ যোৱাটো ঠিক



শ্ৰীদিবাকৰ ৰায়ক অস্ত্ৰোপচাৰ কৰি থকা সময়ত তেওঁৰ নিজৰ মানুহে লোৱা ছবি

শ্ৰীদাসগুপ্তই কিছুমান ভয়ানক ৰোগত বহু দিন ধৰি ভুগি আছিল। বহুত চিকিৎসা কৰা সত্ত্বেও তেওঁ ভাল পোৱা নাছিল। তেওঁ উপায়হীন হৈ শেষত মাদ্ৰাজলৈ গ'ল। তাত তেওঁ এজনৰ মুখত সেই আচৰিত ডাক্তৰজনৰ কথা শুনিলে। কথাবোৰ শুনি দাসগুপ্ত ডাঙৰীয়া আচৰিত হ'ল। তেওঁ ফিলিপাইছলৈ গৈ অসুখবোৰ ঠিক কৰি আহিম বুলি ভাবিলে। ভবাৰ মতেই তেওঁ সম্পূৰ্ণ আৰোগ্য লাভ কৰিলে। আৰোগ্য লাভ কৰি দাসগুপ্তই আনন্দত সেই কথা ওচৰ-

কৰিলে। তেওঁ যোৱা সময়ত অসমৰ পৰা ১১জন আৰু সমগ্ৰ ভাৰতবৰ্ষৰ পৰা মুঠ ৩৬জন গৈছিল। নাগ'ইন পোৱাৰ পাছদিনা শ্ৰীৰায়ে ডাক্তৰজনক লগ ধৰিলে আৰু দাসগুপ্তই লিখি পঠোৱা চিঠিখন তেওঁৰ হাতত দিলে।

চিঠিখন পঢ়ি তেওঁক অকণমান সময় ৰবলৈ কৈ ডাক্তৰজন ভিতৰলৈ গ'ল। তাৰ পাছত ডাক্তৰজনে ৰায়ক প্ৰথমে গীৰ্জা ঘৰলৈ লৈ গৈ প্ৰাৰ্থনা কৰিবলৈ ক'লে। প্ৰাৰ্থনা শেষ হ'লত ডাক্তৰজনে শ্ৰীৰায়ক ৰোগী চোৱা কোঠা এটালৈ লৈ আহিল আৰু তাত তেওঁক ব'গা কাপোৰ এখনেৰে সজোৱা এখন বিছনাত শুবলৈ ক'লে। ডাক্তৰজনে শ্ৰীৰায়ক ক'লে, "আপোনাৰ কি অসুখ হৈছে সেইটো মোক কব নালাগে। আপোনাক সম্পূৰ্ণভাৱে চোৱা-চিতা কৰাটো মোৰ কৰ্তব্য।" এই বুলি কৈ তেওঁ শ্ৰীৰায়ৰ ডিঙিত আঙুলি এটা সুমুৱাই দিলে। অজ্ঞান নকৰোৱাকৈয়ে তেওঁ তেওঁৰ ডিঙিৰপৰা কিছুমান পুঁজ উলিয়াই আনিলে আৰু ৰায়ক চাবলৈ ক'লে। ৰায়ে দেখি আচৰিত হ'ল। ইয়াৰ পাছত তেওঁ শ্ৰীৰায়ৰ ভৰিৰ আঙুলিৰপৰা আৰম্ভ কৰি মূৰলৈকে চালে। অকল ৰায়ক বুলিয়েই নহয়, সকলোবোৰ ৰোগীকে তেওঁ ভৰিৰপৰা মূৰলৈকে পৰীক্ষা কৰি চায়। শ্ৰীৰায়ে কোৱামতে আচৰিত কথা এয়ে যে— যি ডোখৰ ঠাইত ৰোগীৰ প্ৰধান ৰোগটো থাকে সেই ডোখৰ ঠাইলৈ ডাক্তৰজনৰ হাত প্ৰথমেই আগবাঢ়ে। শ্ৰীৰায়ৰ গেষ্টিকৰ বেমাৰ থকাৰ বাবে তেওঁৰ পেটলৈ পোন প্ৰথমে ডাক্তৰজনৰ হাতখন গ'ল আৰু পেটটো ফালি দি তেওঁ কিছুমান অলাগতিয়াল অংশ পেটৰ ভিতৰৰপৰা ছিঙি আনিলে। যেতিয়া অলাগতিয়াল অংশ ছিঙি আনে, তেতিয়াহে শ্ৰীৰায়ে অকণমান দুখ পায়। শ্ৰীৰায়ে আন একো অসুবিধা নাই পোৱা বুলি কয়। সকলো চোৱা-চিতা কৰা হ'লত ডাক্তৰজনে শ্ৰীৰায়ৰ পেটটোত (ফালি পেলোৱা অংশ) দুবাৰমান হাত ফুৰাই দিয়াত পেটটো আকৌ আগৰ দৰে হৈ পৰিল। যিখিনি বেয়া বস্তু (তেজ, অলাগতিয়াল অংশ আদি) সেইখিনি ডাক্তৰজনৰ সহকাৰীয়ে আহি মচি দিলে আৰু পেলাই দিলে। প্ৰায় ২০-২৫ মিনিটমান একো সা-সৰঞ্জাম নোহোৱাকৈ শ্ৰীৰায়ক অস্ত্ৰোপচাৰ কৰাৰ পাছত তেওঁক বিছনাৰপৰা উঠিবলৈ ক'লে আৰু বাহুত থপৰিয়াই (উৎসাহ দি) ক'লে,— "Now you are totally cured." বৰ্তমান ৰায়ে কোৱামতে, তেওঁৰ আগৰ দৰে একো অসুখ নাই। ডাক্তৰে তেওঁক কেৱল এটা ভিটামিন টেবলেট খাবলৈ কৈছে। সেইটো টেবলেট ভাৰতবৰ্ষত নাপায়। শ্ৰীৰায়ে টেবলেটটো ফিলিপাইনছৰপৰাই সংগ্ৰহ কৰি খাই আছে।

শ্ৰীৰায়ৰ মতে, অসমৰপৰা যোৱা দাসগুপ্তৰপৰা ডাক্তৰজনে ৫০০ ডলাৰ লৈছিল; কিন্তু ৰায়ৰপৰা অকল ২০০ ডলাৰকৈহে লৈছে। শ্ৰীৰায়ে আৰু কয় যে— তেওঁৰ কোনো দাবী নাই। বৰং কোনোবা ৰোগী যদি টকা-পইচাৰ কিবা অসুবিধাত পৰে, তেন্তে তেওঁৰপৰা খুজিবলৈ কয়। ডাক্তৰজনে দিনটোত বিশেষকৈ দুবাৰকৈ ৰোগী চায়। ৰাতিপুৱা ৯ বজাৰপৰা আৰু আবেলি ৫ বজাৰপৰা। এটা দিনত তেওঁ কিমান ৰোগী চায় সেইটোৰ কোনো হিচাপ নাই। দিনটোত মুঠতে যিমান ৰোগীয়েই নহওক কিয় তেওঁ চাবই। বছৰেকত তেওঁ ছমাহ ৰোগী চায় আৰু ছমাহ তেওঁ ক'লৈ যায় কি কৰে সেইটো কোনেও নাজানে। শ্ৰীৰায়ে শুনামতে তেওঁ হেনো ছমাহ ধ্যানত বহে। তেওঁ এই আচৰিত অস্ত্ৰোপচাৰ কৰা আজি প্ৰায় ২০-২৫ বছৰমান হ'ল। কিন্তু ইমান বছৰে ভাৰতবৰ্ষত তেওঁৰ কথা প্ৰচাৰ হোৱা নাছিল। বৰ্তমান তেওঁৰ তাত হেনো অজস্ৰ মানুহ। কিছুমান ৰোগী আৰু কিছুমান দৰ্শক। দৰ্শকে তেওঁৰ সেই আচৰিত অস্ত্ৰোপচাৰ চাই আমোদ পায়। শ্ৰীৰায়ে কয়,— বিশেষকৈ তেওঁৰ তাত জাপানী মানুহ বেছি দেখিবলৈ পোৱা যায়। লাহে লাহে আমাৰ অসমৰ মানুহেও তালৈ যাবলৈ আৰম্ভ কৰিছে। ভাৰতলৈ কেতিয়াবা আহিবনে নাহে বুলি সোধাত তেওঁ হেনো শ্ৰীৰায়হঁতৰ আগত এই বুলি কয়,— "যদি ভাৰতবৰ্ষৰ লায়নছ ক্লাবে তেওঁৰ জীৱনৰ সম্পূৰ্ণ দায়িত্ব লয়, তেতিয়াহে তেওঁ আহিব; নহ'লে নাহে।"

# বিশ্বাস-থেৰাপি

দেৱকান্ত সন্দিকৈ

যিবোৰ সাধাৰণ বেমাৰত চহৰৰ ধনীলোকে আটাইতকৈ ভাল বিখ্যাত ডাক্তৰজনৰ ওচৰলৈ দৌৰ মাৰে, তেনেবোৰ বেমাৰত গাঁৱৰ দৰিদ্ৰ লোক এজনে দুই-এদিন বা বৰ বেছি এসপ্তাহ ভোগাৰ পাছত বিনা চিকিৎসাৰে আৰোগ্য লাভ কৰে। অৱশ্যে বেমাৰৰ ধৰণ অনুযায়ী তাৰ মাজতে অনেক মানসিক (votive offerings), পূজা-প্ৰাৰ্থনা, জৰা-ফুকা, তাবিজ-মাদুলি আদি কাণ্ডকাৰখানা হয়। ডাক্তৰ নহৈও আমি সকলোৱে সাধাৰণ জ্ঞান হিচাপে এটা কথা জানো যে আমাৰ শৰীৰতেই বেমাৰৰ প্ৰতিৰোধকাৰী শক্তি আছে। এই প্ৰতিৰোধকাৰী শক্তিক পৰাস্ত কৰাৰ পাছতহে ৰোগে আমাৰ দেহত প্ৰতিষ্ঠা লাভ কৰিব পাৰে। কিন্তু অনেক সাধাৰণ ৰোগৰ ক্ষেত্ৰত আমাৰ দেহৰ প্ৰতিৰোধকাৰী শক্তিৰেই জয় হয়, —আৰু দুই এদিনতে ৰোগো আঁতৰ হয়। এতিয়া আমি এনেকুৱা ধৰণৰ এটা সিদ্ধান্তলৈ নিশ্চয় আহিব পাৰোঁ যে যিবোৰ ৰোগ মানসিক, পূজা-প্ৰাৰ্থনা, জৰা-ফুকা, তাবিজ-মাদুলি আদিৰ প্ৰভাৱতেই ভাল হৈ গল বুলি ধৰি লোৱা হয় বা গভীৰভাৱে বিশ্বাস কৰা হয়, তেনেবোৰ ৰোগৰ শতকৰা ৯৫ ভাগেই আমাৰ নিজৰ দেহতে থকা প্ৰতিৰোধকাৰী শক্তিয়ে পৰাস্ত কৰিবপৰা ৰোগহে। পূজা-প্ৰাৰ্থনা, জৰা-ফুকা, তাবিজ-মাদুলি আদি বিশ্বাসবোৰৰ ব্যৱহাৰ নোহোৱাকৈও তেনেবোৰ ৰোগ সহজেই আৰোগ্য হয়। বাকী ৫ শতাংশ কঠিন, দুৰাৰোগ্য, পুৰণি বেমাৰৰ ক্ষেত্ৰতো কিছুমান ৰোগীয়ে বিশ্বাসৰ ফল পোৱা বুলি কোৱা শুনো। (শুনোহে, তেনে সৌভাগ্যবান ৰোগীৰ এজনমানকো লগ পাই দুষাৰ কথা পাতি পোৱাৰ সৌভাগ্য আমাৰ আজিলৈকে নহ'ল!)

কেতিয়াবা এনেকুৱাও হয় যে, কিবা এখন দীৰ্ঘম্যাদী আঁচনিৰ ৰূপা-





OKDISCD

য়ণৰ কাম কোনোবা এজন মন্ত্ৰীৰ অধীনত শুভাৰম্ভ হল ; কিন্তু বহুবছৰৰ মূৰত যিজন মন্ত্ৰীৰ অধীনত গৈ আঁচনি খনৰ ৰূপায়ণ সম্পূৰ্ণ হল তেওঁৰেই নাম-যশস্যা চাৰিওফালে বিয়পি পৰিল। এটা ৰোগ পুৰণি মানে ইতিমধ্যে অনেক ডাক্তৰ কবিৰাজৰ ঔষধ, লগতে মাজে মাজে ভগৱতী আইৰ প্ৰসাদ, জৰা-ফুকা আদিৰ ব্যৱহাৰ হৈ গৈছে। তাৰ মাজতেই হয়তো কেতিয়াবা কোনোবা ঔষধৰ প্ৰভাৱত ৰোগীৰ অজানিতেই ৰোগটো আৰোগ্য হোৱাৰ এক গোপন প্ৰক্ৰিয়া ৰোগীৰ শৰীৰত আৰম্ভ হৈ গৈছে। এনেদৰে গোপনে ভাললৈ আহি থকা অৱস্থাতেই এদিন দেখা গ'ল কোনোবা 'বাবা'ৰ হাতৰ পৰশত বা এগিলাছ মন্ত্ৰপূত পানী খোৱাৰ পাছত ৰোগ সম্পূৰ্ণ আৰোগ্য! বহ্, চাৰিওফালে বিশ্বাস আৰু বিশ্বাস! ব্যৱসায়ীজনৰ মাহাত্ম্য বিয়পি পৰিল! —আমি ভাবোঁ, বিশ্বাসৰ প্ৰভাৱতেই বহু পুৰণি ৰোগো ভাল হৈ যোৱা বুলি দাবী কৰা ৰোগীৰ ৰোগটোৰ অৱস্থা বিশ্বাস ব্যৱহাৰ কৰাৰ ঠিক আগমুহূৰ্তত কেনে ধৰণৰ আছিল, এই কথাটো কিবা প্ৰকাৰে জানিব পাৰিলে বহু নতুন তথ্য পোহৰলৈ আহিব। কাৰণ, ইমানবোৰ বিশ্বাস সেৱনৰ পাছতো যিসকল ৰোগী মৃত্যুৰ মুখত পৰিছে তেওঁলোকৰ কথা আমি কোনো-দিনে শুনিবলৈ নাপাওঁ,—ক'ৰবাত কেনেবাকৈ ভাল হোৱাজনৰ কাহিনীহে ইমুখ সিমুখ হৈ (অতিৰঞ্জিত হৈ) সমাজত বহুলভাৱে প্ৰচাৰ হয়। প্ৰকৃত কথাটো হ'ল,—ভাল হ'ব পৰা অৱস্থাত থকা আৰু ঔষধপ্ৰয়োগৰ দ্বাৰা বা অস্ত্ৰোপচাৰৰ দ্বাৰা ভাল হ'ব পৰা অৱস্থা এটালৈ আনিবপৰা ৰোগবিলাকৰহে এতিয়ালৈকে আৰোগ্য লাভ সম্ভৱ হৈছে। কেতিয়াবা কোৱা শুনো যে ডাক্তৰে আশা এৰি দিয়া মৃত্যুমুখী ৰোগীকো কোনোবা অলৌ-কিক ক্ষমতাসম্পন্ন লোকে ভাল কৰি তুলিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত যি ডাক্তৰে আশা এৰি দিয়াৰ পাছতো ৰোগীয়ে অন্যৰ হাতত আৰোগ্য লাভ কৰিছে, সেই ডাক্তৰৰ দক্ষতাক আমি নিশ্চয় সন্দেহৰ চকুৰে চাব লাগিব। মুঠ কথা, যিমান কঠিন, পুৰণি দুৰাৰোগ্য ৰোগেই নহওক— আৰোগ্য লাভ হ'ব পৰা ৰোগৰহে আৰোগ্য লাভ হৈছে। নহ'লে পৃথিৱীত হাজাৰ-বিজাৰ ডাঙৰ-দৰিদ্ৰৰ কথা বাদেই, বিখ্যাত, ধনী—চিকিৎসাৰ বাবে যিমান প্ৰয়োজন সিমান খৰচ কৰিব পৰা, য'লৈকে যোৱাৰ প্ৰয়োজন ত'লৈকে যোৱাৰ ক্ষমতা থকা VIP-VVIP সকলেও নানা ৰোগত ভুগি কৰুণভাৱে মৃত্যুমুখত নপৰিলহেঁতেন।

ফিলিপাইনছৰ ডাক্তৰজন থাকোঁতে AIDS অৰ দৰে মাৰাত্মক ৰোগৰ প্ৰতিষেধক ঔষধ আৱিষ্কাৰ কৰিবলৈ গোটেই পৃথিৱীতে গৱেষণা চলোৱাৰ প্ৰয়োজন নাছিল। দুৰাৰোগ্য কেন্সাৰ ৰোগত ভুগি মানুহ মৃত্যুমুখত পৰাৰ প্ৰয়োজন নাছিল। AIDS অৰ ভয়াবহতাই গোটেই পৃথিৱীতে যি আলোড়নৰ সৃষ্টি কৰিছে, সত্য হোৱা হ'লে ফিলিপাইনছৰ ডাক্তৰজনৰ অলৌকিক শক্তি তথা মাহাত্ম্যই গোটেই পৃথিৱীত তাতকৈ হাজাৰগুণ বেছি আলোড়নৰ সৃষ্টি কৰিলেহেঁতেন। কিন্তু কত? কেৱল আমাৰ জকাই-চুকীয়া অসমতহে এইবোৰ কাহিনীৰ প্ৰচাৰত কোনোৱা "অসম বিৰোধী চক্ৰ"ৰ হাত নাইতো! আজিকালি ফটো তোলা পদ্ধতি আৰু কৌশলৰ ইমান চমকপ্ৰদ উন্নতি হৈছে যে গৰু এটাই গছত উঠি নাৰিকল খাই থকা ৰঙীন ফটো এখন দেখিলেও নিশ্চয় বিশ্বাস কৰিব নালাগিব যে সম্প্ৰতি গৰুসকল গছত উঠিব পৰাকৈ বুদ্ধিমান হৈ উঠিছে! —তদুপৰি হাজাৰ-বিজাৰ টকা খৰচ কৰি গৈ ঘূৰি আহি সুফল নোপোৱা বুলি ক'ব লগা হলে ওচৰচুবুৰীয়াৰ ওচৰত হাঁহিয়াতৰ পাত্ৰও জানো নহম? (বন্ধু-বান্ধৱৰ লগত এই বিষয়ে আলো-চনা কালত শুনিলো, ক্ৰিকেট খেলোঁতে আঘাত পাই বেয়া হৈ যোৱা এজনৰ চকু এটা হেনো এই ফিলিপাইনছৰ ডাক্তৰে ভাল কৰি পেলালে। লগে লগে এজনে ক'লে পলিঅ' ৰোগাক্ৰান্ত ল'ৰা এটা হেনো বিফল মনোৰথ হৈ ফিলিপাইনছৰ পৰা ঘূৰি আহিল। মাত্ৰ দুটা ঘটনা শুনিছিলো,—তাৰে ৫০ % মিছা!)

ৰেলগাড়ী নহা পৰ্যন্ত আমি বহু সময়ত ষ্টেছনত ৱেইটিং ৰুমত বহি থাকোঁ। ৰেলগাড়ী অহাৰ লগে লগে ৱেইটিং ৰুম এৰোঁ। বিশ্বাস হ'ল আমাৰ মানসিক জগতৰ ৱেইটিং ৰুম। সত্য নহা পৰ্যন্ত, অৰ্থাৎ সত্যক নোপোৱা পৰ্যন্ত আমি বিশ্বাসৰ আশ্ৰয়ত থাকোঁ। সত্য আহি পালেই বিশ্বাস এৰি সত্যক গ্ৰহণ কৰোঁ। বিশ্বাস সত্যৰ দ্বাৰা প্ৰভাৱিত হয়, কিন্তু সত্য বিশ্বাসৰ দ্বাৰা প্ৰভাৱিত নহয়। সত্যক পোৱাৰ পাছতেই বিশ্বাসৰ অৱলুপ্তি ঘটে বা পৰিবৰ্তন হয় ; কিন্তু সত্য আমাৰ বিশ্বাস-অবিশ্বাসৰ বাহিৰত এটা চিৰন্তন ধ্ৰুৱক (constant)।

দুৰ্ভাগ্যৰ কথাটো হ'ল, বিশ্বাসৰ কোমল, উমাল আশ্ৰয়ত বাস কৰি আমাৰ মাজত আজি এনে এটা অভ্যাস গঢ়ি উঠিছে যে অলপ কষ্ট কৰি সত্যক বিচাৰি পোৱাৰ চেষ্টা কৰাৰো প্ৰয়োজনবোধ নকৰা হৈছোঁ। আমি এতিয়া গভীৰ বিশ্বাসী, সত্যসন্ধানী নহয়। এই বিশ্বাসীৰ দলত নাম লেখোৱাবলৈ ডাক্তৰ, ইঞ্জিনিয়াৰ, বুদ্ধিজীৱী, অধ্যাপক, সাহিত্যিক কবি আদি সমাজৰ তথাকথিত বুদ্ধিমান-সকলেও এতিয়া দীঘলীয়া শাৰী পাতিছে!

**এই বিশ্বাসীৰ দলত নাম লেখোৱাবলৈ ডাক্তৰ, ইঞ্জিনিয়াৰ, বুদ্ধিজীৱী, সাহিত্যিক কবি আদি সমাজৰ তথাকথিত বুদ্ধিমানসকলেও এতিয়া দীঘলীয়া শাৰী পাতিছে!**



# পঞ্জাব শান্ত হ'ব নে ?

ইমৰান হুছেইন

পঞ্জাব বিধান সভাৰ যোৱা নিৰ্বা-চনত অকালি দলৰ বিপুল জয়লাভক সন্ত্ৰাসবাদৰ বিৰুদ্ধে আৰু শান্তি প্ৰতি-ষ্ঠাৰ সপক্ষে পঞ্জাবৰ জনসাধাৰণৰ স্পষ্ট ৰায় বুলি সমগ্ৰ দেশেই অভিহিত কৰিছিল। কিন্তু অকালি দলে শাসন-ভাৰ লোৱাৰ পাছতো ৰাজ্যখনত উগ্ৰপন্থী কাৰ্যকলাপ কমক চাৰি দিনক দিনে বৃদ্ধিহে পাবলৈ ধৰে। ফলত বৰ্তমানৰ বছৰৰ যোৱা ছমাহত (জানু-ৱাৰী মাহৰপৰা জুন মাহলৈকে) ৩৩৯ জন লোকে প্ৰাণ হেৰুৱাব লগা হয়। (তালিকা দ্ৰষ্টব্য)। এই কালছোৱাত দৈনিক গড়ে দুজনকৈ লোকে উগ্ৰপন্থীৰ হাতত প্ৰাণ হেৰুৱায়। জানুৱাৰী মাহত ১৪ জন লোকক হত্যা কৰা হয়। আনহাতে, অকল জুন মাহতে এই সংখ্যা ৮৪ জনলৈ বৃদ্ধি পায়। জুন মাহত মাত্ৰ পাঁচটা দিনহে কোনো অপ্ৰীতিকৰ ঘটনা নঘটাকৈ পাৰ হয়। আনহাতে জানুৱাৰী মাহত আঠদিনহে হিংসাত্মক ঘটনা সংঘটিত হৈছিল। ইয়াৰপৰাই উগ্ৰপন্থী কাৰ্যকলাপৰ গতি-বিধিৰ উমান পাব পাৰি।

দেশৰ ভিতৰতে সমৃদ্ধিশালী ৰাজ্যখনে আজি নিৰীহ লোকৰ হত্যা আৰু উগ্ৰপন্থীৰ তাণ্ডৱলীলাৰ বোজা বহন কৰিব লগীয়া হৈছে। ভীত-সন্ত্ৰস্ত হিন্দুসকলৰ চুবুৰীয়া ৰাজ্যলৈ পলায়নৰ লগতে শুভ-চিন্তা কৰা শিখ-সকলো সন্ত্ৰাসবাদৰ মূক দৰ্শক হৈ থাকিব লগীয়া হৈছে।

প্ৰায় প্ৰতিটো ৰাতিপুৱাই এটা নহয় এটা হিংসাত্মক ঘটনাৰ বতৰা কঢ়িয়াই অনা ৰাজ্যখনৰ বাবে আজি শান্তি যেন সদূৰ-পৰাহত, কল্পনাৰ সামগ্ৰী হৈ পৰিছে। বিভিন্ন গাঁও-চহৰ, বিশেষকৈ অমৃতসৰ, গুৰদাসপুৰ, কাপুৰথলা; জলন্ধৰ, হোছিয়াৰপুৰ, ফৰিদকোট আদি জিলাৰ সাধাৰণ ৰাইজে প্ৰতি মুহূৰ্ততে উগ্ৰপন্থীৰ হিংসাত্মক কাৰ্যকলাপৰ ভাবুকিৰ মাজত দিন নিয়াৰ্ব লগীয়া হৈছে।

এসময়ৰ ব্যস্ত ঘাই পথসমূহত আজিকালি আগৰ দৰে যান-বাহনৰ চলাচল নাই। আলিৰ কাষত মাজ-নিশালৈকে খোলা থকা মদৰ দোকান-বোৰ আৰু গোটেই নিশা খোলা থকা ধাবাবোৰ বৰ্তমান নিশা ন বজাৰ ভিতৰতে বন্ধ হৈ যায়। এসময়ৰ জনপূৰ্ণ অমৃতসৰ, লুধিয়ানা, জলন্ধৰ আৰু অন্যান্য ঠাইৰ বজাৰবোৰৰ দোকান-পোহাৰবোৰ বৰ্তমান গধূলি হোৱাৰ লগে লগে বন্ধ কৰি দিয়া হয়। অমৃতসৰৰ এজন ব্যৱসায়ীৰ মতে, "সন্ধিয়া সাত বজাৰ ভিতৰত ঘৰ নাপালে মোৰ পত্নী আৰু ল'ৰা-ছোৱালীকেইটা ভয়ত বলিয়াৰ নিচিনা হৈ পৰে।"

আগতে পঞ্জাবৰ লোকসকলে গৰমৰ দিনত নিশাৰ ভাগতহে ভ্ৰমণ কৰিবলৈ ভাল পাইছিল। কিন্তু আজিকালি প্ৰায়-বোৰ বাছেই সন্ধিয়া সাত বজাৰ ভিতৰত গন্তব্যস্থান পায়গৈ। সৰু নগৰবোৰত উগ্ৰপন্থীৰ হাতসৰাৰ উদ্দেশ্যে বাছবোৰ আৰক্ষী চকীসমূহৰ আগলৈ নি ৰখোৱা হয়। অমৃতসৰ, পাঠানকোট আৰু জলন্ধৰ আদিৰ দৰে অঞ্চলৰ ৰেল ষ্টেছনবোৰত সন্ধিয়া প্ৰলমকৈ আহি পোৱা ৰেলবোৰৰ যাত্ৰীসকলক পুলিছে নিৰাপত্তা দি ঘৰত থৈ আহিব লগীয়া হয়; নহলে তেওঁলোকে ষ্টেছনতে নিশাটো কটাব লগীয়া হয়। মাজনিশা কাম শেষ কৰা ৰেল কৰ্মচাৰীসকলো ৰাতিপুৱা পোহৰ হোৱাৰ পাছতহে ঘৰলৈ যায়। ৰাজ্যখনৰ আইন-শৃংখলাৰ দায়িত্বত থকা আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ লোকসকলেও সৰ্বসাধাৰণ ৰাইজ সন্ধিয়াৰ লগে লগে ঘৰ সোমোৱা-টোকে কামনা কৰে। কাৰণ তেওঁলোকৰ মতে, অনবৰতে তেওঁলোক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ প্ৰতি সতৰ্ক হৈ থাকিব লগীয়া হয় ; তেনেস্থলত সন্ধিয়াৰ পাছতো ঘৰৰ বাহিৰত থাকি জনসাধা-ৰণে তেওঁলোকৰ বাবে অধিক সমস্যাৰ সৃষ্টি কৰা অনুচিত।

নিৰাপত্তামূলক ব্যৱস্থা হিচাপে ৰাজ্যখনৰ বেছিভাগ ৰেলগাড়ীৰে চলাচল স্থগিত ৰখা হৈছে। বৰ্তমান কেইখনমান ৰেলগাড়ীহে কটকটীয়া নিৰাপত্তাৰ মাজত চলোৱা হয়। ইয়াৰ ভিতৰত শ্বান-এ-পঞ্জাব নামৰ ভাৰতৰ ভিতৰতে অন্যতম তীব্ৰবেগী ৰেলগাড়ীখনো আছে। বৰ্তমান ইয়াক ঘণ্টাত কুৰি কিল'মিটাৰ বেগতহে চলাই থকা হৈছে। সাধাৰণতে অমৃত-সৰৰপৰা পাঠানকোটলৈ পাঁচখন ৰেল চলাচল কৰে। বৰ্তমান ৰেলৰ কৰ্মচাৰী কঢ়িয়াবলৈ মাত্ৰ এখনহে ৰেলগাড়ী চলাই থকা হৈছে। প্ৰধান ৰেলপথ কেইটাতো সশস্ত্ৰ পহৰাৰ মাজত ৰেলগাড়ীবোৰ চলোৱা সত্ত্বেও যাত্ৰীৰ সংখ্যা শতকৰা ৩৭ ভাগ কমি গৈছে। আন ৰেলপথসমূহতো সাধাৰণ অৱস্থাৰ এক-পঞ্চমাংশ লোকেহে ৰেলত যাবলৈ সাহস কৰে।

হিংসাত্মক ঘটনাসমূহে হিন্দু আৰু শিখসকলৰ মাজৰ সাম্প্ৰদায়িক ব্যৱধান ব্যাপক কৰি তুলিছে। চোৰাংচোৱা সূত্ৰৰ মতে, "সাম্প্ৰদায়িক উত্তেজনা আৰু সংঘৰ্ষৰ সৃষ্টি কৰাটোৱেই উগ্ৰ-পন্থীসকলৰ মূল লক্ষ্য। এইক্ষেত্ৰত তেওঁলোক কিছুখিনি কৃতকাৰ্যও হৈছে।"

এই আঁচনিৰ প্ৰথম পৰ্যায়ত হিন্দুসকলৰ মনত ভয়ৰ সঞ্চাৰ কৰি তেওঁলোকক আন ঠাইলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰোৱাটো তেওঁলোকৰ লক্ষ্য। এইক্ষেত্ৰতো তেওঁলোক কিছু পৰিমাণে কৃতকাৰ্য হৈছে বুলিয়ে ক'ব পাৰি। প্ৰথম লক্ষ্য হিচাপে গাঁওঅঞ্চল-সমূহকে বাছি লোৱা হৈছিল। ফলত উগ্ৰপন্থীঅধ্যুষিত জিলাকেইখনৰ গাঁও-সমূহ সংখ্যালঘুহীন হৈ পৰিছে। চোৰাংচোৱা সূত্ৰটোৱে কয়, "ভাবুকি-পূৰ্ণ চিঠি, বলেৰে টকা-পইচা আদায় কৰা আৰু নিৰ্দিষ্ট গাঁও কিছুমানত (য'ত হিন্দুসকল সংখ্যালঘু) হত্যাকাণ্ড সংঘটিত কৰি উগ্ৰপন্থীসকলে হিন্দু-সকলক পলায়ন কৰিবলৈ বাধ্য কৰোৱাত কৃতকাৰ্য হৈছে।" বৰ্তমান



OKDISCD

ৰাজ্যখনৰ, বিশেষকৈ গুৰদাসপুৰ আৰু অমৃতসৰ জিলাৰ নগৰ আৰু চহৰসমূহক লক্ষ্য হিচাপে লোৱা হৈছে। সংখ্যাধিক্য হিন্দুৰ বসতিপূৰ্ণ চহৰীয়া অঞ্চলসমূহক আঁচনিৰ দ্বিতীয় পৰ্যায় হিচাপে ধৰা হৈছে। উগ্ৰপন্থীৰ এনেবোৰ কাৰ্যকলাপে পৰিস্থিতি এক প্ৰকাৰ অসামৰিক যুদ্ধৰ (civil war) পৰ্যায়লৈ লৈ গৈছে। উদাহৰণস্বৰূপে বিভিন্ন ঠাইত দুয়োটা সম্প্ৰদায়ৰলোকৰ মাজত পথৰ ওপৰত চলা সংঘৰ্ষৰ কথা উল্লেখ কৰিব পাৰি।

অলপতে অমৃতসৰত গ্ৰেপ্তাৰ হোৱা উগ্ৰপন্থী অৱতাৰ সিঙে (এওঁৰ নামত একলাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল) পুলিছৰ আগত প্ৰকাশ কৰে, "আমি সেনাবাহিনী মাতিবপৰা এটা পৰিস্থিতিৰ সৃষ্টি কৰিব খোজোঁ। সেনাবাহিনীয়ে দায়িত্ব লোৱাৰ লগে লগে শিখ যুবকসকলৰ ওপৰত অত্যাচাৰ আৰম্ভ হ'ব আৰু ইয়ে তেওঁলোকক পাকিস্তানলৈ যাবলৈ উত্তেজিত কৰিবলৈ যথেষ্ট। ই আমাক খালিস্তানৰ অধিক ওচৰ চপাই নিব।"

বৰ্তমান পৰিস্থিতি এনে এটা পৰ্যায় পাইছেগৈ যে জনসাধাৰণে তেওঁলোকক সুৰক্ষা দিয়া সম্পৰ্কত প্ৰশাসনৰ সামৰ্থ্যৰ ওপৰতো সন্দেহ কৰিবলৈ লৈছে। অলপতে কৃষ্ণনগৰৰ এচাম হিন্দু সম্প্ৰদায়ৰ লোকে জিলা কৰ্তৃপক্ষক স্পষ্টভাৱে জনাই দিয়ে যে যিহেতু চৰকাৰে উগ্ৰপন্থীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণত ব্যৰ্থ হৈছে, গতিকে তেওঁলোকে নিজই নিজৰ সুৰক্ষাৰ ব্যৱস্থা কৰিব।

এনে এক পৰিপ্ৰেক্ষিতত এদিন শিৱসেনাৰ জন্ম হৈছিল। শিখ উগ্ৰপন্থীৰ বিৰুদ্ধে হিন্দুসকলক সুৰক্ষা দিয়াত ই সম্পূৰ্ণ কৃতকাৰ্য নহ'ব পাৰে অথবা ই শিখ উগ্ৰপন্থীৰ দৰে সুসজ্জিত নহ'ব পাৰে, কিন্তু দলে দলে হিন্দু যুৱকক ইয়াৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। শিখসকলৰ কৃপাণৰ বিপৰীতে তেওঁলোকে ত্ৰিশূল হাতত তুলি লৈছে।

**১৯৮৬ চনৰ জানুৱাৰীৰপৰা জুনলৈকে পঞ্জাবত নিহত হোৱা মুঠ লোকৰ সংখ্যা**

| স্থান | জানুৱাৰী | ফেব্ৰুৱাৰী | মাৰ্চ | এপ্ৰিল | মে' | জুন | মুঠ |
|---|---|---|---|---|---|---|---|
| অমৃতসৰ | ৩ | ১২ | ১১ | ২৫ | ৭১ | ৪০ | ১৬২ |
| গুৰদাসপুৰ | ৪ | ৬ | ২ | ৯ | ১২ | ১৭ | ৫০ |
| জলন্ধৰ | ২ | — | ১৩ | ১৫ | ২ | ২ | ৩৪ |
| লুধিয়ানা | ৩ | ২ | ১৪ | ৩ | — | ৯ | ৩১ |
| ফিৰোজপুৰ | — | ৪ | ৩ | — | ২ | ৬ | ১৫ |
| কাপুৰথলা | ১ | ১ | ৬ | ২ | ৩ | — | ১৩ |
| ফৰিদকোট | ১ | ২ | ৫ | ২ | ২ | ৪ | ১৬ |
| পাটিয়ালা | — | — | ২ | ৬ | — | ১ | ৯ |
| হোছিয়াৰপুৰ | — | — | ১ | ২ | ১ | ৩ | ৭ |
| চাংৰুৰ | — | — | — | — | — | ২ | ২ |
| | | | | | | | ৩৩৯ জন |

শিৱ সেনাৰ আবিৰ্ভাৱে প্ৰকৃতাৰ্থত পঞ্জাবৰ পৰিস্থিতি অধিক জটিল কৰিহে তুলিছে। হিন্দু সংখ্যাধিক্যৰ অঞ্চলৰ শিখসকলৰ জীৱন যাত্ৰাও তেওঁলোকে দুৰ্বহ কৰি তুলিছে। প্ৰতিটো উগ্ৰপন্থীৰ আক্ৰমণৰ পাছতে শিৱসেনাৰ স্বেচ্ছাসেৱকসকলে শিখ বাসস্থান আৰু দোকানসমূহক তেওঁলোকৰ আক্ৰমণৰ লক্ষ্য হিচাপে লয়। গুৰদাসপুৰৰ আৰক্ষী প্ৰধান জে. পি. বিৰদিৰ মতে, "ফটেহগড় চুৰিয়াঁত উগ্ৰপন্থীয়ে বিজেপি নেতাজনক হত্যা কৰাৰ পাছত নিৰীহ শিখসকলক আক্ৰমণ কৰা হয়। ইয়ে পৰিস্থিতি অধিক জটিল কৰি তুলিছে।"

এনে এক পৰিস্থিতিত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ অতি সাৱধানে আগবাঢ়িব লগীয়া হৈছে। কেৱল অৰ্ধ-সামৰিক বাহিনীৰ অতিৰিক্ত বেটেলিয়ন নিয়োগ কৰিলেই পৰিস্থিতি শাম নাকাটে ; কাৰণ সমস্যাটো কেৱল দেড়শমান ঘোৰ উগ্ৰপন্থীক (hardcore) নিপাত কৰাটোৱেই নহয়, বাইজৰ মনৰপৰা হিংসাৰ মনোভাৱ আঁতৰোৱাটোও সমস্যাটোৰ এটা অংশ। এইটো সত্য যে শিখৰ লগতে অনেক হিন্দু পৰিয়ালেও ভয়তেই হওক বা নিজৰ প্ৰাণৰ বিনিময়তে হওক উগ্ৰপন্থীক নিজৰ ঘৰত আশ্ৰয় দিয়ে। উগ্ৰপন্থীসকলে মানুহৰ ঘৰলৈ গৈ মজিয়াতে ষ্টেনগানটো থয়, গৃহস্থক তেওঁলোকৰ পচন্দৰ খাদ্য প্ৰস্তুত কৰিবলৈ কয়, আৰু তেওঁলোকৰ কাপোৰকানি ধুই দিবলৈ নিৰ্দেশ দিয়ে। গৃহস্থৰ বাবে নিৰ্দেশ পালন কৰাৰ বাহিৰে একো উপায় নাথাকে। অলপতে গুৰদাসপুৰত পুলিছৰ সৈতে হোৱা সংঘৰ্ষত নিহত হোৱা 'খালিস্তান লিবাৰেশ্যন আৰ্মি'ৰ তিনিজন লোক এসপ্তাহৰো অধিক কাল বাটালাৰ এটা পৰিয়ালত আছিল। অমৃতসৰ জিলাৰ এখন গাঁৱৰ এটা হিন্দু পৰিয়ালৰ বয়-বস্তু লুট কৰাৰ পাছত উগ্ৰপন্থীসকলে এগৰাকী বিবাহিতা মহিলাকো ধৰি লৈ যায়। মহিলাগৰাকীক ওভোতাই থৈ যায়হি যদিও পাছত তেওঁলোক সঘনে তেওঁৰ ঘৰলৈ আহিবলৈ লয়। পুলিছে গম পাই গৃহস্থজনক মাতি আনি সোধাত তেওঁ গোচৰ তৰি নিজৰ জীৱনটো হেৰুৱাব নোখোজে বুলি উত্তৰ দিয়ে।

পঞ্জাবৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কত আৰক্ষী বাহিনীৰ ভূমিকা সম্বন্ধেও অনেক প্ৰশ্ন উত্থাপিত হৈছে। উগ্ৰপন্থীসকলে পঞ্জাব পুলিছৰ এটা অংশক প্ৰভাৱান্বিত কৰিবলৈ সক্ষম হৈছে বুলি হিন্দুসকলে সন্দেহ কৰে। আনহাতে শিখসকলে ছি. আৰ. পি. বাহিনীক শিৱ সেনাৰ আন এটা ৰূপান্তৰ বুলি ভাবে। আনকি

৫৭ পৃষ্ঠাত চাওক



# অসমীয়া বৰ্ণৰ ব্যৱহাৰৰ বাৰংবাৰতা

ড° দীনেশ চন্দ্ৰ গোস্বামী/ প্ৰমোদ চন্দ্ৰ নেওগ

কোনো এটা ভাষাত তাৰ বৰ্ণবোৰৰ কোনটোৰ কিমান ব্যৱহাৰ হয় সেইটো জনা থাকিলে সেই ভাষাৰ টাইপ ৰাইটাৰ, কম্পিউটাৰ, ফটো টাইপ ছেটাৰ বা ৱৰ্ড প্ৰছেছৰৰ কি-ব'ৰ্ড (key-board) সজোৱাত সুবিধা হয়। অসমীয়া ভাষাত বৰ্ণবোৰৰ বাৰংবাৰতা (frequency) বা সেইবোৰৰ কোনটো কিমান বেছিকৈ ব্যৱহৃত হয়, সেই বিষয়ে এটা প্ৰাথমিক অধ্যয়ন চলোৱা হৈছিল। অসমীয়া ভাষাত এনে অধ্যয়ন আগতে হোৱা বুলি আমাৰ জনা নাই।

ইংৰাজী, জাৰ্মান, ফৰাছী, স্পেনিছ ভাষাৰ বৰ্ণবোৰ একে। কিন্তু, এইবোৰ ভাষাৰ টাইপ ৰাইটাৰৰ কি-ব'ৰ্ডখন একেবাৰে একে নহয়। ইংৰাজী ভাষাৰ টাইপ ৰাইটাৰৰ কি-ব'ৰ্ডখনলৈ মন কৰিলে দেখা যাব যে তাত ঘনাই ব্যৱহাৰ হোৱা D, F, G, H, J, K, R, T, Y, U, I আদি বৰ্ণবোৰ কি-ব'ৰ্ডৰ মাজত আমাৰ তৰ্জনী আৰু মধ্যমা আঙুলিৰে মাৰিব পৰাকৈ সজাই থোৱা আছে। আনহাতে, কমকৈ ব্যৱহাৰ হোৱা Z, X, A, S, L, Q, W, P, O আদি বৰ্ণবোৰ আমি ব্যৱহাৰ কৰিবলৈ কিছু অসুবিধা পোৱা কনিষ্ঠ আৰু অনামিকা আঙুলিৰ বাবে ৰখা হৈছে। ইংৰাজী ভাষাৰ ৰচনাৰ ব্যাপক অধ্যয়ন চলাই বৰ্ণবোৰৰ বাৰংবাৰতা নিৰ্ণয় কৰাৰ পাছতহে ইংৰাজী টাইপ ৰাইটাৰৰ সাৰ্বজনীন qwerty কি-ব'ৰ্ডখন সজাই লোৱা হৈছে।


অসমীয়া ভাষাত বৰ্ণৰ বাৰংবাৰতা অধ্যয়ন কৰোঁতে আমি কলমৰ আগেৰে এটা এটাকৈ গণি যোৱাৰ দৰে প্ৰাথমিক ব্যৱস্থাহে ল'ব লগা হৈছিল। কাৰণ, কম্পিউটাৰৰ কি-ব'ৰ্ডৰ সহায়ত কোনো ৰচনা লিখি যাওঁতে আপোনা-আপুনি বৰ্ণৰ সংখ্যা বা লেখ (graph) ওলাই যোৱাৰ দৰে ব্যৱস্থা আমাৰ হাতত নাছিল। এই প্ৰাথমিক অধ্যয়নৰ বাবে আমি তলত দিয়া ৰচনাসমূহত ব্যৱহৃত হোৱা বৰ্ণৰ সংখ্যা গণি উলিয়াইছিলোঁ :

| গ্ৰন্থ | বিষয় | লেখক | পৃষ্ঠা |
|---|---|---|---|
| (১) ড° হিৰণ্য চন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | হিৰণ্য চন্দ্ৰ ভূঞাৰ স্মৃতিত | ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ১-১৫ |
| (২) ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প | গংগাস্নান | ড° ভবেন্দ্ৰ নাথ শইকীয়া | ৬৫-৬৯ |
| (৩) সাহিত্য সমীক্ষা | আধুনিক অসমীয়া সাহিত্যত হেম বৰুৱাৰ স্থান | ত্ৰৈলোক্য নাথ গোস্বামী | ৫১-৫৫ |
| (৪) অসমৰ বুৰঞ্জী | কছাৰী ৰজা | পদ্মনাথ গোহাঞি বৰুৱা | ১৪২-১৪৬ |
| (৫) গল্প | (ক) যেনে চোৰ তেনে টাঙোন | লক্ষ্মীনাথ বেজবৰুৱা | ২-৬ |
| | (খ) কক্ষভ্ৰষ্ট | ড° ভবেন্দ্ৰ নাথ শইকীয়া | ৭০-৭৪ |
| (৬) বিজ্ঞান জেউতি ১৭শ বছৰ, ৪ৰ্থ সংখ্যা, আগষ্ট, ১৯৮২ | নিলয় ৰিধে বিধে | ড° সোণেশ্বৰ শৰ্মা | ৩৮-৪২ |
| (৭) সুগন্ধি পখিলা (হীৰেন ভট্টাচাৰ্যৰ নিৰ্বাচিত কবিতা) | শৰসন্ধান, প্ৰতীক্ষা. স্তম্ভিত বিদ্যুত, বোধন, বহাগ, নায়িকা, বসন্তৰ স্তৱক, ব'ৰাগী বীণ, কাঠ হোৱা চকুলোৰ গান, পদাংক | হীৰেন ভট্টাচাৰ্য্য | ১১, ১৬, ২৩, ৩৬, ৪৬, ৫৭. ৬১, ৭০, ১৪৫, ১৫৩ |
| (৮) প্ৰান্তিক ৫ম বছৰ, ৩য় সংখ্যা, ১-১৫ জানুৱাৰী, ১৯৮৬ | বয়স-বুদ্ধি-অভিজ্ঞতা | ড° ভবেন্দ্ৰ নাথ শইকীয়া | ৫৮ |
| (৯) প্ৰান্তিক ৫ম বছৰ ৭ম সংখ্যা, ১-১৫ মাৰ্চ, ১৯৮৬ | সৰুৰপৰা ডাঙৰলৈ | ড° ভবেন্দ্ৰ নাথ শইকীয়া | ৫৮ |
| (১০) প্ৰান্তিক ২য় বছৰ, ২২শ সংখ্যা, ১৬-৩১ অক্টোবৰ, ১৯৮৩ | অসমীয়া কোন ? | ড° ভুবন মোহন দাস | ১৩ |
| (১১) প্ৰান্তিক ২য় বছৰ, ২৩শ সংখ্যা, ১-১৫ নৱেম্বৰ, ১৯৮৩ | অসমত মাইলছ ব্ৰনছন | ড° লীলা গগৈ | ২১ |
| (১২) প্ৰান্তিক ৪ৰ্থ বছৰ, ৭ম সংখ্যা, ১-১৫ মাৰ্চ, ১৯৮৫ | নতুন চাম : কিমান তললৈ, কিমান ওপৰলৈ | পৰাগ কুমাৰ দাস | ১৩ |

এই অধ্যয়নৰপৰা আমি বৰ্ণৰ বাৰংবাৰতাৰ লেখো আঁকি উলিয়াইছিলোঁ। এই লেখৰ নমুনা হিচাপে



OKDISCD



ইয়াত প্ৰথম চিত্ৰত প্ৰান্তিকৰ পাঁচটা বেলেগ বেলেগ সংখ্যাৰ বেলেগ বেলেগ বিষয়ৰ পাঁচটা পৃষ্ঠাৰ সমস্ত বৰ্ণৰ বাৰংবাৰতা দেখুউৱা হ'ল।

আনখন চিত্ৰত ওপৰত উল্লেখ কৰা আটাইবোৰ ৰচনাৰ মুঠ বৰ্ণৰ বাৰংবাৰতা দেখুউৱা হ'ল। ইয়াত স্তম্ভবোৰে বৰ্ণৰ বাৰংবাৰতাৰ তুলনামূলক চিত্ৰহে দাঙি ধৰিছে। উদাহৰণস্বৰূপে প্ৰথম চিত্ৰৰপৰা বুজা যায় যে প বৰ্ণটো ক বৰ্ণৰ আধাহে ব্যৱহৃত হৈছে। প্ৰথম চিত্ৰত এইটো সহজে চকুত পৰে যে ক, ত, ন, ৰ, ল আদি বৰ্ণবিলাকৰ ব্যৱহাৰ আন বৰ্ণতকৈ বহু বেছি। আনহাতে ঐ, ঔ, ঘ, ঙ, ঞ, ঠ, ডা, ঢ, ফ, ড়, ঢ় আদি বৰ্ণৰ ব্যৱহাৰ যথেষ্ট কম। আকৌ অ, আ, ই, এ, ও, গ, চ, ছ, জ, ট, দ, ব, ভ, ষ, য়, হ আদি বৰ্ণৰ ব্যৱহাৰ মধ্যমীয়া।

দ্বিতীয় চিত্ৰত বৰ্ণৰ ব্যৱহাৰ প্ৰথম চিত্ৰৰ বৰ্ণৰ ব্যৱহাৰৰ অনুৰূপ বুলিয়েই ক'ব পাৰি। ইয়াতো ক, ত, ন, ব, ৰ, ল, স, হ আদি বৰ্ণ আন বৰ্ণতকৈ অধিক ব্যৱহৃত হৈছে। দুয়োখন চিত্ৰৰ সকলো বৰ্ণমালাৰ ভিতৰত ৰ বৰ্ণত বাৰংবাৰতা বেছি। কিছুমান বৰ্ণ যেন— ঈ, ঐ, ঔ, ঞ, ড় ইত্যাদি অতি কমেইহে ব্যৱহৃত হয়। স্বৰ চিনৰ ভিতৰত া, ে, ি অধিক ব্যৱহৃত হৈছে। আনহাতে ী, ু, ৈ, ং আদি স্বৰ চিনৰ আৰু ্, ্য, ্র, আদি ব্যঞ্জন চিনৰ ব্যৱহাৰ মজলীয়া।

আগতেই কোৱা হৈছে যে এই অধ্যয়ন এক প্ৰাথমিক অধ্যয়ন। কিন্তু আমি লক্ষ্য কৰিছোঁ যে ওপৰত উল্লেখ কৰা ১২ টা নমুনাৰ যি কোনো এটাৰ বৰ্ণবোৰৰ বাৰংবাৰতাৰ যি সজ্জা (pattern) পোৱা যায়, তাৰে দুটা বা ততোধিক নমুনা একেলগ কৰি বৰ্ণবোৰৰ বাৰাংবাৰতা উলিয়ালেও একে পোৱা যায়। আনকি ১২টা নমুনাৰ সৰ্বমুঠ বৰ্ণবোৰৰ বাৰংবাৰতাৰ সজ্জাও প্ৰায় একে হয় (চিত্ৰ ২)। ইয়াৰপৰা অনুমান কৰিব পাৰি যে এই অধ্যয়ন বহুতো অসমীয়া ৰচনাৰ ওপৰত ব্যাপকভাৱে চলালেও বৰ্ণবোৰৰ বাৰংবাৰতাৰ বিশেষ পৰিবৰ্তন নহ'ব।

এই অধ্যয়নৰপৰা অনুমান কৰিব পাৰি যে অসমীয়া ভাষাৰ যি কোনো বিষয়ৰ লিখনিত ক, ত, ন, ব, ম, ৰ, ল, স আদি বৰ্ণৰ ব্যৱহাৰ তুলনামূলকভাৱে আন বৰ্ণতকৈ বেছি হ'ব। এই প্ৰাথমিক অধ্যয়নত সংযুক্ত আখৰবোৰ ধৰা হোৱা নাই।

এই বাৰংবাৰতাৰ সজ্জা ব্যৱহাৰ কৰি অসমীয়া ভাষাৰ টাইপ ৰাইটাৰ, ফটো কম্প'জিং মেছিন আৰু ৰড প্ৰেছৰ কি-বৰ্ড অধিক উন্নত আৰু কাৰ্যকৰী কৰি সাজি উলিয়াবপৰা যাব।

মন কৰিবলগীয়া যে বৰ্ণৰ বাৰংবাৰতাৰ প্ৰতি মনোযোগ নিদিয়াকৈ এনেয়ে নিজ খুচীৰে কি-ব'ডৰ সজ্জা প্ৰস্তুত কৰিলে সি কেতিয়াও দক্ষ হ'ব নোৱাৰে। তেনে কৰিলে এটা জাতিৰ জাতীয় সময়ৰ অপব্যয় হ'ব।

সাৰণী : এই প্ৰবন্ধত উল্লিখিত ৰচনাসমূহত থকা সকলো বৰ্ণৰ বাৰংবাৰতা (বৰ্ণ একোটাৰ বিপৰীতে থকা সংখ্যাটোৱে সেই বৰ্ণটো মুঠ ১২ টা নমুনাত কিমানবাৰ ব্যৱহৃত হৈছে, সেইটো বুজাইছে।

| বৰ্ণ | বাৰংবাৰতা | বৰ্ণ | বাৰংবাৰতা | বৰ্ণ | বাৰংবাৰতা |
|---|---|---|---|---|---|
| অ | ৪২৮ | ঢ | ২৫ | ঢ় | ৫০ |
| আ | ৯০৪ | ণ | ৪২০ | য় | ১০৮২ |
| ই | ১১০১ | ত | ২৮০৩ | হ | ১২৯৫ |
| উ | ২৩৬ | থ | ৩৯২ | ক্ষ | ১২০ |
| এ | ৫৯৪ | দ | ১০৭২ | ং | ১৫১ |
| ঐ | ৬ | ধ | ৪১৮ | ঁ | ৪৫৭ |
| ও | ৫৭২ | ন | ২৭১২ | া | ৮৪১২ |
| ঔ | ৫ | প | ১৫১৩ | ে | ৪১৬০ |
| ক | ২৮৮২ | ফ | ১৩৯ | ি | ৩৭১০ |
| খ | ৪৮৮ | ব | ২১৫৭ | ী | ৮৩৬ |
| গ | ৮৪৫ | ভ | ৫২২ | ু | ১১৬৭ |
| ঘ | ১৫৫ | ম | ১৮১৪ | ূ | ১৫৯ |
| ঙ | ১১২ | য | ৩৫২ | ৃ | ১২২ |
| চ | ৬৪০ | ৰ | ৪৫৩২ | ৈ | ৫১৪ |
| ছ | ৭৯৪ | ল | ২৪৫৪ | ৌ | ৭৪ |
| জ | ৮৪৬ | ৱ | ৬১৫ | ্ | ১৮৫ |
| ঞ | ৬৪ | শ | ৪৫৯ | ্য | ৩০৮ |
| ট | ৭২৫ | ষ | ৩২১ | ্র | ৩৬৫ |
| ঠ | ২০০ | স | ১৩৬১ | , | ৪৮৭ |
| ড | ৮৬ | ড় | ২৭ | “ ” | ১২৫ |
| | | | | ? | ৪০ |

চিত্ৰ ১—'প্ৰান্তিক'ৰ পাঁচটা সংখ্যাৰ পাঁচটা বেলেগ বেলেগ ৰচনাৰ বৰ্ণবোৰৰ ব্যৱহাৰৰ বাৰংবাৰতাৰ লেখ।

চিত্ৰ ২—এই প্ৰবন্ধত উল্লিখিত ১২ টা নমুনাৰ মুঠ বৰ্ণবোৰৰ বাৰংবাৰতাৰ লেখ।

ভাষা সমস্যাকৈলে আমাৰ অতীতৰ অভিজ্ঞতা বৰ তিক্ত ; তাৰ পুনৰাবৃত্তি কোনোমতেই বাঞ্চনীয় নহয়

# ব্ৰহ্মপুত্ৰ বনাম বৰাক

আপোন বেগেৰে প্ৰবাহিত দুখন নদীৰ দুপাৰত বসবাস কৰা দুভাগ মানুহৰ মাজত পুৰণিকলীয়া সংঘৰ্ষ উত্তেজনাই পুনৰ মূৰ দাঙি উঠি অসমৰ সাম্প্ৰতিক সামাজিক, ৰাজনৈতিক জীৱন উত্তপ্ত কৰি তোলাৰ এটা শংকাজনক সম্ভাৱনাই দেখা দিছে। অসমৰ মাধ্যমিক শিক্ষা ব'ৰ্ডে অনা-অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়া ভাষা শিকাটো বাধ্যতামূলক কৰি জাৰি কৰা অধিসূচনাৰ কেন্দ্ৰ কৰি সমস্যাটোৱে উক দি উঠিছে আৰু তাক সাৰপানী দি বঢ়াই তুলিব খুজিছে ৰাজনৈতিক স্বাৰ্থান্বেষীসকলে। ফলত বিশ্বাস-অবিশ্বাসৰ পাৰ নোপোৱা দোমোজাত পৰিছে বিশাল লুইতপৰীয়া সমাজখন আৰু বৰাক উপত্যকাবাসীসকল। ভাষাক লৈ আগেও দুয়োটা উপত্যকাৰ মাজত অনেক তিক্ততাৰ সৃষ্টি হৈ গৈছে, বিবাদ-বিৰোধৰো অন্ত নাই। এতিয়া একেটা সমস্যাই পুনৰ মূৰ তুলি উঠি অসমৰ সামাজিক জীৱন বিপন্ন কৰিব খুজিছে।

অসমত অসমীয়া ভাষাই ৰাজ্যিক মৰ্যাদা পোৱাৰ কথাটো প্ৰকৃততে এতিয়াও এটা অমীমাংসিত বিষয়ৰ দৰেই হৈ আছে। আঢ়ৈ দশকৰো আগেয়ে ৰাজ্য ভাষা আইন প্ৰণয়ন হ'ল, অসমীয়া ভাষাক আঞ্চলিক ভাষা হিচাপে স্বীকৃতি দি উচ্চ শিক্ষাৰ মাধ্যম কৰাও হ'ল, তথাপি সমস্যাৰ জঁট নাভাগিল। প্ৰতিক্ষণতে আপত্তিৰ উৎপত্তিস্থল হৈ থাকিল বৰাক উপত্যকা। অসমীয়া ভাষাই মৰ্যাদাৰ আসনত অধিষ্ঠিত হোৱাটো বৰাক বাসীয়ে মানি লব নোখোজে। ৰাজ্য ভাষা নাইবা শিক্ষাৰ মাধ্যমৰ দৰে সিদ্ধান্তবোৰ ৰাষ্ট্ৰীয়ভাৱে গৃহীত নীতি নিৰ্দেশনাৰেই স্বীকৃত আৰু সমৰ্থিত হোৱা

ভুবন বৰুৱা

সত্ত্বেও বৰাক উপত্যকাবাসীয়ে তাৰ বিৰোধিতা কৰিলে।

দুয়োটা উপত্যকাৰ মাজত অবিশ্বাসৰ উৎসও তাতেই।

১৯৬০ আৰু ১৯৭২ চনতো কাছাৰবাসীৰ বাবে নতুন ফৰমুলা উলিয়াব লগীয়া হৈছিল। মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অধিসূচনাখনেও একেধৰণৰ অৱস্থাৰে পুনৰাবৃত্তি ঘটোৱাৰ সংকেতকে দিছে। তাতোকৈ দুখৰ কথা,— শিক্ষাৰ নিচিনা গুৰুত্বপূৰ্ণ বিষয় এটা, ভাষাৰ দৰে আবেগিক বিষয় এটা ৰাজনৈতিক পাক চক্ৰত পৰিছে। ফলত দুয়োটা উপত্যকাৰ মানুহখিনিৰ মাজত মানসিক ব্যৱধান জোৰা লগাব নোৱৰাকৈ বঢ়াৰ উপক্ৰম ঘটিছে।

এতিয়া প্ৰশ্ন হ'ল, মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অধিসূচনাখন অ. গ. প চৰকাৰৰ নতুন উদ্ভাৱননে? আচলতে সেইটো মুঠেই নহয় ; কাৰণ ত্ৰিভাষা সূত্ৰটো এটা ৰাষ্ট্ৰীয়ভাৱে গৃহীত সিদ্ধান্ত আৰু শিক্ষাবিদ্ মহলৰ দ্বাৰা ব্যাপকভাৱে

**ত্ৰিভাষাসূত্ৰ দৃষ্টিপটত ৰাখি ততোধিক স্থানীয়ভাষা স্বেচ্ছামূলকভাৱে অধ্যয়নৰ সকলো সুবিধা আগবঢ়োৱাটোহে অধিক বাস্তৱিক আৰু ফলপ্ৰসুধৰণৰ ব্যৱস্থা হ'ব যেন লাগে।**

সমৰ্থিত। ইয়াৰ প্ৰয়োগ অসমত অতদিনে ঢিলা সোলোকাভাৱে চলি আছিল, পূৰ্বৰ চৰকাৰবোৰে ৰাজনৈতিকভাৱে অপ্ৰিয় হোৱাৰ ভয়ত এই ক্ষেত্ৰত হোহোকা-পিছলা কৰি আছিল। অসমত নতুন চৰকাৰ গঠিত হোৱাৰ পাছত মাধ্যমিক ব'ৰ্ডৰ অধিসূচনাখন জাৰী কৰাত সমস্যাই কিন্তু নতুন পাক ল'লে। ইয়াৰপৰা ৰাজনৈতিক মুনাফা উঠোৱা লোকৰো অভাৱ নোহোৱা হ'ল। ইতিমধ্যে বৰাক উপত্যকাত ৰাজনৈতি বতাহ যথেষ্ট উত্তপ্ত, ছাত্ৰসকলে আন্দোলন আৰম্ভ কৰিছেই, আৰু দলগত শক্তি বৃদ্ধিৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতীয় ভাইসকলৰ মনতো অসমীয়া ভাষা বিৰোধী মনোভাব বৃদ্ধিৰ বীজ কেতবোৰ দুষ্ট চক্ৰই সিঁচিছেহি। গতিকে অৱস্থাই কোনফালে গতি কৰে তাক এতিয়াই কোৱা টান।

মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অধিসূচনাখনৰ বিৰোধিতা কৰি কাছাৰবাসীয়ে দিয়া প্ৰধান যুক্তি হ'ল— তেওঁলোকৰ ওপৰত অসমীয়া ভাষা বলেৰে জাপি দিব খোজা হৈছে ; গতিকে এনে কথা তেওঁলোকৰ বাবে গ্ৰহণযোগ্য নহয়। ভাষা এটা কোনোবা এটা জনগোষ্ঠীৰ ওপৰত জাপি দিয়াটো কোনোমতেই সমৰ্থনযোগ্য নহয়, পিছে বৰাক উপত্যকাবাসীসকলক এটা প্ৰশ্ন মুকলি মনেৰে সুধিবলৈ ইচ্ছা হয় : তেওঁলোকে নিজকে অসমৰ অধিবাসী বুলি ভাবেনে? ভাষা সমস্যা, বিদেশী বহিষ্কাৰ আন্দোলন আদিক কেন্দ্ৰ কৰি ইতিমধ্যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত যথেষ্ট তিক্ততাৰ সৃষ্টি হৈছে, ব্যৱধানো ক্ৰমাৎ বাঢ়ি গৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহখিনিৰ বিপৰীতে খোজ দিয়াতো কাছাৰবাসীৰ এটা অভ্যাসতে পৰিণত হৈছে ; সেয়ে সকলো কথাতে বিৰোধিতা সুস্পষ্ট হৈ পৰিছে। ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ হকে কৰা সজ চিন্তাকো বৰাক বাসীয়ে সন্দেহ শংকাৰ দৃষ্টিৰে চাবলৈ শিকিছে ; বুজাপৰা, সমিলমিলৰতো প্ৰশ্নই নাই। এইটো অৱশ্যে এটা পুৰণিকলীয়া অভ্যাস। অসমৰ পৰিকল্পনা উন্নয়নৰ সুফল কাছাৰবাসীক নিৰ্বিবাদে দিয়া হৈছে, তথাপি তেওঁলোক সদা-অসন্তুষ্ট। বৰাক উপত্যকাবাসীক সন্তুষ্ট কৰিবলৈ কাছাৰ জিলাত যিমানবোৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান দিয়া হৈছে তাৰ তুলনাত অসমৰ কেইবাখনো জিলা তেনেবোৰ সুবিধাৰপৰা বঞ্চিত হৈ আছে।

কাছাৰ জিলাত বাংলাভাষী লোক সকল সংখ্যা গৰিষ্ঠ সঁচা, তেওঁলোকৰ দৈনন্দিন জীৱনত বাংলাৰ বাহিৰে আন ভাষা অচল। পিছে অসমতে থাকি, নিজৰ জিলাখন পাৰহৈ যিসকলৰ সতে যোগাযোগ, আদান-প্ৰদান, বেপাৰ-বণিজ চলাব লাগিব তেওঁলোকৰ ভাষা অধ্যয়নত বাধা কি? এই কথাৰ গুৰি পিছে কাছাৰবাসীৰ অসমীয়া ভাষাৰ প্ৰতি অশ্ৰদ্ধা, অসৌজন্যমূলক মনোভাবতহে লুকাই আছে। বৰাক উপত্যকাত থকা বাঙালীলোকসকলে যদি স্বকীয়া ৰাজনৈতিক অস্তিত্ব বিচাৰিছে তেনেহলে স্বকীয়া কথা, তেওঁলোকে অসমৰ অংগ হিচাপে থাকি, ৰাজ্যখনৰ উন্নয়নৰ অংশীদাৰ হ'ব খুজিলে, অসমীয়া জাতীয় জীৱনৰ কিছু কথা গ্ৰহণ কৰিবলৈও প্ৰস্তুত থাকিব লাগিব ; তেতিয়াহে কাছাৰবাসীৰ মনৰ মহত্ব প্ৰকাশ পাব। সেয়ে নহ'লে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাবাসীৰ মাজত অবিশ্বাসৰ ভাব কোনোকালেই নুগুচিব ; তিক্ততাৰ পৰিসৰো বাঢ়িবহে।

অসমীয়া ভাষা অধ্যয়ন, পঠনপাঠন ৰাজ্যখনৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাধ্যতামূলক কৰিব খোজা সিদ্ধান্তৰ বিৰোধিতা কৰোঁতাসকলক এটা কথা মুকলিভাৱে সুধিব খোজোঁ : অসমতে যদি অসমীয়া ভাষাই নিজৰ মৰ্যাদা নাপায়, তেনেহলে ই পাব ক'ত? বহুতেই ক'ব খোজে যে— অসম এখন বহুভাষিক ৰাজ্য, গতিকে ইয়াত অসমীয়া ভাষাই একক মৰ্যাদা পাব নোৱাৰে। এনে আপত্তি কৰোঁতাসকলে ৰাজনীতিৰ খুন্দাত পৰি অসমৰ সামাজিক বাস্তৱতা সম্পৰ্কে বিস্মৃত হোৱাৰ ভাও ধৰা বুলিহে ক'ব লাগিব। ৰাজনীতিৰ কথা পাহৰি অসমৰ সামাজিক জীৱনৰ ফালে এবাৰ চকু মেলি চালে দেখা যাব যে সকলোৰে মাজত সমানে উপযোগী ভাষা হিচাপে অসমীয়াহে সংযোগী ভাষা। কাটলিচেৰাৰ পৰা ককলাবাৰী, কোকৰাঝাৰৰপৰা কমলাবাৰীলৈকে সকলোৱে সহজভাৱে বুজিব আৰু ব্যৱহাৰ কৰিবপৰা ভাষা হ'ল অসমীয়া। এনে এটা সৰল সত্য কথা পাহৰি যাব খোজাটো সামাজিক জীৱনৰ বাবে হিতকৰ হ'ব পাৰেনে? কথা প্ৰসংগত মনত পৰিল, সম্প্ৰতি অসমীয়া ভাষা প্ৰয়োগৰ সমৰ্থন আৰু বিৰোধিতা কৰি এখন দৈনিক কাকতত বড়ো আৰু ব্ৰহ্মৰ মাজত চলা এলানি পত্ৰ যুদ্ধৰ কথা। দুয়োগৰাকী শ্ৰদ্ধেয় পত্ৰ লেখকে সুন্দৰ আৰু সাৱলীল অসমীয়াত নিজা নিজা বক্তব্য ইমান সুস্পষ্টভাৱে প্ৰকাশ কৰিছে যে তাত মুগ্ধ নহৈ নোৱাৰি। অসমীয়া ভাষাৰ ওপৰত দখল নথকা হ'লে সেইটো সম্ভৱ হ'লহেঁতেননে? হাজাৰ বিৰোধৰ মাজতো যিটো কথা সকলো নিৰপেক্ষলোকেই স্বীকাৰ কৰিবলৈ বাধ্য সেইটো হ'ল— নানাজাতি উপজাতিৰে ভৰা বহুভাষী অসমত সকলোৰে মাজত সংযোগীভাষা হিচাপে স্বীকৃতি পাবৰ যোগ্য ভাষা অসমীয়াহে ; তেনে কথা পাহৰি কেৱল ৰাজনৈতিক উচটনিত চলিব খোজাটো এটা দুৰ্ভাগ্যজনক কাম ; আৰু ই অসমৰ সামাজিক জীৱন সদাবিপন্ন কৰি ৰখাৰ সম্ভাৱনাই বেছি।

মাধ্যমিক শিক্ষা পৰিষদৰ অধিসূচনাখনে অনা-অসমীয়া ভাষা-ভাষী লোকৰ মনত যিটো ভিত্তিভাবৰ সঞ্চাৰ কৰিছে তাৰ কিবা যুক্তিযুক্ততা আছেনে? অসমীয়া ভাষা শিকাৰ কথাটো বহুতেই অসমীয়া মানুহৰ সংকীৰ্ণ প্ৰাদেশিকতাৰ মনোভাবৰ দ্বাৰা পৰিচালিত সিদ্ধান্ত হিচাপে অভিযুক্ত কৰিব খুজিছে। তেনে এটি মত ঘাইকৈ দিব খুজিছে বাংলা ভাষীসকলে। পিছে তেওঁলোকৰো বাঙালী জাতীয়তাবাদ কোনোগুণে কম উগ্ৰ নহয়। ভাষা সংস্কৃতিৰ চিন্তা-চৰ্চাৰ ক্ষেত্ৰত তেওঁলোক সদায়েই পশ্চিমবংগমুখী। অৱশ্যে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল বাঙালীলোকো নথকা নহয়।

কাছাৰত থকা পুৰণি খিলঞ্জীয়া অসমীয়া মানুহ



বৰাকবাসীৰ অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অনিহাৰ কাৰণো কেইবাটাও। ভৌগোলিক ব্যৱধান আৰু মানসিক দৃষ্টিভংগীৰ তফাতে সৃষ্টি কৰিছে এনে মনোভাবৰ। বৰাকবাসীৰ কাৰণে শ্ৰীচৈতন্য, ৰবীন্দ্ৰনাথ যিমান চিনাকি, শ্ৰীশংকৰদেৱ, জ্যোতিপ্ৰসাদ সিমান নহয়। ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকাৰ মাজত সাংস্কৃতিক আদান-প্ৰদান শূন্য প্ৰায়, আছে ব্যৱধানৰ পাহাৰ বৰাইল। গতিকে বাংলা ভাষা-সংস্কৃতি সম্পৰ্কে কিছুপৰিমাণে উচ্চাত্মিকা মনোবৃত্তিৰে পৰিচালিত বৰাকবাসীয়ে অসমৰ ভাষা-সংস্কৃতিক হেয়জ্ঞান কৰিবলৈহে শিকিছে। এই মানসিক দূৰত্ব নাইবা ঠেকগণ্ডীত আবদ্ধ মনোভাব গুচোৱাৰ উপায় নাইনে? প্ৰসংগক্ৰমে মনত পৰিল, কলেজীয়া দিনত লগপোৱা বৰাক উপত্যকাৰপৰা অহা কেইবাজনো বন্ধুৰ কথা, যিসকলে অসমীয়া ভাষা সংস্কৃতি সম্পৰ্কে আমাৰপৰা জানিবলৈ বৰ আগ্ৰহ দেখুৱাইছিল। এতিয়াও ব্ৰহ্মপুত্ৰ উপত্যকাত কৰিমগঞ্জ, শিলচৰৰ বহুলোক ওলাব যাৰ অসমীয়া ভাষাৰ ব্যৱহাৰিক জ্ঞান যথেষ্ট ভাল। বৰাক উপত্যকা অসমত থাকিবলৈ হ'লে চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য আদি নানাসূত্ৰে বাঙালীলোকসকল অসমৰ বিভিন্ন অংশলৈ অহাযোৱা কৰিবই লাগিব; গতিকে সম্পূৰ্ণভাৱে জীবিকাৰ খাতিৰতে তেওঁলোকে অসমীয়া ভাষাৰ জ্ঞান আম নহ'লেও সংযোগী ভাষা হিচাপে আহৰণ কৰিবই লাগিব।

এনে এটা আহুকলীয়া পৰিস্থিতিত ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰোঁতা-সকলৰো দায়িত্ব কম নহয়। বৰাক উপত্যকাত এতিয়াও এশ্ৰেণীলোক আছে যি সকলে অসমকে আপোন ঘৰ বুলি ভাবি, ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত অংশীদাৰ হ'ব খোজে। এই সকললোকে অসমৰপৰা বিছিন্ন হৈ ভৌগোলিকভাৱে অসুবিধাজনক অৱস্থা এটাত নিজকে আবদ্ধ কৰিব নোখোজে। বাস্তৱ পৰিস্থিতিৰ মূল্যায়নে এই চামলোকক অসমৰ অভিন্ন অংশ হিচাপে থকাকে সঠিক পথ বুলি ভাবিবলৈ বাধ্য কৰিছে। গতিকে এই সকললোকৰ লৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিব পাৰিলে দুয়োটা উপত্যকাৰ মাজত বহুতো ভুল বুজাবুজিৰ অৱসান হ'ব বুলি ধাৰণা হয়। এনে এটি কথা বছৰেকৰ মূৰকত এবাৰ প্ৰদৰ্শদমূলকভাৱে নহৈ অৱধাৰিত ধৰণে হ'লেহে প্ৰকৃততে কামত আহিব। মুঠতে সাম্প্ৰতিক পৰিস্থিতিয়ে দুয়োটা উপত্যকাৰ সকলো শুভবুদ্ধি সম্পন্ন-লোকৰ দায়িত্ব বঢ়াইছে।

ভাষা সমস্যাক কেন্দ্ৰ কৰি সম্প্ৰতি অসমৰ একাধিক অংশত নতুন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চলৰ দাবীয়ে পুনৰ

*কাটলিচেৰাৰপৰা ককলাবাৰী, কোকৰাঝাৰৰপৰা কমলাবাৰীলৈকে সকলোৰে সহজভাৱে বুজিব আৰু ব্যৱহাৰ কৰিবপৰা ভাষা হ'ল অসমীয়া*

উক দি উঠিছে। অন্ধ আবেগেৰে পৰিচালিতসকলে তেনেবোৰ দাবীয়ে সেই অঞ্চলবোৰৰ আৰ্থ-সামাজিক উন্নতি সাধনত কিদৰে সহায় কৰিব সেই বিষয়ে চিন্তা কৰি চাইছেনে? আবেগবৰ্জিত হৈ চালে দেখা যাব যে ভাষাৰ প্ৰশ্নত কাছাৰ অসমৰপৰা বিচ্ছিন্ন হৈ গ'লে কাছাৰবাসীৰ অৰ্থনৈতিক অসুবিধা কমক চাৰি বাঢ়িবহে। অসমৰ জীৱন-মৰণৰ সমস্যাৰ সময়ত বৰাকবাসীৰ ভূমিকাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰহভাগ মানুহকে কাছাৰৰ বিচ্ছেদকৰণ নিৰ্বিবাদে গ্ৰহণ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত কৰি আনিছে। তেনে কথা বৰাকবাসীৰ নিজৰ বাবে কিমান লাভজনক হ'ব সেইটো চিন্তাৰ বিষয়। এনে কথালৈ পিঠি দি ৰাজনৈতিক উচটনিত কাছাৰবাসীয়ে অহৰহ অসম বিৰোধী মনোভাৱ প্ৰদৰ্শন কৰি থকাটো অযুগুত কাৰ্য হৈছে। কাছাৰৰ পৃথকীকৰণ হলে তাত থকা পুৰণি খিলঞ্জীয়া মানুহখিনিতকৈ বহুগুণে বেছি অসুবিধা হ'ব বৰাক উপত্যকাৰ বাঙালীলোকসকলৰ আৰু তেনে কথাৰ কিছু প্ৰভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাতো স্বাভাৱিকতে দেখা দিব। এনে সকলোবোৰ বিষয় আবেগৰহিতভাৱে চিন্তা কৰি চোৱাৰ সময় হৈছে।

মাধ্যমিক শিক্ষাব'ৰ্ডৰ অধিসূচনাখনৰ বিষয়ে অসম চৰকাৰৰ স্থিতি আৰু মনোভাব কিছু দ্ব্যৰ্থকবিধৰ বুলিহে ক'ব লাগিব। চৰকাৰে ক'ব খোজে যে যিহেতু শিক্ষাব'ৰ্ড এখন স্বতন্ত্ৰীয়া অনুষ্ঠান সেয়ে চৰকাৰে ইয়াৰ সিদ্ধান্তত হস্তক্ষেপ কৰিব নোখোজে। এনে এটা স্থিতি লওঁতে চৰকাৰে পাহৰি গৈছে যে নীতিৰ ক্ষেত্ৰত চৰকাৰী সিদ্ধান্তইহে ব'ৰ্ডক পৰিচালনা কৰে। গতিকে সমস্যাৰ পৰিধি দেখি মূৰ পোলোকা মাৰিব খোজাটো অনুপ্ৰাণিত কৰিব পৰা কথা নহয়। যদিহে অসম চৰকাৰে ৰাষ্ট্ৰীয়ভাৱে গৃহীত ত্ৰিভাষাসূত্ৰ মানি লৈছে. তেনেহলে সেইমতে যথাবিহিত কাৰ্যব্যৱস্থা ল'বলৈ শিক্ষাব'ৰ্ড আদিৰ দৰে অনুষ্ঠানক দায়িত্ব অৰ্পণ কৰিব লাগিব; নীতিৰ ক্ষেত্ৰত কোনো আপোচৰ প্ৰশ্ন নুঠে। চৰকাৰৰপৰা নিৰ্দেশ আৰু উচিত সমৰ্থন পালেহে বিভিন্ন অনুষ্ঠান নিজা নিজা দায়িত্ব পালনত অগ্ৰসৰ হ'ব পাৰিব। যদি চৰকাৰে অসমৰ অৱস্থালৈ চাই অন্য কিবা নীতি নাইবা আপোচমূলক ব্যৱস্থাৰ কথা চিন্তা কৰিছে, তাকো স্বাৰ্থহীনভাৱে ঘোষণা কৰি সমস্যা সমাধান কৰা উচিত।

অসমৰ ভাষা সমস্যাৰ সমাধানৰ বাবে বহুতো শিক্ষাবিদ, ভাষাবিদে ৰাজ্যখনত ত্ৰিভাষাৰ পৰিবৰ্তে স্কুল পৰ্যায়ত চাৰিটা ভাষা প্ৰবৰ্তনৰ কথাৰ ওপৰত গুৰুত্ব দিয়াৰ কথাটো এই সন্দৰ্ভত উল্লেখনীয়। এনে পৰামৰ্শমতে



ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষা, হিন্দী আৰু ইংৰাজীৰ উপৰিও এটা স্থানীয় ভাষা বাধ্যতামূলকভাৱে শিকিব লাগিব। এনে এটা প্ৰস্তাৱ তাহানি ৰাষ্ট্ৰীয় শিক্ষা আয়োগেও বিবেচনা কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে বাধ্যতামূলকভাৱে চতুৰ্থভাষা শিকোৱাৰ কথাটো শৈক্ষিক দিশৰপৰা সমৰ্থনযোগ্য নহয়। অৱশ্যে স্বেচ্ছামূলকভাৱে চাৰিটা কিয় ততোধিক ভাষাৰ অধ্যয়ন, পঠন-পাঠনতো উদগণি দিব লাগে। এতিয়া প্ৰশ্ন হ'ল, অসমত ত্ৰিভাষাৰ পৰিবৰ্তে চাৰিটা ভাষা শিকোৱাৰ ব্যৱস্থা কৰিলে সমস্যাৰ জট মৰিবনে? তাতোকৈ গুৰুত্বপূৰ্ণ কথা, তাৰ বাবে প্ৰয়োজনীয় বুনিয়াদ আমাৰ আছেনে? অসমৰ স্কুলসমূহত তিনিটা ভাষা শিকোৱাৰ ব্যৱস্থাই এতিয়াও যথেষ্ট আসোঁৱাহপূৰ্ণ; বহুতো স্কুলত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আদিৰো অভাৱ। তেনেস্থলত ভাষা সমস্যাৰ সাময়িক উপশম ঘটাবলৈ, ৰাজনৈতিক চিন্তাধাৰাৰে চালিত হৈ ওপৰঞ্চিভাৱে এটা ভাষা বাধ্যতামূলকভাৱে প্ৰবৰ্তন কৰিলেই সমস্যা আঁতৰিবনে? তৰ্কৰ খাতিৰত ধৰি ল'লো যে বৰাক উপত্যকাত ত্ৰিভাষাৰ লগতে ওপৰঞ্চিভাৱে অসমীয়াভাষা প্ৰবৰ্তিত হ'ল; তেতিয়া তাৰ মানুহখিনিয়ে বৰ্তমানৰ মানসিকতাত ইয়াক আন্তৰিকতাৰে গ্ৰহণ কৰিবনে? ভাষা এটাৰ প্ৰতি অনুৰাগ আহিব লাগে মনৰ ভিতৰৰপৰা, সেয়ে নহ'লে তাৰ গ্ৰহণযোগ্যতাও নাথাকে। মাজতে অসমৰ মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ স্কুলসমূহত জনজাতীয় ভাষা প্ৰবৰ্তনৰ পোষকতা কৰিছে। এনে এটি প্ৰস্তাৱৰ বিৰোধিতা কৰিব নোৱাৰি; কাৰণ জনজাতীয় ভাইসকলৰ ভাষাৰসৈতে পৰিচিত হোৱাটো অসমবাসীৰ কৰ্তব্য। কিন্তু প্ৰশ্ন হ'ল, স্কুলসমূহত তেনেবোৰ ভাষা বাধ্যতামূলকভাৱে পঢ়ুৱাবলৈ প্ৰয়োজনীয় সা-সুবিধা আছেনে? গতিকে এই সকলোবোৰ কথা খৰচি মাৰি বিবেচনা নকৰাকৈ, কেৱল ৰাজনৈতিক চিন্তাৰে পৰিচালিত হৈ, ভাষাৰ দৰে সমস্যা সমাধানৰ ক্ষেত্ৰত চাৰিভাষাৰ সূত্ৰ নীতিগতভাৱে গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰিব নোৱাৰিলে ই ভালুকৰ সাঙো হৈ নপৰিবনে? গতিকে ত্ৰিভাষাসূত্ৰ দৃষ্টিপটত ৰাখি ততোধিক স্থানীয়ভাষা স্বেচ্ছামূলকভাৱে অধ্যয়নৰ সকলো সুবিধা আগবঢ়োৱাটোহে অধিক বাস্তৱিক আৰু ফলপ্ৰসূধৰণৰ ব্যৱস্থা হ'ব যেন লাগে।

শিক্ষাব'ৰ্ডৰ অধিসূচনাৰ বিৰুদ্ধে বৰাকবাসীৰ প্ৰধান আপত্তি হ'ল, তেওঁলোকৰ ওপৰত অসমীয়া ভাষা জোৰকৈ জাপি দিব খোজা হৈছে

**বৰাক উপত্যকাত থকা বাঙালীলোকসকলে যদি সুকীয়া ৰাজনৈতিক অস্তিত্ব বিচাৰিছে তেনেহলে সুকীয়া কথা, তেওঁলোকে অসমৰ অংগ হিচাপে থাকি, ৰাজ্যখনৰ অংশীদাৰ হ'ব খুজিলে, অসমীয়া জাতীয় জীৱনৰ কিছু কথা গ্ৰহণ কৰিবলৈও প্ৰস্তুত থাকিব লাগিব**

আৰু তেনে কথাই তেওঁলোকক ৰাষ্ট্ৰভাষা হিন্দী শিকাত বাধা দান কৰিব। প্ৰথমটো কথা বৰাকবাসীৰ অসমীয়া ভাষাৰ প্ৰতি মানসিক অনীহাৰপৰা ওপজাধৰণৰ আৰু সেই বিষয়ে ইতিমধ্যে কিছু আলোচনা কৰিছোঁ। আনটো যুক্তি বেছি মানি ল'ব নোৱৰা বিধৰ; কাৰণ ভাৰতত ৰাষ্ট্ৰভাষা হিন্দী শিকাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অকৃপনভাৱে সুবিধা আগবঢ়াইছে আৰু ইচ্ছুক সকলৰ বাবে উপায়ো অনেক। অসমতো ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ দৰে অনুষ্ঠানক অধিক সক্ৰিয় কৰি ৰাজ্যখনৰ সকলো অঞ্চলতে হিন্দী ভাষা অধ্যয়নৰ সুবিধা বঢ়াব পাৰি। তেনে দিশৰপৰা চালে অসমীয়া ভাষা শিকিবলগীয়া হ'লে ৰাষ্ট্ৰভাষাৰ অধ্যয়ন ব্যাহত হ'ব বুলি দিয়া যুক্তি অৰ্থহীন যেনেই লাগে।

ভাষাৰ ক্ষেত্ৰত যাতে কোনো-ধৰণৰ ৰাজনৈতিক চল-চাতুৰি উচটনি আদিয়ে গা কৰি উঠি আমাক উত্তেজিত কৰিব নোৱাৰে, সেই কথালৈ সাৱধানে দৃষ্টি ৰখাটো সকলোৰে কৰ্তব্যস্বৰূপ হৈ পৰিছে। সেয়ে এই বিষয়ত আপোচ মীমাংসাৰ পথ অন্বেষণ কৰোতে দুয়োটা উপত্যকাবাসীয়ে 'বনাম', 'সংঘৰ্ষ' আদিৰ দৰে উত্তেজক কথাবোৰ পৰিহাৰ কৰি যথাসম্ভৱ সংযমেৰে পৰিচালিত হ'ব লাগিব। ভাষা সমস্যাকলৈ আমাৰ অতীতৰ অভিজ্ঞতা বৰ তিক্ত; তাৰ পুনৰাবৃত্তি হোৱাটো কোনোমতেই বাঞ্চনীয় নহয়। ইয়াৰ এটা স্থায়ী সমাধানৰ কথাই চৰকাৰৰ কান্ধতো গুৰু দায়িত্ব থাপিছে। নতুন অসম গঢ়াৰ সংকল্পৰ সমান অংশীদাৰ হ'বলৈ হ'লে বৰাকবাসীয়ে উত্তেজনা উগ্ৰতাৰ পথ ত্যাগ কৰিব লাগিব; অতদিনে নিৰ্বিবাদে উন্নয়নৰ সিংহভাগ দি অহা ব্ৰহ্মপুত্ৰ উপত্যকাবাসীয়ে তেওঁলোকক নিশ্চয় উদাৰতাৰে আঁকোৱালি ল'ব। ইয়াৰ মাথোন একেটাই বিকল্প: কাছাৰৰ পৃথকীকৰণ,—যিটো ঘটনা বৰাকবাসীৰ বাবে মংগলজনক নহ'ব বুলিয়েই ধাৰণা হয়।



OKDISCD

# অসমৰ প্ৰাথমিক বিদ্যালয়ত সূৰ্যোদয় হওক

**বীৰেন বৰকটকী**

অসমৰ ২৬,০০০ হাজাৰ প্ৰাথমিক বিদ্যালয়ৰ বহুতৰে চাল-বেৰ নোহোৱা, শতকৰা ৭৯·৫ খন বিদ্যালয়ত কণ কণ ছাত্ৰ-ছাত্ৰীক শিক্ষকে কিবা এটা লিখি দেখুৱাবলৈ ব'ৰ্ড নথকা, এতিয়াও বহু-গাঁৱত প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা নোহোৱাকৈ স্বাধীনতাৰ ৩৮ বছৰ পাৰ হোৱা আৰু য'ত প্ৰতিষ্ঠা হৈছে তাৰো বহুততে মাত্ৰ এজন শিক্ষক,— এনে অৱস্থা চলি থাকোঁতেই নতুন শিক্ষানীতিৰ বতাহ এছাটি জোৰেৰে ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ বৈছে। শিক্ষাজগতত আমাৰ দেশত এনে বতাহ বৰ সঘনে বলে, দিস্তাই দিস্তাই আঁচনিত কাগজ খৰচ হয়, বক্তৃতা হয়। শিক্ষাবিদে গোট খাই আলোচনা চক্ৰ পাতে, বতাহ থামে। ১৯৮৬ চনতো বহুত গাঁৱত প্ৰাথমিক বিদ্যালয়লৈ ল'ৰা-ছোৱালীয়ে হাতত ঢাৰিকঠ লৈ যায় বহিবলৈ; ডাঙৰকৈ বৰষুণ আনিলেও ছুটী; কাৰণ, উৰ'লি যোৱা চালে উকখে, টিকা-ফটা ৰ'দ দিলেও ছুটী, এজনীয়া শিক্ষকৰ অসুখ-বিসুখ হ'লে, ঘৰত সকাম-নিকাম হ'লেও ছুটী। অসমত এনে অৱস্থা প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চলি থাকোঁতেই নতুন শিক্ষানীতিৰ নবোদয় বিদ্যালয়ৰ কথা ওলাইছে। কথা ওলোৱা নহয়, সপ্তম পৰিকল্পনাত প্ৰত্যেক জিলাতে একোখন আবাসিক নবোদয় বিদ্যালয় প্ৰতিষ্ঠা হ'ব। ভাৰতত ইতিমধ্যে আগষ্ট মাহৰ ভিতৰত ৬০ খন এনে বিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ব। তাৰ কাৰণে ১৫ কোটি টকা কেন্দ্ৰীয় বাজেটত এই বছৰেই আছুতীয়াকৈ ধৰা হৈছে। এই নবোদয় বিদ্যালয়ত, ৰাষ্ট্ৰীয় সংহতিৰ পৰিবেশ সৃষ্টিৰ হেতু ভাৰতৰ বিভিন্ন ঠাইৰ ল'ৰা-ছোৱালীয়ে (মেধাবী ল'ৰা-ছোৱালী) বিনা মাচুলে ছাত্ৰাবাসত থাকি পঢ়িব। এনে ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচনত গাঁৱৰ ল'ৰাক বেছি সুবিধা দিয়া হ'ব। অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিলৈ আসন সংৰক্ষিত কৰা হ'ব। শিক্ষাৰ মাধ্যম হ'ব ইংৰাজী আৰু হিন্দী।

নবোদয় বিদ্যালয় শব্দ দুটা শুনি ভাল লাগে। সঁচাই জানো ইয়াত গাঁৱৰ ল'ৰাই পঢ়িবলৈ পাব? অসমৰ ৭২ লাখ শিশুৰ প্ৰায় ২২ লাখ পঢ়াশালিলৈ যোৱা শিশুৰ ভিতৰত এই নবোদয় বিদ্যালয়ত কেইজন গাঁৱৰ দুখীয়া মানুহৰ ল'ৰা-ছোৱালীয়ে পঢ়িলে সপ্তম পৰিকল্পনা শেষ হৈ যোৱাৰ পাছত ৰাইজে খবৰ কৰিবচোন। আমাৰ সামান্য জ্ঞানেৰে বুজিব পাৰিছোঁ যে এই নবোদয় বিদ্যালয় সকলো সুবিধাৰে নিজৰ মাটিৰ সংস্কৃতিৰ লগত সম্পৰ্ক নোহোৱা নগৰীয়া আৰু দুই এক গাঁৱৰ চহকী মানুহৰ ল'ৰা-ছোৱালীৰ আভিজাত্যৰে মনগঢ়ি সৰ্বসাধাৰণৰপৰা বিচ্ছিন্ন হোৱা শিক্ষাৰ কেন্দ্ৰ হ'ব। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কাৰণে যি আসন সংৰক্ষিত হ'ব, সেই আসন পূৰ্ণ কৰিব এইসকলৰ চহকীলোকৰ ল'ৰা-ছোৱালীয়েহে, দুবেলা দুমুঠি খাবলৈ নোপোৱা লোকৰ ল'ৰা-ছোৱালীয়ে নহয়।

ৰাষ্ট্ৰীয় সংহতিৰ কথা কোৱা হৈছে; কিন্তু এনে ল'ৰা-ছোৱালীয়ে প্ৰথমতে নিজৰ সমাজৰপৰাই বিচ্ছিন্ন হৈ পৰিব। নিজৰ সমাজ-সংস্কৃতিৰপৰা বিচ্ছিন্ন হোৱা ল'ৰা-ছোৱালীয়ে ৰাষ্ট্ৰীয় সংহতিত বৰঙণি যোগাব নোৱাৰে। ৰাষ্ট্ৰীয় সংহতিৰ আধাৰ হ'ল জন সাধাৰণৰ সংস্কৃতিক মনে প্ৰাণে ভাল পোৱা ভাব। আমাৰ সাধাৰণতে চকুত পৰে যে যি বিলাক ল'ৰা-ছোৱালীয়ে সাধাৰণ বিদ্যালয়ত নপঢ়ি বেলেগ বিদ্যালয়ত পঢ়ে, তেওঁলোক ক'ব মোৱৰাকৈয়ে নিজৰ সমাজৰপৰা বিচ্ছিন্ন হৈ পৰে। বিয়াই-সবাহে অকল-শৰীয়া হৈ 'অংকল' 'আণ্টিক' বিচাৰে, 'পাপা' 'ডেডি' 'মামি'ক বিচাৰে, নহলে কোঠাত সোমাই তেনে দুই-চাৰিয়ে ইংৰাজী সুৰৰ কেছেট শুনে, ইংৰাজী কমিকছৰ পাত লুটিয়ায়। কোনোবা দুই একহে ইয়াৰ ব্যতিক্ৰম। আমাৰ নগৰে-চহৰে চুকে-কোণে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয়বিলাকে আমাৰ ভৱিষ্যত বংশধৰসকলৰ বহুতকে জন-সংস্কৃতিৰ নিজা ভেটিৰপৰা আঁতৰাই নিজৰ মাতৃভাষাৰ লগত চিনাকিবিহীন ৰূপত ইতিমধ্যে গঢ় দিছে।

নবোদয় বিদ্যালয় পৰিচালনাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ যোগেদিহে হ'ব। কেন্দ্ৰীয় চৰকাৰৰ যোগেদি পৰিচালনা হোৱা অসমত প্ৰচলিত কেন্দ্ৰীয় বিদ্যালয়বিলাকৰ কথা জানো নকৈ ক'ব লাগে? অসমৰ মাজ-মজিয়াত থকা কেন্দ্ৰীয় বিদ্যালয়ত ৰাজ্যিক ভাষাটো শিকাবলৈ দৈনিক পাঠ্য কাৰ্যসূচীৰ ভিতৰত সময় মোলায়। বিদ্যালয়ৰ দৈনিক পাঠ্য কাৰ্যসূচীৰ পাছত বিদ্যালয় ছুটী হ'লে কোনোবা ছাত্ৰ-ছাত্ৰীয়ে জানো অন্য এক ভাষা শিকিবলৈ যাব? অসমত শিকা কিয়, সকলো ক্ষেত্ৰতে 'কণা হাঁহক পতান ধান দিয়া'ৰ ব্যৱস্থাই চলে। ত্ৰিভাষা সূত্ৰ যদি কাৰ্যকৰী কৰা নহয়, তেনেহলে অসমৰ নবোদয় বিদ্যালয় অন্য এক ৰূপত কেন্দ্ৰীয় বিদ্যালয়েই হ'ব।

আমাৰ বোধেৰে নবোদয় বিদ্যালয় পতাৰ আগেয়ে আমাৰ প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়বিলাকত সূৰ্যোদয় হওক। বৰ্তমান অসমত ২৬,০০০খন প্ৰাথমিক বিদ্যালয় আছে। ইয়াৰ লগতে ১৬০০০ খন প্ৰাক-প্ৰাথমিক বিদ্যালয় সপ্তম পৰিকল্পনাত খোলা হওক। এইবিলাকৰ সকলোকে নতুন ৰূপত গঢ়া হওক যাতে ই কোনো ক্ষেত্ৰতেই ইংৰাজী মাধ্যমৰ প্ৰাক প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয়তকৈ হীন হ'ব নোৱাৰিব। ই অসমৰ গাঁৱত বাস কৰা ১৫৮,৩২০০০ জন আৰু বাগিছা আৰু ওচৰে-পাজৰে বাস কৰা প্ৰায় ৪০ লাখ চাহ জনজাতিলোকক সামৰিব পাৰিব লাগিব। ঘৰ-দুৱাৰ, বহাৰ আসন, সাজপাৰ, শিক্ষাৰ সঁজুলি সকলোতে নবোদয় হওক। আমি ভবা এনে জনসংযোগ থকা নবোদয়ৰ বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী আদৰ্শৰে অনুপ্ৰাণিত হওক, বিদ্যালয়ৰ পাঠ শেষ হোৱাৰ পাছতে আবেলি আকৌ বিদ্যালয়ত কোনো শিক্ষক-শিক্ষয়িত্ৰীয়ে যেন 'টিউছন'ৰ নামত বিদ্যাৰ ব্যৱসায় নোখোলে। শিক্ষক-শিক্ষয়িত্ৰী নিয়োগৰ ক্ষেত্ৰত যেন কোনো ক্ষেত্ৰতেই বিদ্যাৰ গুণ, বৃদ্ধি আৰু ব্যক্তিত্বৰ ভেটিত নিৰ্বাচন কৰা নীতিৰপৰা বিচলিত হোৱা নাযায়। ৰাজনীতি আৰু মনে মনে দিয়া টকা-পইচা যাতে নিয়োগৰ মাপ-কাঠী নহয়— যিটো যোৱা কেইবছৰমানত হৈ আছিল। নতুন শিক্ষানীতিৰ প্ৰথম সোপান হিচাপে শিক্ষক-শিক্ষয়িত্ৰীক ব্যাপক হাৰত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা হৈছে। এই প্ৰশিক্ষণত যাতে কোৱা হয়— যাতে কোনো শিক্ষক-শিক্ষয়িত্ৰীকে ১০ বজাৰ পাছত (বিদ্যালয় ১০ বজাত বহে) কোনো লোকে বাটত নাপায়। আমি বহুতকে ১০ বজাৰ পাছতহে বিদ্যালয়লৈ যোৱা পাওঁ কাৰণে কৈছোঁ। নতুন শিক্ষানীতিয়ে কোৱাৰ দৰে প্ৰত্যেক বিদ্যালয়তে সকলো বতৰতে পঢ়িবপৰা অন্ততঃ দুটা আহল-বহল কোঠা, ব'ৰ্ড, মেপ, চাৰ্ট, পুতলা আৰু অন্যান্য শিক্ষাৰ আহিলা থাকক। নতুন শিক্ষানীতিৰ ভাষাতে প্ৰত্যেক বিদ্যালয়তে অন্ততঃ দুগৰাকী শিক্ষক হওক, তাৰে এগৰাকী মহিলা হওক, অতি সোনকালে প্ৰত্যেক শ্ৰেণীতে এগৰাকীকৈ প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী দিয়াৰ ব্যৱস্থা হওক।

প্ৰত্যেক গাঁৱতে গঢ়ি উঠা প্ৰাক প্ৰাথমিকৰপৰা প্ৰাথমিক পৰ্যায়লৈকে শিক্ষা দিয়া এই অনুষ্ঠানটোলৈ গাঁও-খন বা চহৰৰ ৱাৰ্ডটোৰ মানুহৰ সকলোকে আকৰ্ষণ কৰিব পাৰিব লাগিব। কোনে পৰামৰ্শ দাঙি ধৰিছিল পাহৰিছোঁ (কোনোবা কমিছনৰ পৰামৰ্শ) কিন্তু এইটো মনত আছে যে আমাৰ ওচৰৰ বিদ্যালয়খনত ধনী-দুখীয়া সকলো মানুহৰ ল'ৰা-ছোৱালীয়ে পঢ়াটো বাধ্যতামূলক কৰিব লাগে। অৱশ্যে এনে ক্ষেত্ৰত বিদ্যালয়বিলাক আমি কোৱা ধৰণেৰে সকলোফালৰপৰা উন্নত পৰ্যায়ৰ হবই লাগিব। সকলো মানুহৰ ল'ৰা-ছোৱালীয়ে একে বিদ্যালয়তে পঢ়িলে প্ৰকৃতাৰ্থত সামূহিক চিন্তাধাৰাৰ গঢ় লব। উচ্চাত্মিকা আৰু নীচাত্মিকা ভাবে ঠাই নাপাব। নহলে বৰ্তমান যিটো ভাবধাৰা গঢ়ি উঠিছে আমাৰ প্ৰাক প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয়ত (মাতৃ ভাষাৰ যোগেদি) সাধাৰণ মানুহৰ লৰা-ছোৱালীয়েহে পঢ়িব লাগিব। সমাজত মূৰ দঙা চহকী বা শিক্ষাই-দীক্ষাই আগ বঢ়াখিনিয়ে ইংৰাজী মাধ্যমৰ প্ৰাক প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয় বাচি লোৱাৰ পথকে প্ৰায় লব। এতিয়া দুই-এক গাঁৱতো আমাৰে শিক্ষিত এচামৰ যত্নত ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ় লৈ উঠিছে। 'স্কুল বাছ' নহলেও 'স্কুল ৰিক্সা' এখনকে (আহল বহল) গাঁৱৰ মূৰ দঙা মানুহৰ ভালকৈ সজাই-পৰাই থোৱা (টাই এডালো) ল'ৰা-ছোৱালী কেইটাক আনিবলৈ ইফালে-সিফালে দৌৰা আমাৰ চকুত পৰিছে।

এতিয়া আমাৰ কৰ্তব্য হ'ব সকলো ল'ৰা-ছোৱালীকে একেদৰে সজাই-পৰাই চাফ-চিকুণকৈ একেখন বিদ্যালয়লৈকে নিব পৰাটো; য'ত ওপজা মাটিৰ সংস্কৃতিৰ মাজত জীৱনৰ শিক্ষাৰ পদুমৰ প্ৰথম কলিটি ফুলিব পাৰে। ককাদেউতা, আইতা কোনো দিনেই 'গ্ৰেণ্ড পা', 'গ্ৰেণ্ড মা' নহয় যেন। শিক্ষাৰ বিমল পোহৰ পাই সমাজ-সংস্কৃতিৰ বিকাশত আমি সৃষ্টি কৰা পুৰুষে বৰঙণি যোগাব পাৰে।

ভাষাৰ ক্ষেত্ৰত অসম আহুকলীয়া ৰাজ্য হৈছে। ভাষাৰ নীতি বিচাৰ কৰোঁতে শিক্ষাৰ ক্ষেত্ৰত তিনিটা স্তৰৰ কথা চিন্তা কৰিব লাগিব; —সেয়ে হ'ল প্ৰাথমিক স্তৰ, মাধ্যমিক স্তৰ আৰু বিশ্ববিদ্যালয় স্তৰ। প্ৰাথমিক স্তৰত মাতৃ ভাষা বা গ্ৰহণ কৰা ভাষা। মাতৃ ভাষা বা গ্ৰহণ কৰা ভাষা যাৰ অসমীয়া নহয়, তেনে ছাত্ৰ-ছাত্ৰীৰ বাবে তৃতীয় শ্ৰেণীৰপৰা অসমীয়া ভাষাৰ লগতে পৰিচয় হ'ব পৰাকৈ তৃতীয় শ্ৰেণীৰপৰা বৰ্ণ পৰিচয় কথোপকথন আদি প্ৰয়োগ। এই ক্ষেত্ৰত ড° ভি· পি· পট্টনায়কৰ পৰামৰ্শৱলী বিবেচ্য। যিবিলাক ইংৰাজী মাধ্যম বিদ্যালয় কাঠফুলা গজাদি গজি উঠিল (বেছি ভাগৰ দৃষ্টিভংগী ব্যৱসায়) সেইবিলাকতো তৃতীয় শ্ৰেণীতে অসমৰ ৰাজ্যিক ভাষা অসমীয়াৰ বৰ্ণ পৰিচয় ঘটাব লাগে। বঙালী, হিন্দী আদি ভাৰতৰ অন্যান্য ৰাজ্যৰ ভাষা অসমৰ যিবোৰ বিদ্যালয়ত প্ৰাথমিক স্তৰত মাধ্যম হিচাপে চলি আছে সেই বিলাকতো অসমৰ ৰাজ্যিক ভাষা শিকোৱাৰ ক্ষেত্ৰত এই নীতিয়েই প্ৰচলন হ'ব লাগে। আমি প্ৰাথমিক স্তৰৰ কথা আলোচনা কৰিছোঁ যেতিয়া সম্প্ৰতি মাধ্যমিক স্তৰ আৰু বিশ্ববিদ্যালয়ৰ স্তৰৰ ভাষাৰ কথা সাম্প্ৰতিকে বাদ দিছোঁ। স্থানীয়ভাৱে প্ৰাথমিক আৰু মাধ্যমিক স্তৰত মাধ্যম বা বিষয় হিচাপে শিকাবপৰাকৈ বৈজ্ঞানিক ভিত্তিত প্ৰতিটো জনগোষ্ঠী ভাষাৰ বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই বিষয়ত সুখৰ কথা, অসমৰ বিভিন্ন জনগোষ্ঠীয়ে চিন্তা কৰাৰ লগতে অসম চৰকাৰ, অসম সাহিত্য সভা আৰু সদৌ অসম ছাত্ৰ সন্থা আদি অনুষ্ঠানেও সময়োপযোগী চিন্তা কৰিছে। সকলোফালৰপৰা সহযোগিতাৰ মনোভাব আহিলে ভুল বুজাবুজি যাব। একোখন ৰাজ্যত স্বীকৃত ৰাজ্যিক ভাষাক সেই ৰাজ্যত থাকিবলৈ ন্যায্যভাৱে অধিকাৰ পোৱা লোকসকলে অস্বীকাৰ কৰাটো বিধিসম্মতঃ নহয়।

৩৫ পৃষ্ঠাত চাওক

# সোৱণশিৰী বান্ধ প্ৰকল্প

দিলীপ কুমাৰ মহন্ত

উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰপৰা বিশ্ববিদ্যালয়লৈকে অধ্যয়ন কৰি অঁহা ছাত্ৰসকলে পুৰুষাণুক্ৰমে "অঞ্চলটো প্ৰাকৃতিক সম্পদত চহকী" কথাষাৰ জানি আহিছে। অসমৰ স্কুলৰ তলৰ শ্ৰেণীৰ ছাত্ৰই যিদৰে পঢ়ে— "অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য'', সেইদৰে অৰুণাচলৰ ছাত্ৰয়ো পঢ়ে— ''অৰুণাচল প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য।'' নাগালেণ্ড, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰা, মেঘালয়ৰ ছাত্ৰসকলেও ৰাজ্যখনৰ নামটো সলাই একেষাৰ বাক্যকে কণ্ঠস্থ কৰে। সময়ত তেওঁলোকে এই সম্পদবোৰৰ একোখন তালিকা মুখস্থ কৰে ; কয়লা, চুণশিল, কাঠ, চাহ, তেল, খৰস্ৰোতা বিশাল জলৰাশি ইত্যাদিৰ তালিকা। ওপৰ খাপত ইয়াৰে একোটা বিষয়ৰ বিস্তৃত অধ্যয়ন চলে, অনুসন্ধান চলে, আৰু কেনেকৈ সেই প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি অঞ্চলটোৰ উন্নতি সাধিব পাৰি তাৰ থিয়ৰি ৰচিত হয়। উত্তৰ পূৰ্বাঞ্চলৰ জলৰাশিৰ ক্ষেত্ৰত থিক এইখিনি লোকে আগবাঢ়োঁতে সাতভনীৰ ন-পুৰুষে আধুনিক যুগৰ কেইবাটাও দশক গচকিব লগা হ'ল।

সাতভনীৰ আজিৰ চাম যুৱকে অঞ্চলটোৰ কোনবোৰ প্ৰাকৃতিক সম্পদ উদঘাটনত ভাৰত চৰকাৰে আগ্ৰহ দেখুৱায় তাক লক্ষ্য কৰিলে দেখা পায় খনিজ তেল, কাঠ, কয়লা আদিহে —য'ৰপৰা লাভাংশ পোনপটিয়াকৈ আদায় কৰিব পাৰে। যিবোৰ প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰে সমগ্ৰ জনসাধাৰণৰ জীৱনযাত্ৰাক চুই যাব পাৰে, অঞ্চলটোৰ জনসাধাৰণৰ আৰ্থিক উন্নতিত অৰিহণা যোগাব পাৰে, তেনে সম্পদৰ ব্যৱহাৰৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে আজিও আগ্ৰহ প্ৰকাশ কৰা নাই। যেনে— জল সম্পদ। সেয়ে এই অঞ্চলৰ জনসাধাৰণৰ মাজত কেন্দ্ৰীয় চৰকাৰে আমাক শোষণ কৰিছে— এনে এক মনোভাবে ক্ৰমে গা কৰি আহিছে।

অনিয়ন্ত্ৰিত জলৰাশিয়ে অঞ্চলটোত যি অবৰ্ণনীয় দুখ-যন্ত্ৰণাৰ সৃষ্টি কৰি আহিছে, বছৰি কোটিৰ হিচাপত ক্ষতি সাধন কৰিছে, সেই বিষয়ে প্ৰান্তিকৰ ১৬-৩১ আগষ্ট '৮৪ সংখ্যাত আলো-



চনা কৰা হৈছিল। বহুমুখী নদী প্ৰকল্পৰ কথাও উল্লেখ কৰা হৈছিল। সোৱণশিৰী, দিহং আৰু বৰাকত এনে বান্ধৰ বাবে অনুসন্ধান চলি আছিল বুলি উল্লেখ কৰা হৈছিল। যোৱা বছৰেই আটাইকেইটা প্ৰকল্পৰ অনুসন্ধান, জৰিপ ব্যয়-নিৰ্ধাৰণ সম্পূৰ্ণ হ'ল ; সোৱণশিৰী বান্ধ পৰিকল্পনাৰ পুনৰ সংশোধনো সমাপ্ত হ'ল। কিন্তু তাৰ পাছত সকলো কামেই স্থবিৰ হৈ পৰিল।

পৰিকল্পনাই পূৰ্ণতা পোৱা সোৱণশিৰী বহুমুখী বান্ধ প্ৰকল্পটো কেতিয়া হ'বগৈ (ইয়াৰ নিৰ্মাণ কাৰ্যত দহ বছৰ লাগিব) কেন্দ্ৰীয় চৰকাৰ কিয় নিমাত উত্তৰ পূৰ্বাঞ্চলে কি পাব, ৰাজনৈতিক নেতাসকলৰ কৰিব লগা কিবা আছে নেকি, জনসাধাৰণ— আচু-আপ চু আদিয়েও কিবা কৰিব পাৰেনেকি তাক চালি জাৰি চোৱাই আমাৰ উদ্দেশ্য।

বাৰ্ষিক প্ৰায় ৫০০ এম. এ. এফ. পৰিমাণৰ জলৰাশি বৈ নিয়া ব্ৰহ্মপুত্ৰ ভাৰতৰ বৃহত্তম নদী। ইয়াৰ নিৰ্দিষ্ট বহন ক্ষমতা (specific yield) নদী প্ৰভাৱিত অঞ্চলৰ প্ৰতি বৰ্গ মাইলত ৩.০৩ চি. এফ. এছ অতকৈয়ো অধিক ; ই বিশ্বৰ ভিতৰতে সৰ্বোচ্চ। ব্ৰহ্মপুত্ৰৰ তুলনাত গংগাৰ নিৰ্দিষ্ট বহন ক্ষমতা প্ৰতি বৰ্গ মাইলত ১.০৭ ছি. এফ. এছ আৰু চীনৰ ইয়াং চে (Yang Tse) নদীৰ ১.৬১ ছি. এফ. এছ। বৰনৈ ব্ৰহ্মপুত্ৰৰ এই বিশাল জলৰাশি ঠেক ভুভাগেদি বৈ যাব লগা হোৱাত ই বৃহৎ পৰিমাণৰ ধ্বংসকাৰ্য সাধিত কৰে। এই কাৰ্য নদীখনৰ শেষৰ অংশ বাংলাদেশতো সাধিত হয়।

ব্ৰহ্মপুত্ৰৰ মুঠ জলৰাশিৰ শতকৰা ৬০ ভাগ যোগান ধৰে দিহং, দিবং, লুইত আৰু সোৱণশিৰী উপনৈয়ে। ইয়াৰে সোৱণশিৰীয়ে অকলে ১০-১১% আৰু দিহঙে ৩৩% জলৰাশিৰ যোগান ধৰে। জলৰাশিৰ প্ৰয়োগৰ বাবে, নিয়ন্ত্ৰণৰ বাবে উপনৈসমূহত জলাশয় (storage reserviour) নিৰ্মাণৰ বাবে ভাৰত চৰকাৰে ১৯৫৪ চনতে ৰাষ্ট্ৰীয় আঁচনি গ্ৰহণ কৰে। যি কেইখন কমিটি বা বিশেষজ্ঞৰ গোটে এনে আঁচনিৰ পৰামৰ্শ দিছিল সেয়া হ'ল :

(১) ১৯৫৭ চনত ভাৰত চৰকাৰে গঠন কৰা "উচ্চ পৰ্যায়ৰ কমিটি'খনে বহুমুখী নদী প্ৰকল্পত বাননিয়ন্ত্ৰণৰ বিষয়টোকো লক্ষ্যত ৰাখিবলৈ অনুমোদন জনায়।

(২) ১৯৫৭ চনতে গঠিত বাননিয়ন্ত্ৰণ মন্ত্ৰীসকলৰ সমিতিখনে ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ আকাৰৰ জলাশয় নিৰ্মাণৰ দ্বাৰা বানপানী নিয়ন্ত্ৰণৰ পোষকতা কৰে।

(৩) ১৯৭৮ চনত গঠিত Board of Working Group on Flood Control-এ জনোৱা অনুমোদন হ'ল :

"All storage reserviour projects in the catchments of flood prone rivers should be given priority. As such projects planned for irrigation, power should be reviewed in detail to examine the possibility of providing specific flood storage. Operation schedule should be drawn up so as to provide flood moderation to the extent possible"

(৪) উত্তৰ পূৰ্বাঞ্চলৰ জলৰাশিৰ আধুনিক প্ৰয়োগৰ বাবে দেশীয় বিশেষজ্ঞৰ উপৰিও ভাৰত চৰকাৰে বিদেশী বিশেষজ্ঞৰো মতামত লয়। ছোভিয়েট ৰুছিয়াৰ Mr. B. P Bellport (১৯৬৫ চন), আমেৰিকাৰ Mr.r. W. A. Stuff আৰু Mr. H.E. Weller (১৯৭০ চন) আদি, আৰু আমি ক'ব অৱ ইঞ্জিনিয়াৰসকলে উপনৈত বান্ধ দিয়াৰ পোষকতা কৰে।

(৫) ১৯৪৭ চনত কেন্দ্ৰীয় জলশক্তি, জলসিঞ্চন, আৰু নৌ-আয়োগৰ সদস্য এছ. ছি. মজুমদাৰে অঞ্চলটোত বহুমুখী নদী বান্ধ প্ৰকল্প নিৰ্মাণৰ বাবে বিশেষ আগ্ৰহ দেখুৱাই আৰু সেই

তালিকা ১

সোৱণশিৰী বান্ধ প্ৰকল্পৰ ফলত যি কেইখন গাঁও আৰু চহৰ পানীয়ে বুৰাব সেয়া জন-সংখ্যা আৰু বাসগৃহৰ সৈতে উল্লেখ কৰা হ'ল।

| | | জনসংখ্যা | সৰ্বমুঠ বাসগৃহৰ সংখ্যা অস্থায়ী | স্থায়ী |
|---|---|---|---|---|
| | **ৰাগা ছাৰ্কোল** | | | |
| ১ | টামেন | ২২৭ | ৫১ | ৬ |
| ২ | টায়া চিমলা | ৫৪ | ৬ | — |
| | **ডাম্পৰিজ' ছাৰ্কোল** | | | |
| ৩ | মিছামাৰ্দা | ২২১ | ১৫ | — |
| ৪ | নিউ লিডা | ১৭১ | ১৩ | — |
| ৫ | বেল' | ১২৫ | ১০ | — |
| ৬ | বুই আৰু চিপ্পী | ৪১৪ | (২০+১৫)৩৫ | — |
| ৭ | কাপ'ৰিজ' | ৯০ | ৯ | — |
| ৮ | অ'ল্ড লিডা | ৬৭ | ১১ | — |
| ৯ | পাছা | ৫৬ | ১০ | — |
| ১০ | ডাম্পৰিজ' | ৪২১ | ৩৪ | ১৬ |
| | **ডাম্পৰিজ' ছাৰ্কোল** | | | |
| ১১ | বে'য়াৰ | ৮৮ | ১৫ | — |
| ১২ | ড'লুম | ১৬৩ | ৩১ | — |
| ১৩ | মিগ-ডং | ৭৩ | ৭ | — |
| ১৪ | লিলি-ডং | ১৪২ | ৯ | — |
| ১৫ | চিকাৰিজ' | ২৬০ | ৪৩ | [illegible] |
| ১৬ | দেৰম | ২১২ | ১১ | — |
| ১৭ | ম'না | ৯৫ | ১০ | — |
| ১৮ | নিমা | ১৯০ | ৪০ | — |
| ১৯ | লিগু | ২৯১ | ৫৫ | — |
| | **জেনচি ছাৰ্কোল (পশ্চিম চিয়াং জিলা)** | | | |
| ২০ | জেনজি | ১৫০ | ১৫ | — |
| ২১ | চিবেৰীটি | ১৫০ | ১১ | — |
| | **লিব'মোবা ছাৰ্কোল** | | | |
| ২২ | ব'ননি | ১২ | ১০ | ৪ |
| | **টালিহা ছাৰ্কোল** | | | |
| ২৩ | ডিননিয়াম | ৩০ | ৫ | — |
| ২৪ | মেনগা | ৫০ | ১০ | — |
| ২৫ | ল'ৱাৰ মাৰা | ৭ | ৫ | — |
| ২৬ | ৰাদিং | ৫৪ | ১২ | — |
| | সৰ্বমুঠ | ৩৮১৩ | ৪৮৪ | ৩০ |
| ১ | ডাপ'ৰিজ' টাউন | ৩৭২১ | ৭০০ | ৫০০ |
| | সৰ্বমুঠ | ৭৫৩৪ | ১১৮৪ | ৫৩০ |

প্ৰভাৰৰ বাবেই 'কেন্দ্ৰীয় জল শক্তি আয়োগে' ১৯৪৭-৪৮ বৰ্ষৰপৰাই সোৱণশিৰী আৰু ব্ৰহ্মপুত্ৰৰ আন আন উপনৈসমূহৰ মুঠ ১৩ ঠাইত বান্ধ নিৰ্মাণৰ বাবে অনুসন্ধান কাৰ্য চলাবলৈ সিদ্ধান্ত লয়। কিন্তু উত্তৰ পূৰ্বাঞ্চলত কিবা এটা কৰিবলৈ লওঁতে সাধাৰণতে এতিয়াও যিটো হয়—তেতিয়াও সেই একেই হৈছিল, অৰ্থাৎ আৰ্থিক নাটনিৰ বাবে সেই সিদ্ধান্তই বাস্তৱ ৰূপ নাপালে।

এই ভূখণ্ডৰ লগত জৰিত হৈ অহা বিশিষ্ট অভিযন্তাসকলে পাছৰ দশক কেইটাত সোৱণশিৰীৰ দৰে উপনৈবোৰত বান্ধ নিৰ্মাণৰ হকে মাত মাতি আহিছিল। ইয়াৰ ফলতে ১৯৭০ চনৰ ৪ অক্টোবৰত অনুষ্ঠিত হোৱা ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ কমিছনৰ (B.F.C.C.) ব'ৰ্ড অৱ কনছালটেণ্টৰ (B.C.C.) প্ৰথম সভাখনে সোৱণশিৰী বান্ধ প্ৰকল্পৰ ভূতাত্ত্বিক অনুসন্ধান আৰম্ভ কৰিবলৈ অনুমোদন জনায়। যি আৰ্থিক নাটনিৰ বাবে এই কাম আৰম্ভ কৰিব পৰা নগৈছিল তাক দূৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ একুৰি দুবছৰ কালৰ প্ৰয়োজন হ'ল। ২৭০৪'৮ কিল'মিটাৰ দৈৰ্ঘ্য ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংসদীয় সদস্যৰ সংখ্যাই যেনেকৈ ২৪৫৬'৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ গংগা উপত্যকাৰ সংসদীয় সদস্যৰ সংখ্যাৰ দৰে কেন্দ্ৰীয় চৰকাৰ ভঙা-পতাত গুৰুত্ব নাপায়, সেই দৰেই এই প্ৰকল্পয়ো চৰকাৰৰ দৃষ্টিত কোনো গুৰুত্ব লাভ কৰা নাছিল।

শ্বিলঙত থকা ভাৰতীয় ভূতাত্ত্বিক জৰিপ বিভাগৰ সঞ্চালক— ড° মূৰ্তি আৰু কলিকতাৰ ড. সিংহই এই অনুসন্ধান কাৰ্যৰ তত্ত্বাৱধান লৈছিল। ১৯৭১-৭২ চনত শ্ৰীএ. কে. দাসে সোৱণশিৰী বান্ধ প্ৰকল্পৰ প্ৰাথমিক অনুসন্ধান কাৰ্য সম্পূৰ্ণ কৰে।

১-৭-৭১ তাৰিখে বহা B.F.C.C.ৰ তৃতীয় বৈঠকে তৎকালেই সকলো পৰ্যায়ৰ অনুসন্ধান কাৰ্য আৰম্ভ কৰিবলৈ আগ্ৰহ দেখুৱায়। সভাত চেয়াৰমেন ড. কে. এল. ৰাও আৰু কেন্দ্ৰীয়



সোৱণশিৰী বান্ধ প্ৰকল্পৰ নিৰ্মাণৰ জৰিপ

জলসিঞ্চন-শক্তি দপ্তৰৰ মন্ত্ৰী উপস্থিত আছিল। সেই বছৰতে অনুসন্ধান কাৰ্য চলাবলৈ উত্তৰ লক্ষীমপুৰত "সোৱণশিৰী আৰু দিহং অনুসন্ধান সংমণ্ডল" স্থাপিত হয়। তেতিয়াৰপৰাহে প্ৰকৃততে এক নিৰ্দিষ্ট উদ্দেশ্যত কামে অগ্ৰগতি লাভ কৰা বুলিব পাৰি। এই বান্ধ নিৰ্মাণৰ সম্ভাৱনাৰ বাস্তৱ ৰূপ দিয়া আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে মুঠতে ১৪টা বিশেষ ক্ষেত্ৰৰ বিশেষজ্ঞৰ বিভাগে অনুসন্ধান আৰু জৰিপ চলায়। সেই বিভাগ কেইটা হ'ল:

১) ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ আয়োগ (১-৪-৮২ লৈকে)

২) ব্ৰহ্মপুত্ৰ ব'ৰ্ড (১-৪-৮২ পৰা বৰ্তমানলৈকে)

৩) ভাৰতীয় জৰিপ বিভাগ, শ্বিলং

৪) ভাৰত চৰকাৰৰ ভূতত্ত্ব জৰিপ বিভাগ

৫) ভাৰত চৰকাৰৰ অভিযান্ত্ৰিক ভূতত্ত্ববিভাগ, শ্বিলং

৬) ভাৰত চৰকাৰৰ বতৰ বিজ্ঞান বিভাগ, শ্বিলং

৭) ভাৰত চৰকাৰৰ নৃতত্ত্ব জৰিপ বিভাগ, শ্বিলং

৮) ভাৰত চৰকাৰৰ উদ্ভিদ জৰিপ বিভাগ, শ্বিলং

৯) ভাৰত চৰকাৰৰ প্ৰাণী জৰিপ বিভাগ, শ্বিলং

১০) ভাৰত চৰকাৰৰ জল-শক্তি গৱেষণা প্ৰতিষ্ঠান, কলিকাতা

১১) খনিজ-সম্পদ অনুসন্ধান নিগম, নাগপুৰ

১২) কেন্দ্ৰীয় জল আয়োগ, নতুন দিল্লী


(১৩) কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণ, নতুন দিল্লী

১৪) গংগা ব্ৰহ্মপুত্ৰ জল গৱেষণা, নতুন দিল্লী

এই চৈধ্যটা বিশেষজ্ঞৰ সংগঠনে সোৱণশিৰী বান্ধ প্ৰকল্প নিৰ্মাণৰ সপক্ষে মত প্ৰকাশ কৰিছে।

## সোৱণশিৰী বান্ধ প্ৰকল্পটোৰ বিষয়ে: চমুকৈ

১নম্বৰ মানচিত্ৰত বিশেষজ্ঞসকলে পৰিকল্পনা কৰা প্ৰকল্পটোৰ নক্সা আগবঢ়োৱা হৈছে। পাহাৰ গৰ্ভত শীত-



তাপ নিয়ন্ত্ৰিত বিদ্যুৎ উৎপাদন কেন্দ্ৰটো অৰুণাচল প্ৰদেশত নিৰ্মিত হ'ব। বান্ধৰপৰা অতিৰিক্ত পানীভাগ নিৰাপদে ওলাই গৈ পুনৰ সোৱণশিৰীত পৰা বিকল্প পথটো (diversion channel) অসমৰ ফালে নিৰ্মিত হ'ব। দুই ৰাজ্যৰ সীমাৰেখা ভাৰতীয় জৰিপ বিভাগে সোৱণশিৰীৰ মাজেদিয়েই নিৰ্ণয় কৰি থৈছে। প্ৰকল্পটোৰ অত্যাধুনিক কাৰিকৰী দিশলৈ নগ'লেও ই যে এক সুন্দৰ পৰিকল্পনা সেয়া সহজেই অনুমেয়।

**প্ৰকল্পটো কিয় হ'ব লাগে?**

বহুমুখী নদী প্ৰকল্পত বানপানী নিয়ন্ত্ৰণ বিষয়টোৱে মুখ্যস্থান লাভ কৰে যদিও ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নৈখনৰ সামগ্ৰীক বান প্ৰতিৰোধত সোৱণশিৰী বান্ধ প্ৰকল্পই উল্লেখনীয় স্থান অধিকাৰ কৰিব নোৱাৰে। উপনৈখনৰ সীমিত জলৰাশিকহে নিয়ন্ত্ৰণ কৰিব পৰা হ'ব। অসম উপত্যকাত এই উপনৈখনৰ দৈৰ্ঘ্য কম, ২নম্বৰ মেপখনত সোৱণশিৰী উপনৈখনৰ প্ৰভাৱিত অঞ্চল দেখুউৱা হৈছে। গেৰুকামুখৰপৰা জামুগুৰিলৈকে এই অঞ্চলটোৰ বানপানীহে নিয়ন্ত্ৰিত হ'ব। বিশাল ব্ৰহ্মপুত্ৰৰ বানবিধ্বংসী কাৰ্যৰ তুলনাত এই নিয়ন্ত্ৰণ অতি নগণ্য। সেয়ে হ'লেও প্ৰকল্পটোৰপৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে অসম আৰু অৰুণাচল দুয়োখন ৰাজ্য উপকৃত হ'ব।

বিদ্যুৎ শক্তিৰ নাটনিৰ বাবে আজি সমগ্ৰ ভাৰতবৰ্ষয়েই জীয়াতু ভুগিব লগা হৈছে। উত্তৰ পূৰ্বাঞ্চলত ইয়াৰ তীব্ৰতা অধিক। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বৰ্তমানে বিদ্যুতৰ উৎপাদন ৫০০ মেগাৱাটৰ অধিক নহয়। ই বৰ্তমানৰ প্ৰয়োজনীয়তাখিনিয়েই পূৰাব নোৱাৰে। কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণে ১৯৮৩-৮৪ চনত দেখুউৱা হিচাপ মতে বছৰি শতকৰা ৯ ভাগ অধিক বিদ্যুৎ শক্তিৰ প্ৰয়োজন হৈ আহিছে। এই প্ৰয়োজন পূৰাবলৈ উত্তৰ পূৰ্বাঞ্চলৰ বাবে ১·৬ গুণকৈ, আৰু ভাৰতৰ বাকী অংশৰ বাবে ১·৪ গুণকৈ বৰ্তমানৰ বিদ্যুৎ ক্ষমতা বঢ়াই যাব লাগিব। অৰুণাচল প্ৰদেশত এতিয়ালৈকে কোনো বৃহৎ বিদ্যুৎ উৎপাদন প্ৰকল্প গঢ়ি উঠা নাই। ভৱিষ্যতৰ বাবে দৃঢ় পৰিকল্পনাৰে জনসাধাৰণৰ অভাৱ পূৰাৱ বাবে আঁচনি গ্ৰহণেই উন্নতিকামী জাতিৰ লক্ষণ। বিদ্যুৎ শক্তিৰ প্ৰয়োজনীয়তাৰ উক্ত হিচাপত সমগ্ৰ ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলত আহৰণ কৰিব লগা বিদ্যুতৰ পৰিমাণ হ'ল এনে ধৰণৰ :

| | ভাৰতবৰ্ষ | পূব আৰু উত্তৰপূব অঞ্চল |
|---|---|---|
| ১৯৮৩-৮৪ | ৪৩,৩৪৮ মেগাৱাট, | ৮,০৫৭ মেগাৱাট |
| ১৯৯১-৯২ | ৯০,০০০ ,, | ১৪,০০০ ,, |
| ১৯৯৫-৯৬ | ১.২৫,০০০ ,, | ২০,০০০ ,, |
| | ২,০০,০০০ ,, | ৩৫,০০০ ,, |

### তালিকা ২

### সোৱণশিৰী বান্ধ প্ৰকল্পৰ বাবে ভূমি অধিগ্ৰহণৰ আঁচনি

| (১) চৰকাৰী মাটি | পৰিমাণ | জোখৰ একক | নিৰ্ধাৰিত দৰ (টকাত) | প্ৰয়োজনীয় ধন (লাখ টকা হিচাপত) |
|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ |
| (ক) উত্তৰ লক্ষীমপুৰত | ৫০ | হেক্টৰ | ২০,০০০ | ১০·০০ |
| (খ) গোগামুখ আৰু নতুন চাউলধোৱা নদীৰ মাজত | ১০০০ | ,, | ২০,০০০ | ২০০·০০ |
| (গ) বান্ধ নিৰ্মাণ স্থানত গেৰুকামুখত (নদীৰ বাঁও পাৰে, অসম চৰকাৰৰ) | ৬০০ | ,, | ২০,০০০ | ১২০·০০ |
| হুলুং মুখত (নদীৰ, সোঁ পাৰে, অৰুণাচল চৰকাৰৰ) | ২০০ | ,, | ২০,০০০ | ৪০·০০ |
| (২) ব্যক্তিগত লোকৰ মাটি | | | | |
| (ক) উত্তৰ লক্ষীমপুৰত | ২৫ | ,, | ৭০,০০০ | ১৭·৫০ |
| (খ) গোগামুখ আৰু নতুন চাউলধোৱাৰ মাজত | ১০ | ,, | ৭০,০০০ | ৭·০০ |
| **জলাধাৰৰ বাবে—পানীয়ে বুৰাব লগীয়া অঞ্চল (অধিগ্ৰহণ)** | | | | |
| (১) বনাঞ্চল | ১৫০০০ | হেক্টৰ | ৫,০০০ | ৭৫০·০০ |
| (২) ব্যক্তিগত লোকৰ মাটি | | | | |
| (ক) ঘেঁহু-ধানখেতি অঞ্চল | ২০০ | ,, | ৩৭,০০০ | ৭৪·০০ |
| (খ) জুম খেতি অঞ্চল | ১৫০০ | ,, | ১২,৩০০ | ১৮৪·০০ |
| (গ) শস্য থকাবাৰী | ১২০০ | ,, | ৪৯,৪০০ | ৫৯২·০০ |
| (ঘ) উন্নত মাটি | ৪০০ | ,, | ২৫,০০০ | ১০০·০০ |
| (ঙ) অনুন্নত মাটি | ৬৫০ | ,, | ৫,০০০ | ৩১·৫০ |
| (চ) ডাপৰিজ' চহৰৰ মাটি | ৩৫০ | ,, | ৬১,৮০০ | ২১৬·৩০ |
| (৩) শস্যৰ ক্ষতিপূৰণ (মাটিৰ মূল্যৰ শতকৰা ২৫ ভাগ ধৰি) | ৮৫১·৩০ লাখ | — | ২৫% | ২১২·৮৩ |
| (৪) মাটি অধিগ্ৰহণৰ পুৰ্বেই ব্যৱহাৰৰ বাবে ল'ব লগা মাটিৰ ভাৰা | — | — | — | মোটামুটি ৫·০০ |
| (৫) বাধ্যতামুলকভাৱে লোৱা ব্যক্তিগত মালিকানা মাটিৰ বাবে দিব লগা "অসুবিধা-ক্ষতিপূৰণ" (Solatium charge) | ১২২৪·৬০ লাখ | — | ১৫% | ১৮৩·৬৯ |
| | | | | মুঠ = ২৭৪৬·১২ লাখ |
| **সা-সম্পত্তিৰ (ঘৰ, কুঁৱা, গছ, উদ্যোগ আদি) ক্ষতিপূৰণ নিৰ্ধাৰণ** | | | | |
| (১) (ক) ডাপৰিজ'ত থকা চৰকাৰী ঘৰৰ বাবদ | — | — | — | ১৬৮·০০ |
| (খ) ডাপৰিজ'ৰ ব্যক্তিগত মালিকানাৰ ঘৰৰ বাবদ | — | — | মোটামুটিভাৱে | ৫·০০ |
| (গ) ধৰ্মীয় মঠ-মন্দিৰ | — | — | ,, | ৩·০০ |
| (২) ঘৰৰ ক্ষতিপূৰণ | | | | |
| (ক) ২৬ খন গাঁৱৰ গৃহস্থৰ | | | | |
| (অ) অস্থায়ী ঘৰ | | | | |
| মুঠ = ৪৮৪ ঘৰ | ৯৬৮০০ বৰ্গ মিটাৰ | — | ৫০·০০ | ৪৮·৪০ |
| (আ) অৰ্ধ স্থায়ী ঘৰ | | | | |
| মুঠ = ৩০ ঘৰ | ৬০০০ বৰ্গ মিটাৰ | — | ৯৫০·০০ | ৫৭·০০ |
| (৩) স্মৃতি চিহ্ন | — | — | মোটামুটিভাৱে | ২·০০ |
| (৪) গছ-গছনি | — | — | ,, | ১০·০০ |
| (৫) কুঁৱা, দমকল মাছৰ পুখুৰী আদিৰ দৰে সম্পত্তিৰ বাবদ | — | — | ,, | ১০·০০ |
| | | | মুঠতে | ৩০৩·৪০ |

ভৱিষ্যতৰ প্ৰয়োজনত বিদ্যুতৰ অভাৱ পূৰাবলৈ উত্তৰ পূৰ্বাঞ্চলত কোনো বিশেষ প্ৰকল্প চৰকাৰে গ্ৰহণ কৰা নাই। সোৱণশিৰী বান্ধ প্ৰকল্পৰ পৰা ৪,৮০০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন কৰিব পৰা হ'ব। আৰু ইয়াৰ উৎপাদন ব্যয় বিশ্বৰ ভিতৰতে কম হ'ব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। তাপবিদ্যুৎ প্ৰকল্পৰ পৰা সমপৰিমাণৰ বিদ্যুৎ উৎপাদন কৰিবলৈ হ'লে ইন্ধন হিচাপে ৬·৬ কিল' লি· তেলৰ প্ৰয়োজন হ'ব আৰু ইয়াৰ মূল্য হ'ব ১,৭১৬ কোটি টকা।· আকৌ কয়লা ব্যৱহাৰ কৰিলে ১৫·৮৪ মি· টনৰ প্ৰয়োজন হ'ব আৰু ইয়াৰ মূল্য হ'ব ৪৭৫ কোটি টকা। সোৱণশিৰী বান্ধ প্ৰকল্পৰ বাবে ব্যয় কৰিব লগা সমুদায় ধন যদি কেৱল বিদ্যুৎ উৎপাদনৰ বাবেই কৰা হয় বুলি ধৰা হয়, তেনেহ'লে প্ৰতি-ইউনিট বিদ্যুৎ উৎপাদনত ব্যয় হ'ব মাত্ৰ ২১·২২ পইচাহে। আন প্ৰকল্পৰ তুলনাত এই ব্যয় অতি নগণ্য।

প্ৰকল্পটোৰ পৰা খৰালিকালত, জমা কৰি ৰখা পানীভাগ এক নিৰ্ধাৰিত হাৰত ব্ৰহ্মপুত্ৰলৈ এৰি দিয়া হ'ব; সেয়ে সেই সময়তো নৌপৰিবহন ব্যৱস্থা সফল কৰিব পৰা হ'ব। অসমৰ উপৰিও অৰুণাচললৈ ন্যূনতম ব্যয়ত জলপথেৰে বয়-বস্তু পৰিবহন কৰিব পৰা হ'ব।

বান্ধৰ বাবে নিৰ্বাচিত ঠাইখিনি ৰেল, স্থলপথ আৰু বিমান ঘাটিৰ সুবিধাৰ ফালৰ পৰা অনুকূল। গোগামুখৰ পৰা গেৰুকামুখলৈকে ৰেলপথটোৰ সম্প্ৰসাৰণ ঘটাই নিৰ্মাণ সামগ্ৰী পৰিবহন কৰিব পৰা হ'ব। নিৰ্মাণ কাৰ্যৰ বাবে প্ৰয়োজন হোৱা বৃহৎ যন্ত্ৰ-পাতিবোৰ জল পথেৰে গেৰুকামুখলৈকে নিব পৰা হ'ব আৰু তাৰ পৰা এটা Super Express Highway নিৰ্মাণ কৰি কাবুলি ঘাটলৈকে পৰিৱহন সুচল কৰাৰ স্থল আছে।

প্ৰকল্পটোৰ নিৰ্মাণত দহ বছৰ সময় লাগিব আৰু বিশেষজ্ঞ-বিষয়াৰ পৰা শ্ৰমিকলৈকে মুঠতে প্ৰায় পঞ্চাছ হাজাৰ লোকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিয়োগৰ সুবিধা পাব। ই দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ আৰ্থিক উন্নতি সাধিব। নিয়োগ, উদ্যোগ আৰু কৃষি ব্যৱস্থাৰ উন্নতি হ'ব।

বৰ্তমান অৱস্থাতেই বান্ধ প্ৰকল্প অঞ্চলটোৰ সৌন্দৰ্যই সকলোকে মোহিত কৰে। ইয়াত নিৰ্মাণ হ'ব লগা আবাস গৃহ, আৱৰ্ত ভৱন, চিকিৎসালয়, শিক্ষানুষ্ঠান, বিদেশী বিশেষজ্ঞৰ, কলনি, ষ্টেডিয়াম, ছবিঘৰ, পুথিভঁৰাল, ৰাট-পথ, পাৰ্ক আদিয়ে অসম-অৰুণাচলৰ আয় আৰু সৌন্দৰ্য বৃদ্ধি কৰিব। পৰ্যটকৰ বাবেই আকৰ্ষণীয় স্থান হ'ব। প্ৰকল্পটোৰ লগত জড়িত বিদেশী বিশেষজ্ঞই ক'বৰ দৰে,— It will be a second Manchester· ইয়াত উৎপাদিত বিদ্যুৎ শক্তিৰে উত্তৰ পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ বিদ্যুতৰ অভাৱ দূৰ কৰাৰ পাছতো অতিৰিক্ত বিদ্যুৎ শক্তি পশ্চিম বংগ, বিহাৰ, উৰিষ্যা আৰু মধ্য প্ৰদেশলৈকে যোগান ধৰিব পৰা হ'ব। অৰুণাচলে ন্যূনতম দৰত বিদ্যুতৰ বাবে ৰাজহ ল'লেও বাৰ্ষিক কেইবা কোটি টকাৰে লাভবান হ'ব পাৰিব।



OKDISCD

নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা আৰ্থিক দিশটো: সোৱণশিৰী বান্ধ প্ৰকল্পৰ বাবে এক বৃহৎ পৰিমাণৰ মূলধন বিনিয়োগৰ প্ৰয়োজন। এই ব্যয়-নিৰ্ধাৰণ এনে ধৰণে কৰা হৈছে:

(১) ছিভিল ৱাৰ্কছৰ বাবে
২,২৩,৮০০ লাখ টকা।
(২) ইলেকট্ৰিকেল ৱাৰ্কছৰ বাবে
৮৩,০০০ লাখ টকা
মুঠ ৩০,৬৮,০০ লাখ টকা
= ৩০৬৮ কোটি থকা।

সোৱণশিৰী বান্ধ প্ৰকল্পৰ অনুসন্ধান, জৰিপ, পৰীক্ষা-নিৰীক্ষা আৰু ব্যয়নিৰ্ধাৰণ আদি কাম সম্পূৰ্ণ কৰি ইয়াক কাৰ্যকৰী কৰিব লাগে বুলি ক'ব পৰা আজিৰ অৱস্থাটোত উপস্থিত হওঁতে তিনিটা দশকতকৈয়ো অধিক কাল লাগিল। এতিয়া অসম আৰু অৰুণাচল চৰকাৰে একে মুখে বান্ধ প্ৰকল্পটো নিৰ্মাণ কৰিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক সৈমান কৰোৱাৰ সময়। কিন্তু বাস্তৱত সেয়া হোৱা নাই। অৰুণাচলৰ মুখ্যমন্ত্ৰী গেগং আপঙে সোৱণশিৰী বান্ধ প্ৰকল্পৰ ফলত ৰাজ্যখনৰ বিস্তৰ ক্ষতি হ'ব বুলি আপত্তি তুলি বিৰোধিতা কৰি আহিছে। এই বিৰোধিতাৰ ভিত্তি অতি লঘু যদিও সেইবোৰ হ'ল: বহুলোক স্থানান্তৰিত হ'ব। আৰ্থিক, নৃতাত্ত্বিক, পাৰিপাৰ্শ্বিক আদি দিশত তেওঁলোক ক্ষতিগ্ৰস্ত হ'ব।

হয়, প্ৰকল্পটোৰ বাবে তেৰখনগাঁও আৰু এখন চহৰ স্থানান্তৰিত হ'ব লগা হ'ব আৰু অতি বেছি ১৫,০০০ লোক জড়িত হৈ পৰিব। তালিকা-১অত এনেদৰে ক্ষতিগ্ৰস্ত হ'ব লগা সকলৰ এটি হিচাপ উল্লেখ কৰা হৈছে।

এই লোকসকলৰ সংখ্যাই যে বৃদ্ধি লাভ কৰিছে, সেয়া এক ব্যতিক্ৰমহে। প্ৰকল্পটো হ'লে ইয়াৰ জনসাধাৰণে চৰকাৰৰপৰা পুনৰ সংস্থাপনৰ বাবে ক্ষতিপূৰণ পাব; সেই কথা লাহে লাহে প্ৰচাৰ হোৱাত, অস্থায়ীভাৱে হ'লেও বহু সংখ্যকলোক আন



### তালিকা ৩
### পুনৰ সংস্থাপন

| | পৰিমাণ | জোখৰ | মূল্যনিৰ্ধাৰণ | মুঠ পৰিমাণ লাখ টকা হিচাপত |
|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ |
| (১) মাটি অধিগ্ৰহণ— | | | | |
| (ক) ডাপ'ৰিজ' চহৰৰ বাবে ব্যক্তিগত মালিকানাৰ মাটি | ৫০ | হেক্টৰ | ৬১৮০০ | ৩০·০০ |
| (২) বনাঞ্চলৰ মাটি | | | | |
| (অ) ডাপ'ৰিজ' চহৰৰ বাবে | ৩০০ | ,, | ৫০০০ | ১৫·৫৭ |
| (আ) মুঠ ২৬ খন গাঁৱৰ প্ৰায় ৩,৮০০ লোকৰ বাবে | ২,০৫৬ | ,, | ৫০০০ | ১০২·৮৩ |
| (৩) বাধ্যতামূলকভাৱে লোৱা ব্যক্তিগত মালিকানা মাটিৰ বাবে দিব লগা "অসুবিধা ক্ষতিপূৰণ" (solatium charge) | ৩০·৮০ | লাখ | ১৫% | ৪·৬৪ |
| (১) মাটিৰ উন্নতি সাধন, মাটিকটা আৰু বেৰ নিৰ্মাণকে ধৰি | ৩৫০ | হেক্টৰ | ১৫,০০,০০০ | ৫২৫·০০ |
| (২) প্ৰধান সংলগ্ন পথ নিৰ্মাণ | ১০·০ | কি· মি· | ১৫,০০,০০০ | ১৫০·০০ |
| (৩) অভ্যন্তৰীণ পথ নিৰ্মাণ | ১০০ | কি· মি· | ৫,০০,০০০ | ৫০০·০০ |
| (৪) পানী যোগান আঁচনি | — | — | মোটামুটিভাৱে | ১০০·০০ |
| (৫) আবৰ্জনা বৈ নিয়া নলা ব্যৱস্থা | — | — | ,, | ১০·০০ |
| (৬) নলা নৰ্দমা | — | — | ,, | ৪০·০০ |
| (৭) বিদ্যুৎ যোগান | — | — | ,, | ৭০·৭০ |
| (৮) স্থানান্তৰ অনুদান | | | | |
| (ক) গৃহস্থী | ১২০০ | সংখ্যক | ২০,০০০ | ২৪·০০ |
| (খ) দোকান | ১০০ | ,, | ২,০০০ | ২·০০ |
| (৯) নতুনকৈ নিৰ্মাণ কৰিব লগা ডাপ'ৰিজ' চহৰৰ ৰাজহুৱা ঘৰ, স্কুল, কলেজ পুলিছ চকী, চিকিৎসালয়, ডাকঘৰ, অফিছ ঘৰ, ধৰ্মীয় মঠ-মন্দিৰ আদি নিৰ্মাণত | — | — | মোটামুটিভাৱে | ১,০০০·০০ |
| (১০) স্থানান্তৰিত গৃহস্থীসকলৰ বাবে বিশেষ অনুদান | ১২০০ | — | ৫,০০০ | ৬০·০০ |
| (১১) গৃহস্থীসকলৰ বাবে দিব লগা যাবতীয় ব্যয়, যেনে—স্থানান্তৰিত হ'ব লগা ঠাই দৰ্শন; নতুন ঠাইত অস্থায়ীভাৱে থকা, যাতায়াত, প্ৰচাৰ, নিয়োগ, প্ৰধান শস্যৰ উৎপাদন বৃদ্ধি কৰা আদি | — | — | মোটামুটিভাৱে | ২০·০০ |
| গাঁও নিৰ্মাণ | | | | |
| (১) মাটি উন্নতি কৰা জৰিপ কৰি জেওৰা দি পট্টন দিয়া | ২০৫৬ | হেক্টৰ | ১৫০০০ | ৩০৮·৪০ |
| (২) জলসিঞ্চন ব্যৱস্থা | ২৬ | গাঁও | ১,০০,০০০ | ২৬·০০ |
| (৩) ২৬ খন গাঁৱৰ বাসিন্দাৰ খোৱা পানীৰ ব্যৱস্থা | ২৬ | ,, | ৫,০০০ | ১৩·৫০ |
| (৪) বিদ্যুৎ যোগান | ২৬ | ,, | ১,০০,০০০ | ২৬·০০ |
| (৫) ৰাজহুৱা ঘৰ, যেনে স্কুল, চিকিৎসালয়, পঞ্চায়ত, নদী-জুৰী ঘাট, ৰাজহুৱা টি· ভি· কেন্দ্ৰ, আৰক্ষীচকী, ডাকঘৰ, মঠ-মন্দিৰ, স্মৃতিচিহ্ন, ইত্যাদি | — | — | মোটামুটিভাৱে | ১০০·০০ |
| (৬) পথ-নিৰ্মাণ | | | | |
| (ক) সংলগ্ন পথ | ২৬০ | কি· মি· | ১,০০,০০০ | ২৬০·০০ |
| (খ) অভ্যন্তৰীণ পথ সংযোগ | ৫২ | কি· মি· | ৫০,০০০ | ২৬·০০ |
| (৭) গৃহস্থীসকললৈ স্থানান্তৰ অনুদান | ৫১৪ | সংখ্যক | ২০০০ | ১০·১৮ |
| (৮) গৃহস্থীক পুনৰ সংস্থাপনৰ বাবে অনুদান | ৫১৪ | ,, | ৩০০০ | ১৫·৪২ |
| (৯) গৃহস্থীসকলৰ স্থানান্তৰ হোৱাত হ'ব লগা যাবতীয় ব্যয়ৰ বাবে | — | — | মোটামুটিভাৱে | ১৫·০০ |

ঠাইৰপৰা আহি অঞ্চলটোত বসবাস কৰিবলৈ আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত অৰুণাচলৰ স্থায়ী অধিবাসী আৰু অনা-অৰুণাচলী-লোকো আছে।


অৰুণাচলৰ মুখ্যমন্ত্ৰীয়ে প্ৰকল্পটোৰ ফলত অঞ্চলটোৰ জনসাধাৰণৰ যি অবৰ্ণনীয় দুৰৱস্থাৰ সৃষ্টি হ'ব বুলি প্ৰচাৰ কৰি অশিক্ষিত গৰিষ্ঠ সংখ্যক জনসাধাৰণৰ সমৰ্থন লাভ কৰাৰ চেষ্টা কৰি আহিছে, প্ৰকৃততে তাৰ কোনো যুক্তিপূৰ্ণ কাৰণ বিচাৰি পোৱা নাযায়। এই কথা সত্য যে প্ৰকল্পটো নিৰ্মাণৰ বাবে অসম আৰু অৰুণাচল দুয়োখন ৰাজ্যই প্ৰয়োজনীয় মাটিখিনি দিব লাগিব। তাৰ বাবে দুয়োৰাজ্যই উপযুক্ত ক্ষতিপূৰণ পাব। যি পৰিমাণৰ মাটি অধিগ্ৰহণৰ আঁচনি প্ৰস্তুত কৰা হৈছে, সেয়া তালিকা-২ ত উল্লেখ কৰা হৈছে।

এই প্ৰকল্পৰ পুনৰ সংস্থাপনৰ দিশটোও আকৰ্ষণীয়। প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগা জনসাধাৰণে পুনৰ সংস্থাপনৰ বাবে যি সা-সুবিধা পাব সি তেওঁলোকৰ জীৱনৰ মান অভাৱনীয়ভাৱে উন্নীত কৰিব। তেনে সা-সুবিধা বিগত ৩৮ বছৰে সেইসকল জনসাধাৰণলৈ অৰুণাচল আৰু অসম চৰকাৰে আগবঢ়াব পৰা নাই, বৰঞ্চ পৰৱৰ্তী ৩৮ বছৰতো যে আগবঢ়াব পাৰিব তাৰো নিশ্চয়তা নাই। পুনৰ সংস্থাপনৰ বাবে কৰা আঁচনিখন তালিকা-৩ ত উল্লেখ কৰা হ'ল।

সোৱণশিৰী বান্ধ প্ৰকল্পৰ অনুসন্ধান কাৰ্যও ব্যয় বহুল। প্ৰায় দহ কোটি টকা ব্যয়েৰে আঁচনিখন প্ৰস্তুত হৈ ওলাইছে। অনুসন্ধান, জৰিপ, পাহাৰৰ বুকুত ৩০০ মিটাৰলৈকে সুৰংগ খান্দি কৰা পৰীক্ষা-নিৰীক্ষা, নদী গৰ্ভৰ শিলাস্তৰ খান্দি কৰা পৰীক্ষা আদি কঠিন কামবোৰত বিশেষজ্ঞসকলক যি বৃহৎ সংখ্যক শ্ৰমিকে সহায় কৰিলে তেওঁলোক আন ৰাজ্যৰপৰা অহা লোক নহয়;



OKDISCD




অৰুণাচল আৰু অসমৰে। প্ৰকল্পটো হ'লে পৰৱৰ্তী কামবোৰতো যে দুয়োখন ৰাজ্যৰ শ্ৰমিকসকল লাভবান হ'ব তাত কোনো সন্দেহ নাই। অনুসন্ধান কাৰ্য চলি থাকোঁতে যিসকল থলুৱা শ্ৰমিক আৰ্থিকভাৱে লাভবান হ'ল, তেওঁলোকে এতিয়াও কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। অঞ্চলটোৰ শ্ৰমিকসকলে প্ৰকল্পটো ৰূপায়িত হোৱাটো বাঞ্ছা কৰে। কিন্তু ৰাজনৈতিক নেতাৰ ভুল প্ৰচাৰে আধুনিক বিজ্ঞানৰ সকলো সম্ভাৱনাকে তল পেলাইছে।

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অৰুণাচল প্ৰদেশ ছাত্ৰ সন্থাৰ কৰণীয়ঃ ভাৰতৰ আন ৰাজ্যৰ তুলনাত অৰুণাচলৰ শিক্ষিত নিবনুৱাৰ সমস্যা আজিও অতি জটিল নহয়। শিক্ষিতসকলে চৰকাৰী চাকৰিত থাকি শাসক দলৰ নেতাৰ মতৰ বিৰুদ্ধে গৈ প্ৰকল্পটো হ'ব লাগে বুলি কোৱাও বিপদজনক বা বহুতৰে সেই সম্পৰ্কে কোনো স্পষ্ট ধাৰণাও নাই। বান্ধ প্ৰকল্পটো সম্পূৰ্ণ কাৰিকৰী দিশৰ। অৰুণাচলৰ স্থায়ী বাসিন্দাৰ অতি ক্ষুদ্ৰ সংখ্যকে কাৰিকৰী শিক্ষা লাভ কৰিছে। তেওঁলোকৰ কিছু লোকে ৰাজ্যখনৰ বাহিৰত চাকৰি কৰিছে আৰু কিছু লোকে নিজ ৰাজ্যতে চাকৰি কৰিছে। উল্লেখযোগ্য যে অৰুণাচলৰ অভিযান্ত্ৰিক দিশৰ চাকৰিসমূহত আজিও আন ৰাজ্যৰপৰা যোৱা অভিযন্তাসকলেই শীৰ্ষস্থানীয় আসন লাভ কৰি আহিছে। থলুৱা অভিযন্তাসকলে কাৰ্যবাহী অভিযন্তা পদলৈকেহে উধাব পাৰিছে। সেয়ে— কাৰিকৰী দিশৰ এনে বৃহৎ আঁচনি চালিজাৰি চাই মংগলকামী সিদ্ধান্ত গ্ৰহণত কোনো গুৰুত্বপূৰ্ণ ভূমিকা তেওঁলোকে ল'ব নোৱাৰে। সোৱণশিৰী বান্ধ প্ৰকল্প হ'ব লাগে,— ইয়াৰ প্ৰতি কিন্তু তেওঁলোক আগ্ৰহী।

দুয়োখন ৰাজ্যৰ ছাত্ৰ সংগঠন দুটা উচ্চ শিক্ষিত, দলীয় লাভালাভ হিচাপ কৰি সিদ্ধান্ত লোৱাৰপৰা দূৰত থকা লোকৰ সংগঠন বুলিয়েই আমাৰ ধাৰণা। সেয়ে তেওঁলোকে প্ৰয়োজন হ'লে, গোটেই প্ৰকল্পটো অধ্যয়ন কৰি, প্ৰকল্পটোৰ কাৰ্যকাৰিতাৰ দিশৰ জনমত গঠন কৰি, ৰাজ্যিক ৰাজনৈতিক নেতাৰ খেয়ালী ক্ষুদ্ৰ স্বাৰ্থৰপৰা অঞ্চলটোক উৰ্ধ্বলৈ নি, কেন্দ্ৰীয় চৰকাৰৰপৰা প্ৰকল্পটো নিৰ্মাণৰ ব্যয় আদায় কৰাত অৰিহণা যোগাব লাগে। উন্নতিকামী উত্তৰ-পূব ভূখণ্ডৰ জনসাধাৰণে সংগঠন দুটালৈ সমৰ্থন জনাব বুলিয়েই আমাৰ ধাৰণা।

বিপৰীত চিন্তাঃ সোৱণশিৰী বান্ধ প্ৰকল্পৰ ফলত ক্ষতিগ্ৰস্ত হ'ব লগা জনসাধাৰণৰ বাবে যুগুত কৰা পুনৰ সংস্থাপনৰ আঁচনিখন বিতংভাৱে জনাৰ পাছত মুখ্যমন্ত্ৰী গেগং আপঙে কৰা বিৰোধিতা সঁচাই জনহিতৰ সপক্ষেনে? তাত আমাৰ সন্দেহ আছে। প্ৰকল্পটোৰ অনুসন্ধান, জৰিপ আৰু ব্যয় নিৰ্ধাৰণ আদি গোটেই কামখিনিয়ে দ্ৰুতগতি লাভ কৰে ১৯৭৯-৮০ চনত। ফাৰাক্কা বেৰেজ নিৰ্মাণৰ বাবে সেই সময়ত হুগলী (গংগাৰ) নদীত পানীৰ অভাৱ পূৰাবলৈ পৰিকল্পনা কৰা হৈছিল,— সোৱণশিৰী বান্ধ প্ৰকল্পই খৰালি কালত সেই পানীৰ যোগান ধৰিলেহেঁতেন। কিন্তু শেষত বাংলাদেশৰ বিৰোধিতাৰ বাবে সি কাৰ্যত পৰিণত নহ'লগৈ। গংগা অৱবাহিকাৰ উন্নতিত অৰিহণা যোগাব নোৱাৰে বুলিয়েই উত্তৰ পূৰ্বাঞ্চলৰ জলৰাশিৰ যে সুপ্ৰয়োগ নহ'ব তাৰ অৰ্থ কি? সেয়া অঞ্চলটোৰ সচেতন নাগৰিকে বুজি পায়। বৃহৎ পৰিমাণৰ ধন ব্যয়ৰপৰা হাত সাৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ এটাই উপায় আছে;— কোনো এখন ৰাজ্যৰ দ্বাৰা প্ৰকল্পটোৰ বিৰোধিতা কৰোৱা। সেয়ে হৈছে নেকি? একে দলৰ হোৱাৰ বাবে অৰুণাচলৰ দ্বাৰা বিৰোধিতা কৰোৱাটো উজু হৈছে নেকি?

আন দুটা বান্ধ প্ৰকল্প— দিহং আৰু বৰাকৰো অনুসন্ধান, জৰিপ আৰু বৰাকৰ বাবে ১০৩০ কোটি টকাৰ প্ৰয়োজন। আন্তঃৰাষ্ট্ৰীয় সীমাৰ কাষত হোৱাৰ বাবে নিৰাপত্তাৰ খাতিৰত আৰু অতি ব্যয়বহুল হ'ব বাবে দিহং প্ৰকল্পটো হেনো হোৱাৰ আশা নাই। বৰাক প্ৰকল্পটো হ'ব লাগে। কিন্তু তাৰ যোগেদিও দলীয় ৰাজনীতিহে প্ৰকাশ হোৱা পৰিলক্ষিত হৈছে। 'নিউজ ষ্টাৰ' কাকতত যোৱা ৯ জুলাই তাৰিখৰ বাতৰিটো মন কৰিবলগীয়া।

নিউজ ষ্টাৰঃ ৯ জুলাই, ১৯৮৬

## CONSTRUCTION OF BARAK DAM DEMANDED

SILCHAR JULY 8— Mr. Indu Bhusan Dey, general secretary of the APCC (I) has in a statement demanded construction of the Barak dam near Tipaimukh on the border of Manipur. The completion of the Barak dam, according to him, will not only control floods but also provide additional facility of 1500 MW of power and rural irrigation.

Mr. Dey recalls that the central water commission submitted the feasibility report on the Barak dam to North East Council and the latter approved it. The planning commission, he says, also allocated Rs. 1030 crores for the project.

Mr. Dey further says that the Brahmaputra board, too, has been geared-up to launch Barak dam along with Dihang and Subansiri projects. The Barak dam, he points out, is designed as water reservoir which will store excess water of the river in case of floods and consequently reduce the water level during the spate.

Barak dam at the same time, according to Brahmaputra Board, will prevent soil erosion, discharge enough cuses of water during lean period not only for irrigation but also for navigational facilities.

Barakdam, Mr. Dey pointed out, would lead to the economic developmet of Barak Valley besides saving crores of rupees which are spent annually for the protection of embankments and bunds all along Barak and its network of 17 tributories.

Mr. Dey is surprised to note the abnormal delay in taking up the work for the construction of Barak dam. He strongly urged upon the centre to initiate work on Barak dam for Industrial and Agricultural Development of Cachar and Karimganj Districts.

প্ৰকৃততে প্ৰদেশখনৰ ই-কংগ্ৰেছে দুয়োটা প্ৰকল্পৰ বাবে দাবী জনোৱাহে উচিত আছিল। যদিহে দলীয় স্বাৰ্থৰ উৰ্ধ্বত ই-কংগ্ৰেছ দলে কাম কৰিব খুজিছে, তেনেহ'লে তেওঁলোকৰ সাতোখন ৰাজ্যৰ দলীয় সভাত প্ৰকল্প দুটা হ'ব লাগে বুলি দাবী তুলি, কেন্দ্ৰীয় চৰকাৰ— ওৰফে তেওঁলোকৰে উৰ্ধ্বতন মহলৰপৰা সুফল আদায় কৰিব লাগে। ইয়াৰ বাবে আন্দোলনৰ পথ ল'লেও মই ভাবোঁ— জনসাধাৰণে তেওঁলোকক সহায় কৰিব কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা আঁৰে কোনে?

ভাৰতৰ ৰাষ্ট্ৰীয় সম্পদ বিশাল জলৰাশিৰ আধুনিক প্ৰয়োগ নোহোৱাৰ বাবে ই জনসাধাৰণৰ দুখ-দৈন্য বৃদ্ধি কৰি আহিছে। অঞ্চলটোক কেন্দ্ৰীয় চৰকাৰে অৱহেলাৰ দৃষ্টিৰে চোৱা মনোভাব আঁতৰাবৰ হ'ল। উত্তৰ পূৰ্বাঞ্চলৰ সচেতন যুব সমাজে আজি এই দাবী সজোৰে উত্থাপন কৰি নায্যপ্ৰাপ্য আদায় কৰাৰ সময় হৈছে।

২৫ পৃষ্ঠাৰ পিছৰ পৰা

এই দৃষ্টিভংগীৰ লগত খাপ খুৱাব পৰাকৈ আমি প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক স্তৰৰ পৰাই ভাষা শিক্ষা অধিকভাৱে ল'ব লাগিব।

নতুন শিক্ষানীতিত প্ৰাথমিক স্তৰৰ পৰাই ভাৰতৰ স্বাধীনতা আন্দোলনৰ আভাস দিয়াৰ কথা আছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদসকলৰ কথা কওঁতে অন্য কথাত অসম বাদ পৰাৰ দৰে অসমৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ পিয়লি ফুকন, মণিৰাম দেৱান, কনকলতা, মুকুন্দ কাকতি, কুশল কোঁৱৰ আদিৰ কথা বাদ নপৰে যেন। বহুত পুথি-পাঁজিত ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ খুদিৰামতে শেষ হৈ যায়।

নতুন শিক্ষানীতিত প্ৰাক প্ৰাথমিকক ধৰি প্ৰাথমিক বিদ্যালয়বিলাকত নবোদয় আৰু সূৰ্যোদয় হোৱাৰ কথা কলোঁ। সমল ক'ত? সমল আছে। অসম সকলো থাকিও একো নোহোৱা ৰাজ্য। ৭৫৬ খন চাহ বাগিচাৰ ১,৮৯,৩৩৮ হেক্টৰ মাটিত চাহ উৎপন্ন হয় বছৰি গড়ে ২৮০ নিযুত কিল'গ্ৰাম। মুঠ আয় বছৰি গড়ে ৫৬০ কোটি টকা। ইমান আয় হোৱা দিশৰপৰা অসমে পায় ২০ কোটি টকা বছৰি, পশ্চিম বংগই চাহৰপৰা পোৱা ৰয়েলটিৰ আধা। অসমৰ বহুকেইটা বৃহৎ কোম্পানিৰ চাহ বাগিচাৰ বাৰ্ষিক আয় অসম চৰকাৰৰ মাটিৰপৰা সংগৃহীত ৰাজহতকৈ বেছি। সেইদৰে পনীয়া সোণৰপৰা অসমৰ কোটি কোটি টকা বাহিৰলৈ গৈছে, প্লাইউডৰপৰা অসমৰ বাহিৰলৈ ওলাই যায় দুশ কোটি টকা বছৰি। অসমৰপৰা অসমৰ বাহিৰৰ পুঁজিপতিয়ে নিয়ে বছৰি তিনিহাজাৰ কোটি টকা আৰু ভাৰত চৰকাৰেও অসমৰপৰা বছৰি বিভিন্ন শিতানত ৰাজহ নিয়ে বছৰি তিনিহাজাৰ কোটি টকাৰ ওপৰ। আমাৰ এই সম্পদবিলাকৰ আমাৰ ন্যায্য ধন, আগৰ চৰকাৰে যিয়েই নকৰক, বৰ্তমান অসম চৰকাৰে পুঁজিপতি আৰু ভাৰত চৰকাৰৰপৰা প্ৰাপ্য উলিয়াবই লাগিব। অসমৰ সকলো উচন কৰি দি ভগা টোকাৰী বজাই লাওলোৱা ভিক্ষাৰ সঁজুলি দিল্লীত সবিনয়ে কেৱল পাতি নাথাকি তাহানিৰ বংগৰ সিংহ পুৰুষ ড° বিধান ৰায়ৰ দৰে ন্যায্য দাবী প্ৰতিপন্ন কৰি টকা আনিবই লাগিব। তেনে ন্যায্য দাবীৰে টকা আনিব পাৰিলে আমাৰ বৰ্তমানৰ ২৬ হাজাৰ প্ৰাথমিক বিদ্যালয় প্ৰাক প্ৰাথমিকৰে সৈতে নদন-বদন ৰূপত আমাৰ জীৱন কালতে দেখিবলৈ পাম। কেৱল কেন্দ্ৰীয় চৰকাৰৰ আশ্বাসতে সন্তুষ্ট থাকিলে সকলো প্ৰাথমিক বিদ্যালয়ৰ উৰুখা চাল গুচাই নতুন ৰূপত সজাই পৰাই তোলা সোনকালে সহজ নহ'ব। অসমত এতিয়াও বিদ্যালয়লৈ নগৈ কেৱল টাং গুটি খেলি থকা ৫০ লাখ শিশুৰ সংখ্যা কমোৱা তেতিয়া হলে সহজ নহব।


কবিতাৰ কিতাপ

**দেওলগা ঘোঁৰা—**
বিৰিঞ্চি ভট্টাচাৰ্য্য **৮ টকা**

**মই মানুহৰ অমল উৎসৱ—**
সনন্ত তাঁতি— **১০ টকা**

**চীনা কবিতা—**
দিনেশ গোস্বামী— **১২ টকা**

**হেম বৰুৱাৰ কবিতা— ২৫ টকা**
[ বালি চন্দা, মনময়ূৰী আৰু অপ্ৰকাশিত কবিতাৰ সঙ্কলন ]

**এলবিএছ পাব্লিকেশ্যন**
জি, এন, বৰদলৈ ৰ'ড
**আমবাৰী : গুৱাহাটী-১**






ফাঁকি দি লাভ নাই। তেতিয়াৰ দিনত দুবছৰৰ মূৰত এম. এ. পৰীক্ষা হৈছিল। বৰুৱাই আহিয়েই প্ৰথম প্ৰথম দুই এদিন ক্লাছলৈ গৈছিল। তাৰ পাছত আৰু ক্লাছ কৰিবলৈ যোৱা নাই, মাচুলপত্ৰও দিয়া নাই। পৰীক্ষা আহি পালেই। কিতাপপত্ৰ এখনো নাই।




[১১]

গিৰিধাৰীলালে হতাশা সূচক জটিল হাতৰ মুদ্ৰা দেখুৱাই দিলে।

"এনেকুৱাকৈ নহব। পৰহি মিছেছ শইকীয়াৰ জন্মদিন আছিল। মই সোণৰ হাৰ এডাল কৰাই থৈছিলো, একো কামত নালাগিল।"

"আপুনি নিজে নিদিলে কিয়?"

গিৰিধাৰীলালে এই বেলি এটা ভিন্ন ধৰণৰ মুদ্ৰা দেখুৱালে। এইটো হ'ল বিৰক্তিসূচক।

"মই সোণৰ হাৰ দিম? আপুনি তেওঁক ভাবী বুলি মাতে, আপোনাৰ সোণৰ হাৰ দিয়াৰ এক্তিয়াৰ আছে। মই কোন? মই ভুৰিৱালা মহাজন এজনে ভদ্ৰমহিলা এগৰাকীক সোণৰ হাৰ উপহাৰ দিবলৈ গ'লে বস্তুটো ঘিণলগা ধৰণৰ নহব জানো? আৰে চাহাব, প্ৰত্যেক খেলৰেই কিছুমান নিয়ম আছে। মই আপোনাক লগত লৈছোঁ কিয়? আপোনাৰ টকাপইচা আছে, নে আপুনি ব্যৱসায় বুজি পায়?"

"কিয় লৈছে তেনেহ'লে?"

"কিয় লৈছোঁ? আপুনি দেখাত ধুনীয়া, মানুহক তৎক্ষণাৎ পতাব পাৰে, সেই কাৰণেই লৈছিলো। নাই, আপোনাক দি কাম নহব। ওংকাৰমলে জুনুবাবুৰ হাতেদি চে্ৰফ এখন বেনাৰচী শাৰী দি কাম হাচিল কৰি ল'লে। ছিঃ ছিঃ ছিঃ! মই তেতিয়াই হাক দিছিলো জুনুক লৈ মিছেছ শইকীয়াৰ তালৈ নাযাব। বন্ধু বন্ধু, আৰু বিজিনেছ বিজিনেছ। বিজিনেছত বাপেক-ভায়েক কাৰো লগত খাতিৰ নাই। আপোনাৰ গাফিলিৰ কাৰণে ইমান ধুনীয়া অৰ্ডাৰটো হাতৰপৰা ওলাই গ'ল। ছিঃ।

কলিকতাত থকাটো শৈলেন বৰুৱাৰ পক্ষে অসম্ভৱ হৈ পৰিছে। চিকাৰীয়ে খেদি লৈ যোৱা জন্তুৰ দৰে অৱস্থা। ভাল বেয়া, ন্যায় অন্যায় সম্বন্ধেও তেওঁৰ মনত এটা নিৰ্দিষ্ট ধাৰণা গঢ়ি উঠিছে। আইনাৰ আধাৰ এটাত ৰাখি থলে তেওঁ হয়তো তেওঁৰ চৰিত্ৰৰ পবিত্ৰতা ৰক্ষা কৰি চলিব পাৰিলেহেঁতেন। ভিন্ন পৰিস্থিতিত তেওঁ হয়তো এজন সন্মানিত মানুহত পৰিণত হব পাৰিলে হয়। পিছে প্ৰতিৰোধক্ষমতা তেওঁৰ মুঠেই নাই। তেওঁ নিজেও এই কথা জানে আৰু এইকাৰণে নিজেই তেওঁ নিজৰ ওপৰত বিৰক্ত।

কোনোবা দিনা যে তেওঁ এম. এ. পৰীক্ষা দিব পাৰিব, নিজকে এই আচলতে কিতাপ লৈ বহাৰ তেওঁৰ মানসিক অৱস্থাই নাই।

ফাঁকি দি লাভ নাই। অজিতদাই মুখেৰে একো নকলেও শৈলেনে বুজি পায় যে তেওঁ শৈলেনৰ ওপৰত অতিশয় বিৰক্ত। প্ৰথম প্ৰথম তেওঁ শৈলেনক সাৱধান কৰি দিয়াৰ চেষ্টা কৰিছিল। এতিয়া একো নকয়। কোনো লাভ নাই।

সুৰেন মিত্ৰই শৈলেন বৰুৱাক বেয়া নাপায়। ল'ৰাজন আচলতে বেয়া নহয়; তেওঁৰ কুকৰ্ম কৰাৰ স্বাভাৱিক প্ৰৱণতা নাই। ল'ৰাজনৰ কিছুমান গুণ নথকাও নহয়। অতিশয় সপ্ৰতিভ, মানুহৰ লগত কথা পাতিব জানে, মানুহক প্ৰভাৱান্বিত কৰিবও পাৰে। ডাঙৰ অপৰাধ কৰাৰ শক্তি নাই, মানসিক নিৰ্লিপ্ততাও নাই। পিছে প্ৰলোভনৰ হাতবাউলিক উপেক্ষা কৰিব নোৱাৰে। সুৰেন মিত্ৰ বুধিয়ক মানুহ। মানুহ এজনৰ লগত কথা পাতিলেই মানুহজন কেনেকুৱা তৎক্ষণাৎ তেওঁ গম পায়।

মিত্ৰহঁতৰ বিভিন্ন নামত বিভিন্ন ধৰণৰ কাৰবাৰ আছে। বংগবান্ধৱ নামৰ প্ৰতিষ্ঠান এটাই বংগদেশ চৰকাৰক বস্তু যোগান দিয়ে আৰু ইষ্টাৰ্ণ



OKDISCD

ছাৰ্ভিছ' বোলা প্ৰতিষ্ঠানটোৱে অসম চৰকাৰৰ বস্তুৰ যোগান ধৰে। এইবেলি অৰ্ডাৰ পোৱাত পলম হোৱাত তেওঁ খা-খবৰ কৰাৰ কাৰণে শৈলেন বৰুৱাক শ্বিলঙলৈ পঠিয়াই দিলে। অসমীয়া ল'ৰাৰ জৰিয়তে খা-খবৰ কৰালে কিছুমান ক্ষেত্ৰত সুবিধাও হয়। এনেয়েও শৈলেন খুব সপ্ৰতিভ ল'ৰা। মানুহক প্ৰভাৱান্বিত কৰাৰ এটা সহজাত ক্ষমতা আছে। চেহেৰাও ৰাজপুত্ৰৰ দৰে। জীৱনত উন্নতি কৰাৰ এইবোৰেই অন্যতম প্ৰধান আহিলা।' অৱশ্যে কাম এটাত লাগি থাকিব লাগিব।

শৈলেন বৰুৱা মহেশদাৰ ঘৰত উঠিছিল। মহেশদা মানে মহেশ অধিকাৰী, স্থানীয় কলেজ এখনৰ অধ্যাপক। অত্যন্ত ভাল মানুহ। মহেশদাই শৈলেনক মৰম কৰে। বিশেষকৈ প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পাছৰ পৰাই শৈলেনৰ সম্বন্ধে তেওঁৰ বেচ ভাল ধাৰণা। ৰুণুবৌৰ লগতো শৈলেনৰ খুব ভাল। আগৰ পৰাই অলপ ঠাট্টা-মস্কৰা কৰি কথা কোৱাৰ অভ্যাস।

"কিহে? দিনক দিনে দেখোন অপেশ্বৰী হেন হৈ উঠিছা।"

"হয় নেকি? দেখি যুৰ ঘূৰি যোৱা নাই তো?"

"প্ৰায়।"

তেওঁ যে সুৰেন মিত্ৰৰ এজেণ্ট হিচাপেহে আহিছে সেই কথাষাৰ বৰুৱাই মহেশদাক কোৱা নাছিল। স্পষ্টকৈ নক'লেও তেওঁ এনেকুৱা এটা ধাৰণা দিলে যে তেওঁ নিজেই কাৰবাৰ কৰিবলৈ লৈছে। মহেশদাই শুনি ভাল পালে।

"খুব ভাল কৰিছ। অসমীয়া ল'ৰাই কিয় যে এইবোৰ বিজিনেছত নালাগে কব নোৱাৰোঁ। যথেষ্ট স্ক'প আছে। আৰু একোতো টান কাম নহয়। বজাৰৰ পৰা বস্তুখিনি গোটাই যোগান দিলেই হ'ল। কাৰোবাক কিবা কব লাগিলে ময়ো কৈ দিব পাৰিম। খবৰ কৰিবিচোন এইবোৰত কাৰ হাত আছে। বাৰু ৰবি, তোৰ পৰীক্ষা কেনেকুৱা হ'ল? কেতিয়া? এইবাৰ নাছিল জানো তোৰ এম. এ পৰীক্ষা?"

এইজন মানুহৰ আগত মিছা কথা কবলৈ শৈলেন বৰুৱাই অস্বস্তি বোধ কৰিলে।

"এইবাৰ নিদিলো। ছেকেণ্ড পেপাৰখন ভাল নহ'ল। ফাৰ্ষ্ট ক্লাছ নাথাকে। অহা বছৰলৈ দিম।"

"অঁ, বাদ নিদিবি। এতিয়াৰ পৰাই অলপ অলপকৈ পঢ়ি থাক।"

অথচ এইজন মানুহৰ মৰমৰ কি প্ৰতিদান! শৈলেন বৰুৱাৰ নিজৰ ওপৰত ঘৃণা উপজিল। তেওঁ ঘটনাটোৰ কথা পাহৰিবলৈ বিচাৰে। মাজেমাজে গোটেই দোষখিনি ৰুণুবৌৰ ওপৰত জাপি দি তেওঁ নিজকে সান্ত্বনা দিবলৈ বিচাৰে। পিছে এনেকুৱা মানসিক অৱস্থা বেছিপৰ ধৰি ৰাখিব নোৱাৰে।

সঁচাকৈ শৈলেন বৰুৱা নোৱৰা হৈ পৰিছে। সাধাৰণ সহজ-সৰল জীৱন যাপন কৰাৰ কাৰণে তেওঁৰ জন্ম; কিন্তু প্ৰতিকূল অৱস্থাত পৰি তেওঁ ভাৰসাম্য ৰাখিব নোৱৰা হৈ পৰিছে। এম. এ পৰীক্ষা দিয়া মিছা কথা। অন্যান্য আনুষংগিক কাৰ্যক্ৰম বাদ দিলেও পঢ়াশুনাত তেওঁ মনসংযোগ কৰিব নোৱাৰে। মনেমনে প্ৰতিজ্ঞা এটা কৰিলেও অৱস্থা বিপাকে প্ৰতিজ্ঞা ক'ৰবাত উটি যায়। এই কথা তেওঁ নিজেও জানে।

কামটো হৈ যোৱাত সুৰেন মিত্ৰই শৈলেন বৰুৱাক এনেয়েই কিবা অলপ দিলে। সুৰেন মিত্ৰৰ এজেণ্ট হিচাপে কাম কৰাৰ কি প্ৰয়োজন? নিজেই দেখোন এই কাৰবাৰ কৰিব পাৰি। অসুবিধা একো নাই। মূলধনৰো দৰকাৰ নাই। অৰ্ডাৰ পালে বস্তুৰ যোগান ধৰাৰ কাৰণে মানুহ সাজু হৈ আছে। বিষয়াবোৰক পতাই উচ্চ হাৰত অৰ্ডাৰ ল'লেই হ'ল। গোটেইখিনি বস্তুৰ যোগান ধৰাৰো প্ৰয়োজন নাই। কাগজে কলমে কাম হৈ যাব পাৰে।

গিৰিধাৰীলালে তেওঁক উদগনি দি আছে।

"আৰে চাহাব, আপ চেক অৰ্ডাৰ নিকালিয়ে। যো কৰনা হায় হামকো ওপৰ ছোড় দিজিয়ে। ফিকিৰ মৎ কৰিয়ে।"

এইবোৰ মানুহে সকলো কথা জানে। জ্ঞানৰ পৰিধিলৈ চাই আচৰিত হ'ব লাগে। প্ৰতিজন ক্ষমতাশালী মানুহৰ গতিবিধি, দুৰ্বলতা সম্বন্ধে সম্পূৰ্ণ ওৱাকিফহাল।

"আজি গধূলি ডুৱৰা চাহাবক লগ ধৰক।"

"আজি ছিনেমা চোৱাৰ প্ৰগ্ৰেম আছে, কাইলৈ গধূলি লগ ধৰিম। পৰহিলৈহে অৰ্ডাৰ ইছু হব।"

"কাইলৈ গধূলি ডুৱৰা চাহাবক ক'ত ঘৰত পাব?"

"কিয়, কলৈ যাব?"

"শইকীয়া চাহাব কাইলৈ টুৰত যাব। বেচেৰী মিছেছ শইকীয়া অকলে অকলে ঘৰত থাকিব। গধূলি ডুৱৰা চাহাবে তেওঁৰ লগত অলপ বাতচিৎ তো কৰিব! নহ'লে মেমচাহাবৰ মেজাজ বেয়া হৈ নাযাব? ডুৱৰা চাহাব বহুত নৰম দিলকো আদমি। মিছেছ শইকীয়াক অকলে থৈ ৰাতি বাৰ বজাৰ আগতে তেওঁ কেনেকৈ ঘৰলৈ উভতি আহে?"

"আপুনি ইমানবোৰ কথা কেনেকৈ জানে?"

"জানিব লাগে। নহলে বিজিনেছ কৰিব কেনেকৈ? এটা কাম নকৰে কিয়, বৰুৱা বাবু?"

"কি কাম?"

"মিছেছ শইকীয়াৰ লগত চিনাকি হৈ নলয় কিয়?"

"কেনেকৈ?"

"মিছেছ শইকীয়াই কলেজত থাকোঁতে কলেজৰ ফাংছনত গান গাইছিল। গান গাবলৈ মাতক।"

"ক'ত? আপনাৰ গাদীত?"

"আৰে ৰাম ৰাম। ফাংছন পাতক। মই খৰচ দিম।"



নাই, ইমান সুবিধা পাঁয়ো শৈলেন বৰুৱাই ব্যৱসায়ত সুবিধা কৰিব নোৱাৰিলে। একাগ্ৰ চিত্তে লাগি থকাৰ তেওঁৰ শক্তি নাই। বন্ধু কেইজনমানৰ লগত মানস অভয়াৰণ্যলৈ গৈ সকলো পাহৰি তিনি দিনমান তাতেই পৰি থাকিল। ইফালে ওংকাৰমলে জুনুৰ নামত যোগানৰ অৰ্ডাৰটো আদায় কৰি ল'লে।

গিৰিধাৰীলাল বিৰক্ত আৰু ক্ৰুদ্ধ হৈ উঠিল।

"এই সামান্য কামখিনি কৰিব নোৱাৰে! আপোনাক দি এইবোৰ কাম নহব।"

[১২]

"ৰাইজ'াই লাগিছে গাতে ভন্টি বাখৰ ঐ,
চকু ছুটি নাহৰ ঐ,
চায়ে নো চাই থাকিবৰ মন।"

ধুনীয়া বিহুগীত; লঘু নৃত্যৰ ছন্দ। যুৱক-যুৱতীৰ শৰীৰত স্বয়ংক্ৰিয়ভাৱে হিল্লোলৰ সঞ্চাৰ হয়। ভৃগু চৌধুৰী গানৰ ভক্ত। বিশেষকৈ লোকগীত তেওঁৰ প্ৰিয়। এই গীতে মাটি আৰু মানুহৰ উত্তাপ কঢ়িয়াই আনে। প্ৰতিমা পাণ্ডেৰ গোৱালপৰীয়া লোকগীত শুনিলে সঁচাকৈ তেওঁ অভিভূত হৈ পৰে।

পিছে গোটেই ৰাতি এই বিহুগীত চলি থাকে। প্ৰথমে ভালেই লাগে। তাৰ পাছত ক্ৰমাগত ঘঁহনি খাই খাই মনৰ কোনোবাখিনিত এটা ক্ষতৰ সৃষ্টি হয়। তাৰ পাছত অসহ্য হৈ উঠে। ইয়ো এক ধৰণৰ কঠিন শাস্তি। ৰাতি যিমানেই বেছি হয়, গায়কবোৰৰ সংকোচ সিমানেই নাইকিয়া হৈ আহে। কণ্ঠস্বৰ উচ্চ গ্ৰামত উঠি যায়, নৃত্যৰ তাল উদ্দাম হৈ হৈ উঠে। আগতে কাচিৎ কেতিয়াবাহে এনেকুৱা 'পাৰ্টি' হৈছিল। ক্ৰমাৎ বাৰংবাৰতা বাঢ়ি গৈ আছে।

ভৃগু চৌধুৰীৰ ঘৰৰ গাতে গা লাগি থকা দোতলা ঘৰৰ ওপৰ তলাত 'পাৰ্টি' বহে। গোটেই ৰাতি নাচ-গান চলি থাকে। তেওঁৰ শোৱা কোঠাৰ ইমান ওচৰত যে গিলাছ-বটলৰ শব্দ আনকি তৰল পদাৰ্থ বাকি থকা শব্দও স্পষ্টকৈ কাণত পৰে।

মাজে মাজে নৃত্যগীতৰ সাময়িক বিৰতি ঘটে। পৃথিৱীৰ যাবতীয় গুৰুত্বপূৰ্ণ সমস্যা লৈ উচ্চ আৰু স্খলিত কণ্ঠত আলোচনা চলে। সমস্যাৰ সমাধান কি ধৰণৰ হ'ব পাৰে এটা মাত্ৰ বাক্যৰে কোনোবাই তাৰ নিৰ্দেশ দিয়ে।

কোনোবা এজনে নিজৰ জীৱনৰ ব্যৰ্থতা আৰু অসাৰ্থকতা সম্বন্ধে হঠাতে অতিশয় সচেতন হৈ উঠে। হুকহুকাই কান্দিবলৈ ধৰে। তাৰ এই মানসিক অৱস্থা বাকীবোৰৰ মাজতো সঞ্চাৰিত হৈ পৰে। বাকীবোৰে তাক সান্ত্বনা দিবলৈ গৈ নিজেও কান্দি দিয়ে অতি কৰুণ পৰিস্থিতি। বটল আৰু গিলাছৰ শব্দৰ ক্ষিপ্ৰতা বাঢ়ি যায়। পিছে এই অৱস্থা বেছিপৰ নাথাকে। স্বাভাৱিক স্থিতি স্থাপকতাৰ ফলত সিহঁত আকৌ সতেজ হৈ উঠে, অধিকতৰ উদ্যমত নাচ আৰু গান আৰম্ভ কৰি দিয়ে।

"ওচৰ চাপি চাপি নাহিবা নাচনী
তোমাৰ গাত মোহনি...।"

আৰে মাজতে কোনোবা এজনে নিজৰ গুণাৱলীৰ ফিৰিস্তি দাঙি ধৰে।

"মই গান গাব জানো, নাচিব জানো,
বজাবও জানো।"

তাৰ যোগ্যতাৰ প্ৰমাণ দিবলৈ প্ৰথমেই সি তাৰস্বৰে গান গাবলৈ আৰম্ভ কৰিলে, তাৰ পাছতেই উদ্দাম নৃত্য। সৰ্বশেষত মুখেৰে বিভিন্ন শব্দ কৰি সি তাৰ ঢোল বজোৱা পাৰদৰ্শিতা দেখুৱাবলৈ ধৰিলে।

"ডুম ডুম, ডাডুম ডুম,
ডাডুম ডাডুম ডাডুম।"

বাদ্যৰ গতি উদ্দাম হৈ উঠিল। বাকীবোৰে প্ৰশংসাসূচক বিভিন্ন ধৰণৰ শব্দ কৰি চিঞৰি চিঞৰি তাক অভিনন্দন জনাবলৈ ধৰিলে। শব্দৰ এক প্ৰচণ্ড বিস্ফোৰণ, নাৰকীয় উল্লাস।

আগতে মাজেমধ্যে পাৰ্টি হৈছিল। দিনক দিনে বাৰংবাৰতা বাঢ়ি গৈ আছে। ভৃগু চৌধুৰী ঘৰৰ গাত লাগি থকা ঘৰ। গোটেই ৰাতি টোপনি যোৱাৰ উপায় নাই। চৌধুৰীৰ পৰিবাৰ অসুস্থ। টোপনি নহ'লে পাছদিনা মূৰৰ বিষত তেওঁ বিছনাৰপৰা উঠিব নোৱৰা হয় কি অত্যাচাৰ!

চৌধুৰীৰ পৰিবাৰে চৌধুৰীক গৰা মাৰি ধৰিলে।

"কি কৰা, ক'লৈ যোৱা?"

"ইমান হুলস্থূল কৰি আছে, হাক দি আহোঁ।"

"নাই, নাযাবা। একো লাভ নাই। অপমান কৰিব। ইহঁতৰ কিবা কাণ্ডজ্ঞান আছে বুলি ভাবা নেকি তুমি? গাত হাত দিয়াও আচৰিত কথা নহয়।"

ঠিকেই, যিবোৰ মানুহে মাজৰাতি ভদ্ৰ চুবুৰীত এনেকুৱা হুলস্থূল কৰিব পাৰে সিহঁতৰ কোনো ধৰণৰ বিচাৰ-বিবেচনা থকাৰ কথা নহয়।

মানুহৰ জীৱনলৈ কেতিয়া কোন ফালৰপৰা কি বিপদ আহিব পাৰে আগতীয়াকৈ ধৰিব নোৱাৰি। ভৃগু চৌধুৰীয়েও ভৱা নাছিল যে তেওঁৰ জীৱনলৈ এনে ধৰণৰ এক বিপদ আহিব। বিপদ নহয় কি? গধুলিৰপৰা উৎকণ্ঠা— আজিও 'পাৰ্টি' বহিব নে নবহে। ৰাতিৰ পাছত ৰাতি বিনিদ্ৰ ৰজনী যাপন। উঃ, কি শাস্তি, কি অসহনীয় যন্ত্ৰণা!

চৌধুৰীৰ পৰিবাৰে আতংকিত হৈ চৌধুৰীক সাৱটি ধৰে।

"খবৰদাৰ, তুমি হাক দিবলৈ নাযাবা। ইহঁতৰ কিবা লঘু-গুৰু জ্ঞান আছে নেকি?"

এদিনা ৰাতি পৰিস্থিতিয়ে চৰম অৱস্থা পালেগৈ। মানুহবোৰৰ মাজত ভয়ানক মাৰপিট লাগি গ'ল। প্ৰথমে তৰ্কাতৰ্কি, চিঞৰ-বাখৰ অশ্লীল গালি-গালাজ। তাৰ পাছতেই হতাহতি। ধুপ-ধাপ, ধুম-ধাম, চকী-মেজ বগৰাৰ শব্দ, বটল গিলাছ ভঙাৰ শব্দ।

ই কি কাণ্ড! অজানিতে চৌধুৰী

অসন্তৰ ধৰণে উত্তেজিত হৈ পৰিল। উত্তেজনাত তেওঁ কঁপিবলৈ ধৰিলে। তেওঁৰ পৰিবাৰে শংকিত হৈ তেওঁৰ ফালে চালে।

"তুমি ইমান অস্থিৰ হৈছা কিয়? সিহঁত মাৰপিট কৰি মৰে মৰক। তোমাৰ কি?"

"দেখিছা দেখিছা, কাণ্ড দেখিছা?" সম্পূৰ্ণ অপৰিচিত পৰিস্থিতি আৰু অপৰিচিত কাৰণেই অশান্তিজনক।

"ইউ ৰাছকেলছ, ষ্টপ ইট।"

চৌধুৰীৰ পৰিবাৰে টলকিবপৰাৰ আগতেই চৌধুৰীয়ে দুৱাৰখন খুলি বাৰান্দালৈ ওলাই গ'ল আৰু চিঞঁৰি উঠিল।

"মৰিলো ঐ, কঁকাল ভাগিল ঐ।"

আতংকিত দৃষ্টিৰে চৌধুৰীয়ে দেখিলে যে প্ৰাণৰ ভয়ত খিৰিকিৰে দোতলাৰপৰা জাপ মাৰি কোনোবা এজনে তেওঁৰ চৌহদত পৰি কেঁকাবলৈ ধৰিলে।

"মৰিলো ঐ, কঁকাল ভাগিল ঐ।"

চৌধুৰী লৰালৰিকৈ মানুহজনৰ ফালে আগবাঢ়ি গ'ল। চৌধুৰীক আগবাঢ়ি অহা দেখি সেই অৱস্থাতেই সি কেঁকাই-গেথাই কুঁজা হৈ পিছ-ফালেৰে পলাই গ'ল।

চৌধুৰীৰ পৰিবাৰে লৰালৰিকৈ ওলাই আহি হাতত ধৰি চৌধুৰীৰ টানি লৈ গৈ দুৱাৰখন বন্ধ কৰি দিলে। বিহ্বল হৈ চৌধুৰী মাজ মজিয়াত থিয় হৈ ৰ'ল।

[১৩]

ঘটনাৰ বিন্যাস যি কোনো ধৰণে হ'ব পাৰে। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট সূত্ৰ নাই। ঘৰৰপৰা ওলাই আহোঁতে কোনেও আগধৰি কব নোৱাৰে যে তেওঁ কাক লগ পাব আৰু কি দৃশ্য দেখিব।

বহুত দিনৰপৰা জোতা এযোৰ কিনিবলগীয়া হৈ আছিল। ৰাতিপুৱা নমান বজাত ভৃগু চৌধুৰী ঘৰৰপৰা ওলাল। তেওঁ মিছেছ দত্তক লগ পালে। তেওঁ তেওঁলোকৰ পচুলি মুখত ঠেলাৱালাৰপৰা পাচলি কিনি আছে। পোন্ধৰ মিনিটমান আগতে বা পাছত ঘৰৰপৰা ওলালে চৌধুৰীয়ে মিছেছ দত্তক লগ নাপালে হয়। চৌধুৰীৰ সিদিনা সেই সময়ত জোতাযোৰ কিনিবৰ মন গ'ল; তেওঁ পুব ফালৰ বাটেৰে নোলাই পশ্চিম ফালৰ বাটেৰে ওলাবলৈ গ'ল। মিছেছ দত্তৰ সিদি-নাই পাচলি কিনাৰ প্ৰয়োজন আছিল; ঠিক সেই সময়ত ঠেলাৱালাজন সেই বিশেষ উপপথেৰে আহি থাকিল। মিছেছ দত্তৰ কাম কৰা ছোৱালীজনী ঘৰলৈ গৈছিল, তেওঁৰ ল'ৰাজনে বাথ-ৰুমত সোমাই আছিল। ইমান বিভিন্ন ধৰণৰ পৰিস্থিতিৰ এক বিশেষ বিন্যা-সৰ ফলত সিদিনা ভৃগু চৌধুৰীয়ে মিছেছ দত্তক লগ পালে। লগ পাই ভালেই হ'ল, চৌধুৰীৰ মনটো ভাল লাগি গ'ল। মিছেছ দত্তৰ নাতিনী ছোৱালীজনীয়ে ষ্টাৰ আৰু তিনিটা লেটাৰ লৈ বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হৈছে বুলি তেওঁ গম পালে। মনটো তেওঁৰ সঁচাকৈ বৰ ভাল লাগি গ'ল।

"মিঠাই খাবলৈ আহিব লাগিব।"

"নিশ্চয়।"

ঘটনা বিন্যাসৰ কোনো ধাৰা-বাহিকতা নাই। সুসংবাদটো শুনি ভৃগু চৌধুৰীৰ মুখত বিৰিঙি উঠা হাঁহিখিনি মিলি যোৱাৰ আগতেই তীব্ৰবেগে ৰিক্সা এখন অহা দেখি তেওঁ সন্ত্ৰস্তভাৱে বাটৰ দাঁতিলৈ আঁতৰি গ'ল। ৰিক্সাত বহি গৈ থকা ডেকা ল'ৰাজনে তেওঁক দেখি অনাৱশ্যকভাৱে লৰিচৰি বহিল আৰু মুখত এটা হাঁহি ফুটাই তুলি-বলৈ চেষ্টা কৰিলে। তেওঁ ল'ৰাজনক চিনি নাপালে; কিন্তু ধৰি ল'লে যে, ল'ৰাজন তেওঁৰ প্ৰাক্তন ছাত্ৰ হ'ব নিশ্চয়। ভংগীবোৰ হ'ল শ্ৰদ্ধা প্ৰদৰ্শন কৰাৰ এটা পদ্ধতি।

মানুহবোৰৰ হৈছে কি? ফাঁচি-বজাৰৰপৰা সমানে তৰ্ক চলি আছে। বামুণী মৈদামলৈ বাছৰ ভাৰা পয়সত্তৰ পইচা নে পয়ষষ্ঠি পইচা? যাত্ৰীজনে পয়ষষ্ঠি পইচাৰ বেছি নিদিয়ে আৰু কণ্ডাক্টৰে পয়সত্তৰ পইচাৰ কম নলয়। প্ৰথমে চৌধুৰীয়ে বিৰক্তি বোধ কৰি-ছিল। পাছত তেওঁৰ কৌতূহল জাগি উঠিল। কোন জিকিব? কণ্ডাক্টৰজন অৱশ্যে অলপ সুবিধাজনক অৱস্থাত আছে। সি যাত্ৰীজনক পঁচিছ পইচা ফিৰাই দিবলৈ যায়, যাত্ৰীজনে নলয়। "দিয়া, পয়ত্ৰিছ পইচা ফিৰাই দিয়া।" "এয়া, লওক আপোনাৰ পঁচিছ পইচা।" শেষ পৰ্যন্ত কোন জিকিলে চৌধুৰীয়ে ক'ব নোৱাৰিলে। তেওঁ আগতেই নামি গ'ল।

ছোৱালীজনীক খুব চিনাকি-চিনাকি যেন লাগিছে। ল'ৰা এজনে স্কুটাৰ এখনত কিবা কৰি আছে, ছোৱালীজনী কাষত থিয় হৈ আছে।

"খুৰাদেউ।"

"আৰে, মিনতি। তাকেইতো ভাবি আছোঁ, ইমান চিনাকি-চিনাকি লাগিছে। কোনফালে যোৱা?"

"বেংকলৈ যাওঁ।"

"আছে সময়, বাৰ বজাই নাই।" মিনতিয়ে অলপ আচৰিত হৈ চৌধুৰীৰ ফালে চালে। চৌধুৰীয়ে সুধিলে, 'তোমাৰ দেউতাৰা কেনে আছে?"

"একে ৰকমেই আছে।"

"বহুতদিন তোমাক দেখা নাই। ভালে আছাতো?"

"আপোনাৰ ঘৰৰ আগেদিয়েইতো সদায় আহোঁ। প্ৰায়েই আপোনাক বাৰান্দাত বহি থকা দেখোঁ।"

"হয় নেকি? আজিকালি বাটেৰে কোনোবা গ'লে ধৰিব নোৱাৰোঁ। মাত নিদিয়া হ'লে তোমাকো ধৰিব নোৱাৰিলোহেঁতেন। স্কুলতেই কাম কৰি আছা নহয়?"

"নাই, স্কুলৰ কাম কেতিয়াবাই এৰিলো।"


"কিয়?"

"মাহে মাত্ৰ তিনিশকৈ টকা দিছিল।"

৪৬ পৃষ্ঠাত চাওক








অজিত ড্ৰাইভাৰৰ কেনছাৰ হৈছে।

ওচৰৰ চিকিৎসালয়ৰ ডাক্তৰৰ ওচৰত তিনিমাহমান পিত্ত ৰোগৰ চিকিৎসা কৰাৰ পাছত অফিছৰে সহ-কাৰী গাণনিক বিষ্ণুৰ ভট্টৰ পৰামৰ্শমতে অজিতে যেতিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ বৰ ডাক্তৰক দেখুৱা-লেগৈ, তেতিয়া বৰ ডাক্তৰে এক্সেৰে আদি কৰি ভালদৰে চাইচিতি সোন-কালে বাহিৰলৈ গৈ চিকিৎসা কৰাবৰ কাৰণে তাক পৰামৰ্শ দিলে। বাহিৰলৈ মানে বোম্বাই কিম্বা ভেলোৰলৈ।

গুৱাহাটীৰপৰা অহাৰ পাছদিনা পুৱা অফিছৰে পিয়ন কৰ্ণ আৰু সনা-তনে অজিতৰ ঘৰলৈ গৈ খবৰ লৈ আহিল। অজিতৰ মুখে তাৰ অসুখৰ বিৱৰণ শুনি, বিশেষকৈ ভেলোৰ কিম্বা বোম্বাইত চিকিৎসা কৰাবলৈ ডাক্তৰে পৰামৰ্শ দিয়াৰ কথা জানিব পাৰি অজিততকৈ সিহঁত দুটাহে বেছি হতাশ হৈ পৰিল। অজিতৰ দৰে সিহঁত দুটায়ো এইটো সংমণ্ডল কাৰ্যালয়ত কুৰি বছৰৰ অধিক কাল চাকৰি কৰিছে; আটাইকেইটা পৰিয়ালৰ লগত



সিহঁতৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছে; প্ৰত্যেকধে সমস্যাৰ লগত সিহঁত সম-ব্যথিত হৈ আহিছে। এতেকে ভেলোৰ কিম্বা বোম্বাইলৈ ডাক্তৰে অজিতক চিকিৎসাৰ বাবে পঠাইছে যেতিয়া তাৰ ফল যে ভয়ংকৰ হৈ উঠিবও পাৰে, এই কথা ভাবি সিহঁতৰ মন-বোৰ মৰি গৈছে।

অফিছৰ কেণ্টিনৰ বাৰান্দাত বহি সিহঁত দুটাই তাৰ বিষয়েই আলোচনা কৰি আছিল। অফিছৰ কৰ্মচাৰীবোৰ বাছৰপৰা নামি দুই-চাৰিজনকৈ আহি আছে। এপ্ৰিলৰ চাৰিবছ তাৰিখে মাৰ্চ মাহৰ সমাপ্তি ঘোষণা কৰাৰ পাছত স্কুটাৰ, মটৰ ছাইকেলেৰে তাঁতবাতি কৰি থকা ঠিকাদাৰসকল অফিছলৈ আহিবলৈ এৰিছে।

কৰ্ণ আৰু সনাতনে ৰাষ্ট্ৰীয় ঘাই-পথত আৰু এখন বাছ ৰোৱা দেখা পালে। সিহঁতে দেখিলে বাছৰপৰা নামি হলং হলংকৈ খোজ কাঢ়ি ভট্টবাবু আহি আছে। তেওঁক দেখিয়েই সিহঁত দুয়ো-টাই কোবাকুবিকৈ আগবাঢ়ি গৈ ভট্টক ক'লে,— "অজিত কালি সন্ধিয়া গুৱা-হাটীৰপৰা আহিল। তাৰ বোলে কেন-ছাৰ হৈছে।"

"ধেৎ! পাগল হৈছানে কি? কোনে কৈছে কেনছাৰ হৈছে বুলি?"

"তাক হেনো গুৱাহাটীৰ বৰ ডাক্তৰে ভেলোৰ বা বোম্বাইত চিকিৎসা কৰিবৰ কাৰণে যাবলৈ কৈছে। তালৈ কেনছাৰ-ফেনছাৰ নহ'লে কিয় পঠাব বাবু?"

কিছুপৰ তভক মাৰি ভট্টই কলে, "ঠিক আছে, মই বাহিৰে বাহিৰে তাৰ ঘৰৰপৰা আহোঁ। মোক কোনো-বাই বিচাৰিলে তাৰ ঘৰলৈ গৈছোঁ বুলি কবা। মই আধাঘণ্টামানৰ ভিত-ৰতে আহিম।"

অজিতৰ ঘৰটোলৈ অফিছৰপৰা বৰ বেছি আধাকিল'মিটাৰমানহে হ'ব। গতিকে অফিছৰ কাৰোবাৰপৰা ছাই-কেলৰ চাবি বিচাৰি পলম কৰাতকৈ তেওঁ বাহিৰে-বাহিৰে অজিতৰ ঘৰৰ ফালে খোজ ল'লে। বাৰান্দাৰ চকী এখনতে অজিত বহি আছিল। ভট্ট গৈ চোতাল পোৱাৰ লগে লগে আথে-

বেথে বহিবলৈ দি সি কলে, "আপুনি এপাক মাৰিব বুলি মই ভাবিছিলোঁৱেই ছাৰ।"

ভট্টই দেখিলে গুৱাহাটীৰপৰা ঘূৰি অহাৰ পাছত এদিনতে যেন অজিত বৰ বেছি বুঢ়া হৈ গ'ল! হয়তো তাৰ অসুখটোৰ বিষয়ে নিশ্চিত হোৱাৰ পাছত সি মানসিকভাৱে বেছি দুৰ্বল হৈ পৰিছে।

"চাওঁ, ডাক্তৰে লিখি দিয়া কাগজ-পত্ৰবোৰ আনাচোন।"

ডাক্তৰে লিখি দিয়া ব্যৱস্থাপত্ৰখনত চকু ফুৰাই ভট্টই দেখিলে—দুবিধ টেবলেট, দিনে এটাকৈ, লবৰ বাবে পাঁচোটা বেজী, আধাকাপ পানীৰ লগত পাঁচফোটাকৈ দিনে তিনিবাৰ খাবলৈ এটা পনীয়া দৰৱ আৰু ব্যৱস্থাপত্ৰখনৰ তলত ভেলোৰ কিম্বা বোম্বাইলৈ যাবলৈ পৰামৰ্শ। সোনকালে যাব লাগে।

অজিতে কলে, 'ছাৰ, আপুনিতো দেখিলেই। ডাক্তৰে কৈছে সোনকালে নগলে পাছত হয়তো অসুবিধা হ'ব।"

"হয়নেকি? কৈছে যেতিয়া যাবই লাগিব! পিছে তুমি কেতিয়ামানে যোৱাৰ কথা চিন্তা কৰিছা?"

"মোৰতো আজিয়েই উৰামাৰি যাবলৈ মন গৈছে। কিন্তু মই কৰোঁ কি কওকচোন! ডাঙৰ দুজনৰ কাজিয়াৰ মাজত সোমাই মোৰ আজি পানীত হাঁহ নচৰা অৱস্থা। দুমাহ হ'ল মোক ছছপেন কৰা। এনেকৈ দিন গৈ থাকিলে মোৰ বাৰু যি হয় হ'ব, কিন্তু ল'ৰা-ছোৱালীকেইটা নাখাই মৰিব।"

ভট্টৰ সেই ঘটনাটোৰ কথা মনত পৰিল। ডেৰমাহ মানৰ আগতে বদলি হৈ যোৱা কাৰ্যবাহী অভিযন্তাজনৰ লগত সহকাৰী অভিযন্তাৰ কিবা মনোমালিন্য চলি আছিল। এদিন একে সময়তে বেলেগ ঠাইলৈ ট্ৰাকত বস্তু বোজাই কৰি নিবৰ কাৰণে কাৰ্যবাহী অভিযন্তা আৰু সহকাৰী অভিযন্তা দুয়োজনৰপৰাই অজিতে আদেশ পালে। সি ভাবিলে— প্ৰথমতে বৰ-বিষয়াৰ আদেশমতেই কাম কৰা হওক। সেইমতে একট্ৰাক্ ছিমেণ্ট ছাইটত দি আহিও একেদিনাই সহকাৰী অভিযন্তাৰ আদেশ মৰ্মে অন্য এঠাইত ইটা একট্ৰাক্ পেলাই থৈ আহিব। কিন্তু সি ভবামতে কাম নহ'ল। ছিমেণ্ট ট্ৰাক পেলাই থৈ আহি থাকোঁতে সি বাটতে পেটত অসহ্য বিষ অনুভৱ কৰিলে। যেনেতেনে ট্ৰাকখন চলাই আনি যথাস্থানত থৈ সি সহকাৰী অভিযন্তাক কেঁকাই-গোঁঠাই কলে,— "মোক ক্ষমা কৰক ছাৰ, মই আজি আৰু ইটা ট্ৰাক নিব নোৱাৰিম। মোৰ পেটটো বৰকৈ বিষাইছে।"

সহকাৰী অভিযন্তাই গৰজি উঠিল, "ফাঁকি দিবলৈ আহিছ? ছিমেণ্টৰ ট্ৰাকখন চলাই নিওঁতে একো নহ'ল, এতিয়া ইটাট্ৰাক নিবৰ সময়ত তোক পেটৰ বিষে লম্ভিলে! ছিমেণ্টৰ ট্ৰাক চলালে তোক ঠিকাদাৰে পইচা দিয়ে নহয়? ইডিয়ট ক'ৰবাৰ!"

এনেয়ে পেটৰ বিষত মি কোঙা হৈ আছে, তাতে সহকাৰী অভিযন্তাৰ তেনে কটু কথা শুনাৰ লগে লগে তাৰ মুৰে কাম নকৰা হ'ল। সিও একে উষ্মাৰে কলে- "মোক তেনেকৈ কথা নক'ব ছাৰ। ঠিকাদাৰে যে মোক ছিমেণ্টৰ ট্ৰাক নিলে পইচা দিয়াৰ কথা ক'লে, আপুনি ঘোচ নাখায়? কামত মই ফাঁকি দিওঁনে শ শ ঠিকাদাৰক কামত ফাঁকি দিয়াৰ সুবিধা দি লাখ লাখ টকা আপোনালোকে খায়? পেটৰ বিষত ট্ৰাক চলাব নোৱাৰো বুলি ক'লত এতিয়া মইহে কামত ফাঁকি দিয়া হ'ল! তেনেকৈ নক'ব কিন্তু, কথা বেয়া হ'ব।"

তাৰ পাছত সম্পূৰ্ণ এসপ্তাহ অজিত বিছনাত পৰি থাকিল। সপ্তম দিনা পিয়ন এজনে ঘৰতে দি অহা চিঠি এখনৰপৰা সি জানিব পাৰিলে,— ওপৰৱালাৰ প্ৰতি অসৎ আচৰণৰ বাবে আৰু বিনা অনুমতিত কামত অনুপস্থিত থকাৰ বাবে তাক কামৰপৰা সাময়িকভাৱে বৰখাস্ত কৰা হৈছে। অফিছৰ পিয়ন-চকীদাৰ বহুতে তাক সহকাৰী অভিযন্তাৰ ভৰিত ধৰি ক্ষমা বিচৰাৰ কথা কৈছিল। সি কিন্তু নাচোৰবান্দা। তাৰ মতে সি অকণো ভুল কৰা নাই। বৰলোকে নিজৰ সন্মান বচাই ৰাখিবলৈ হ'লে বৰলোকৰ দৰে আচৰণ কৰিব লাগে। গতিকে যোৱা দুমাহ দিন ধৰি অজিত কামৰপৰা বৰখাস্ত হৈ আছে। এইখিনি দিনৰ আধা দৰমহাও তাক দিয়া হোৱা নাই।

অজিতে কলে, "চাওক ছাৰ, এইখিনি দিনত ল'ৰা-ছোৱালীৰ মুখত ভাত এমুঠি কেনেকৈ দিছোঁ, কেনেকৈ নিজৰ চিকিৎসা কৰিছোঁ মইহে জানো। তেনেস্থলত কেইহাজাৰমান টকাৰ টোপোলা এটা লৈ মই বোম্বাই বা ভেলোৰলৈ কেনেকৈ যাওঁ।"

"তুমি বৰ বেছিকৈ চিন্তা নকৰিবাচোন। আমি আছোঁ নহয়।"

"আপোনালোকৰ কৰুণা নহ'লে মই বাচিব নোৱাৰোঁ ছাৰ। কিন্তু মই যে ভাল হৈ আহিম; আকৌ ট্ৰাক চলামহি, এইটো কিন্তু মই আশা কৰিবপৰা নাই।"

অজিতৰ ঢুলঢুলীয়া চকুলৈ চাই ভট্টই ক'লে, "তুমি মনটো ইমান দুৰ্বল কৰিছা কিয় অজিত? নাপায়। কত মানুহ চিকিৎসাৰ কাৰণে তালৈ গৈছে, ভাল হৈ আহিছে। তোমাৰতো বিশেষ একোৱেই হোৱা নাই। তুমি একো চিন্তা নকৰিবা। তোমাৰ খৰচপাতিৰ কাৰণে মই যিমানদূৰ পাৰোঁ চেষ্টা কৰিম।"

সঁচা কথা ক'বলৈ হ'লে অফিছটোৰ প্ৰায় দুশমান কৰ্মচাৰীৰ ভিতৰত ভট্টৰ বাদে আন কাৰো প্ৰতি অজিতৰ আস্থা নাই। ঘোচ নিদিলে কথা আষাৰ পাতিবলৈও টান পোৱা অফিছৰ ইমানবোৰ কৰ্মচাৰীৰ ভিতৰত একমাত্ৰ ভট্টই আছে যি আজিলৈকে কাৰোপৰা এটা পইচাও হাত পাতি লোৱা নাই। সেই কাৰণে অফিছৰ মুৰব্বীৰপৰা পিয়নলৈকে আটায়ে ভট্টলৈ যেনেকৈ কিছু পৰিমাণে ভয় কৰে তেনেকৈ তেওঁক বেয়াও পায় যথেষ্ট।



কিন্তু অজিতৰ দৰে সৰু সৰু কৰ্মচাৰীয়ে কিবা সাধাৰণ সমস্যাৰ সন্মুখীন হ'লেও বুদ্ধি-ভাৱসাৰ বাবে ভট্টৰ লগতে মুকলিকৈ আলোচনা কৰে। ভট্টই আন্তৰিকতাৰে দিহা-পৰামৰ্শ দিয়াৰ উপৰিও কেতিয়াবা প্ৰয়োজনবোধে তেওঁৰ খাটি দৰমহাৰ পইচাৰপৰাই পাৰ্যমানে সহায় কৰে। সেইকাৰণে অজিতেও তাৰ পেটৰ অসুখ আৰম্ভ হোৱাৰ পাছৰেপৰাই চিকিৎসা আদি বিষয়ত ভট্টৰ লগতে পৰামৰ্শ কৰি আছিল।

অজিতৰ ঘৰৰপৰা আহি ভট্ট নিজৰ মেজত বহিলহি। মুখৰ ঘাম মচি এবাৰ চাৰিওফালে সহকৰ্মীসকলৰ মেজৰ ওপৰে ওপৰে এনেয়ে দৃষ্টি বুলাই গ'ল। তাৰ পাছত নিজৰ মেজৰ ওপৰত দম হৈ থকা কাগজ আৰু ফাইলবোৰ দেখাৰ লগে লগে তেওঁৰ মনটো বিৰক্তিৰে ভৰি পৰিল। এপ্ৰিল মাহৰ চাৰিবছ তাৰিখে কাৰ্যবাহী অভিযন্তাই মাৰ্চ মাহৰ হিচাপ বন্ধ কৰি দিয়াৰ লগে লগে এই কেইদিন ভট্টৰ মেজত কামৰ অত্যন্ত ভীৰ হৈছে। মাৰ্চ মাহৰ মাহেকীয়া প্ৰ-বিৱৰণী পঠাব লাগে, ৰোকৰ বহীত মাৰ্চ মাহৰ হিচাপ শেষ কৰি এপ্ৰিল মাহৰ খুচুৰা হিচাপবোৰ টানিব লাগে। কামৰ হেঁচাই এই কেইদিন ভট্টক মূৰ তুলিব নোৱৰা কৰিছে। কেতিয়াবা এপ্ৰিলৰ শেষ ভাগলৈকে চলি থকা মাৰ্চ মাহৰ এই ছাৰ্কাছৰ বিপক্ষে পোনপটিয়াকৈ যুদ্ধ ঘোষণা কৰিবৰ মন যায় ভট্টৰ। কিন্তু ইমান ডাঙৰ এটা সংমণ্ডল কাৰ্যালয়ত—য'ত পিয়নৰপৰা বৰমূৰীয়ালৈকে আৰু বৰমূৰীয়াৰপৰা ৰাজধানীৰ বৰ বিষয়া আৰু খোদ মন্ত্ৰীও জড়িত হৈ থাকে, তাত অকলে যুঁজ দি যে একো লাভ নহয় সেই কথা ভট্টই ভালদৰে জানে। মূৰকত জলসিঞ্চন বিভাগটোক জনমানমত হেয় প্ৰতিপন্ন কৰাৰ দূৰভিসন্ধি বুলি বাতৰি কাকতত এটা বিবৃতি দিলেই সকলো তল পৰিব। লাখ লাখ টকাৰ অনিয়ম চলি থকা বিভাগটোত, আৰম্ভিত কামৰ শতকৰা পঞ্চাছভাগ পকেটস্থ কৰা বিভাগটোত পেটৰ অসুখত এসপ্তাহ চাটিফুটি কৰি বিছনাত পৰি থকা সামান্য ড্ৰাইভাৰ এজনক—!

কথাবোৰ ভাবি ভাবি ভট্ট কিঞ্চিৎ উত্তেজিত হৈ পৰিল। তেওঁ ভাবিলে— কাৰ্যবাহী অভিযন্তাকে তেওঁ অজিতৰ বৰখাস্তকৰণৰ আদেশটো প্ৰত্যাহাৰ কৰিবলৈ ক'বনেকি? নাই, ইমান তপতে তপতে কোৱা ভাল নহ'ব। যিহে গহীন-গম্ভীৰ মানুহ,—একে আষাৰে হয়তো কৈ দিব—'কামত গাফিলতি কৰিলে ইহঁতৰ এই শাস্তি হ'বই। ইহঁতবোৰে লাই পালে গললৈকে জপিয়ায়।' তেনে এষাৰ কথা শুনিলে ভট্টয়ো হয়তো কিবা এষাৰ টানকৈ কৈ দিব, মূৰকত হিতে বিপৰীতহে হ'ব। গতিকে বিষয়টো আলোচনা কৰিবৰ কাৰণে ভট্ট মুখ্য গাণনিকৰ কোঠালৈ গ'ল।

মুখ্য গাণনিক ডেকাই মাৰোৱাৰী ঠিকাদাৰ এজনৰ লগত হাঁহি হাঁহি কথা পাতি আছিল। ঠিকাদাৰজনক দেখিয়েই ভট্টৰ টিঙিচকৈ খংটো উঠি আহিল। যতমানে ছাপ্লাইৰ ডাঙৰ ডাঙৰ ঠিকা ওলায়, তাৰ শতকৰা প্ৰায় চল্লিছভাগ এই ভদ্ৰলোকেই পায়। স্থানীয় ঠিকাদাৰবোৰে অভিযন্তাৰ ঘৰলৈ তাঁতবাতি কৰি বাটৰ দুবৰি ৰন মাৰিলেও একো লাভ নহয়। ই বেটাই কলিকতাৰপৰা ডজনে ডজনে শাৰী আনি অভিযন্তাৰ ঘৈণীয়েকক উপহাৰ দিয়ে; লাগ বুলিলেই গুৱাহাটীত নতুনকৈ নিৰ্মাণ কৰি থকা অভিযন্তাৰ নিজৰ ঘৰৰ কাৰণে বিলাতীমাটি, শিল-বালিৰ যোগান ধৰে আৰু অজিত ড্ৰাইভাৰে অফিছৰ ট্ৰাকেৰে নি পেলাই থৈ আহে; তেওঁৰ খুলশালীয়েকৰ বিয়াত সৰভোগৰ ক্ৰিম, দৈ আৰু ৰসগোল্লাৰ যোগান ধৰে; —চব কৰে। তদুপৰি মুখ্য গাণনিক, বিল এছিটেণ্ট, টেণ্ডাৰ এছিটেণ্ট আটাইকে মৰ্যাদা অনুসাৰে মাননী দি থকাটো তেওঁ কৰ্তব্য বুলিয়েই গণ্য কৰি আহিছে। মানুহটোৱে ডেকাৰ সন্মুখত বহি হাঁহি হাঁহি কথা পাতি থকা দৃশ্যটো দেখি ভট্টৰ মূৰটো ভমভমাই উঠিল। কোনো সৌজন্য প্ৰকাশ নকৰি তেওঁ ডেকাৰ কোঠাৰ ভিতৰলৈ সোমাই গৈ খালী চকী এখনত বহি মানুহটোক ক'লে,— "আগৰৱালা! আপুনি বেয়া নাপাই যদি অকণমান বাহিৰলৈ যাওকচোন। মোৰ এখেতৰ লগত এটা বৰ জৰুৰী কথা আছে।"

"ঠিক আছে, মই তেন্তে অলপ বাহিৰতে আছোঁ ডেকা বাবু!"

সপ্ৰতিভ ভাব এটা প্ৰকাশ কৰি ডেকাই ক'লে, 'কি কথা কওকচোন ভট্ট!"

"অজিত দাস মানে আমাৰ ট্ৰাকৰ ড্ৰাইভাৰজন যে, তেওঁৰ বৰখাস্তকৰণৰ আদেশটোৰ বিষয়ে আমাৰ কৰ্মচাৰীসকলৰ ফালৰপৰা কিবা এটা কৰিব নোৱাৰোঁনে?"

"তেওঁৰ ঠাইত নতুনকৈ অস্থায়ীভাৱে এজন লোৱা বুলিহে শুনিছোঁ।"

"চাওক ডেকা, অজিতে এই কাৰ্যালয়ৰ কৰ্মচাৰী হিচাপ যোৱা প্ৰায় কুৰি বছৰে ট্ৰাক চলাইছে। সহকাৰী অভিযন্তাই তাক অভদ্ৰ ব্যৱহাৰ কৰাত তাৰ সন্মানতো আঘাত লগাৰ কাৰণে কথা কটাকটি হ'ল আৰু সি পেটৰ অসুখত এসপ্তাহ বিছনাত পৰি থকা অৱস্থাতে তাক কামৰপৰা বৰখাস্ত কৰাটো কিমান দূৰ সমীচিন হৈছে কৰ্মচাৰী হিচাপে আমি আটায়ে ভাবি চোৱা উচিত।"

"হ'লেও ফেব্ৰুৱাৰী মাহত এনেদৰে কামত হেলা কৰিলে কাম কেনেকৈ চলিব?"

"হ'ব হ'ব ডেকা, আপোনালোকো সেই বৰমূৰীয়াসকলৰ ফুটৰে। যিটো অফিছত লাখ লাখ টকাৰ প্ৰতিটো আঁচনিয়েই বিফল হৈছে, সেই বিভাগত কুৰি বছৰে ট্ৰাকৰ ড্ৰাইভাৰী কৰা অজিত নামৰ এটা সাধাৰণ প্ৰাণীৰ প্ৰতি চৰকাৰী নীতি-নিয়ম, আইন-কানুনৰ যি তৎপৰতা দেখুউৱা হ'ল সেইটো আচলতে বৰ ঘিণ লগা কাম।"

"আপুনি বৰ উত্তেজিত হৈছে ভট্ট। কি হৈছে আচল কথাটো কওকচোন।"

"হ'বলৈ আৰু কি বাকী থাকিল! অজিতৰ কেনছাৰ হৈছে। আৰম্ভণিতে বাহিৰলৈ গৈ ভাল চিকিৎসা কৰাব পাৰিলে হয়তো সি ভাল হৈ উঠিব।"

"ইচ ইচ! বৰ বেয়া কথা হ'লহে ভট্ট! ৰাম ৰাম! তাৰ যদি তেনে অসুখেই আছিল সি আহি ছাৰক কথাষাৰ কোৱা হ'লেই হ'লহেঁতেন নহয়। ছাৰে একেদিনাই তাৰ বৰখাস্তকৰণৰ আদেশ প্ৰত্যাহাৰ কৰিলেহেঁতেন। ইচ ইচ।"

"এতিয়া ইস-আস কৰি যে একো লাভ নহয়। আচল কথা, মই অজিতক যিদৰে বুজোঁ, সি নাখাই মৰিলেও সেই ওপৰৱালাৰ ওচৰত মূৰ দোঁৱাবলৈ নাহে। বাৰু যি হ'ল হ'ল। এইবোৰ এতিয়া বাদ দিয়ক। বৰবাবুৰ লগত আলোচনা কৰি যেনেকৈয়ে নহওক তাৰ বৰখাস্তকৰণৰ আদেশটো প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থা কৰি তাক যোৱা দুটা মাহৰ দৰমহা দিয়াৰ দিহা কৰক। সনাতন বা কৰ্ণক পঠাই দিলে সি নিশ্চয় সাধাৰণভাৱে ক্ষমা প্ৰাৰ্থনাৰ আবেদন এখন কৰিব। তদুপৰি আমাৰ কৰ্মচাৰীসকলৰপৰা কমেও পাঁচ-ছয় হাজাৰ টকা উঠোৱাৰ ব্যৱস্থা এটা কৰক। এপ্ৰিল মাহৰ দৰমহাৰপৰা আমাৰ সংমণ্ডলৰ দুশজন কৰ্মচাৰীৰ চতুৰ্থ শ্ৰেণীখিনিৰ বাদে বাকীসকলে পদমৰ্যাদা অনুসৰি দিলেও অজিতে ভেলোৰ বা বোম্বাইত এমাহ-ডেৰমাহ থাকি চিকিৎসা কৰি আহিব পাৰিব।"

"হ'ব বাৰু দিয়কচোন, কিবা এটা কৰিব লাগিব।"

মুখ্য গাণনিকৰ কোঠাৰপৰা ওলাই আহি ভট্ট নিজৰ মেজত বহিলগৈ। কোনোবা এজন ঠিকাদাৰে তেওঁৰ নলাৰ কামৰ বাবে দিয়া ঠিকাৰ বাবদ হিচাপমতে পাবলগীয়া বিলাতীমাটিৰ আধাখিনি নি কাম শেষ কৰাৰ পাছত গুদামত বিলাতীমাটি নথকাৰ কাৰণে বাকীখিনি নিব পৰা নাছিল আৰু সেই কাৰণে তেওঁৰ অঞ্চলৰ কনিষ্ঠ অভিযন্তাৰপৰা কাম সম্পূৰ্ণ হোৱাৰ প্ৰতিবেদনো ল'ব পৰা নাছিল। কালি একট্ৰাক বিলাতীমাটি গুদামলৈ অহাৰ খবৰটো পায়েই তেওঁ বাকীখিনি নিবৰ কাৰণে দৌৰি আহিছে। জনা কথা, তেওঁ সেইখিনি বিলাতীমাটি বাহিৰে বাহিৰে নি বৰপেটা ৰোডৰ কোনোবা চোৰাং কাৰবাৰীক বিক্ৰি কৰিব আৰু তাৰ এটা অংশ সেই এলেকাৰ কনিষ্ঠ অভিযন্তাক দি কাম সম্পূৰ্ণ হোৱাৰ প্ৰমাণ-পত্ৰ আদায় কৰি সোনকালে বিলৰ টকা লৈ যাব। গতিকে তেওঁ অফিছত ৰসগোল্লা-নিমকিৰ এটা চুৰ-চুৰীয়া পাৰ্টি দিছে। ভট্ট গৈ চকীত বহাৰ লগে লগে চাহ-মিঠাইৰ প্লেট পিয়নে তেওঁৰ মেজতো থৈ গ'ল।

চাহ-মিঠাইৰ প্ৰতি অকণো আগ্ৰহ নেদেখুৱাই ভট্টই স্বগতোক্তি কৰাৰ দৰে ক'লে, "অজিত ড্ৰাইভাৰৰ ডাঙৰ অসুখ হৈছে। কেনছাৰ।"

ৰসগোল্লাটো চামুচেৰে দুফাল কৰি এফাল মুখৰ ভিতৰত লৈ টেণ্ডাৰ এছিটেণ্ট হালৈয়ে ক'লে, "হয়নে কি? ভেলোৰলৈ যোৱাই ভাল হয় নেকি তেন্তে!"

"এৰা। কিন্তু অজিততো আৰু ঠিকাদাৰ নহয় যে দুশ বস্তা বিলাতীমাটিৰ এশ বস্তা কামত খটুৱাই বাকী এশ বস্তা বিক্ৰি কৰি হাজাৰ হাজাৰ টকা হাৰাতে ইনকাম কৰিব! সি আৰু আমাৰ দৰে কেৰাণীও নহয় যে গোটেই বছৰ দৰমহাৰ এটা পইচাও খৰচ নকৰি উপৰুৱা টকাৰেই সংসাৰ চলাই যাব পাৰে!"

হালৈয়ে লাহেকৈ হাঁহি ক'লে, "আমাক আক্ৰমণ কৰি কথাবোৰ কিয় কৈছে ভট্ট? এই বিষয়ত আমাৰ যদি কিবা কৰিবলগীয়া আছে তেন্তে কওক। আমি আছোঁ নহয়।"

"চাওক হালৈ, মানুহৰ প্ৰতি মানুহৰ নিভাঁজ আন্তৰিকতাই মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে। এওঁ ঠিকাদাৰে যদি ইচ্ছা কৰে তেন্তে অজিতৰ চিকিৎসাৰ বাবে হাজাৰ টকা দিলেও এওঁৰ নোম এডালো হেৰফেৰ নহয়। আমি যদি প্ৰত্যেকেই এশ টকা পঞ্চাছ টকাকৈ দিওঁ, তেন্তে আমি কোনো নাখাই নমৰোঁ। আমাৰ হাকিম দুগৰাকীয়েও ইচ্ছা কৰিলে হাজাৰ-দুহাজাৰ টকা তাৰ চিকিৎসাৰ বাবে দিব পাৰে। কিন্তু আচল কথা হ'ল—থাওক সেইবোৰ কথা। প্ৰথমতে তাৰ বৰখাস্তকৰণৰ আদেশটো প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থা কৰা হওক। নে কি কয় হালৈ?"

"ঠিকেই, সেই ফালৰপৰাও সি অন্ততঃ দুহাজাৰ টকা পাব। ঠিক আছে, আজিতো ছাৰ নাই, গতিকে কাইলৈ আমি কেইজনমানে ছাৰৰ লগত এই বিষয়ে আলোচনা কৰিম।"

দ্বিতীয় দিনা সনাতন পিয়নক পঠাই ভট্টই অজিতৰপৰা সাধাৰণভাৱে ক্ষমা প্ৰাৰ্থনাৰ এখন আবেদন সংগ্ৰহ কৰি মুখ্য গাণনিকৰ হাতত দিলে। সেইখনকে লৈ, কাৰ্যবাহী অভিযন্তা ঠিক কাটাই-কাটাই এঘাৰ বজাত অফিছ আহি পোৱাৰ লগে লগে, বৰবাবু চৌধুৰী, মুখ্য গাণনিক ডেকা, টেণ্ডাৰ এছিটেণ্ট হালৈ, কেছিয়াৰ কাকতি তেওঁৰ কোঠালৈ সোমাই গ'ল আৰু অজিতৰ আবেদনখন দি বৰ্খাস্তকৰণৰ আদেশটো প্ৰত্যাহাৰৰ বিষয়ে আলোচনা কৰিলে। লগতে অজিতৰ কেনছাৰ হোৱাৰ খবৰটোও কাৰ্যবাহী অভিযন্তাক দিলে। তেওঁলোকৰ লগত হোৱা আলোচনা মৰ্মে এপ্ৰিল মাহৰ দৰমহাৰ লগতে অজিতে দুইমাহৰ দৰমহা একেলগে পাব পৰাকৈ বৰখাস্তকৰণৰ আদেশ প্ৰত্যাহাৰ কৰিবলৈ কাৰ্যবাহী অভিযন্তাই সন্মতি দিলে। অৱশ্যে তাৰ সাহায্যৰ বাবে কেনে আলোচনা কৰিলে সেই বিষয়ে ভট্টই কাকো একো সুধিলে। একেটা কথাকেনো কিমান পেৰিয়াই থাকিব!

এটা সময়ত অফিছৰ প্ৰায় আটাইবোৰ কৰ্মচাৰীয়ে গম পালে—অজিত ড্ৰাইভাৰৰ কেনছাৰ হৈছে আৰু অফিছৰ কৰ্মচাৰীৰ সাহায্যৰে ভেলোৰ কিম্বা বোম্বাইলৈ চিকিৎসা কৰিবৰ কাৰণে পঠাবলৈ গুনাগঠা চলিছে।



ভট্টয়ো অফিছৰ গুৰুত্বপূৰ্ণ মেজ অধিকাৰ কৰি বহি থকা কেৰাণী কেইজনক বিষয়টোৰ গভীৰতাৰ বিষয়ে বুজাবৰ চেষ্টা কৰিলে। দূৰে দূৰে থকা কনিষ্ঠ অভিযন্তা কেইজন অফিছলৈ অহাৰ দিনা ভট্টই লগ ধৰিলে আৰু তেওঁলোককো কথাটো ক'লে। আটায়ে ভট্টক আশ্বাস দিলে, "হ'ব দিয়কচোন, এপ্ৰিল মাহৰ দৰমহা দিয়াৰ দিনাই কিবা এটা কৰিব লাগিব।"

প্ৰত্যেকৰেপৰা আশ্বাস পোৱাৰ পাছত ভট্টই অফিছৰ বিষয়া-কৰ্মচাৰীৰ ক্ৰম অনুসাৰে এখন তালিকা প্ৰস্তুত কৰি ওপৰত লিখিলে—"অজিত দাসৰ চিকিৎসা—সাহায্য।" এক নম্বৰত কাৰ্যবাহী অভিযন্তাৰ নাম। ভট্টই ভাবিলে, এই মাৰ্চ মাহত ছাপ্লাই আৰু ঠিকাৰ বিলৰ প্ৰায় পাঁচিছ লাখ টকা পৰিশোধ কৰা হৈছে। তেওঁ যদি কাৰ্যবাহী অভিযন্তাৰ নামৰ বিপৰীতে এহাজাৰ টকা লিখি দিয়ে, তেন্তে সহকাৰী অভিযন্তা, কনিষ্ঠ অভিযন্তা, বৰবাবু, মুখ্য গাণনিক, টেণ্ডাৰ এছিটেণ্ট আদিয়ে নিজৰ মৰ্যাদা অনুসৰি দি গ'লেও অজিত দাসৰ চিকিৎসা সাহায্যৰ নামত দহ-বাৰ হাজাৰ টকা অনায়াসে উঠিব। মুঠৰ ওপৰত কাৰ্যবাহী অভিযন্তাৰ সংখ্যাটোৱেই অজিত ড্ৰাইভাৰৰ ভাগ্য নিৰ্ণয় কৰিব।

অজিত ড্ৰাইভাৰে কাৰ্যবাহী অভিযন্তাক কমখিনি সহায় কৰি থোৱা নাই। তেওঁ এই জলসিঞ্চন সংমণ্ডললৈ বদলি হৈ আহোঁতে গুৱাহাটীৰ তেওঁৰ চৰকাৰী বাসভৱনৰপৰা চাৰিট্ৰাক মাল দুদিনতে আনি দিছে। তদুপৰি তেওঁ ইয়ালৈ বদলি হৈ অহাৰ পোন্ধৰ দিনৰ পাছতে চৰকাৰী বাসভৱনৰ পৰাই তেওঁৰ ভনীয়েকৰ বিয়া পাতিছে। সেই কেইদিন অজিতৰ খোৱন-শোৱন নাই। অফিছৰ ট্ৰাকখনলৈ বৰপেটাৰোডৰপৰা ডেস্ক-বেঞ্চ, আঁৰ কাপোৰ আনিছে; বৰপেটাৰ ফাৰ্মৰপৰা ক্ৰিম-দৈ আনিছে, ৰভা-পৰলাৰ বাবে বৰপেটাৰোডৰ ফৰেষ্ট বিভাগৰপৰা টিনপাট আনিছে আৰু বিয়া হৈ যোৱাৰ পাছত ঘূৰাই দিবলগীয়া বস্তুখিনি যথাস্থানত দি আহিছে।

অফিছৰ অন্যান্য কৰ্মচাৰীয়েও অজিতৰ পৰা যথেষ্ট সহায় পাই আহিছে। কোনোবাই নতুনকৈ থকা ঘৰ এটা সাজিবলৈ আৰম্ভ কৰিছে—অজিতক ক'লেই হ'ল। অফিছৰ ট্ৰাকেৰেই শিল, বালি, ইটা, লোহা-লক্কৰ আনি পেলাই দি আহিছে। কাৰোবাৰ ঘৰত বিয়া পাতিছে—টিনপাট, ষ্টিলৰ চেয়াৰ যি য'ত লাগে অজিতে আনি দিছে আৰু যথা সময়ত যথাস্থানত ঘূৰাই দি আহিছে। অৱশ্যে কাৰ্যবাহী অভিযন্তা বা সহকাৰী অভিযন্তাৰ পৰা আদেশ নোপোৱা পৰ্যন্ত অজিতে ট্ৰাকখন নুলিয়ায়। তেনে কামৰ বিনিময়ত অজিতক কোনোবাই কেতিয়াবা মৰম কৰি দহ বিছ টকা দিয়ে, নিদিলেও অজিতৰ কোনো দাবী নাই।

তদুপৰি কিমানজন বৰমূৰীয়া এই অফিছলৈ বদলি হৈ আহিল, কিমানজন বদলি হৈ গ'ল—প্ৰায় আটাইবোৰৰে বহুতো অপকৰ্মৰ নিৰৱ সাক্ষী এই অজিত ড্ৰাইভাৰ। বৰমূৰীয়াৰ নিৰ্দেশত ৰাতিয়েই গুদামৰপৰা কিমানট্ৰাক বিলাতীমাটি আৰু ৰড নি বৰপেটাৰোড বা গুৱাহাটীৰ কাৰ গুদামত ভৰাই থৈ আহিল তাৰ সঠিক হিচাপ হয়তো এতিয়া অজিত ড্ৰাইভাৰৰ হাতত নাই। এইবোৰ কথা স্মৰণ কৰি হয়তো মানুহবোৰে এতিয়া অজিতক নিশ্চয় সহায় কৰিব।

অৱশেষত সেই বিশেষ দিনটো আহিল। মে' মাহৰ পাঁচ তাৰিখে এপ্ৰিল মাহৰ দৰমহা হ'ব। সেইদিনা অফিছলৈ গৈয়েই মুখ্য গাণনিকৰ হাতত তেওঁ ইতিপূৰ্বে যুগুত কৰা তালিকাখন দি ভট্ট নিজৰ কামত ব্যস্ত হৈ পৰিল। তেওঁ ভাবিলে যে ইতিপূৰ্বে অজিতৰ চিকিৎসা সাহায্যৰ প্ৰসংগত ইমানদৰে বহুল প্ৰচাৰ হৈছে যেতিয়া সেইদিনা আৰু নতুনকৈ কাৰোবাক কিবা কোৱাৰ কোনো প্ৰয়োজন নাই।

মুখ্য গাণনিকে তালিকাখন লৈ কাৰ্যবাহী অভিযন্তাৰ কোঠালৈ গ'ল। কাৰ্যবাহী অভিযন্তা কিছুসময় কপালখন বৃদ্ধ আৰু মধ্যমা আঙুলিৰে মোহাৰি মোহাৰি তালিকাখনৰ ওপৰত চকু ফুৰালে। কিছুসময় কাগজখন লিৰিকি-বিদাৰি অৱশেষত তেওঁ তেওঁৰ নামৰ বিপৰীতে এশটকা লিখি জেপৰ পৰা খৰখৰীয়া নোট এখন উলিয়াই ডেকাৰ হাতত দিলে। সহকাৰী অভিযন্তায়ো ঠিক কাৰ্যবাহী অভিযন্তাৰ দৰে অভিনয় কৰি তেওঁৰ নামৰ বিপৰীতে পঞ্চাছ টকা লিখি ডেকাৰ হাতত দিলে। তাৰ পাছত বিয়লি চাৰি বজালৈকে ডেকা তেওঁৰ কোঠাত কৰ্মচাৰীসকলৰ মাহিলী বেতন দিয়াত ব্যস্ত হৈ পৰিল। কৰ্মচাৰীসকলেও দহটকাৰপৰা বাইছ টকালৈকে ডেকাৰ হাতত দি আহিল।

ঠিক চাৰি বজাৰ লগে লগে মেজৰ ফাইল আৰু কাগজ-পত্ৰ সামৰি ভট্ট ডেকাৰ কোঠালৈ গ'ল। সাহায্য পুঁজিৰ কাগজখন হাতত লৈ যোগ কৰি চাই তেওঁ দেখিলে মুঠ সাতশ বিছ টকা উঠিছে।

ভট্টই ক'লে, "টকা তেন্তে ইমানেই উঠিল ডেকা?"

"কি কৰিব ভট্ট, কোনেও দেখোন দিবলৈ ইচ্ছাই নকৰে।"

ভট্টৰ ক'বৰ মন গৈছিল,—কাৰ্যবাহী অভিযন্তা এজনক বিদায় সম্বৰ্ধনা জনাবৰ সময়ত চান্দা তুলি দুই তিনিহাজাৰ টকা মদ-ভাতৰ ভোজত খৰচ কৰাৰ উপৰিও শৰাই, ৰেৰঘড়ি আদি উপহাৰ দিওঁতে হাজাৰ-ডেৰহাজাৰ টকা খৰচ কৰিব পাৰে অথচ—। ভট্টই একো নকলে। নিজৰ দৰমহাখিনি লৈ তেওঁ ওলাই আহিল।

ডেকাই কৈছিল, "কিয় ভট্ট আপুনি নিদিয়ে?"

"অজিতৰ চিকিৎসাৰ বাবে মই নিদিলেও হ'ব দিয়ক।"

অস্থিৰ মনেৰে অফিছৰপৰা ওলাই



OKDISCD

আহোঁতে কৰ্ণই ক'লে, "কাইলৈ অজিত ভাগিনীয়েকৰ লগত ভেলোৰলৈ যাব।"

"কিয়, টকাৰ যোগাৰ হ'ল জানো ?"

"হৈছে। অফিছৰ লীলা-খেলাবোৰ দেখি ভাগিনীয়েকেই চাৰিহাজাৰ টকা দিছে। সি মাটি অকণমান বিক্ৰি কৰি শাক-পাচলিৰ পাইকাৰী ব্যৱসায় কৰিবৰ কাৰণে সাঁচি ৰাখিছিল। অজিতে আজি তুমাহৰ দৰমহাও পাইছে নহয়। সনাতন পিয়নেও সাতশ টকা দিছে। অজিতে আপোনাক খবৰটো দিবলৈ কোৱাৰ কাৰণেহে ক'লো। সি কৈছে অফিছৰ কৰ্মচাৰীৰ করুণা সি নিবিচাৰে।"

পিছদিনা আন দিনাতকৈ এঘণ্টামানৰ আগেয়ে ভট্ট ঘৰৰপৰা ওলাই আহিল। উদ্দেশ্য— ৰেল ষ্টেছনত অজিতক দেখা কৰিব। পুৰা ন মান বজাতে কলিকাতামুখী ৰেলখন সৰভোগ ষ্টেছন পায়হি। কলিকাতাৰপৰা কৰমণ্ডল এক্সপ্ৰেছত সিহঁত মাদ্ৰাজলৈ যাব।

ভট্ট ষ্টেছন পোৱাৰ বহু আগেয়েই অজিতহঁত ষ্টেছন পাইছিলহি। তাৰ ঘৈণীয়েক, ল'ৰাটো, ছোৱালীজনী কৰ্ণ আৰু সনাতন আৰু পৰিয়াল-পৰিজনৰ বহুলোকে তাক বিদায় দিবৰ বাবে ষ্টেছনত ৰৈ আছিলহি। ভট্টক দেখাৰ দেখাৰ লগে লগে বহাৰপৰা উঠি আহি অজিতে ভট্টৰ হাত তুখন খামুচি ধৰি ফেঁকুৰি উঠিল। ভট্টৰ বুকুখনো যেন কঁপি উঠিল। তথাপি ইঁহাৰ চেষ্টা কৰি তেওঁ ক'লে, "তুমি অকণো চিন্তা নকৰিবা অজিত। তুমি ভাল ঠাইত চিকিৎসা কৰিবলৈ ওলাইছা, তুমি আনন্দহে কৰিব লাগে। নাকান্দিবা, তুখ কৰিব নাপায়।" তাৰ পাছত তেওঁ জেপৰপৰা এশটকীয়া নোট তিনিখন উলিয়াই তাৰ হাতত গুজি দি ক'লে, "তোমাক এইখিনিকে দিলো। বৰ বেছি সহায় কৰিব নোৱাৰিলো। লোৱা।"

অজিতে নোট তিনিখন তাৰ বুকুত হেঁচি ধৰি হুকহুকাই কান্দি দিলে। দীঘলীয়াকৈ উকি মাৰি ষ্টেছনৰ ওচৰ চাপি অহা ট্ৰেইনখনৰ বিকট শব্দই তাৰ কান্দোনৰ শব্দ ক'ৰবালৈ উৰুৱাই লৈ গ'ল।

---

৪০ পৃষ্ঠাৰ পিছৰ পৰা

"মাত্ৰ তিনিশ ? ভেৰি বেড। ৰীতিমত এক্‌ছপ্লইটেশ্যন। বি এ, এম এ পাছ কৰি ইমানবোৰ ছোৱালী এনেয়ে বহি আছে, তাৰেই সুবিধা লৈছে। বেলেগ কিবা কামত সোমাইছা নেকি ?"

"বেংকত সোমাইছোঁ।"

"ভেৰি গুড। ভাল কৰিছা। বেংকৰ কাম বৰ ভাল কাম। উন্নতিৰ যথেষ্ট সুযোগ আছে।"

"গুলী খাই মৰাৰ সম্ভাৱনাও আছে।" স্কুটাৰ ভাল কৰি থকা ল'ৰাজনে থিয় হৈ মাত লগালে। চৌধুৰীয়ে প্ৰশ্নসূচক দৃষ্টিৰে তাৰ ফালে চালে।

"মই সত্যজিত, চিনি পোৱা নাই।"

"কেনেকৈ পাম ? ডাড়ি ৰাখিছা কেতিয়াৰপৰা ?"

"ডাড়ি থাকিলে মানুহে অলপ সমীহ কৰি চলে। দাদা বুলি ভাবে।"

"কি বুলি ভাবে ?"

"এইবোৰ আপুনি বুজি নাপায়। পিছে খুৰা, আপোনাৰ ওচৰৰ ঘৰৰ ল'ৰাবোৰৰ উৎপাত বন্ধ হৈছে নে ?"

"নকবা আৰু। এই এক মহা জুলুমৰ কথা হৈছেহে। জানাই তো, তোমাৰ খুৰীয়েৰাৰ গা ভাল নহয়। গোটেই ৰাতি শুবলৈ নিদিয়ে। কি যে অত্যাচাৰ কি কম।"

"এতিয়াও উৎপাত কৰি আছে নে ?"

"এই তুদিনমানৰপৰা অলপ ঠাণ্ডা হৈ আছে।"

"আৰু বোধহয় গণ্ডগোল নকৰে। সিদিনা আটাই কেইজনকে ভাল পিটন দিলো।"

"তুমি ? অকলে ?"

"নহয়। আৰু তুজনমান বন্ধু লগত আছিল।"

"কি হৈছিল কোৱাচোন কোৱা। সিদিনা ৰাতি বৰ হুলস্থূল।"

"সিহঁতৰ অত্যাচাৰত মিনতি বাহিৰলৈ ওলাব নোৱাৰে। অশ্লীল কথা কৈ জোকায়।"

"কিয় ? ভদ্ৰঘৰৰ ছোৱালী এজনীক কিয় জোকায় ? বৰ বেয়া কথা।"

"মোৰ লগত স্কুটাৰত উঠি অফিছলৈ যায় কাৰণে।"

"চুবুৰীৰ ছোৱালী, তোমাৰ লগত যায়, সিহঁতৰ কি ?"

"সিদিনা বিচাৰি-বিচাৰি সিহঁতৰ আড্ডাত ওলালো গৈ। ভাল বুলি সাৱধান কৰি দিয়াত লেতেৰা কথা কৈ আমাক মাৰিবলৈ ওলাল। আমিও খেদি গ'লো। দিলো কিছু, পিছে ভালকৈ দিবৰ নহল। ইমানবোৰ মানুহ কোন ক'ত পলাল পাত্তা নাই। এজনে তো দোতলাৰ খিৰিকিৰে জাপ মাৰি দিলে। মৰিল বুলি আমাৰ ভয়েই লাগি গ'ল। 'মৰিলো ঐ, কঁকাল ভাগিল ঐ' বুলি যেনেকৈ চিঞৰিবলৈ ধৰিলে, সঁচাকৈ কঁকাল ভাগিল বুলি ভয়েই লাগি গ'ল। নাই, এনেয়ে। বিশেষ একো হোৱা নাই।"

"ক'ৰ নো ল'ৰা এইবোৰ ?"

"ক'ৰ আৰু ? ইয়াৰেই। প্ৰত্যেক জনেই একো একোজন ডাঙৰ মানুহৰ ল'ৰা।" (আগলৈ)

ড° হীৰেণ গোহাঁইৰ—
উপন্যাসৰ আধুনিক
সমালোচনা— ৬ টকা
এলবিএছ পাব্লিকেশ্যন
আমবাৰী : গুৱাহাটী-১





# তুটা কবিতা

## অংগীকাৰ

**ইন্দুপ্ৰভা বৰুৱা**

মই আহিছোঁ
চকুলোবোৰ মচিবলৈ
হৃদয়ৰ ক্ষতচিহ্নবোৰ মচিবলৈ

মই আহিছোঁ
শুকান ডালত কুঁহিপাতবোৰ
ঠন ধৰি ওলোৱাৰ প্ৰতিশ্ৰুতি লৈ
ৰঙৰ ফুলৰ মেলা পাতিবলৈ।

প্ৰশ্ন হয় মাথোঁ
ই মোৰ সপোন নে
অলীক কল্পনা নে
নে বাস্তৱৰ
সঁচা হুমুনিয়াহ !

## তুমি থাকোঁতে কাষতে

**নীতি বৰুৱা**

তুমি থাকোঁতে কাষতে—
জিৰজিৰিয়া সোণালী সূতাৰে বোৱা
জিঁয়া পাখীৰ দিনবোৰ মোৰ
থমকি থমকি নাচোন নাচি
ফুৰফুৰ্ কৈ উৰি গুচি গ'ল
চাই থাকোঁতেই—।
তুমি থাকোঁতে কাষতে॥

সোণ পৰুৱাৰে বুটা বচা বচা
দিনবোৰ—
চকু-পচাৰতে ক'ৰবাত হেৰাল !
'কাষলে' চালো—
হঠাতে তুমিয়ে হেৰাই গ'লা !

আকাশলৈ চালোঁ—
তৰাৰ মাজতে তুমি আছা কিজানিবা—
আকাশ নিৰলে ৰ'ল।
হাঁহাকাৰ কৰি—
হিয়া ফালি ফালি
বিচাৰি যাওঁতে বিচাৰি যাওঁতে দেখোঁ—
মোৰ ক'লা তেজৰ আমঠু জুৰি
তুমিয়েই আছা ভৰি।

আজিৰ মধুৰ দিনবোৰ মোৰ—
থিৰ হৈ যোৱা ক্ষণতে
সোণালী সূতাৰে—

সোণ পৰুৱাৰে
জিৰজিৰিয়া জিঁয়াপাখী কৰি দিয়া যদি !
সেই আগৰদৰেই—দিনবোৰ মোৰ—
তুমি থাকোঁতে কাষতে॥

●

## এটা কবিতা

**আনিছ উজ্ জামান**

তোমালোকে কিয় নিজৰ পৰিচয় নিজেই দিছা
তোমালোকৰ আগত আৰু পাছত বহুজন আছে
বিপৰীতমুখী বতাহজাকত কিমান উৰিবা
কিমান আগবাঢ়ি যাবা হে সুহৃদ ?
(সখি, কিমান বিনাবা অকলশৰে)
তোমালোকৰ হৃদয়ত ফুলাৰ মন্ত্ৰ আছে
সেইবাবেই পূব আৰু পছিমৰ তুৱাৰকেইখন মেলি থৈছানে ?

অহা যোৱা কৰা
কথা পাতা
নিজকে বন্দীশাললৈ আগবঢ়াই দিয়া

এই সকলোটি মিছা
মাউথে উটি আহা
জানিবা
এনুৱা ক্ষণত তোমালোকৰ মৰণ নাই

তোমালোকৰ আগত আৰু পিছত বহুজন আছে
যেনেকৈ শীত আৰু বসন্তৰ পাছত গ্ৰীষ্ম আছে
যেনেকৈ উঠি অহা ঢৌবোৰৰ পাছত ঢৌ আছে
যেনেকৈ কুলিৰ মাতত ফুলিবলৈ ফুল আছে
যেনেকৈ হুমুনিয়াহৰ পাছত সান্ত্বনা আছে
যেনেকৈ ফেউৰাৰ মাতত সাৰ পোৱা ৰাতিবোৰ আছে
যেনেকৈ কঠিনতাৰ পাছত কোমলতা আছে
তেনেকৈয়ে ৰাতিৰ পাছত দিন
মৌনতাৰ পাছত কোলাহল

তেনেকৈয়ে চিৰাল ফটা ৰ'দ
ঠেৰেঙা বতাহ
আৰু হাঁহি কান্দোনৰ পৰ

তোমালোকৰ আগত আৰু পিছত বহুজন আছে
কেৱল তোমালোক তোমালোকেই নোহোৱা।

## টেক্টফুল

অৰুণ শৰ্মা

মই এজন হে'ডমাষ্টৰ। ছেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ চাকৰি। ভালেই। সকলোৱে কয়,— খুব সন্মান। হাজাৰ হওক শিক্ষকৰ চাকৰি। কথাটো কিন্তু আগতহে কয়। পিছত হ'লে ৰিমাৰ্ক এটা আছে,— চাকৰি নাপাই কৰিব কি? শেষত উপায় নাপাই মাষ্টৰ হ'ল। অৱশ্যে বহু বছৰৰ মূৰত প্ৰমোছন এটি পাই যেনিবা হে'ডমাষ্টৰ হৈছে। হ'লেনো কি হ'ব? ঘৰত কাম কৰা পিয়ন নাই। গাড়ীতো নায়েই। বাছ আৰু ট্ৰাকত ওলমোতেই গ'ল। কথাখিনি ৰাইজৰ মাজৰে মন্তব্য। বৰ টেক্টফুলি কয় কিন্তু।

এবাৰৰ এটা ঘটনা। আহিল এনুৱেল এক্সামিনেশ্যন। শিক্ষকসকল ইনভিজিলেটৰ। স্কুলৰ জেনেৰেল ছেক্ৰেটেৰি,— মানে ষ্টুডেণ্টছ ইউনিয়নৰ ছেক্ৰেটেৰি অৰ্থাৎ ছাত্ৰসকলৰ নেতাজনেও পৰীক্ষা দিছে। গোটেই বছৰটো স্কুলৰ উন্নতিৰ কাম কৰোঁতেই বেচেৰা ভাগৰি পৰে। হোষ্টেলত মিটিং, স্কুলত মিটিং, গাঁৱত মিটিং। শিক্ষকক সমালোচনা কৰিব লাগে, হে'ডমাষ্টৰক সমালোচনা কৰিব লাগে, পেৰেনেল এডমিনিষ্ট্ৰেশ্যন চলাব লাগে, ইত্যাদি এশ এবুৰি কাম। তদুপৰি ভি· আই· পি আছে, চৰকাৰী ওপৰৱালা আছে। জেনেৰেল ছেক্ৰেটেৰিয়ে আগতেই দেখা কৰিব লাগে। ওপৰৱালা আৰু ভি· আই· পিয়ে তেওঁৰ পিঠিত থপৰিয়ায়। কান্ধত হাত থৈ নিজৰ লগত তেওঁক লৈ যায় স্কুলত শাৰীপাতি থিয় হৈ থকা শিক্ষক আৰু ছাত্ৰৰ মাজেৰে। জেনেৰেল ছেক্ৰেটেৰিৰ বেপৰোৱা ভাব। ইমান এজন ব্যস্ত লোকেনো বছৰটোৰ কেইটা দিন ক্লাছত থাকিবলৈ সময় পায়? গতিকে প্ৰশ্ন কাকতৰ প্ৰশ্নবোৰ তেওঁৰ বাবে বোধগম্য নহয়। সেই বুলি প্ৰশ্নকাকত দেখি ভয় খোৱা বিধৰো নহয়। লগত অনা গাইডবুকৰ ফলা পৃষ্ঠাবোৰ উলিয়াই তেওঁ নিজৰ মেৰিটৰ পৰিচয় দিবলৈ আৰম্ভ কৰিলে। ইনভিজিলেটৰ হাজাৰ হ'লেও এজন শিক্ষকতো! কামখিনি তেওঁ ভাল নাপালে। নিজে আগবাঢ়ি গৈ কাগজপত্ৰখিনি জব্দ কৰিলে। জেনেৰেল ছেক্ৰেটেৰি ভীষণভাৱে অপমানিত হ'ল। খঙত কপি উঠিল জেনেৰেল ছেক্ৰেটেৰি। থিয় হ'ল। পেলালে প্ৰশ্নকাকত বহীখন ফালি। লগে লগে শিক্ষকজনৰ গালত-মুখত পৰিল কেইটামান ঘোচা, গাত কেইটামান লাঠ। জেনেৰেল ছেক্ৰেটেৰিয়ে প্ৰত্যেক ক্ৰমে-ক্ৰমে গৈ চিঞৰিলে— পৰীক্ষা বয়কট কৰিব লাগে।

হে'ডমাষ্টৰ মই। ক্ৰমে ক্ৰমে সোমাই গ'লো। ছাত্ৰ-ছাত্ৰীক পৰীক্ষা বটকট কৰাৰপৰা বাধা দিবলৈ চেষ্টা কৰিলো। খং কৰিলো, আটাইকৈ সাৱধান বাণী শুনালো। কিন্তু কি হ'ব? জেনেৰেল ছেক্ৰেটেৰিৰ আহ্বান। ছাত্ৰ-ছাত্ৰী সকলো ওলাই গ'ল। পৰীক্ষা বয়কট। স্কুলৰ সন্মুখৰ চোতালত ছাত্ৰৰ মিটিং। তেজস্বী ভাষাৰে প্ৰত্যেকজন বক্তাই ভাষণ দিবলৈ ধৰিলে। প্ৰত্যেকে মাথোঁ এষাৰ কথাতে জোৰ দিলে— শিক্ষকসকলে আমাৰ জীৱন খাবলৈ ওলাইছে। এটি বছৰ নষ্ট কৰি জীৱন ধ্বংস কৰিব খোজা এওঁলোক শিক্ষক নহয়, এওঁলোক আমাৰ শত্ৰু। মই গৈ সিহঁতক খঙেৰে মৰমেৰে, ন্যায় সংগতাৰে বুজাবলৈ চালো। আচল দোষী কোন মই বুজাব খুজিলো। ছাত্ৰনেতাই কিন্তু সকলোকে কলে,— বন্ধুসকল হে'ডমাষ্টৰে নিজৰ পাৰ্টিৰ হৈ কেনভাছ কৰিছে। নিজৰ পাৰ্টিক দোষ কেতিয়াও নিদিয়ে। পাছত যেনিবা ছাত্ৰ আৰু শিক্ষকক লৈ তাতেই আচল কথা আলোচনা কৰাৰ সিদ্ধান্ত ললো। মিটিঙত ছাত্ৰ নেতাৰ দাবীকেই সকলো ছাত্ৰ-ছাত্ৰীয়েই চকু মুদি সমৰ্থন কৰিলে: এইবাৰ "অল পাছ"।

কথাটো এডমিনিষ্ট্ৰেশ্যনক জনালো। এ· ডি· ছি আহিল। ছাত্ৰসকলে কথা নামানে। যাবৰ সময়ত বিষয়াই হে'ডমাষ্টৰক কৈ গ'ল— আচলতে সিহঁতক টেক্টফুলি চলাব লাগে।

ডি· পি· আই-এ খবৰ পালে। ডি· ছি-এ খবৰ পালে। ডি· ছি-এ অভিভাৱকক লৈ ছাত্ৰসকলৰ সৈতে জৰুৰী মিটিং কৰিলে। তাতেই ছাত্ৰসকলে কলে,— শিক্ষকসকল আমাৰ মা-দেউতা। আমি তেওঁলোকৰ সৰু-সৰু ল'ৰা-ছোৱালী। কথাখিনি হয়তো। সৰু ল'ৰা-ছোৱালীয়ে খঙতে মাক-দেউতাকক মাৰে। ডাঙৰ কথা একো নহয়। কিন্তু সেই বুলি মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীৰ জীৱন খাব লাগেনে? বৰং ল'ৰা-ছোৱালীয়ে যি বিচাৰে তাকে দি খং দমোৱাহে দৰকাৰ। সেয়েহে আমাৰ দাবী এইবাৰ 'অল পাছ'। মিটিং তেনেকৈয়ে শেষ হ'ল। কম্প্ৰমাইজ হ'ল। এইবাৰ অল পাছ, কিন্তু ছাত্ৰজনে শিক্ষকক ক্ষমা খুজিব লাগিব। ডি· ছি-এ যাবৰ সময়ত মন্তব্য দি গ'ল হে'ডমাষ্টৰ আৰু শিক্ষকসকল টেক্টফুল হোৱা দৰকাৰ।

ডি· পি· আইৰ প্ৰতিনিধিয়েও আহি তাকেই কৈ গ'ল— "টেক্টফুলি চলিব দেই।" মোৰ এ· ছি· আৰত ডি· ছি-এ লিখিলে: He should be tactful in dealing with students and his staff.

টেক্টফুল হোৱাটোহে দৰকাৰী।

### সম্পাদকৰ কোঠালিত

**বন্ধু:** পৃথিৱীৰ বিভিন্ন দেশত মন্ত্ৰী সকলৰ পত্নী বা পত্নীপক্ষৰ লোকৰ কাৰণে নানান ধৰণৰ দুৰ্নীতিমূলক ঘটনা ঘটে বুলি শুনিয়েই থাকা; নহয় জানো? অসমত বৰ্তমানৰ চৰকাৰ শাসনলৈ অহাৰ পাছত তেনে দুৰ্নীতি অটমেটিকেলি কমি গ'ল, মন কৰিছানে? পিছে অদূৰ ভৱিষ্যতে ভয়ৰ কথাও আছে। বয়সীয়া পত্নীক— "এঃ তুমি এইবোৰৰ মাজত নোসোমাবা" বুলি ধমকিও দিব পাৰি; কিন্তু নতুন কইনাক?



## সোঁৱৰণ

কামাখ্যা কুমাৰ পদ্মপতি

ইয়াৰ আগতে মই চামগুৰি ছাৰ্কোলত থাকোঁতে ১৮০ টকাত মটৰ কিনি ৰহাত থাকোঁতে সেই মটৰ গাড়ী ১০০ টকাত বিক্ৰি কৰাৰ কথা লিখিছিলো। চামগুৰি ছাৰ্কোলত থকা কালৰে আৰু দুই-এটা ঘটনাৰ কথা মনলৈ আহিছে।

১৯২৯ চনত চাকৰিত সোমোৱাৰ আগলৈকে স্কুল-কলেজীয়া জীৱন তেজপুৰ, গুৱাহাটী আৰু কলিকাতাত আবদ্ধ আছিল। সেই কাৰণে পূৰ্ববংগৰ পমুৱাৰ সোঁত তেতিয়ালৈকে দেখা নাছিলো। ১৯২৯ চনত প্ৰথম নগাঁৱত চাকৰিত যোগ দিয়েই পূৰ্ববংগৰ পমুৱাৰ সোঁত দেখিবলৈ পাওঁ। সেই সময়ত মৰাপাটৰ বজাৰ বৰ ভাল। পমুৱাৰ অৱস্থাও বৰ ভাল। ধোঁৱাৰ ডিঙিত টিলিঙা বজাই শাৰী শাৰী পমুৱা দেখিবলৈ পাই অবাক হৈ চাই থাকোঁ। ৰূপহী, জুৰিয়া, ঢিং, মৈৰাবাৰী, বৰদোৱা, লাহৰিঘাট আদি নগাঁৱৰ উত্তৰ অঞ্চলত মৈমনচিঙৰপৰা অহা পমুৱাসকলে কাম কৰিছিল। নগাঁৱৰ দক্ষিণ অঞ্চল যমুনামুখ, ডবকা, হোজাই আদিত শ্ৰীহট্টৰপৰা অহা পমুৱাসকলে বাস কৰিছিল। নগাঁৱত কেইমাহমান থকাৰ পাছত মই গুৱাহাটীলৈ বদলি হলো আৰু কেইমাহমানৰ পাছতে ছাৰ্ভে ট্ৰেইনিঙত যোগ দিলো। ট্ৰেইনিঙৰ পাছত চিদলি ছাৰ্কোললৈ বদলি হলো। চিদলিলৈ গৈও চিদলিৰ কিছু অংশত আৰু বিজনীত পমুৱাৰ সোঁত দেখিবলৈ পালো। চিদলিত থাকোঁতে পূৰ্ববংগৰ পমুৱাৰ বাহিৰেও চাওঁতাল ওৰাং পমুৱাও বহুতো পাইছিলো। মুলানৰ (Mullan) ১৯৩০ চনৰ ছেনছাছ ৰিপ'ৰ্টৰ ভৱিষ্যতবাণী— "The invasion of Assam by the land hungry immigrants from East Bengal is more serious than the Burmese invassion of 1826 and an Assamese will hardly find himself at home after 25 years except in the District of Sibsagar"— তেতিয়াও প্ৰকাশ হোৱা নাছিল যদিও এই ভয়াবহ অৱস্থাৰ কথা আমাৰ মনত খেলাইছিল। ১৯৩৭ চনৰ অসম বিধান সভাত ছেনছাছ ৰিপ'ৰ্টৰ এই অংশ ৰিপ'ৰ্টৰ পৰা উঠাই দিব লাগে বুলি মুনোৱাৰ আলি আৰু মতিন চৌধুৰীয়ে দাবী কৰিছিল। সেই দিনাৰ সদনত মই দৰ্শকৰ গেলেৰিত আছিলো।

চিদলিৰ পাছত মই নগাঁৱত কেইদিনমান কটোৱাৰ পাছত যোৰহাট ছাৰ্কোললৈ বদলি হওঁ। যোৰহাটত অলপ দিন কটোৱাৰ পাছত চামগুৰি ছাৰ্কোললৈ বদলি হওঁ। তেতিয়া লাইন প্ৰথা চলি আছিল। লাইন প্ৰথামতে সুনিৰ্দিষ্ট ঠাইতহে পমুৱাসকলে বসতি কৰিব পাৰে আৰু অসমৰ থলুৱা লোকৰ বাবে নিৰ্ধাৰণ কৰা ঠাইত পমুৱা বাস কৰাটো সম্পূৰ্ণ নিষিদ্ধ আছিল। চামগুৰি ছাৰ্কোলতো বহুতো পমুৱা লাইনৰ ভিতৰত বহিছিল। এনে বেদখলকাৰীক প্ৰথমতে দখল এৰিবলৈ জাননী দিয়া হয় আৰু নিৰ্ধাৰিত দিন পাৰ হৈ যোৱাৰ পাছত দখল এৰি নিদিলে উচ্ছেদৰ তৎকালীন ব্যৱস্থা কৰা হয়। সেই সময়ৰ নগাঁও জিলাৰ ডেপুটি কমিছনাৰ আছিল ড° হাটন। দখল উচ্ছেদৰ কাৰণে চামগুৰি আৰু কলিয়াবৰৰ মাজ ঠাই আমবাগানত অস্থায়ী কাৰ্যালয় স্থাপন কৰা হয়। ডেপুটি কমিছনাৰকে ধৰি আমি সকলো আমবাগানত থকাৰ বন্দবস্ত কৰোঁ। নিৰাপত্তাৰ কাৰণে আৰ্মড ব্ৰাঞ্চৰ চিপাহীও ৰখা হৈছিল। আমাৰ চাউনিত উকীল ৰায়বাহাদুৰ বৃন্দাবন গোস্বামী আৰু সেই সময়ৰ প্ৰসিদ্ধ নাট্য শিল্পী জগতচন্দ্ৰ বেজবৰুৱাও উপস্থিত হৈছিলহি। ৰায়বাহাদুৰ গোস্বামীদেৱে পমুৱা উচ্ছেদৰ বিৰুদ্ধে নহয়, দুই-এক পমুৱাৰ ব্যক্তিগত পক্ষলৈহে ওকালতি কৰিছিল; যেনে পমুৱা নহয় বুলি দাবী কৰা এজনৰ পক্ষ লৈ বেজবৰুৱা ডাঙৰীয়া উচ্ছেদ কাৰ্য চাবলৈহে আহিছিল। ৰায়বাহাদুৰৰ মিৰজান বেওৱা নামে এগৰাকী মহিলা মক্কেল আছিল। তেওঁৰ আপত্তি— তেওঁৰ ল'ৰা নাবালক; কাজেই ঘৰ-দুৱাৰ ভাঙি দিবলৈ কিছু সময় লাগে। এফালৰপৰা সকলো বেদখলকাৰীৰ ঘৰ জুই লগাই দি বা ভাঙি মানুহবোৰ মিৰজান বেওৱাৰ ঘৰ পালেহি। ঘৰ-দুৱাৰ বৰ মজবুত দেখি হাটন চাহাবে ৰায়বাহাদুৰক কলে, "Well Raibahadur, I want to see your client's minor son," নাবালকে ওলাই আহিব নোখোজে। জোৰকৈ কোৱাত নাবালক ওলাই আহিল। ডাড়িয়ে-গোফে প্ৰায় ২৪/২৫ বছৰীয়া ডেকা! হাটন চাহাবে সুধিলে "Well Raibahadur, is this your client's minor son?" ৰায়বাহাদুৰে কলে যে তেওঁ তাক আগেয়ে দেখা নাই। মাকে কলে কাৰণেহে দৰখাস্ত লিখিছিল। হাটন চাহাবে ১৫ দিনৰ সময় দি ১৫ দিনৰ ভিতৰত ঘৰ ভাঙি দিবলৈ নিৰ্দেশ দিলে।

গাঁও বহুতো হোৱাত আৰু বেদখলকাৰীৰ ঘৰ বহুতো হোৱাত দখল উচ্ছেদ কৰোঁতে আমাৰ কেইবাদিনো লাগিছিল। পুৱা ন বজাত খাই-বৈ কেম্পৰপৰা ওলাওঁ আৰু কাম শেষ কৰি আহোঁতে সদায় সন্ধ্যা লাগে। আমি সকলো খোজ কাঢ়ি যাওঁ। লগত হাতী এটাও আছিল, ঘৰ ইত্যাদি টানিবৰ কাৰণে। পাছত বয়স বেছি কাৰণে হাটন চাহাবে ৰায়বাহাদুৰ গোস্বামীক হাতীত উঠিবলৈ দিছিল। তেতিয়া জাৰকালি আছিল। গধুলি হাটন চাহাবে জুই পুৰায় আৰু ককাল সেকে। তেওঁ আমাকো জুইৰ ওচৰতে বহিবলৈ দিয়ে। দখল উচ্ছেদৰ কাম কেইবাবছৰো পলম হোৱাত আৰু কামটো তেওঁৰ ভাগত পৰাত তেওঁ সদায় গধুলি কয়, "This dirty job should not have been left to me"

৫৬ পৃষ্ঠাত চাওক



OKDISCD

# বামুণী পাহাৰৰ ভাস্কৰ্য আৰু বৰ্তমানৰ তেজপুৰ

তৰুণ দাস

আজি কেইদিনমানৰ আগতে তিনি জন নবীন পুৰাতত্ত্ব অনুৰাগীয়ে এখন পত্ৰ যোগে তেওঁলোকে আগতে লিখা এটি প্ৰবন্ধৰ জেৰ টানি তেজপুৰৰ বামুণী পাহাৰৰ ভগ্নাৱশেষসমূহ পুৰাণ যুগীয় বাণৰজাৰ দিনৰ বুলি কোৱাৰ লগতে বামুণী পাহাৰটোহে প্ৰকৃতাৰ্থত বাণৰ জীয়ৰী থকা অভেদ্য অগ্নিগড় বুলি ক'বলৈ প্ৰয়াস কৰিছে।

তেজপুৰ অঞ্চলৰ ইতিহাসৰ ঐতিহাসিক মূল্যাংকণ কৰোঁতে পুৰাতত্ত্ববিদসকলে ইয়াৰ নানান ঠাইত সিচঁৰতি হৈ থকা ভাস্কৰ্য আৰু স্থাপত্যসমূহ পৰীক্ষা কৰি যি শতিকা নিৰ্ণয় কৰিছে, সেই শতিকাৰ লগত জড়িত ৰজা-মহাৰজাৰ কাৰ্যকলাপসমূহহে বিশ্লেষণ কৰা যুগুত হ'ব। নতুবা এই অঞ্চলত পোৱা বিভিন্ন তাম্ৰলিপি, শিলালিপি বা মুদ্ৰা আদিয়েহে প্ৰামাণিক তথ্যৰ ওপৰত আলোকপাত কৰিব পাৰিব বুলি আমাৰ ধাৰণা।

মহাভাৰতৰ শান্তিপৰ্বত উল্লেখ থকা বাণৰজাৰ লগত তেজপুৰ অঞ্চলত থকা ভাস্কৰ্য তথা স্থাপত্যৰাশি, গড় বা পুখুৰীক কোনোপধ্যেই সাঙুৰিব নোৱাৰি; কিয়নো, মহাভাৰতখনৰ ৰচনা কাল লৈয়ে পণ্ডিতসকলৰ মাজত মতদ্বৈধই দেখা দিছে। মহাভাৰতৰ যুগটোক কোনো কোনো পণ্ডিতে খৃষ্টপূৰ্ব ৫০০০ আৰু কোনো কোনোৱে খৃষ্টপূৰ্ব ৩৫০০ বুলি থিৰাং কৰিছে। আনহাতে সমগ্ৰ পৃথিৱীতে খ্যাতি থকা পুৰাতত্ত্ববিদ ৺ৰাখাল দাস বন্দোপাধ্যায়ে ১৯১৩ চনৰপৰা ১৯২৬ চনলৈকে তেজপুৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চল পৰিভ্ৰমণ কৰি এই অঞ্চলৰ স্থাপত্য আৰু ভাস্কৰ্যৰাশি (দ-পৰ্বতীয়াৰ শৈল তোড়নৰ বাদে) প্ৰধানতঃ অষ্টম-নৱম শতিকাৰ বুলি ঠাৱৰ কৰিছে। এই গৰাকী পুৰাতত্ত্ববিদৰ নিৰ্ণয় ভুল বুলি কোৱা টান। এওঁ আৰু বি. সহায়ৰ নেতৃত্বতেই ভাৰতীয় পুৰণি সভ্যতাৰ নিদৰ্শন হৰপ্পা আৰু মহেঞ্জোদাৰোত খনন কাৰ্য চলিছিল। যি গৰাকী পণ্ডিতে পশ্চিম পাকিস্তানৰপৰা ৩০০ মাইল উত্তৰে অৱস্থিত ডাঠ হাবিৰ মাজৰ এটি ওখ টিলা দেখিয়েই পুৰণি সিন্ধু সভ্যতাৰ উমান পাইছিল; তেনে এজন লোকৰ সিদ্ধান্তৰ ওপৰত ভাৰষা কৰাটো উচিত কামেই হ'ব।

বাণৰজাৰ জীয়ৰী উষাক কেন্দ্ৰ কৰি হৰি-হৰৰ মাজত হোৱা যুদ্ধত লাখ বিলাখ সেনানীৰ তেজেৰে নদী বৈ যোৱা বাবে ঠাই খণ্ডৰ নাম তেজপুৰ বা শোণিতপুৰ হোৱা কথাটো বিজ্ঞানসন্মত বা যুক্তিসন্মত বুলি ধৰিব নোৱাৰি। বিদগ্ধ পণ্ডিতসকলেও এক মতত উপনীত হ'ব নোৱৰা বাণৰজাৰ যুগতনো ইমান সংখ্যক লোক আছিল নে যে, যিসকলৰ মৃত্যুৱে তেজৰে নৈ বৈ যোৱাৰ দৰে এক পৰিস্থিতিৰ উদ্ৰেক কৰিলে?

তেজপুৰ নামটোৰ উৎস সন্দৰ্ভত ড° বাণীকান্ত কাকতিয়ে যিটো মত দাঙি ধৰিছে, সেই মতটোৱেই গ্ৰহণযোগ্য বুলি বিবেচিত হৈছে। 'A History of Assam'ত এডৱাৰ্ড গেইট চাহাবে এটা কথা উল্লেখ কৰিছে: "কোনো অষ্ট্ৰিক জাতিৰ লোকে নামনিৰ ভৈয়াম অঞ্চলত ৰাজত্ব কৰিছিল আৰু কালক্ৰমত তেওঁলোকতকৈও কোনো পৰাক্ৰমী জাতি এই ঠাইলৈ আহি তেওঁলোকক উত্তৰৰ পাহাৰ অঞ্চললৈ খেদি পঠিয়ায় বুলি ভাবিবৰ থলো নোহোৱা নহয়।" এডৱাৰ্ড গেইটে থোৰতে কথাখিনি ব্যক্ত কৰিছিল যদিও আজিৰ তেজপুৰ নামটোৰ উৎস বিচাৰিবলৈ যাওঁতে সেই কথাখিনিয়ে আমাৰ মনৰ মণিকোঠাত বিশেষ স্থান অধিকাৰ কৰিছে। সম্ভৱতঃ পাল বংশৰ অৱসানৰ লগে লগে কোনো অষ্ট্ৰিক গোষ্ঠীয় লোক বসবাস কৰাৰ অৰ্থে কামৰূপ ৰাজ্যলৈ পুব দিশেদি প্ৰব্ৰজন কৰি তাত থিতাপি লৈছিল (সাময়িকভাৱে) যদিও কোনো প্ৰাকৃতিক দুৰ্যোগৰ সম্মুখীন হৈ নতুবা বহিঃশত্ৰুৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি উত্তৰলৈ পুনৰায় প্ৰব্ৰজন কৰি দুৰ্গম পাহাৰীয়া অঞ্চলত বসতি কৰিবলৈ থিৰাং কৰিলে। হাৰুপেশ্বৰ বা হাটকেশ্বৰত (বৰ্তমান তেজপুৰ) অষ্ট্ৰিক গোষ্ঠীৰ লোকসকলে সাময়িক দিনৰ বাবে বসবাস কৰোঁতে এই অঞ্চলত 'তজো', 'তিজ'— এবিধ সাপ (অষ্ট্ৰিক) দেখিবলৈ পাইছিল। এই 'তজো' বা 'তিজ'ৰপৰাই কালক্ৰমত তেজপুৰ হোৱা বুলি ড° বাণীকান্ত কাকতীয়ে 'Place and Personal Names in the Early Land Grants of Assam'অত যি যুক্তি দৰ্শাইছে, তাৰ লগত আমি একমত। বহুতো হোলাৰে ভৰা তেজপুৰ অঞ্চলত অসমৰ অন্যান্য ঠাইৰ তুলনাত এতিয়াও সাপৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়।

তেজপুৰ অঞ্চলত ব্ৰহ্মপুত্ৰৰ দাঁতিয়ে দাঁতিয়ে ভোমোৰাগুৰিৰ পৰা আৰম্ভ কৰি শিঙৰীলৈকে প্ৰায় প্ৰত্যেকটো টিলাতে একোটাকৈ মন্দিৰ বা তাৰ ধ্বংসস্তূপ দেখিবলৈ পোৱা যায়। প্ৰাপ্ত তথ্যানুযায়ী বৰ্তমানৰ তেজপুৰকে তাহানিৰ হাৰুপেশ্বৰ বা হাটকেশ্বৰ নামকৰণেৰে ৰাজধানী হিচাপে লৈ ৰাজত্ব কৰা ৰজাসকলে (ভৌম বংশ, বৰ্মণ বংশ বা শালস্তম্ভ বংশ ৰজাসকলে) ৰাজ্যখনৰ বিস্তীৰ্ণ এলেকাত মন্দিৰ নিৰ্মাণ কৰাৰ প্ৰৱণতা পৰৱৰ্তী যুগৰ আহোম ৰজাসকলৰ দৰে নাছিল। পুৰণি কামৰূপ ৰাজ্যৰ ৰাজধানীৰ আশে পাশে থকা মন্দিৰসমূহত অহৰ্নিশে পূজা-পাৰ্বণ চলি থাকিলেই ৰজা বা প্ৰজাই অপায়-অমংগলৰপৰা হাত সাৰি থাকিব পাৰে বুলি ধাৰণা পোষণ কৰাৰ বাবেই ৰাজধানীৰ লগতে নিকটৱৰ্তী অঞ্চলসমূহত অসংখ্য মন্দিৰ থকা দেখা যায়। পুৰণি কামৰূপ ৰাজ্যৰ ৰাজধানী হাৰুপেশ্বৰ হোৱাৰ বাবেই আজিৰ তেজপুৰ অঞ্চলত এনে এটা পাহাৰ নাই, য'ত মন্দিৰ নাই।

এতেকে তেনে এক দৃষ্টিভংগী আগত ৰাখিয়েই তেজপুৰ অঞ্চলৰ পাহাৰসমূহত মন্দিৰ নিৰ্মাণ কৰা হৈছিল বাবেই বৰ্তমানেও পাহাৰসমূহত বিভিন্ন কাৰুকাৰ্য খচিত ধ্বংসস্তুপসমূহ দেখিবলৈ পোৱা যায়। বাণৰজাৰ জীয়ৰী উষাক কোনো এটি টিলাত অট্টালিকা সাজি থাকিবলৈ দি টিলাটোৰ চাৰিও কাষে অহৰ্নিশে জ্বলি থকা অগ্নিৰ কুণ্ড আছিল বোলা কথাটোৰ কোনো ন্যায়সংগত ভিত্তি নাই; কাৰণ, প্ৰচণ্ড উত্তাপৰ মাজত থাকি বসবাস কৰিবলৈ হ'লে উষাৰ গাত মানবীয় গুণ নাথাকি জড় পদাৰ্থৰ গুণ থাকিব লাগিব। তদুপৰি দাক্ষিণাত্যকে ধৰি ভাৰতবৰ্ষৰ কেইবাখনো প্ৰদেশৰ কেইবাটাও অঞ্চলে বাণৰ নগৰখন নিজ নিজ এলেকাধীন বুলি দাবী কৰাটোও এইখিনিতে উল্লেখযোগ্য।

কহলনে তেওঁৰ দ্বাৰা প্ৰণীত বুৰঞ্জী 'ৰাজতৰংগিনী'ত কাশ্মীৰৰ নৃপতি মেঘবাহনে কামৰূপ নৃপতি প্ৰথম বলবৰ্মনৰ দুহিতা অমৃতপ্ৰভাক সয়ম্বৰ পাতি বিবাহ কৰাই নিয়াৰ কথা লিপিবদ্ধ কৰি গৈছে যদিও বুৰঞ্জীপ্ৰেমী লোকসকলে সেই কথাৰ ওপৰত সিমান গুৰুত্ব নিদি কিংবদন্তি পুৰুষ বাণৰজাৰ জীয়ৰী উষাৰ ওপৰত গুৰুত্ব দি তেজপুৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া ঠাইৰ স্থাপত্য-ভাস্কৰ্য, পুখুৰী আদিৰ লগত তেওঁলোকৰ নাম জড়িত কৰা দেখা গৈছে। কামৰূপ নৃপতি শ্ৰীহৰ্ষ বৰ্মাৰ জীয়ৰী ৰাজ্যমতীকো নেপালৰাজ জয়দেবে বিবাহ কৰোৱাৰ তথ্য নেপালৰ পশুপতি মন্দিৰৰ ওচৰত থকা শিলালিপিৰপৰা জানিব পৰা যায়। এতেকে তেনেবোৰ প্ৰামাণিক তথ্যৰ ক্ষেত্ৰত বিজ্ঞানসন্মতভাৱে পৰ্যালোচনা চলালে বহু নজনা তথ্যৰ সন্ধেদ পোৱা যাব বুলি আমাৰ মনে ধৰে।

১৯২৪ চনৰ ২৩ অক্টোবৰ তাৰিখে বিখ্যাত পুৰাতত্ত্ববিদ ৰাখাল দাস বন্দোপাধ্যায়ে তেজপুৰৰ বামুণী পাহাৰৰ ভাস্কৰ্যৰাশি পৰিদৰ্শন কৰিবলৈ আহি অটব্য অৰণ্য থকাৰ হেতু বিমুখ হৈ ঘূৰি যায়। অৱশ্যে পাছৰ বছৰৰ অনুকূল বতৰত বামুণী পাহাৰ পৰিদৰ্শন কৰি তেওঁ তাত সিঁচৰতি হৈ পৰি থকা ধ্বংসস্তুপসমূহ সাতটা মন্দিৰৰ সমাহাৰ বুলি মত প্ৰকাশ কৰে। ১৯২৫-২৬ চনৰ Archaeological Survey of India ৰ বছেৰেকীয়া প্ৰতিবেদনত বন্দোপাধ্যায়ে বামুণী পাহাৰৰ ধ্বংসাৱশেষৰ বিষয়ে লিখা কথা এনে ধৰণৰ: "During the progress of the conservation work the jungle on the top of the hill called the Bamuni Hill near Tezpur was cleared and the remains of a group of seven shrines was discerned. They are perched on the top of a low alluvial hillock on the north bank of the river Brahmaputra. Six of these shrines are situated in a large rectangular enclosure, namely, one in each of its four corners and two large ones in the centre, while the seven stands to the east. The pavement inside the 'Garbhagrihas' of both of the larger shrines in the middle of the enclosure are still intact. One of these central temples was slightly smaller in size than the other. The larger temple faces the north and an 'antarala' with a circular sculptured door-step intervenes between its sanctum and the 'mandapa', which must have been gigantic in size."

ড° বন্দোপাধ্যায়ে পাছলৈ সেই ধ্বংসস্তুপসমূহ খৃষ্টীয় ৮ম-৯ম শতিকাৰ বুলি নিৰ্ণয় কৰিছে। সেই কথা ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'পবিত্ৰ অসম' গ্ৰন্থতো সন্নিবিষ্ট হৈছে। স্বৰ্গীয় সৰ্বানন্দ ৰাজকুমাৰে বামুণী পাহাৰৰ ধ্বংসস্তুপসমূহ শালস্তম্ভীয় বংশৰ নৃপতি হৰ্জৰ বৰ্মাৰ পুত্ৰ বনমালিদেৱে নিৰ্মাণ কৰিছিল বুলি মত প্ৰকাশ কৰিছে।

১৮৩৫ চনত তেতিয়াৰ অবিভক্ত দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয় নিৰ্মাণ কৰিবলৈ যাওঁতে যিখন তাম্ৰশাসন (বনমাল বৰ্মাৰ তেজপুৰ তাম্ৰশাসন নামেৰে নামাংকিত) পোৱা গৈছিল, সেই তাম্ৰশাসনখনৰ ওপৰত পৰ্যবেক্ষণ চলাই ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে তেওঁৰ গৱেষণা গ্ৰন্থ "The Civilisation of the People of Assam to the Twelfth Century'ত লিখি গৈছে যে, "Banamalavarma rebuilt the lofty temple of 'Hetuka Sulin' and endowed it with villages, elephants and temple girls. The feudatory kings came to him frequently to pay their respectful homage to him,"

কোনে জানে—শালস্তম্ভীয় নৃপতি বনমাল বৰ্মাই নিৰ্মাণ কৰা সেই বৃহৎ আকাৰৰ ধ্বংসস্তুপ কিজানিবা এই বামুণী পাহাৰৰ ধ্বংসস্তুপেই?

প্ৰকাশ পালে
সাম্প্ৰতিক কালৰ এগৰাকী
প্ৰসিদ্ধ ছোভিয়েত লেখক
পেভেল নিলিন'ৰ উপন্যাসৰ
অসমীয়া ভাঙনি
পৰিণয়
অনুবাদ—লক্ষ্মী কান্ত মহন্ত
মূল্য—১০ টকা
পৰিবেশক—
কিতাপ আৰু কিতাপ
এ, টি, ৰোড দেৰগাঁও





OKDISCD

# ইংলণ্ডত ভাৰতীয় ক্ৰিকেট দলৰ সফল ভ্ৰমণ ঃ ১৯৮৬

অমূল্যহাস গোস্বামী

দ্বিতীয় ইনিংছত ক্ষিপ্ৰ গতিৰে আৱশ্যকীয় ৰানখিনি সংগ্ৰহ কৰি নাটকীয় পৰিবেশত য়ৰ্কশ্বায়াৰ কাউন্টি দলক পাঁচ উইকেটত পৰাজিত কৰি ভাৰতীয় দলে ১৯৮৬ চনৰ ইংলণ্ড ভ্ৰমণ সমাপ্ত কৰাৰ লগে লগে ভাৰতীয় ক্ৰিকেটৰ এটা গৌৰৱোজ্জ্বল অধ্যায় লিখিত হ'ল। ভাৰতীয় দলৰ এই সফল ভ্ৰমণ কেইবাটাও দিশৰপৰা ঐতিহাসিক।

লৰ্ডছত প্ৰথম টেষ্ট আৰু সেই টেষ্টত ভাৰতৰ বহু আকাংক্ষিত বিজয় আগেয়ে বৰ্ণোৱা হৈছে। ভাৰতীয় দলে দুমহীয়া ভ্ৰমণ তালিকাৰে মে' মাহত খেলা আৰম্ভ কৰাৰ আগতেই ইংলণ্ডৰ কেইজনমান বিশিষ্ট সমালোচক আৰু দুই-এজন প্ৰথম শাৰীৰ খেলুৱৈয়েও ভাৰতীয় দলটোক এদিনীয়া খেলত বাদে টেষ্ট খেলত নিম্নমানৰ বুলি উলাই কৰিব খুজিছিল। ১৯৮৩ চনৰ বিশ্বকাপ জিকাৰ পাছত প্ৰায় সকলো এদিনীয়া প্ৰতিযোগিতা জিকাৰ কাৰণেই তেওঁলোকে বাধ্য হৈ ভাৰতীয় দলটোক এদিনীয়া খেলত ভাল বুলিছিল। ভাৰতীয় দলৰ টেষ্ট ৰেকৰ্ড ভাল নহ'লেও দলটোৰ প্ৰতি এনে অবজ্ঞাসূচক মন্তব্য কৰাৰ স্থল কিন্তু নাছিল। বিশেষকৈ যেতিয়া দলটোত আছিল অধিনায়ক কপিলদেৱ, গাভাছকাৰ, অমৰনাথ, ভেংচৰকাৰৰ দৰে কীৰ্ত্তিমান খেলুৱৈসকল। ইফালে ইংলণ্ডে উপৰ্যুপৰি দহখন টেষ্ট হাৰিছিল ৱেষ্ট ইণ্ডিজৰ লগত। কিন্তু লেঠাৰি নিছিগা পৰাজয়ত মনোবল প্ৰায় ভাগি থকা অৱস্থাতো ভাৰতীয় দলক ভাল টেষ্ট দল বুলি কবলৈ ইংলণ্ডৰ মনে নামানিছিল;— তাতে ইংলণ্ড ভ্ৰমণৰত অৱস্থাত।

এনে অৱস্থাতেই যোগ্য প্ৰত্যুত্তৰ দিছিল কপিল আৰু তেওঁৰ 'ডেভিল'-সকলে। দলটোৰ খেল আছিল শৃংখলাবদ্ধ আৰু সুন্দৰ। কপিলদেৱে প্ৰথমতে কোৱাৰ দৰেই দলটোৱে প্ৰায় সকলো সময়তে চেম্পিয়নৰ মনোবলেৰে খেলিবলৈ সমৰ্থ হৈছিল আৰু প্ৰথমবাৰৰ কাৰণে ভাৰতীয় দলে এটা টেষ্ট শৃংখলাৰ তৃতীয় আৰু শেষ টেষ্টখনৰ আগতেই প্ৰথম আৰু দ্বিতীয় টেষ্ট দুখন প্ৰায় হেলাৰঙে জিকি ৰাবাৰ লাভ কৰিছিল। ব্ৰিটিছ সিংহ নিজ অৰণ্যতে বশ হৈছিল। তৃতীয় টেষ্টত অৱশ্যে ইংলণ্ডৰ খেলৰমান উন্নত হোৱা দেখা হৈছিল। ক্ৰিকেট খেলৰ গৌৰৱোজ্জ্বল অনিশ্চয়তা আকৌ এবাৰ প্ৰমাণিত কৰি খেলখন যেতিয়া হৰা জিকা নোহোৱাকৈয়ে শেষ হৈছিল, তেতিয়া খেলৰ অৱস্থা এনে আছিল যে ইংলণ্ড বা ভাৰত যিকোনো দলেই সেই খেলত জয়ী হ'ব পাৰিলেহেঁতেন। প্ৰথমবাৰৰ কাৰণে এই শৃংখলাত ইংলণ্ডে ভাৰতক কিছু হেঁচা দিবলৈ সক্ষম হৈছিল।

এই ভ্ৰমণটোৰ কেইবাটাও দিশ উল্লেখযোগ্য। প্ৰথমেই মনলৈ আহে দ্বিতীয় টেষ্টত মদনলালৰ দলত অন্তৰ্ভুক্তিৰ কথা। দ্বিতীয় টেষ্টৰ আগতে যেতিয়া অমৰনাথ আৰু চেতন শৰ্মা শাৰীৰিক অক্ষমতাৰ কাৰণে বাদ পৰিল, তেতিয়া দলত স্থান পাব লাগিছিল দলৰ লগত যোৱা বাকী খেলুৱৈসকলে। কিন্তু চেতনৰ ঠাইত লোৱা হ'ল ইংলণ্ডতে লিগ খেলি থকা মদনলালক। অৱশ্যে মদনলালে যে ভাল খেলি দলৰ জয়ৰ প্ৰতি অৰিহণা জোগাইছিল, তাত সন্দেহ নাই; তথাপি মনলৈ আহে— মনোজ প্ৰভাকৰক কিয় লোৱা নহ'ল? প্ৰভাকৰ তৰুণ আৰু উদীয়মান খেলুৱৈ। তাতে তেওঁ অসুস্থও নাছিল। মদনলাল সেই সময়ত ইংলণ্ডত নথকা হ'লে কি হ'লহেঁতেন? নিৰ্বাচক মণ্ডলীয়ে এনে অৱস্থাবোৰৰ কথা মনত ৰাখিয়েই দল গঠন কৰে। এইবাৰ দল ইংলণ্ডলৈ যোৱাৰ আগতেই এই শিতানতে প্ৰভাকৰক দলত লোৱাৰ বিষয়ে লিখা হৈছিল। কিন্তু দলত লৈ যোৱাৰ পাছত তেওঁক তেওঁৰ প্ৰাপ্য স্থান নিদিয়াটো দূৰদৰ্শিতাৰ-পৰিচায়ক যেন নালাগিল। এনে অৱস্থাত এজন তৰুণ খেলুৱৈৰ মন ভাগি পৰিব পাৰে। অমৰনাথৰ সলনি সন্দীপ পাটিলক নলৈ চন্দ্ৰকান্ত পণ্ডিতক লোৱাত বিশেষ আচৰিত হ'বলগীয়া নাই; কাৰণ পণ্ডিতৰ বেটিঙৰ পাৰ্গতালিৰ কথা সকলোৱেই জানে। বহুতেই ভাবে যে অকল বেটিঙৰ কাৰণেই হয়তো তেওঁ আগলৈ ভাৰতীয় দলত স্থান পাব। তেওঁৰ ফিল্ডিঙৰ মানো উচ্চ খাপৰ। তেওঁ দ্বিতীয় টেষ্টত ভাল খেলেই প্ৰদৰ্শন কৰিছিল।

দলৰ কথা আলোচনা কৰিলে প্ৰথমেই আহে অধিনায়ক কপিলদেৱৰ কথা। তেওঁৰ অধিনায়কত্বৰ দুই-এটা দিশত এইবাৰ চকু পৰে;— তাৰে প্ৰথমটো হ'ল, তেওঁ এতিয়া উপলব্ধি কৰিব পাৰিছে অধিনায়কৰ দায়িত্ব কেনে। প্ৰথম টেষ্ট মেচত দ্বিতীয় ইংনিছৰ পাতনিতে তেওঁৰ আক্ৰমণাত্মক বলিং আৰু খেলৰ শেষৰ ফালে আক্ৰমণাত্মক বেটিঙৰ বাহিৰে এইবাৰৰ বলিং, বেটিং আৰু ফিল্ডিং সকলো দিশতে দলৰ আন আন খেলুৱৈৰ অৱদান সমপৰ্যায়ৰ আছিল। এইটো অৱশ্যে তেওঁৰেই কৃতিত্ব যে তেওঁ দলৰপৰা পূৰ্ণ সমৰ্থন লাভ কৰিব পাৰিছিল। তেওঁৰ অধিনায়কত্বত বিছখন টেষ্টৰ পাছত প্ৰথমবাৰ তেওঁ টেষ্ট জিকিলে ঐতিহাসিক লৰ্ডছত। তাৰ পাছৰ টেষ্টতে লিডছতো জয়ী হৈ প্ৰথমবাৰৰ কাৰণে তেওঁ ৰাবাৰ জিকিবলৈ সক্ষম হ'ল— টেষ্ট শৃংখলা শেষ হোৱাৰ আগতেই। ক্ৰিকেট প্ৰেমীয়ে পাহৰিব নোৱৰা এই খেল দুখন কপিলদেৱৰ অধিনায়ক আৰু খেলুৱৈ জীৱনৰ বাবে চিৰস্মৰণীয়। আগতে কপিলৰ অধিয়ায়কত্বৰ কটু সমালোচনা কৰাসকলে এতিয়া তেওঁক ভূয়সী প্ৰসংশা কৰিছে। এই বিষয়ে গাভাছকাৰৰ মন্তব্য বিশেষ মন কৰিবলগীয়া তেওঁ কৈছে: সাফল্যত সকলোৱে বেৰি ধৰে; বিফলতাত কিন্তু কোনেও লগ নিদিয়ে!

সহ অধিনায়ক ৰবি শাস্ত্ৰীৰ খেলা কিন্তু এইবাৰ অলপ স্পন্দনহীন। তেওঁৰ সচৰাচৰ নিখুত লাইন আৰু লেংথৰ বলিং আৰু দৃঢ়তাপূৰ্ণত বেটিঙৰ প্ৰদৰ্শন এইবাৰ আশা কৰা মতে নহ'ল। অৱশ্যে ক্ৰিকেট বা যি কোনো খেলাতে সদায়েই একে খেল প্ৰদৰ্শন কৰাটো সম্ভৱ নহয়। দলৰ সাফল্যৰ বাবে তেওঁৰ চেষ্টাৰ কথা অৱশ্যে নুই কৰিবৰ উপায় নাই।

বাকী খেলুৱৈসকলৰ ভিতৰত ভেংচৰকাৰৰ বেটিং নিঃসন্দেহে শ্ৰেষ্ঠ আছিল। লৰ্ডছত একাদিক্ৰমে তৃতীয়বাৰৰ কাৰণে ছেঞ্চুৰি কৰাৰ উপৰিও দ্বিতীয় টেষ্টতো তেওঁ ছেঞ্চুৰি কৰে। শেষ ইংনিছৰ বাহিৰে তেওঁৰ বেটিঙৰ মান ইমান উচ্চখাপৰ হৈছিল যে প্ৰায় সকলো সমালোচকে মন্তব্য কৰিছিল যে বৰ্তমানত যদি এটা বিশ্বদল গঠন কৰা হয়, তেনেহলে সেইদলত ভেংচৰকাৰৰ স্থান অনিবাৰ্য। ভেংচৰকাৰে আৰু কেইবছৰমানলৈ ভাৰতীয় দলৰ শক্তি বঢ়াব বুলি আশা কৰিব পাৰি। আনহাতে ভ্ৰমণটোৰ প্ৰধান আৱিষ্কাৰ হ'ল উইকেটকিপাৰ কিৰণ মোৰে। তেওঁৰ কিপিং অতি দৰ্শনীয় আৰু নিৰ্ভৰশীল। ভ্ৰমণৰ লগে লগে তেওঁৰ বেটিঙো আগবাঢ়ি গৈছিল আৰু শেষৰ পিনে তেওঁক উইকেট-ৰক্ষক-বেষ্টমেন বুলিবপৰা হৈছিল। কিৰমানিৰ তেওঁ যোগ্য উত্তৰাধিকাৰী। এইখিনিতে মনলৈ আহে চেতন শৰ্মা আৰু মন্দিৰৰ বলিঙৰ কথা। চেতন শৰ্মাই 'লিটল ফাইটাৰ' আখ্যাৰ মৰ্যাদা সম্পূৰ্ণভাৱে ৰক্ষা কৰিছিল। তেওঁৰ লাইন, লেংথ, কাট আৰু ছুইং, বিশেষকৈ ইনকাটাৰ বলে ইংলণ্ডৰ খ্যাতনামা বেটছমেনসকলক ব্যতিব্যস্ত কৰি তুলিছিল। তেওঁৰ যুদ্ধং দেহি মনোভাব অতুলনীয়। কোনো সময়তে চেষ্টাৰ ত্ৰুটি নাই। অৱশ্যে ইংলণ্ডৰ পিট্চ্ আৰু বায়ুমণ্ডলেও ইয়াত বৰঙণি যোগাইছিল। সেইবোৰৰ প্ৰভাৱ ৰ'জাৰ বিনিৰ বলিঙতো দেখা গৈছিল। চেতন আৰু বিনিয়ে আনতকৈ বেছি উইকেট লাভ কৰাটোৱেই ইয়াৰ প্ৰমাণ। বিনিয়ে নিজেই অসাধাৰণ বলিং কৰাৰ কথা অস্বীকাৰ কৰিছে। বায়ুমণ্ডল আৰু পিট্ছে বাকী কাম সমাধা কৰাত সহায় কৰিছিল। মনিন্দৰ সিং লেইন আৰু লেংথৰ নিপুন ব'লাৰ। তেওঁক এতিয়াও অন্তৰ্ভেদি বুলি ক'ব নোৱাৰি। তথাপি তেওঁৰ বলিঙৰ ধাৰা সুন্দৰ। কমবয়সীয়া হোৱাৰ কাৰণে তেওঁৰ লগতে ভাৰতীয় দলৰ স্পিন বলিঙৰ ভৱিষ্যত উৎসাহজনক। ক্ৰিকেট খেলৰ এষাৰ কথা আছে— বয়সৰ লগে লগে হে স্পিনাৰ নিপুন হয়। বিনিয়ে বলিঙৰ বাহিৰে বেটিং আৰু ফিল্ডিঙতো ভাল খেল প্ৰদৰ্শন কৰিছিল। অমৰনাথৰ বেটিঙত তেওঁৰ দৃঢ়তাৰ পৰিচয় আছিল, কিন্তু আকৌ এবাৰ তেওঁ ছৰ্ট পিটছ বলিৰ বিপক্ষে বল নোচোৱাকৈয়ে বল এৰি দিয়াৰ দুৰ্বলতা দেখুৱাইছে। আজাহাৰউদ্দিনৰ খেলালৈ তেওঁৰ স্বাভাৱিক সাবলীল ভংগী এতিয়াও ঘূৰি অহা নাই; কিন্তু মনৰ দৃঢ়তা আৰু সংকল্পৰ সহায়ত তেওঁ দলৰ সাফল্যলৈ বৰঙণি যোগাইছিল। টেষ্টত খেলা খেলুৱৈসকলৰ ভিতৰত পণ্ডিতৰ বাহিৰে বাকী থাকিল শ্ৰীকান্ত আৰু গাভাছকাৰ। শ্ৰীকান্তৰ বেটিং অষ্ট্ৰেলিয়া ভ্ৰমণৰ সাফল্যৰ পাছত নিষ্প্ৰাণ হৈছিল; তথাপি শ্ৰীকান্ত আৰু গাভাছকাৰৰ যোৰাটোৱে ইনিংছৰ আৰম্ভণিতে কম-বেছি পৰিমাণে সাফল্য লাভ কৰিছিল। গাভাছকাৰৰ কথা ইচ্ছা কৰিয়েই শেহলৈ ৰাখিছো; কাৰণ গাভাছকাৰ এনে এজন বেটছমেন যাৰ বেটিং এতিয়া সমালোচনাৰ উধত। বেটিঙত প্ৰায় সকলো বিশ্বৰেকৰ্ডৰ অধিকাৰীজনে টেষ্টত এশটা কেচ ধৰি আৰু এটা অভিলেখ সৃষ্টি কৰিলে। ভাৰতৰ উইকেটকিপাৰসকলক বাদ দি তেৱেঁই প্ৰথম খেলুৱৈ যি টেষ্টমেচত এশটা কেচ ধৰিব পাৰিছে। পৃথিৱীৰ ভিতৰতে তেনে অভিলেখ স্থাপন কৰা তেওঁ সপ্তম খেলুৱৈ। তথাপি মাজে সময়ে বেটিঙত তেওঁৰ বিখ্যাত মনোনিবেশৰ অভাৱ পৰিলক্ষিত হৈছিল।

বাকী খেলুৱৈসকলৰ ভিতৰত পাটিলে দ্বিতীয় এদিনীয়া খেলত ভাল খেল দেখুৱাব নোৱাৰি টেষ্ট দলত সোমাবৰ সুবিধাই উলিয়াব নোৱাৰিলে। তেওঁৰ ফিল্ডিঙো উচ্চমানৰ নহয়। মনিন্দৰে প্ৰথমৰে পৰাই ভাল বলিং কৰাৰ কাৰণে যাদৱে কাউন্টি খেলবোৰত কম-বেছি পৰিমাণে ভাল বলিং কৰিও টেষ্ট দলত ঠাই নাপালে (দ্বিতীয় স্পিনাৰ হিচাপে)। ৰমন লাম্বাই পাছৰ ফালে, বিশেষকৈ বতৰ ফৰকাল হোৱাৰ পাছত, ভাল খেলেই প্ৰদৰ্শন কৰিছিল। এই খেলুৱৈজনৰ ভৱিষ্যত উজ্জ্বল। এই বিজয়-অভিযানত বিশেষ ইন্ধন যোগাইছিল তৰুণ খেলুৱৈসকলে। চেতন শৰ্মা, মনিন্দৰ, আজহাৰউদ্দিন, কিৰণ মোৰে, চন্দ্ৰকান্ত পণ্ডিতক কেন্দ্ৰ কৰি ভাৰতীয় দলৰ ভৱিষ্যত বৰ উৎসাহজনক। এই কেইজনৰ লগতে দলৰ নামী আৰু সুপ্ৰতিষ্ঠিত খেলুৱৈৰে সংগঠিত ভাৰতীয়দলে অকল এদিনীয়াতেই নহয়, নতুন প্ৰেৰণাৰে সোনকালেই টেষ্টমেচ পৰ্যায়তো কৃতকাৰ্য হ'ব বুলিব পাৰি।

এই গৌৰৱময় ভ্ৰমণত ভাৰতে কেৱল দুখন এদিনীয়া (তাৰে এখন প্ৰদৰ্শনীমূলক) খেলতহে পৰাজিত হয়। দুখন টেষ্ট আৰু নাটকীয়ভাৱে শেষৰ কাউন্টি খেলখন জিকাৰ বাহিৰেও তাৰ'গেটত হোৱা বিশেষ এদিনীয়া প্ৰদৰ্শনী খেলত পাকিস্তানকো

উত্তেজনাপূর্ণ খেলত এক উইকেটত পৰাজিত কৰি ছাৰজাহৰ পৰাজয়ৰ যোগ্য প্ৰত্যুত্তৰে ভ্ৰমণ সমাপ্তি কৰি ভাৰতে এক অবিস্মৰণীয় অধ্যায়ৰ ৰচনা কৰিলে।

* যোৱা বছৰটোত ৰাষ্ট্ৰীয় দলত স্থান পোৱা অসমৰ বিভিন্ন খেলুৱৈক সম্বৰ্ধনা জনোৱাৰ লগতে ক্ৰীড়া আৰু শাৰীৰিক সক্ষমতাৰ জনপ্ৰিয়তাৰ উদ্দেশ্যে স্থাপিত ক্ৰীড়া দিবসৰ প্ৰস্তুতি চলিছে। ৩ ছেপ্টেম্বৰত হ'বলগীয়া এই দিৱসত বিভিন্ন বিভাগৰ প্ৰায় ১৫ গৰাকী খেলুৱৈক মানপত্ৰ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে যোৱা এবছৰত অসমৰ যিসকল খেলুৱৈয়ে বিভিন্ন খেলত ভাৰতীয় দলত খেলিছে, তাৰে দুগৰাকী মনালিছা বৰুৱা আৰু অৰুণজ্যোতি বৰুৱা— ছিউলৰ দশম এছিয়াডলৈ যাবলগীয়া ৰাষ্ট্ৰীয় টেবুল টেনিছ দলতো আছে।

ক্ৰীড়া আলোচনী অভিৰুচিয়ে আয়োজন কৰা এই ক্ৰীড়া দিবসত সম্বৰ্ধনাৰ উপৰিও ক্ৰীড়া কুইজ, সামূহিক দৌৰ, ১৫ কিল'মিটাৰৰ ৰ'ড ৰে'ছ আৰু "স্কুলীয়া পাঠ্যক্ৰমত ক্ৰীড়াৰ প্ৰয়োজনীয়তা" শীৰ্ষক এখন আলোচনা চক্ৰও অনুষ্ঠিত হ'ব।

### টেনিছৰ নতুন তাৰকা

মাৰ্টিনা আৰু ক্ৰিছৰ বাবে চেলেঞ্জ হৈ উঠা ষ্টেফি গ্ৰাফৰ বয়স মাত্ৰ ১৬ বছৰ। তেওঁৰ মৰম লগা চেহেৰা আৰু সৰল হাঁহিৰ আঁৰত লুকাই আছে অদম্য সংগ্ৰামী মানসিকতা আৰু বিপক্ষক পৰাজিত কৰাৰ উচ্চাশা। লাজকুৰীয়া স্বভাৱৰ ষ্টেফিয়ে খেলাৰ সময়ত তেওঁৰ নামী প্ৰতিদ্বন্দ্বীসকলৰ লগত সমানে যুঁজিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। অলপতে হৈ যোৱা পশ্চিম জাৰ্মানিৰ অপেন টেনিছৰ ফাইনেলত মাৰ্টিনা নাভ্ৰাটিলোভাক ৬-২, ৬-৩ ছে'টত পৰাজিত কৰি ষ্টেফিয়ে প্ৰমাণ কৰিছে যে বিশ্বটেনিছৰ এক আৰু দুই নম্বৰ মহিলা খেলুৱৈ মাৰ্টিনা আৰু ক্ৰিছক চেলেঞ্জ জনাবলৈ তেওঁ এতিয়া সক্ষম। মাৰ্টিনাৰ বিৰুদ্ধে জয়ৰ ফলত তেওঁ একে লেথাৰিয়ে ১৯ খন মেচ আৰু চাৰিটা খিতাপ জয় কৰে।

ষ্ট্ৰেইট ছে'টত মাৰ্টিনাক পৰাজিত কৰাৰ আগতে এপ্ৰিল মাহত ষ্টেফিয়ে ক্ৰিছ লয়েডকো ষ্ট্ৰেইটছে'টত পৰাজিত কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে যোৱা এক দশক ধৰি বিশ্ব-টেনিছত মহিলা বিভাগৰ অধিকাংশ সন্মানেই মাৰ্টিনা আৰু ক্ৰিছ লয়েডৰ দখলত। বিশ্বৰ ক্ৰমতালিকা অনুযায়ী এই দুজনক চেলেঞ্জ জনাবলৈ বিশেষ কোনো খেলুৱৈ নাছিল। কিন্তু ষ্টেফিয়েই হ'ল ব্যতিক্ৰম। অসাধাৰণ ফৰ্মলৈ চেলেঞ্জ হিচাপে থিয় দিছে পশ্চিম জাৰ্মানিৰ এই কিশোৰী। এই বছৰৰ সাতখন টুৰ্ণামেণ্টৰ ভিতৰত ছখনতে তেওঁ ফাইনেল পাইছিল। কোনো প্ৰতিযোগিতাত নিজিকোঁতেই তেওঁ ক্ৰম তালিকাত তৃতীয় স্থান লাভ কৰিছিল।

এই বছৰৰ গ্ৰেণ্ডস্লাম লাভ কৰাৰ সম্ভাৱনা আছেনে নাই—এই প্ৰশ্নৰ উত্তৰত গ্ৰাফে কয়, "মোৰ কোনো সম্ভাৱনা নাই বুলি মই নাভাবোঁ; কিয়নো ফৰাছী অপেন খেলা হ'ব ক্লে' ক'ৰ্টত; আৰু ক্লে' ক্ল'ৰ্টত এতিয়া ময়েই শ্ৰেষ্ঠ।" গ্ৰাফৰ বে'ছ লাইনৰ সাৱলীল খেল আৰু প্ৰচণ্ড ফ'ৰহেণ্ড মন্থৰ কৰ্টৰ বাবে অতি উপযোগী। পাতল গঢ়নৰ ষ্টেফিৰ শক্তিশালী শ্বটৰ লগত ফেৰ মৰাৰ ক্ষমতা বৰ কম খেলুৱৈৰহে আছে। যোৱাকেইবছৰমান ধৰি ছাৰ্ভ ভাল আৰু বেকহেণ্ডৰ ত্ৰুটিসমূহ শুধৰাবলৈ ষ্টেফিয়ে যি কঠোৰ পৰিশ্ৰম কৰিছিল তাৰ সুফল তেওঁ পাইছে। মাৰ্টিনাৰ সৈতে হোৱা মেচখনত এইটোৱেই প্ৰমাণিত হৈছে যে খেলুৱৈ হিচাপে ষ্টেফিয়ে এতিয়া পৰিপূৰ্ণতা লাভ কৰিছে। গ্ৰাফৰ উত্থানৰ লগত স্বদেশীয় পুৰুষ খেলুৱৈ বৰিছ বেকাৰৰ সাদৃশ্য আছে। দুয়োজনেই আহিছে পশ্চিম জাৰ্মানিৰ হাইডেলবাৰ্গ অঞ্চলৰপৰা। অতি কম বয়সতেই দুয়োজনে লাভ কৰিছে বিশ্বখ্যাতি আৰু উভয়ৰ মাজতে আছে প্ৰকৃত চেম্পিয়নৰ কঠোৰ মানসিকতা। ষ্টেফি গ্ৰাফৰ সংগী, পৰামৰ্শদাতা আৰু প্ৰশিক্ষক তেওঁৰ দেউতাক পিটাৰ গ্ৰাফ। তেওঁ এখন টেনিছ স্কুল পৰিচালনা কৰে। মাত্ৰ ১৩ বছৰ বয়সতে গ্ৰাঁ-পিৰ ক্ৰম তালিকাত ষ্টেফিয়ে স্থান পায়। ইয়াৰ আগতে ইমান কম বয়সত এই সন্মান কোনেও লাভ কৰা নাছিল। আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে তেওঁ '৮৪ৰ অলিম্পিক ডেমনষ্ট্ৰেশ্যন টেনিছ খিতাপ লাভ কৰে (মাত্ৰ ১৪ বছৰ বয়সত)। বাতৰি কাকতৰ প্ৰচাৰে তেওঁৰ ওপৰত কোনো প্ৰভাৱ পেলাব পৰা নাই।

ষ্টেফি গ্ৰাফৰ হাঁহিত আছে সৰলতা। টেনিছৰ কথা ওলালে তেওঁৰ চকু উজলি উঠে; কিন্তু তাৰ লগতে আছে তেওঁৰ 'বিশ্বজয়'ৰ অতৃপ্ত আকাংক্ষা। মাৰ্টিনা নাভ্ৰাটিলোভাৰ বয়স ২৯ আৰু ক্ৰিছ লয়েডৰ বয়স ৩১ বছৰ। এওঁলোকৰ আধা বয়সৰ দৃঢ়সংকল্পমনা ষ্টেফিক আৰু কিমানদিন বাধাদি ৰাখিব পৰা যাব?

### বথামৰ প্ৰত্যাৱৰ্তন

মাদক দ্ৰব্য সেৱনৰ স্বীকাৰোক্তিৰ কাৰণে ৯ সপ্তাহ নিলম্বিত হৈ থকাৰ পাছত যোৱা ৩১ জুলাইত বথামে ইংলণ্ডৰ হৈ বিশ্ব-একাদশৰ বিৰুদ্ধে খেলে। এইখন খেলত বিশ্ব-একাদশে ৩২ ৰানত বিজয়ী হয়। বথামে ৩৫ ৰানৰ বিনিময়ত দুটা উইকেট সংগ্ৰহ কৰে। উইকেট দুটা হৈছে ভাৰতৰ গাভাস্কাৰ আৰু ৱেষ্ট-ইণ্ডিজৰ ৰিচি ৰিচাৰ্ডছনৰ। বথামে প্ৰথম ৭ অভাৰত ২৯ ৰান দিয়ে; কিন্তু দ্বিতীয় বাৰত দিয়ে ৪ অভাৰত মাত্ৰ ৬ ৰান। তেওঁ দুটা অ'ভাৰ বাউণ্ডেৰি আৰু এটা বাউণ্ডেৰিৰ সহায়ত কৰে ২৪ ৰান। অষ্ট্ৰেলিয়াৰ টেৰি অ'ল্ডাৰমেনৰ বলত তেওঁ ব'ল্ড আউট হয়।

### ব্ৰাজিলত মিনি বিশ্বকাপৰ পৰিকল্পনা

বিশ্বকাপ বিজয়ী ছখন দেশ—ব্ৰাজিল, উৰুগুৱে, আৰ্জেণ্টিনা, পশ্চিম জাৰ্মানি, ইংলণ্ড আৰু ইটালিক লৈ ১৯৮৯ চনত ব্ৰাজিলে মিনি বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ পৰিকল্পনা লৈছে। 'ফিফাই অনুমতি দিলে ব্ৰাজিল ফুটবল ফেডাৰেশ্যনে তেওঁলোকৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে এই প্ৰতিযোগিতাৰ ব্যৱস্থা কৰিব। 'ফিফা'ৰ বৰ্তমান সভাপতি জোৱাও হেভেলাঞ্জৰ নামেৰে বিজয়ী দেশক এটা কাপ দিয়া হ'ব।

### বিয়াৰজোট বৰখাস্ত

ইটালি ফুটবল দলৰ মেনেজাৰ এনজো বিয়াৰজোটক বৰখাস্তৰ কাৰণ মেক্সিকো বিশ্বকাপত যোৱাবাৰৰ চেম্পিয়ন ইটালি দলৰ ব্যৰ্থতা। ৫৯ বছৰ বয়সীয়া বিয়াৰজোট যোৱা ১০ বছৰ কাল ইটালিৰ ৰাষ্ট্ৰীয় ফুটবল দলৰ প্ৰশিক্ষক আছিল। তেওঁৰ সলনি ৰাষ্ট্ৰীয় প্ৰশিক্ষকৰূপে মনোনীত হৈছে ৫৩ বছৰ বয়সীয়া আজেগ্লিও ভিছিনি। তেওঁ আগতে ইটালিৰ ৰাষ্ট্ৰীয় যুব দলৰ প্ৰশিক্ষক আছিল।

### কালীচৰণে ভাৰতত খেলিবলৈ বিচাৰিছিল

বৰ্তমানে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা বহিস্কৃত আলভিন কালীচৰণে জনাইছে যে, এসময়ত তেওঁৰ ভাৰতৰ হৈ খেলাৰ আৰু স্থায়ীভাৱে ভাৰতত থকাৰ ইচ্ছা আছিল। কিন্তু ভাৰতীয় ক্ৰিকেট কণ্ট্ৰ'ল ব'ৰ্ডৰ কঠোৰ নীতিৰ ফলত সেইটো সম্ভৱপৰ হৈ উঠা নাছিল। ৰাজসিং ডুংগাৰপুৰে তেওঁক ৰাজস্থানৰ হৈ ৰঞ্জিট্ৰফিৰ খেলত অংশ গ্ৰহণৰ বাবে আমন্ত্ৰণ জনাইছিল।

আফ্ৰিকান বংশোদ্ভুত নোহোৱাৰ বাবে ৱেষ্ট-ইণ্ডিজ ক্ৰিকেট ব'ৰ্ড আৰু দলৰ সদস্যসকলে তেওঁৰ প্ৰতি বেয়া ব্যৱহাৰ কৰিছিল আৰু সেই কাৰণে কালীচৰণে ভাৰতৰহৈ খেলাৰ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু ভাৰতীয় ক্ৰিকেট কণ্ট'ল ব'ৰ্ডৰ নিষেধাজ্ঞাৰ কাৰণে কালীচৰণৰ ইচ্ছা বাস্তৱত ৰূপায়িত নহ'ল। এই ঘটনা ঘটিছিল ১৯৭৪ চনত। সেইবাৰ তেওঁ ৱেষ্ট-ইণ্ডিজৰ হৈ ভাৰত ভ্ৰমণ কৰিছিল।

### মাৰ্ডেকাত ভাৰতে ভাল খেলিলে

কুৱালামপুৰত অনুষ্ঠিত মাৰ্ডেকা ফুটবল প্ৰতিযোগিতাত ভাৰতে ভাল খেলিছে। গ্ৰুপৰ খেলত ভাৰতে ইণ্ডোনেছিয়াৰ লগত ১-১ গ'লত ড্ৰ কৰে, মালয়েছিয়াৰ হাতত ৩-০ গ'লত পৰাজিত হয়। দক্ষিণ আৰু থাইলেণ্ডৰ বিৰুদ্ধে জয়লাভ কৰে যথাক্ৰমে ৪-৩ আৰু ৩-১ গ'লত। ভাৰতে গ্ৰুপ-ৰাণাৰ্ছ হৈও ছেমিফাইনেল খেলৰ যোগ্যতা লাভ কৰে আৰু আনটো গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰী চেকোশ্লোভাকিয়াৰ লগত তীব্ৰ প্ৰতিদ্বন্দ্বিতা কৰি অতিৰিক্ত সময়ৰ খেল শেষ হ'বলৈ ৪ মিনিট বাকী থাকোঁতে দুৰ্ভাগ্যজনকভাৱে ফ্ৰি কিকৰপৰা হোৱা একমাত্ৰ গ'লেৰে পৰাজিত হয়। ভাৰতৰ আক্ৰমণ বিভাগৰ খেলুৱৈ কৃশানু দেই থাইলেণ্ডৰ বিৰুদ্ধে হেটট্ৰিক কৰে আৰু এই প্ৰতিযোগিতাত মুঠতে ৫ টা গ'ল স্ক'ৰ কৰে। মাৰ্ডেকা ফুটবল প্ৰতিযোগিতাত এইবাৰ ভাৰতকে লৈ নখন দেশে যোগদান কৰিছিল। যোগদানকাৰী আনদেশ কেইখন আছিল ঘৰুৱা দেশ মালয়েছিয়া, দক্ষিণ কোৰিয়া, ইণ্ডোনেছিয়া, থাইলেণ্ড, চেকোশ্লোভাকিয়া, জাপান, চীন আৰু ছিৰিয়া।

### মালয়েছিয়া চেম্পিয়ন

মালয়েছিয়াই ফাইনেলত চেকোশ্লোভাকিয়াক ৩-০ গ'লত পৰাজিত কৰি মাৰ্ডেকা কাপত ছেম্পিয়ন হৈছে। প্ৰতিযোগিতাত মুঠতে ৬ টা গ'ল দি সৰ্বোচ্চ গ'ল দাতাৰ সন্মান লাভ কৰিছে মালয়েছিয়াৰ ১৪ বছৰ বয়সীয়া ষ্ট্ৰাইকাৰ জয়নাল আবিদিনে।

### সংসাৰ আৰু সন্তান ঃ মেকেনৰোৰ আচৰণত পৰিবৰ্তন

অলপতে এখন সাংবাদিক মেলত জন মেকেনৰোৱে জনায় যে, তেওঁ পুনৰ টেনিছ জগতলৈ ঘূৰি আহিবলৈ বিচাৰে। টেনিছ জগতৰপৰা ছমাহৰ 'স্বেচ্ছা নিৰ্বাসনৰ' পাছত মেকেনৰোৰ শাৰীৰিক আৰু মানসিকভাৱে বেছ পৰিবৰ্তন ঘটিছে। তেওঁৰ মতে তেওঁৰ নতুন সংসাৰ আৰু পিতৃত্বই তেওঁৰ জীৱনলৈ পৰিবৰ্তন আনিছে। অভিনেত্ৰী তাটুম অ'নিল আৰু দুমহীয়া পুত্ৰ কেভিনৰ সৈতে জড়িত পাৰিবাৰিক জীৱনে মেকেনৰোৰ দৃষ্টিভংগী এনে দৰে সলনি কৰিছে যে, এসময়ৰ ক'ৰ্টৰ আৰু ক'ৰ্টৰ বাহিৰৰ বদমেজাজৰ মেকেনৰোক এইবাৰ হয়তো দৰ্শকে অন্যৰূপত দেখিব। 'পাৰিবাৰিক জীৱনে মানুহক এই দৰেই


উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ৰসায়নৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্ভৰযোগ্য কটন কলেজৰ অভিজ্ঞ অধ্যাপক ডঃ সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ৰচিত গ্ৰন্থ

ৰসায়ন বিজ্ঞানৰ আদিপাঠ

মূল্য—১২.০০ টকা

আৰু

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰসায়নৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কটন কলেজৰ অভিজ্ঞ অধ্যাপকদ্বয় ডঃ সত্যেন্দ্ৰ কুমাৰ চৌধুৰী আৰু কমলেশ চৌধুৰী ৰচিত অসমীয়া ভাষাত একমাত্ৰ গ্ৰন্থ

স্নাতক মহলাৰ ৰসায়ন
(ভৌত আৰু অজৈৱ)

মূল্য— ৪০.০০ টকা

আৰু লগতে

হিতেশ ডেকাৰ ভিন্নসুৰী উপন্যাস
বৈৰী মানুহ

মূল্য—১৫.০০ টকা

আৰু সংক্ৰমনৰ লিখক ডঃ বীৰেন্দ্ৰ নাথ ডেকাৰ নতুন আঙ্গিকৰ উপন্যাস

'তক্ষশীলাত বনমানুহ

মূল্য—২৫.০০ টকা

চন্দ্ৰ প্ৰকাশ
টিহু

সলনি কৰে'— মেকেনৰোৱে কয়। কিন্তু সাংবাদিকসকলে তেওঁৰ এই কথাত সন্দেহ প্ৰকাশ কৰি প্ৰশ্ন কৰে যে, লাইনছমেন আৰু খেলৰ বিচাৰক-সকলৰ প্ৰতি অতীতত যি কটুক্তি কৰিছিল নাইবা সন্দেহজনক সিদ্ধান্তৰ বিৰুদ্ধে তেওঁৰ যি উগ্ৰমূৰ্তি দেখা গৈছিল তাত জানো এই নৱঅৰ্জিত নম্ৰতাই প্ৰভাৱ পেলাব? ২৭ বছৰ বয়সীয়া মেকেনৰোৱে উত্তৰ দিয়ে, "আশাকৰোঁ প্ৰভাৱ পেলাব। মোৰ সেই স্বভাৱৰ বাবে ফ্ৰেঞ্চ-অপেন ফাইনেলত পৰাজিত হৈছিলো। জিকিব-লগীয়া কেইবাখনো আন্তঃৰাষ্ট্ৰীয় খেলতো মই পৰাজিত হৈছিলো। খেলৰ সময়ত প্ৰচণ্ড উত্তেজনা থাকে আৰু মই হৈ পৰোঁ ক্ৰোধত উন্মত্ত।" বৰ্তমান বিশ্বৰ ৭ নম্বৰ খেলুৱৈ হিচাপে চিহ্নিত মেকেনৰোৱে ৮০ৰ দশকৰ বাকী কেইবছৰ খেলৰ সময়ত "নিজকে নিয়ন্ত্ৰণত ৰখা"ৰ অনুশীলন ইতিমধ্যে আৰম্ভ কৰিছে। তেওঁ চাৰি আগষ্টৰ-পৰা ভাৰমণ্ট ষ্ট্ৰেটন গ্ৰাঁপি টুৰ্ণামেণ্টত অংশ গ্ৰহণ কৰিব যুক্তৰাষ্ট্ৰ অপেনৰ প্ৰস্তুতি হিচাপে। মেকেনৰোৱে শেষ প্ৰতিযোগিতামূলক মেচ খেলিছিল এই বছৰৰ জানুৱাৰী মাহত আৰু মাষ্টাৰ্ছ টেনিছৰ প্ৰথম ৰাউণ্ডতে তেওঁ আঁতৰি আহিবলগীয়া হৈছিল। '৮৬ চনত মেকেনৰোৰ লক্ষ্য মাষ্টাৰ্ছ গ্ৰাঁপি টুৰ্ণামেণ্টত খেলৰ যোগ্যতা লাভ কৰা লগতে চতুৰ্থবাৰলৈ যুক্তৰাষ্ট্ৰৰ খিতাব জয়ী হোৱা। নতুন 'ইমেজেৰে' বিশ্ব টেনিছলৈ ঘূৰি অহা মেকেনৰোক দেখা গৈছিল তেওঁৰ সেই চিৰাচৰিত স্পষ্ট বক্তাৰ ৰূপত এঘণ্টাৰ সাংবা-দিক মেলত।

### ছিউলত ছাত্ৰ বিক্ষোভ

অহা মাহত হ'বলগীয়া এছিয়ান গেমছ বন্ধ কৰাৰ দাবী জনাই ১৮ খন বিশ্ববিদ্যালয়ৰ প্ৰায় ৩০০ জন ছাত্ৰই বিক্ষোভ প্ৰদৰ্শন কৰাৰ বাবে পুলিছে ৬৪ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰিছে। চৰকাৰৰ বিৰুদ্ধে ছাত্ৰসকলৰ বিক্ষোভৰ কাৰণ হ'ল,— এছিয়ান গেমছৰ আগতে চহৰখন ধুনীয়াকৈ সজোৱাৰ উদ্দেশ্যে বেআইনীভাৱে বস্তি অঞ্চল ভাঙি পেলোৱা হৈছে।

"দৰিদ্ৰসকলক অধিকাৰৰপৰা বঞ্চিত কৰি খেল অনুষ্ঠিত কৰাৰ আমি বিৰোধী"— এই ধ্বনি দি বিক্ষোভ-কাৰী ছাত্ৰসকলে পেট্ৰল বোমা নিক্ষেপ কৰি পুলিছৰ এটা বুথৰ আয়না ভাঙি দিয়ে। —পুলক লাহিড়ী

৪৯ পৃষ্ঠাৰ পিছৰ পৰা

এই খিনিতে এটা কথা উনকিউৱা উচিত হব যে এই দখল উচ্ছেদ কাৰ্য জাতি-ধৰ্ম-নিৰ্বিশেষে কৰা হৈছিল। কোনোবা হিন্দু, কোনোবা মুছলমান, এইবোৰ বিবেচনা কৰা হোৱা নাছিল। লাইনৰ ভিতৰত সোমালে সকলো পমুৱা একে।

ইয়াৰ পাছত মই চামগুৰি ছাৰ্কো-লৰপৰা বৰপেটালৈ বদলি হলো। বৰপেটাৰো অৱস্থা একে। বৰপেটাৰ বহুত অংশত থাকিলে অসমত থকাৰ নিচিনা নালাগে। বস্তুৰ দামৰ এটা সামান্য কথা উল্লেখ কৰি বৰপেটাৰ কথাৰ সামৰণি মাৰিম। চামগুৰিত কিনা ১৮০ টকাৰ মটৰেৰে চামগুৰিৰ-পৰা বৰপেটালৈ ৰাওনা হ'লো। প্ৰথম দিনা চামগুৰিৰপৰা গুৱাহাটী পালোগৈ। গুৱাহাটীত মোৰ বন্ধু স্বৰ্গীয় উপেন্দ্ৰনাথ নবীচৰ ঘৰত উঠিলো। তেতিয়া ব্ৰহ্মপুত্ৰ দলং হোৱা নাই বা— হোৱাৰ কথাও ওলোৱা নাই। ব্ৰহ্মপুত্ৰ ফেৰিৰে পাৰ হ'ব লাগে। ফেৰি বান্ধি দিয়া সময়মতে যায়। যেতিয়াই তেতিয়াই নচলে। আমি পাছদিনা এক বজাৰ ফেৰিত পাৰ হ'বলৈ ঠিক কৰিলো। মোৰ লগত নবীচো যাবলৈ ওলাল। তেতিয়া ট্ৰাংক ৰ'ড পকা হোৱা নাই। বাটৰ দলংবোৰো প্ৰায়েই খৰালিৰ কাৰণে দিয়া বাহৰ দলং। বাৰিষা মাৰ নাৱৰে পাৰ হ'ব লাগে। একবজাৰ ফেৰিত পাৰ হৈ বৰপেটা কিমান সময়ত পাওঁ ঠিক নাই কাৰণে মোৰ লগৰ কাম কৰা ল'ৰাটো আৰু কিছু বস্তু বাহানি পুৱা ৮ বজাৰ ৰেলত পঠাবলৈ ঠিক কৰিলো। ৰেল আৰু বৰপেটা ৰ'ডৰ পৰা মটৰেৰে গৈ বৰপেটা দুইমান বজাত পোৱাৰ কথা। বৰপেটাৰ ইন্স-পেকশ্যন বঙলাত থাকিম বুলি আগতে খবৰ পঠাই দিছোঁ। মোৰ লগত লোৱা ল'ৰাটোক (নাম জগত) কলো— ইন্স-পেকশ্যন বঙলাত উঠি সকলো ঠিক-কৰি লৈ, বজাৰ-সমাৰ কৰি, গধুলি ভাতৰ যোগাৰ কৰিবলৈ। কিয়নো মোৰ পলমো হ'ব পাৰে। মই বৰপেটা দেখা নাই। মাত্ৰ শুনিছিলো বৰপেটাত মাছ-গাখীৰ উভৈনদী। সেইকাৰণে জগতক কলো, গধুলি ভাতৰ কাৰণে অলপ মাছ কিনিবলৈ। আমি মটৰেৰে গৈ ৰাতি আঠমান বজাত বৰপেটা পালোগৈ। পাই চাহ জলপান খাই জগতক সুধিলো, মাছ অলপ কিনি-লিনে? জগতে কিনিলো বুলি কোৱাত কিমানৰ কিনিলি বুলি সুধিলো। সি ক'লে দুঅনাৰ। মই অলপ বেয়া পাই কলো, সস্তাৰ ঠাই, অলপ ভালকৈ মাছ খাম বুলি ভাবিছিলো; তইনো দু অনাৰ মাছহে কিনিব পাৰিলে? সি ক'লে, বেয়া নহয় দিয়ক। সেই বুলি এসেৰ মান ওজনৰ ৰৌ মাছ এটা দেখুৱালে। মই অবাক হলো আৰু ৰাতি মাছেৰে ভালকৈ ভাত খালো। বৰপেটাত সেই সময়ত মাছৰ দাম তেনেকুৱাই। কাৱৈ-মাগুৰ মাছ যথেষ্ট পোৱা যায়। তেনে ডাঙৰ মাগুৰ মাছ মই আন ক'তো দেখা নাই। গাখীৰ টকাত ১৬ সেৰ আৰু বিক্ৰি নহলে পাছবেলা কেতিয়াবা দুপইচা সেৰেও দি যায়। বৰপেটাত তেনেকুৱা পানীৰ দৰৰ মাছ খোৱাৰ ভাগ্য মোৰ বেছি দিনলৈ নাথাকিল। মই টান বেমাৰত পৰিলো। চাৰি মাহৰ ছুটি লৈ শ্বিলং পাহাৰত মাজু ককাইদেউৰ তাত আশ্ৰয় ললোগৈ। মাজু ককাইদেউ ডাক্তৰ বিৰজা কুমাৰ পদ্মপতি সেই সময়ত নাম কৰা চিকিৎসক আছিল। ককাই দেউৰ চিকিৎসাত মই সোনকালে আৰোগ্য হলো।



১৬ পৃষ্ঠাৰ পিছৰ পৰা

পঞ্জাব পুলিছ আৰু ছি· আৰ· পি· বাহিনীয়েও পৰস্পৰক সন্দেহ কৰে। দুয়োটা বাহিনীৰ মাজত সংঘৰ্ষও হৈছে।

সমস্যা আজি ইমানেই গভীৰ হৈ পৰিছে যে এই সন্ধিক্ষণত বাৰ-নালাৰ অপসাৰণেও উগ্ৰপন্থী আৰু বাদলপন্থীসকলৰ জয়লাভহে সূচিত কৰিব বুলি অনেকে ভাবে। এই দুয়োটা পক্ষই পঞ্জাব চুক্তিৰ বিৰোধী-ৰূপে প্ৰখ্যাত। আনহাতে বৰ্তমানে বাৰনালাৰ বাহিৰে পঞ্জাবৰ নেতৃত্ব ল'ব পৰা দ্বিতীয় এজন লোক অকালি দলততো নায়েই, ই·কংগ্ৰেছ দলতো নাই। তদুপৰি ৰাষ্ট্ৰপতিৰ শাসনৰ জৰিয়তে যে উগ্ৰপন্থীৰ সমস্যাটো সমাধান কৰিব নোৱাৰি সেই কথাও আগতেই প্ৰমাণিত হৈ গৈছে। এনেবোৰ প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত চৰকাৰে সমস্যাটোৰ সমাধানত অতি সতৰ্কতাৰে আগবঢ়াৰ প্ৰয়োজনে দেখা দিছে। প্ৰথম কথা, চৰকাৰে বাদলপন্থীসকলক নিজৰ হাতলৈ আনিবলৈ এটা চেষ্টা কৰি উগ্ৰপন্থীসকলক অকলশৰীয়া কৰা উচিত হ'ব। প্ৰকাশ সিং বাদলৰ দৰে এজন প্ৰভাৱশালী আৰু জনপ্ৰিয় নেতাক পঞ্জাব চুক্তি স্বাক্ষৰ কৰাৰ সময়ত একাষৰীয়া কৰি ৰখাটো যে যুক্তি-সংগত কাম নাছিল, বৰ্তমান অৱস্থাই তাকে প্ৰমাণ কৰে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে সমস্যাটোৰ সমাধানত এক হেঁচোকা পিছলা নীতি অৱলম্বন কৰি আন্দোলনটোৰ স্বাভাৱিক মৃত্যু ঘটাবলৈ প্ৰচেষ্টা চলাই অহাত হিতেই বিপৰীত হ'ল।

ইয়াৰ উপৰিও কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়টো এচাম আৰ· এছ· এছ· মাৰ্কা বিষয়াৰ দ্বাৰা পৰিবেষ্টিত হৈ থকা বাবে বহুক্ষেত্ৰত তেওঁলোকে সমস্যাটো অধিক জটিল কৰি তুলিছে। এই বিষয়াচামে দেশৰ প্ৰতিটো সাম্প্ৰ-দায়িক সংঘৰ্ষৰ সময়তে চৰকাৰক ভুলপথেৰে পৰিচালিত কৰিবলৈ প্ৰয়াস কৰি আহিছে। অসম আন্দোলনৰ আলোচনা দীঘলীয়া কৰাতো এই বিষয়া চামৰ অৰিহণা যথেষ্ট। কেন্দ্ৰীয় চৰকাৰে পঞ্জাব সমস্যাৰ লগতে অন্যান্য সাম্প্ৰদায়িক সমস্যাসমূহ আঁতৰ কৰিবলৈ হ'লে গৃহমন্ত্ৰণালয়টো নতুনকৈ সংগঠিত কৰিব লাগিব।

বৰ্তমান পৰিস্থিতিত ৰাজ্যখনলৈ শান্তি কেতিয়া, কেনেকৈ ঘূৰি আহিব, সেইটো প্ৰশ্নৰ উত্তৰ সুদক্ষ ৰাজনৈতিক পণ্ডিতৰ হাততো নাই।

১০ পৃষ্ঠাৰ পিছৰ পৰা

বাহিনীত এক তৃতীয়াংশ লোক ৰাজ্যৰ বাহিৰৰপৰা মকৰল কৰাটো— যিটো আনকি এতিয়াই সৰ্বভাৰতীয় সেৱা-সমূহৰ বাবে মানুহ বাছনি কৰোতে আৰু ৰাজ্যবোৰৰ উচ্চ ন্যায়ালয়সমূহত নিযুক্তি দিওঁতে কৰা হৈছে। এইটো কাম কৰিলে বৰ্তমান পুলিছ বাহিনীত চলি থকা প্ৰায়ে জাতপাত আৰু সম্প্ৰ-দায়ৰ ভিত্তিত দিয়া স্থানীয় আকৰ্ষণৰ হেঁচা হ্ৰাস পাব।

বাৰম্বাৰ প্ৰমাণিত হৈ আহিছে যে ৰথযাত্ৰাবোৰ সাম্প্ৰদায়িক সংঘৰ্ষত সামৰণি নপৰিলেও সেইবোৰে উত্তে-জনাৰ সৃষ্টি কৰে। উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আৰু ৰাজস্থানত যিবোৰ ঘটি গৈছে সেইবোৰৰ পৰা কোনেও শিক্ষা নোলোৱাটো আচৰিত কথা; এতিয়া গুজৰাটত ঘটিছে। ৰথযাত্ৰাবোৰ হয় নিষিদ্ধ কৰিব লাগে, নহয় মুছলমান অধ্যুষিত অঞ্চলৰ মাজেদি সেইবোৰ যাবলৈ দিব নালাগে। সেই একেটা ব্যৱস্থাই ল'ব লাগে মন্দিৰ, মছজিদ আৰু গুৰুদ্বাৰৰ বাহিৰত দিয়া দিয়া লাউডস্পীকাৰ-বোৰৰ ক্ষেত্ৰতো।

আমি সম্প্ৰদায়িক দল নিষিদ্ধ কৰাৰ বিষয়টোও বিবেচনা কৰিব লাগে। অৱশ্যেই সেইবোৰে আন কিবা নাম লৈ কাৰ্যনিৰ্বাহ কৰি থাকিব হয়তো, তথাপি তেওঁলোকে সেইবোৰ নামত হিন্দু, মুছলমান, পন্থ বা খৃষ্টান প্ৰকৃত শব্দবোৰ অন্ততঃ ব্যৱহাৰ নকৰিব। আইন মন্ত্ৰণালয়ে প্ৰস্তাৱটো বিবেচনা কৰিছে আৰু তেওঁলোকৰ ধাৰণা যে আইন সম্মতভাৱে এটা নিষেধাজ্ঞা জাৰি কৰিব পাৰি। দৰা-চলতে সংবিধান পৰিষদে এইটো চুপা-ৰিচ কৰিছিল, কিন্তু নেহৰুৱে তেওঁৰ বিজ্ঞতাৰে প্ৰস্তাৱটো স্থগিত ৰাখিলে।

অৱশ্যে সাম্প্ৰদায়িকতাৰ সম্পৰ্কত চৰকাৰৰ মনোভাৱ আত্মসন্তুষ্টিৰে পৰিপূৰ্ণ। সিদিনা লোকসভাই সাম্প্ৰ-দায়িকতাবাদৰ বিষয়ে আলোচনা আৰম্ভ কৰোতে সদনত কোনো এজন কেবিনেট মন্ত্ৰীয়েই উপস্থিত নাছিল। অৱশ্যে আজিকালি বহু বিষয় চোৰা-চিতা কৰা কিন্তু কেবিনেট মৰ্যদা নথকা অনভিজ্ঞ যুৱক পি চিদাম্বৰম সদনত আছিল আৰু তেওঁ বিতৰ্কৰ বিশদ টোকা ৰাখিছিল; সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষয়ে তেওঁৰ অভিজ্ঞতা আহমদাবাদত এদিনীয়া ভ্ৰমণ। সেই কাৰণেই অশান্তি হ'লেই যে প্ৰশাসন সদায় অপ্ৰস্তুত অৱস্থাত ধৰা পৰি যায় সেইটোত আচৰিত হ'ব লগা নাই। আৰু চিৰা-চৰিতভাৱে কৰা চিঞৰ-বাখৰ কিছুমান বা ৰাষ্ট্ৰীয় সংহতি পৰিষদৰ বৈঠক বহুৱাত বাদে ভাৰত চৰকাৰে বিশেষ একোকে নকৰে। বিভিন্ন তদন্ত আয়োগৰ চুপাৰিচসমূহ কেৱল কাকত পত্ৰতে আৱদ্ধ হৈ থাকে। দৰাচলতে চল্লিছৰ দশকত যেনেকুৱা আছিল তাতকৈ সাম্প্ৰদায়িকতাবাদ এতিয়া অধিক পৰিব্যাপক আৰু নগ্ন হৈ পৰিছে আটাইতকৈ শোচনীয় দিশটো হ'ল সংখ্যালঘুসকলৰ মাজত সংখ্যা-গৰিষ্ঠ সম্প্ৰদায়ে সঞ্চাৰ কৰা ভয়ৰ মানসিকতাটো। বহুতৰ কাৰণেই ধৰ্মৰ অৰ্থ হৈ পৰিছে মন্ত্ৰ বা প্ৰাৰ্থনা। ধৰ্মই যিবোৰ প্ৰমূল্যক প্ৰতিনিধিত্ব কৰিছে সেইবোৰ পাহৰি যোৱা হৈছে। অসহিষ্ণুতা আৰু অন্ধ গোড়ামি আৰু তাৰ লগতে ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থত কৰা চল-চাতুৰীয়ে ধৰ্মক ভাৰতত এটা প্ৰহসনত পৰিণত কৰিছে। সময় উকলি যোৱাৰ আগেয়েই ধৰ্মনিৰপেক্ষ শক্তিসমূহে তেওঁলোকৰ কণ্ঠস্বৰ নিনাদিত কৰি তুলিব লাগিব।

# আমোলাৰ অবদান

যোৱা জুন মাহত উত্তৰ প্ৰদেশ কেডাৰৰ আই. এ. এছ. বিষয়া শ্ৰীধৰম সিং ৰাৱাটে দিল্লীৰ ব'ট ক্লাবত অনশন ধৰ্মঘট কৰিছিল। সতীৰ্থসকলৰ কৰ্ম-কাণ্ডৰ বিৰুদ্ধে থকা তেখেতৰ ক্ষোভ প্ৰকাশ কৰিবলৈ আৰু সেই কৰ্ম-কাণ্ডৰ প্ৰতি দেশৰ জন-সাধাৰণক সচেতন কৰিবলৈকে তেখেতে সেই কাম কৰিছিল। তেখেতৰ মতে প্ৰশাসক বিষয়াসকলে যিটো শাসন-ব্যৱস্থা গঢ়ি তোলে, সেইটো শাসন-ব্যৱস্থা জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি সঁহাৰিমূলক নহয়। এডমিনিষ্ট্ৰেটৰসকলে নিজকে পাবলিক ছাৰভেণ্ট বুলি কয়, কিন্তু তেওঁলোকৰ পাবলিক ছাৰ্ভিছ ক'ত! শ্ৰীৰাৱাটে প্ৰশাসকসকলৰ মনোবৃত্তি, বৈষয়িক সুখ-সুবিধাৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী, তেওঁলোকে পোৱা সুখ-সুবিধাৰ বিপৰীতে প্ৰশাসন বা জন সাধাৰণে তেওঁলোকৰপৰা কি পাইছে,— এনে ধৰণৰ কিছুমান প্ৰশ্ন ক্ষোভেৰে উত্থাপন কৰিছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে শ্ৰীৰাৱাটৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰিছিল।

এই ঘটনাৰ স্মৃতিয়ে অইন এটা অধিক গভীৰত থকা কথাহে আমাৰ মনলৈ আনিছে। কথাটো সমগ্ৰ ভাৰতৰ ক্ষেত্ৰতেই বিচাৰ্য, কিন্তু আমি আলোচনা কৰোঁতে ঘাইকৈ অসমৰ কথাই আমাৰ মনৰ পটভূমিত থাকিব।

তীক্ষ্ণ বুদ্ধি থকা, তীক্ষ্ণ বিচাৰ-বুদ্ধি থকা, মেধাবী লোকক পোনে পোনে আই. এ. এছ. বিষয়া হিচাপে নিৰ্বাচন কৰা হয়। প্ৰমোছনৰ জৰিয়তে আই. এ. এছ. পৰ্যায়লৈ উঠা বিষয়াসকলেও ইতিমধ্যে পাৰ কৰা সুদীৰ্ঘ চাকৰি-কালত প্ৰচুৰ পৰিমাণে অভিজ্ঞতা, প্ৰশাসনিক দক্ষতা, জ্ঞান আদি অৰ্জন কৰে।

এই নিৰ্বাচন পদ্ধতিটোৰ লগত ৰাজনৈতিক প্ৰতিনিধি 'নিৰ্বাচন'ৰ পদ্ধতিটোৰ ডাঙৰ পাৰ্থক্য আছে।

দুটা সুকীয়া পদ্ধতিৰে (কবলৈ গ'লে প্ৰায় দুখন বেলেগ জগতৰ পৰা?) নিৰ্বাচন কৰা এই দুবিধ লোক প্ৰশাসনৰ কেন্দ্ৰস্থলত লগ লাগে। তাৰ পাছত তেওঁলোক, নিয়মমতে, পৰস্পৰৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিব লাগে। এইখিনিতেই অসুবিধাটো হয়। এই জড়িত হৈ পৰাৰ প্ৰক্ৰিয়াটো জটিল। কামৰ প্ৰতি স্পৃহা আৰু কিছুমান নীতিয়ে এই মিলন-মিশ্ৰণৰ প্ৰক্ৰিয়াত অনুঘটকৰ (catalyst অৰ) কাম কৰে। সৎকৰ্মৰ প্ৰতি স্পৃহা আৰু সুনীতিয়ে যিমানে বেছিকৈ অনুঘটকৰ কাম কৰে, সিমানে দেশৰ মংগল হয়; অপকৰ্ম আৰু দুৰ্নীতিয়ে যিমানে বেছিকৈ অনুঘটকৰ কাম কৰে, সিমানে দেশৰ অমংগল হয়। খাদ্য যোগান নিয়াৰি কৰিবলৈ যোগান বিভাগৰ মন্ত্ৰী আৰু যোগান বিভাগৰ সচিব ঘনিষ্ঠ হৈ পৰিব পাৰে; আনহাতে মীনমহল (fishery) এখন ধ্বংস কৰিবলৈও স্থানীয় এম. এল. এ আৰু ডেপুটি কমিছনাৰজন এক গোট হৈ যাব পাৰে।

মিলন-মিশ্ৰণ, সংযোগ-বিচ্ছেদ আদিৰ এই সুদীৰ্ঘ কাল চলি থকা প্ৰক্ৰিয়াটোৰ ফলত যিবোৰ কথা ৰাইজৰ মাজলৈ ওলাই আহে, সেইবোৰৰ মাজৰ এটা কথা লক্ষণীয়। আমি শুনো,—অমুক মন্ত্ৰী হৈ থকাৰ দিনতে অমুক এই অঞ্চলৰ এম. এল. এ হৈ থকাৰ দিনতে অমুক ভাল কামটো হ'ল। কিন্তু অমুক যোগান বিভাগৰ সচিব হৈ থকাৰ দিনতে, অমুক ইয়াৰ ডেপুটি কমিছনাৰ হৈ থকাৰ দিনতে অমুক ভাল কামটো হ'ল—এনেকুৱা কথা প্ৰায় নুশুনোৱেই। কিয়? ইমান তীক্ষ্ণবুদ্ধিসম্পন্ন, মেধাবী, অভিজ্ঞ বিষয়াসকলৰ নাম একোটা মহৎ কামৰ ইতিহাসৰ লগত জড়িত নহয় কিয়? সকলো উচ্চপদস্থ বিষয়াই দেশপ্ৰেমৰ ভাৱত উদ্বুদ্ধ হৈ চাকৰি নকৰে। কিন্তু কোনেও নকৰেনে? কিছুমানেতো কৰে! বিধান সভা নাথাকিলে বা সক্ৰিয় হৈ নাথাকিলে এই বিষয়াসকলেইতো ৰাজ্য চলায়! এইখিনিতে ঘপহকৈ এটা উত্তৰ আহে: "সেইটোৱেই কথা! বিধানসভা নাথাকিলেই হস্তক্ষেপ, প্ৰতিবন্ধক নোহোৱাকৈ কাম কৰিব পাৰি।"

আৰু, এইটো উত্তৰৰ মাজতে গণ্ডগোলটোৰ আভাস পোৱা যায়। হস্তক্ষেপ। প্ৰতিবন্ধক। কিন্তু আপুনি ৰাজনৈতিক পক্ষটোক সোধক; সেইফালৰ পৰাও একে উত্তৰেই পাব। ইয়াৰ লগতে অসমীয়া আই. এ. এছ অনা-অসমীয়া আই. এ. এছ. বিষয়াৰ কথাও ওলাব। কথোপকথনবোৰ এনে ধৰণৰ: (১) বাহিৰৰ মানুহৰ অসমৰ ভালৰ কাৰণে কাম কৰাৰ আগ্ৰহতো কম হবই! (২) নহয় হে, আমাৰ মথাহে ছাৰ। এওঁলোকেহে সৰ্বনাশ কৰিলে। (৩) তোমালোকেতো দিল্লী-মাদ্ৰাজত কাৰ কেইটা দালান উঠিছে সেইবোৰ নেদেখা! চকুৰ আগত থকা কেইজনে বাৰান্দা এখন বঢ়ালেও দেখা। (৪) আজি অ'ত, কাইলৈ ত'ত; কোনটো বিষয়ত মোৰ দক্ষতা আছে, সেইটো বিচাৰ কৰি মোক কাম দিয়া হয়নে? —ইত্যাদি।

(প্ৰসংগক্ৰমে: বছৰে অসমত সাত-আঠ গৰাকী আই. এ.এছ. বিষয়াক পোনে পোনে নিযুক্তি দিয়া হয়, তেওঁলোকৰ মাজত এজন-দুজন অসমীয়া লোক থাকেও, নাথাকেও। গতিকে এ. ছি. এছৰ পৰা প্ৰমোছন দিয়াৰ প্ৰশ্নটোত অসমৰ ক্ষেত্ৰত এটা সুকীয়া গুৰুত্ব আছে।)

মূল কথাটোলৈ আহোঁ। দুই-এগৰাকী প্ৰবীণ (অৱসৰ প্ৰাপ্ত) বিষয়াৰ স্মৃতিকথা জাতীয় কিছু কথা আমি অ'ত-ত'ত পঢ়িবলৈ পাওঁ। স্বাভাৱিকতে এসময়ৰ এই ক্ষমতাবান, বুদ্ধিমান লোকসকলে ক'ত কি ভাল কাম কৰিছিল, সেই বিষয়ে জানিবলৈ সেইবোৰ লেখা আগ্ৰহেৰে পঢ়োঁ। আমি আশা কৰোঁ,—দেশকৰ্মী, সমাজকৰ্মী, ৰাজনৈতিক নেতা, শিক্ষক, সাহিত্যিক, শিল্পী আদিৰ দৰে, কাম কৰিবলৈ সুবিধা আৰু ক্ষমতা পোৱাসকলৰ অৱদানৰ কথায়ো সমাজৰ ইতিহাসত ঠাই পাওক। প্ৰশাসনৰ দায়িত্বত থকা দুয়োটা পক্ষই চাব লাগিব, যাতে কাৰো ভাল কাম কৰাৰ সদিচ্ছাই চেপা নাখায়।



